# ডিগবৈ মহাবিদ্যালয় আলোচনী



ম্পাদক: দ্বীপেন কুমাৰ বড়া

ডিগবৈ মহাবিদ্যালয় ছাত্র সন্থাৰ বছৰেকীয়া প্ৰকাশ —

# ডিগবৈ মহাবিদ্যালয় আলোচনী

## দ্বাদশ সংখ্যা

১৯৮৮-৮৯ চন

সম্পাদক —
দীপেন কুমাৰ বড়া

# ডিগবৈ মহাবিদ্যালয় আলোচনী

## ডিগবৈ মহাবিদ্যালয় ছাত্ৰসন্থাৰ বাৰ্ষিক মুখপত্ৰ

**দ্বাদশ সংখ্যা, ১৯৮৮–৮৯ চন**


| সম্পাদনা সমিতি | অন্যান্য |
|---|---|

**পৃষ্ঠপোষক ঃ**

শ্ৰীযুতা স্বৰ্ণলতা গগৈ, ভাৰপ্ৰাপ্ত অধ্যক্ষা

**ভাৰপ্ৰাপ্ত অধ্যাপক ঃ**

শ্ৰীযুত বিনোদ গগৈ

**সদস্য/সদস্যাবৃন্দ ঃ**

অধ্যাপক ৰজনী বৰুৱা
" হিতেন শৰ্মা
" তৰুণ চন্দ্ৰ হাজৰিকা
অধ্যাপিকা অণু বৰগোহাঁই (গগৈ)
শ্ৰীৰণ্‌জিত ফুকন
" নূপুৰ বৰা
" সীমান্ত মাধৱ কটকী
শ্ৰীমতী বিনীতা ভূঞা

**সম্পাদক ঃ**

শ্ৰীদীপেন কুমাৰ বড়া

**প্ৰচ্ছদপট ঃ**

কমলা কান্ত বৰগোহাঁই

**অংগ সজ্জা ঃ**

সম্পাদনা সমিতি

**প্ৰকাশক ঃ**

সম্পাদনা সমিতি
ডিগবৈ মহাবিদ্যালয় ছাত্ৰসন্থাৰ হৈ

**প্ৰকাশ কাল ঃ**

আগষ্ট, ১৯৮৯ চন

**মুদ্ৰণ ঃ**

**দি অসম পেপাৰ ইণ্ডাষ্ট্ৰী**
খ/৫, চৰকাৰী ঔদ্যোগিক পাম
বৰগুৰি, তিনিচুকীয়া - ৭৮৬ ১২৫

# – উচৰ্গা –



"মৃত্যু নিষ্ঠুৰ হ'লেও ই এক শ্বাশ্বত সত্য"

যোৱা ২৪ ডিচেম্বৰ '৮৮ তাৰিখে আকস্মিক দুৰ্ঘটনাত পতিত হৈ অকালতে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই যোৱা সৰবৰহী ছাত্ৰনেতা তথা আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৺তুলসী বৰাৰ পবিত্ৰ স্মৃতিত এই সংখ্যাটি উচৰ্গা কৰিলোঁ।

**— সম্পাদনা সমিতি**
ডিগবৈ মহাবিদ্যালয় আলোচনী
১৯৮৮-৮৯ চন

শ্বহীদ নহয় তুমি জাতিৰ চেতনা
মহত্তম ত্যাগ আৰু অগ্নিক প্ৰেৰণা ।

স্বদেশ স্বজাতিৰ ভৱিষ্যতৰ হকে যিসকল জ্ঞাত-অজ্ঞাত
ব্যক্তিয়ে নিজৰ বৰ্ত্তমানক বিসৰ্জন দি অসমী
আইৰ সেউজী বুকু ৰাঙলী কৰি গ'ল
সেই পুণ্যাত্মা অমৰ শ্বহীদ সকলৈ
আমাৰ একাজলী অশ্ৰু অঞ্জলী নিবেদিলোঁ ।

সম্পাদনা সমিতি

# ॥ শ্ৰদ্ধাৰে সুঁৱৰিছোঁ ॥



৺পূৰবী ফুকন

৺প্ৰফুল্ল কুমাৰ বৰুৱা

৺মহেন্দ্ৰ ফুকন

৺ললিত দুৱৰা

বিগত বছৰটোত আমাৰ মাজৰ পৰা অকালতে হেৰাই যোৱা
আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ প্ৰফুল্ল কুমাৰ বৰুৱা,
স্নাতক ২য় বাৰ্ষিকৰ কলা শাখাৰ ছাত্ৰ মহেন্দ্ৰ ফুকন,
স্নাতক ১ম বাৰ্ষিক বিজ্ঞান শাখাৰ ছাত্ৰী পূৰবী ফুকন
আৰু
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ১৯৭৯-৮০ ৰ
সাধাৰণ সম্পাদক ললিত দুৱৰাৰ মৃত্যুত
আমি মৰ্মাহত হৈছোঁ। সেইসকল বিদেহী
আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

সম্পাদনা সমিতি

বিঃ দ্ৰঃ — ৺প্ৰফুল্ল কুমাৰ বৰুৱা, ৺মহেন্দ্ৰ ফুকন আৰু ৺ললিত দুৱৰাৰ ফটো প্ৰকাশ কৰিব নোৱাৰাৰ বাবে দুখিত। — সম্পাদক

# শ্ৰদ্ধাঞ্জলি

বিগত বছৰটোত যিসকল মহান আত্মা আৰু প্ৰতিভাৱান ব্যক্তিয়ে পাৰ্থিৱ সংসৰ্গ ত্যাগ কৰি ঔৰ্দ্ধদৈহিক প্ৰশান্তি লাভ কৰিলে, যি-সকলৰ স্মৃতি-সৌৰভৰ শূন্যতা অহৰ্নিশে অনুভৱ কৰিছোঁ, যিসকলে ভাষা, সাহিত্য, সংস্কৃতি তথা জাতীয় জীৱন সোণসেৰীয়া অৱদানেৰে উজ্জ্বল কৰি গৈছে, সেই বৰণ্য ব্যক্তিসকললৈ আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। —

**সম্পাদনা সমিতি**
ডিগবৈ মহাবিদ্যালয় আলোচনী
১৯৮৮-৮৯

পাকিস্তানৰ ৰাষ্ট্ৰপতি জিয়াউল হক, প্ৰখ্যাত ৰাজনীতিবিদ আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী হেমবতী নন্দন বহুগুনা, কটন কলেজৰ প্ৰাক্তন অধ্যক্ষা ড° পাৰুকুটি বৰুৱা, প্ৰাক্তন বিধায়ক আলতাফ্ হুচেইন মজুমদাৰ, ৰাষ্ট্ৰীয় বেডমিণ্টন চেম্পিয়ন চৈয়দ মোডী, অসমৰ প্ৰাক্তন ৰাজ্যপাল প্ৰকাশ মেহৰোত্ৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° পবন মহন্ত, প্ৰখ্যাত চলচিত্ৰ অভিনেতা, পৰিচালক তথা প্ৰযোজক ৰাজ কাপুৰ, চলচিত্ৰ অভিনেত্ৰী ইভা আচাও, কটন কলেজৰ প্ৰাক্তন অধ্যাপক ৰামমল ঠাকুৰীয়া, শিক্ষাবিদ লক্ষ্মীপ্ৰসাদ দত্ত, প্ৰখ্যাত ৰাজনীতিবিদ আৰু মুক্তি যুজাৰু এচ, এম, যোশী, হিন্দী কবি চৌহন ত্ৰিবেদী, কুটনীতিবিদ বিজয় বৰঠাকুৰ, বিজ্ঞানী সুব্ৰতানন্দ দুৱৰা, পুৰাতাত্বিক পণ্ডিত ড° সাংখালিয়া, সাহিত্যিক মোহন চন্দ্ৰ মহন্ত, নাট্যকাৰ ছাফদাৰ হাছ্মী, বীৰ বাহাদুৰ সিং, প্ৰখ্যাত ক্ৰিকেট সংগঠক ফাটেহসিং গাইকোৱেড়, প্ৰাক্তন কৃতী ফুটবল খেলুৱৈ ৰিচাৰ্ড হেৰো, ডিব্ৰুগড় নাও দুৰ্ঘটনাত পতিত হোৱা ছাত্ৰ-ছাত্ৰীসকল, ভাৰতৰ উত্তৰ-পূব আৰু পশ্চিম প্ৰান্তত বিমান দুৰ্ঘটনাত (১৯-১০-৮৮) মৃত্যু হোৱা ব্যক্তিসকল।

নিঃসীম নীলিমাত থ'লো মোৰ হাত
'আৰ্ কি দিম, দুচকুৰ হিম ?'
বুকুত বাজিল কাৰ কৰ্ণ মাত ॥
— হীৰেণ ভট্টাচাৰ্য্য

*Mahim Bora*
Amolapatty
P. Sarmah Road
**NAGAON (Assam)**
PIN-782 001

**মহিম বৰা**
আমোলাপট্টি
প্ৰতাপ শৰ্ম্মা পথ
**নগাঁও (অসম)**
**পিন-৭৮২ ০০১**

# শুভেচ্ছাবাণী

ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীলৈ মোৰ শুভ ইচ্ছা জনালোঁ। আজিৰ ছাত্ৰ-সকলৰ ওপৰত ভৱিষ্যতৰ বহুত দায়িত্ব আহি পৰিছে। ছাত্ৰসকলে প্ৰতিটো মুহূৰ্তৰ সজ ব্যৱহাৰ কৰাৰ ওপৰত দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। কঠোৰ পৰিশ্ৰমৰ বিকল্প নাই। ক্ষন্তেকীয়া আমোদৰ পিছত ল'ৰি জীৱনৰ সোণোৱালী ক্ষণবিলাক যাতে উকৱাই নিদিওঁ তাৰ বাবে সতৰ্ক থাকিব লাগিব।

ভগৱন্তই আপোনালোকক কৃপা দিয়ক। ইতি —

শ্ৰীমহিম বৰা
সভাপতি
অসম সাহিত্য সভা

৩/২/৮৯

# ডিগবৈ মহাবিদ্যালয় আলোচনী

দ্বাদশ সংখ্যা
১৯৮৮-৮৯ চন।

## সূচীপত্ৰৰ অনুক্ৰমণিকা

জীৱনৰ সঁচা অভিজ্ঞতাসমূহৰ পাণ্ডিত্যপূৰ্ণ বিশ্লেষণতেই প্ৰবন্ধৰ সৃষ্টি হয়। সমাজ তথা জীৱনৰ দোষ-ত্ৰুটিবোৰৰ নিৰপেক্ষ আৰু নিৰ্ভীক সমালোচনাই হ'ল প্ৰবন্ধ। প্ৰবন্ধত কল্পনাৰ কোনো প্ৰলেপ নাথাকে।

### প্ৰবন্ধৰ শৰাই


* চিৰস্মৰণীয় কবি টি, এছ, এলিয়ট — প্ৰণামী গোস্বামী/১
* বায়ুমণ্ডলৰ অজ'ন স্তৰ আৰু ইয়াৰ ক্ষয়ীভৱনৰ ভয়াবহতা— অৰুণ শৰ্মা/৭
* কবি আৰু কবিতা — বিনোদ গগৈ/১০
* ৰহস্যময় মাছ চিল'কান্থ — অণু বৰগোহাঁই (গগৈ)/১৩
* অতিপৰিবাহিতা আৰু সম্ভাৱনা — দীপিকা হাজৰিকা/১৯
* প্ৰবন্ধ লিখন কলা—মণিদীপা কোঁৱৰ/২৪
* বৰ্ত্তমান প্ৰজন্ম : কেইটামান প্ৰাসঙ্গিক কথা — অশোকা নন্দ চক্ৰৱৰ্ত্তী/২৮
* ক্যাৰাটে কি ? — ৰবীন মৰাণ/৩১
* অসমৰ থলুৱা সংস্কৃতি — আবিদুল ইছলাম বৰা/৩৬


### কবিতা মালঞ্চ


* এটা শোকৰ কবিতা—অধ্যাপক ৰজনী বৰুৱা/আঁহত ভলৰ সপোন — অধ্যাপক হিতেন শৰ্মা/৪০
* বিনিৰ্গত ৰজনী — অধ্যাপক বিকাশ কুমাৰ বৰুৱা/ত্ৰিধাৰা—নূপুৰ বৰা/৪১
* দাপোণত অন্তৰ্মুখিতা—বিনীতা ভূঞা/কবিতা-প্ৰেম-শব্দ—ৰণজিৎ ফুকন/৪২
* বেজবৰুৱা প্ৰশস্তি — অম্বেশ্বৰ বড়া/৪৩
* হেৰুৱা বন্ধুৰ স্মৃতিত — বিনয় দাস/সেৱা — জিতেন্দ্ৰ মৰাণ/সত্যৰেই জয় — সত্যব্ৰত ক্ষেত্ৰী/৪৪
* বিদায়ৰ গান — বৰুণ দেৱ/স্মৃতি — মোহন মৰাণ/৪৫


কবিতা হৈছে হাঁহিভৰা আনন্দৰ এক পবিত্ৰ দেৱশৰীৰ, লোতক বিমোচক এক হুমুনিয়াহ। কবিতা এক অশৰীৰী যি বাস কৰে আত্মাত, যাৰ পৰিপুষ্টি হয় পৰিশীলিত হৃদয়ত, যাৰ সুৰা হৈছে প্ৰেম। ইয়াৰ বিপৰীতে যিবোৰ কবিতাৰ সৃষ্টি সেই কবিতা ভুৱা ত্ৰাণ কৰ্তাৰ দৰে।
— খলিল জিব্ৰান

গল্প সুসংগঠ আৰ্ট। ইয়াৰ যোগেদি কোনো এটা কেন্দ্ৰীভূত ভাব প্ৰকাশ কৰা হয়। বিক্ষিপ্ত ভাবধাৰাৰ সমাবেশৰ ঠাই গল্পত নাই। কোনো এটি বিশেষ মুহূৰ্তৰ ওপৰত আলোকপাত কৰি জীৱনৰ কোনো এটি দিশ পোহৰাই তোলাই গল্পৰ উদ্দেশ্য। — ত্ৰৈলোক্য নাথ গোস্বামী

### গল্পৰ কুঁকি


* ধূপ আৰু ধোঁৱা — অনুপম ফুকন/৪৬
* অস্তমিত সূৰ্য্য — কুমাৰ প্ৰদীপ খাউণ্ড/৫০
* সংকল্প — হেমন্ত শৰ্মা/৫৬
* আহুতি — অমূল্য বৰা/৫৯
* শেষ নিশাৰ অশ্ৰু — পুষ্পাঞ্জলি সেনাপতি/৬৩
* পুজাৰ বেলুন — দীপেন কুমাৰ বড়া/৭০
* গাঁৱলৈ আৰু নাযাওঁ — বুধিন শইকীয়া/৭৪



- ☐ সম্পাদকীয়
- ☐ বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন
- ☐ এটি পৰ্য্যালোচনা : ডিগবৈ কলেজ এইড্ ক্লাব
- ☐ শুভেচ্ছাবাণী — মহিম বৰা

অন্যান্য পৃষ্ঠাত

সর্বসাধাৰণৰ পথেৰে তুমি সদায় বাট নুবুলিবা এবাবাটেৰেও কেতিয়াবা খোজ ল'বা। নতুন কিহবাৰ সন্ধান নিশ্চয় পাবা। সৰু কথা হ'ব পাৰে, কিন্তু অৱহেলা নকৰিবা। অনুসৰণ কৰা, অনুসন্ধান কৰা আৰু তোমাৰ অজানিতে দেখিবা তুমি বহুমূলীয়া কিবা এটা পাইছা।

— আলেকজেণ্ডাৰ গ্ৰাহামবেল

# অনুৰোধ—আমাৰ ছাত্ৰ—ছাত্ৰীসকললৈ ঃ

স্বৰ্ণলতা গগৈ
অধ্যক্ষা (ভাৰপ্ৰাপ্ত)

১। মই ভাল পাম যদিহে তোমালোকে অন্ততঃ দিনটোত তিনিটা ভালকাম নিঃস্বাৰ্থভাৱে পৰৰ কাৰণে কৰা ।

২। মই ভাল পাম যদি তোমালোকে যুক্তি সহকাৰে সকলো কথা বিবেচনা কৰি চোৱা ।

৩। মই ভাল পাম যদি তোমালোকে প্ৰথমেই আন্দোলনমুখী মনোভাব নলৈ বুজাবুজিৰে কামসমূহ সমাধান কৰিবলৈ বিচাৰা ।

৪। মই ভাল পাম এই মহাবিদ্যালয়খনিক যদি তোমালোকে জ্ঞানৰ মন্দিৰ বুলি ভাবা ।

৫। মই ভাল পাম যদি তোমালোকে শিক্ষক-শিক্ষয়িত্ৰীসকলক শিক্ষাগুৰু বুলি ভাবা ।

৬। মই ভাল পাম যদি তোমালোকে এই মহাবিদ্যালয়খনিৰ সৰু-বৰ প্ৰত্যেকটি বস্তুকে নিজৰ বুলি ভাবি আদৰ যত্ন কৰা ।

৭। মই ভাল পাম যদি তোমালোকে শান্তি আৰু শৃংখলা ৰক্ষা কৰি চলা ।

৮। মই ভাল পাম যদি তোমালোকে নিয়মীয়া ভাৱে শ্ৰেণীত উপস্থিত থাকা ।

৯। মই ভাল পাম যদি তোমালোকে এই মহাবিদ্যালয়ৰ সকলো মানহানিকৰ কামৰ পৰা বিৰত থাকা ।

১০। মই ভাল পাম যদি তোমালোকে অন্যায়ৰ বিৰুদ্ধে প্ৰত্যাহ্বান কৰিবলৈ সাহসেৰে আগবাঢ়ি যোৱা ।

১১। মই ভাল পাম যদি তোমালোকে পৰক সমালোচনা কৰাৰ আগত আত্ম সমালোচনা কৰা ।

১২। মই ভাল পাম যদি তোমালোকে সৃষ্টিমুখী কাম কৰি বিমল আনন্দ লাভ কৰা ।

১৩। মই ভাল পাম আজৰি সময়কণৰ যদি তোমালোকে সদ্ব্যৱহাৰ কৰা ।

১৪। মই ভাল পাম যদি তোমালোকে মাৰ্জিত ৰুচি আৰু ব্যৱহাৰেৰে সকলোকে মোহিত কৰা ।

১৫। মই ভাল পাম যদি তোমালোকে মহা মহা পুৰুষৰ চানেকিৰে নিজৰ জীৱন গঢ়িবলৈ যত্ন কৰা ।

এই পোন্ধৰটি অনুৰোধ ৰক্ষা কৰিবলৈ লাগিব সবল নৈতিক চৰিত্ৰ, ভগৱানৰ ওপৰত একান্ত বিশ্বাস, সংযম আৰু দৃঢ় মনোবল ।

## সম্পাদকীয়



### বড়োভাষী ৰাইজৰ সাম্প্ৰতিক সমস্যা আৰু পৃথক ৰাজ্যৰ আন্দোলন ঃ

**বৰ্ত্তমান** অসমৰ জ্বলন্ত সমস্যা হৈছে বড়োসকলৰ পৃথক গৃহভূমিৰ বাবে কৰা আন্দোলন। বড়োভাষী ৰাইজৰ বৃহৎ অংশই কেতবোৰ আশা-আকাঙ্খ্যা পূৰণৰ অৰ্থেই আন্দোলন আৰম্ভ কৰি উত্তৰ পাৰৰ সকলো জনজাতি গোষ্ঠীকে সাঙুৰি পৃথক ৰাজ্য এখনৰ দাবী তুলিছে। পৃথক গৃহভূমিত উত্তৰ পাৰৰ সকলো জনজাতি গোষ্ঠীকেই সামৰা হৈছে যদিও আবছুৰ ( উপেন ব্ৰহ্ম গোটৰ ) সাম্প্ৰতিক আন্দোলন যে মূলতঃ বড়োভাষী সকলৰহে আশা-আকাংখ্যা কেন্দ্ৰিক, এই কথা তেওঁলোকৰ দাবীসমূহৰ পৰাই স্পষ্ট হৈ পৰিছে। বহল দৃষ্টিত গৃহভূমিৰ দাবীক পোনচাটে নাকচ কৰিব নোৱাৰি যদিও, ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ মিশ্ৰিত জনগাঁথনিৰ পৰিপ্ৰেক্ষিতভেই প্ৰকৃততে ভৈয়ামৰ জনজাতিসকলৰ নিমিত্তে পৃথক গৃহভূমি এখন সৃষ্টি কৰাটো সম্ভৱপৰ নহয়। অইনহে নেলাগে অসমক খণ্ড-বিখণ্ড কৰিবলৈ কাহানিও কুণ্ঠাবোধ নকৰা কেন্দ্ৰীয় চৰকাৰে নিজেও অঞ্চলটোৰ জনগাঁথনিৰ ভিত্তিতেই পৃথক গৃহভূমিৰ সম্ভাৱনা নুই কৰিছে। ১৯৮৪ চনৰ ১৬ অক্টোবৰ তাৰিখে গৃহমন্ত্ৰালয়ৰ পৰা অসম ভৈয়াম জনজাতি পৰিষদলৈ দিয়া চিঠি এখনত ( চিঠি নং ১১০১২/৯০/৮৩/এন-ই-৪ ) এই বুলি উল্লেখ কৰিছে, “ Regarding the demand for a separate union territory/state comprising majority plain tribal areas, it is seen that the areas indicated by the PTCA for the proposed state or union territory, are not geographically contiguous. It has also not been established that plains tribal population constitutes a majority in all these areas...... The demand therefore, for a separate political unit doesnot appear to be in the larger interest of plains tribals or the North Eastern Region as a whole. ”

পৃথক গৃহভূমিৰ সম্ভাৱনা নুই কৰা মানে আমি যে অসমৰ জনজাতি ৰাইজৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰো খৰ্ব কৰিবলৈ বিচাৰিছো, সেইটো নহয়। আৰ্থ-সামাজিক প্ৰগতিৰ বিভিন্ন স্তৰত থকা জনজাতি গোষ্ঠীসমূহৰ নিজ নিজ ভাষা সংস্কৃতিৰ স্বকীয়তাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা পৃথক সত্তা আৰু আশা-আকাংখ্যাক এতিয়া আৰু অস্বীকাৰ কৰাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। অৱশ্যে এইটোও ধুৰূপ যে স্বাধীনতাৰ যোৱা ছল্লিশ বছৰৰ অভিজ্ঞতাৰ পৰাই এই কথা প্ৰমাণিত হৈছে যে যথোপযুক্ত বিত্তীয় ক্ষমতাৰ অবিহনে কোনো জনগোষ্ঠীয়েই নিজৰ অভিলাস সমূহ পূৰণ কৰিব নোৱাৰে। কাৰ্বি-আংলং জিলা পৰিষদৰ হাতত উপযুক্ত কোনো বিত্তীয় ক্ষমতা নথকা হেতুকেই স্বায়ত্ত শাসিত অঞ্চলটোও আজি অসমৰ এখন জিলাৰ লেখীয়াহে হৈ পৰিছে। ৰাজ্যচৰকাৰৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল জিলা পৰিষদে আজি কাৰ্বি ৰাইজৰ অভিলাস পূৰণ কৰাত ব্যৰ্থ হৈছে। অসমৰ সমূহ জনজাতিসকলৰ মনত বিশ্বাস আৰু সৌহাৰ্দ্যপূৰ্ণ সহাৱস্থানৰ এক বাতাবৰণ সৃষ্টি কৰাটো অসমীয়া ৰাইজৰ আৰু অসম চৰকাৰৰ কৰণীয় কৰ্তব্য। কেন্দ্ৰক পতিয়ন নিয়াই সাংবিধানিক সংশোধনৰে ৰাজ্যখনৰ ভিতৰতে জনগাঁথনি অনুপাতে জনজাতি গোটসমূহৰ নিমিত্তে সাধাৰণ ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা কৰিব লাগিব। অৱশ্যে ইমান ডাঙৰ এটা সিদ্ধান্তৰ নিমিত্তে এতিয়া সবাতোকৈ প্ৰয়োজন হৈছে মইবৰ ভূমিকাত থকা অসমীয়াভাষীসকলৰ সদিচ্ছা আৰু সহানুভূতিসূচক মনোবৃত্তিৰ।

## অসমৰ ভোটাৰ তালিকা ঃ

ঐতিহাসিক অসমচুক্তি অনুসৰি নিৰ্দিষ্ট সময়ত অসমত ভোটাৰ তালিকা কেনেকৈ প্ৰস্তুত কৰা হ'ব সেই বিষয়ে নিৰ্বাচনী আয়োগে আজি তিনিবছৰৰো অধিক কালে কাৰ্যকৰী ব্যৱস্থা ঘোষণা কৰিব পৰা নাই। নিৰ্বাচনী আয়োগে ১৯৮৫ চনৰ ভোটাৰ তালিকাৰ ভেটিত সংশোধনী প্ৰক্ৰিয়া চলাব বুলি লোৱা সিদ্ধান্তৰ ক্ষেত্ৰত ৰাজ্যচৰকাৰৰ বিৰোধিতাৰ বিষয়েও কোনো ধৰণৰ উদ্যম পৰিলক্ষিত হোৱা নাই। এইক্ষেত্ৰত অসম চৰকাৰৰ উদ্যম কেৱল স্মাৰক পত্ৰতেই সীমাবদ্ধ হৈ আছে। এই সন্দৰ্ভত আৱশ্যক হ'লে ৰাজ্যজুৰি আন্দোলন হোৱাৰো আশংকা নোহোৱা নহয়। আমি আশাকৰোঁ দেশৰ আন আন ৰাজনৈতিক দলবোৰেও অসমবাসীৰ এই ন্যায্যদাবীৰ (অৰ্থাৎ ১৯৬৬ চনক ভিত্তি বছৰ হিচাপে লোৱা) প্ৰতি অকুণ্ঠ সমৰ্থন আৰু সহানুভূতি জনাব। যাতে কেন্দ্ৰত অধিষ্ঠিত ৰাজনৈতিক দলে অসম তথা অসমবাসীক পুনৰ ১৯৮৩ চনৰ পুনৰাবৃত্তিৰে ক্ষুব্ধ কৰি নোতোলে আৰু আন্দোলনৰ পথ ল'বলৈ বাধ্য নকৰায়।

## কেন্দ্ৰীয় বিশ্ববিদ্যালয় ঃ

অসমচুক্তি অনুসৰি কেন্দ্ৰই অসমত এখন বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে। কিন্তু স্থানৰ সম্পৰ্কত কেন্দ্ৰই চৰম অবিচাৰ কৰি অবিবেচক ভাবে বিষয়টো বিবাদমান কৰি তুলিছে, উক্ত বিশ্ববিদ্যালয় কাছাৰত স্থাপন কৰিবলৈ লোৱা সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত কোৱা বাহুল্য যে অসমীয়াৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰাম চলাইছিল ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনসাধাৰণেহে। সেয়েহে দেখদেখকৈ অসমচুক্তিত সন্নিবিষ্ট হোৱা কেন্দ্ৰীয় বিশ্ববিদ্যালয় ব্ৰহ্মপুত্ৰ উপত্যকাত হোৱাটো পূৰ্ব নিৰ্দ্ধাৰিত সিদ্ধান্ত। তদুপৰি অসমচৰকাৰে নিযুক্ত কৰি দিয়া বিশেষজ্ঞ সমিতিয়ে তেজপুৰ চহৰৰ সমীপতে স্থান পৰ্য্যন্ত নিৰ্বাচন কৰি দিয়াৰ পাচতো কেন্দ্ৰৰ এনে একপক্ষীয় সিদ্ধান্ত কেৱল অদূৰদৰ্শীতাই নহয়. ই অসমবাসীৰ বাবে প্ৰতাৰণামূলক আৰু মৰ্যাদাহানিকৰ। আমি অনতিবিলম্বে কেন্দ্ৰক উক্ত সিদ্ধান্ত বাতিল কৰিবলৈ দাবী জনাইছোঁ।

## বৰ্তমান আমি আৰু আমাৰ স্থিতি ঃ

কোনোবা মনীষীয়ে কৈছিল, "ছাত্ৰানাং অধ্যয়নং তপ: " অৰ্থাৎ ছাত্ৰসকলৰ অধ্যয়নেই তপস্যা। বৰ্তমান ছাত্ৰসমাজৰ স্থিতিলৈ লক্ষ্য কৰিলে অধ্যয়নৰ নামত সৰহসংখ্যক ছাত্ৰই তপস্যাক দূৰতে বিদুৰ কৰি সাৱতি লৈছে অত্যাধুনিকতাক। য'ত আছে বিকৃত ৰুচিবোধ, অপ্ৰয়োজনীয় শিক্ষা, শালীনতাহীন চৰিত্ৰ প্ৰকাশ। এইটো অপ্ৰিয় হলেও সত্য যে, আজিকালি সচেতন মহলত বেচিকৈ আলোচিত হোৱা বিষয়টোৱেই হৈছে ছাত্ৰ বা যুব মানসিকতা। কিয়নো এই ছাত্ৰ-ছাত্ৰীসকলেই দেশৰ ভবিষ্যত। এই ছাত্ৰঅৱস্থাতেই যদি জ্ঞান অৰ্জন আৰু চৰিত্ৰ গঠনত মনোনিবেশ নকৰি খন্তেকীয়া আমোদত দোৰি সময় অপব্যয় কৰা হয় তেন্তে ভবিষ্যতৰ ৰূপ কেনে হ'ব সেয়া সহজেই অনুমেয়। আচলতে আমি প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই নিজেই সচেতন হ'ব লাগিব। লাগিব আমাৰ কৰ্তব্যবোধ আৰু দায়িত্বজ্ঞান। যি সময়ত ছাত্ৰশক্তিয়ে বিশ্বদৰবাৰত এক উচ্চাসন অধিকাৰ কৰিছে, সেই সময়ত ছাত্ৰৰ কৰ্তব্যবোধ আৰু দায়িত্বজ্ঞানৰ সচেতনতা কেনে হোৱা উচিত তাক ব্যাখ্যা নকৰিলেও অনুমান কৰি ল'ব পাৰি।

দেখা গৈছে, অত্যাধুনিকতাৰ বলি আজিৰযুগৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগ্ৰহণৰ নামত ব্যভিচাৰ আনিছে। সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই শিক্ষাগ্ৰহণত কায়মনোবাক্যে আত্ম নিয়োগ নকৰে। তাৰ প্ৰমাণ, পৰীক্ষা হ'লত নকল কৰা, নিৰীক্ষকক ভাবুকি দিয়া, জাল চাৰ্টিফিকেট তৈয়াৰ কৰা। বোৰ্ড বা বিশ্ববিদ্যালয়ৰ পৰীক্ষাত ছাত্ৰ বা ছাত্ৰীক কিয় বহিষ্কাৰ কৰিবলগীয়া হয়। আজিকালি নকল কৰাটো নিয়মত পৰিণত হৈছে। এইটো বিজ্ঞানৰ যুগ। প্ৰতিযোগিতাৰ যুগ। অথচ আমাৰ সমাজত দেখা দিছে চৰম সংকটে। ছাত্ৰ-ছাত্ৰীৰ শিক্ষা অৰ্জনৰ অনীহাৰ বাবে কেৱল ছাত্ৰ-ছাত্ৰীসকলেই দোষী নে? আমাৰ শিক্ষা ব্যৱস্থাইও ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিছে।

যুগৰ লগত খাপ-খোৱা শিক্ষাৰ অভাবেই হৈছে ইয়াৰ ঘাই কাৰণ। কাৰণ বাধ্যতামূলক শিক্ষা সকলো ছাত্ৰ ছাত্ৰীৰ বাবে উপযোগী নহৈ কষ্টকৰ হোৱাটো বিভ্ৰান্তিমূলক চিন্তা হ'ব নোৱাৰে। শিক্ষা প্ৰচলন বা প্ৰয়োগৰ ক্ষেত্ৰত এতিয়া মুকলি চিন্তাৰ প্ৰয়োজন হৈছে।

শিক্ষা গ্ৰহণৰ পৰিণতি চাকৰিমুখী হোৱাটো অতি পৰিতাপৰ কথা। য'ত সৃষ্টি হৈছে নিবনুৱা সমস্যা। এই সমস্যা দূৰীকৰণত চৰকাৰক দায়িত্ব দিলেই আমাৰ কৰ্তব্য শেষ নহয়। কাৰণ চাকৰিমুখী মনোভাৱ ত্যাগ কৰি অন্য সময়োপযোগী চিন্তা কৰিব লাগিব। যিটো যুগক বিজ্ঞানৰ যুগ বুলি অভিহিত কৰা হৈছে, সেই যুগত শিক্ষাৰ মূল্যায়ন চাকৰিৰ চিন্তাই কৰিব নোৱাৰি। চাকৰিমুখী মনোভাৱে আমাক আগবঢ়োৱাৰ পৰিৱৰ্তে পিছুৱাইহে নিব। সঁচা উপলব্ধিৰে আমাৰ কৰ্তব্যবোধ চিন্তা কৰিবৰ হ'ল।

বৰ্তমান ছাত্ৰসমাজৰ যি নৈতিক অবক্ষয় ঘটা বুলি ক'ব বিচৰা হৈছে, সি প্ৰকৃততে সঁচানে? স্পষ্টকৈ কোনেও অসত্য বুলি ক'ব নোৱাৰে। এই অৱক্ষয়ৰ মূলতে হ'ল, ছাত্ৰসমাজৰ মইৰৰ মনোভাব আৰু কৰ্তব্যৰ অজ্ঞতা। ইয়াৰ আনুষঙ্গিক সহায়ক হৈছে বৰ্তমান প্ৰচলিত বিষাক্ত নিচাজাতীয় দ্ৰব্য, সস্তীয়া আলোচনী আৰু অশ্লীল সাহিত্য উৎকং যৌনগন্ধি বোলছবি, অপ্ৰয়োজনীয় চিন্তা আলোচনা, বিকৃত ৰুচিবোধ। এইবোৰৰ প্ৰমাণ নথকা নহয়, অলপতে অসমৰ গুৱাহাটী চহৰৰ এখন মহাবিদ্যালয়ৰ পৰা ড্ৰাগচ সেৱন কৰা অপৰাধত দুগৰাকী ছাত্ৰীক বহিষ্কাৰ কৰাৰ কথা বাতৰিকাকতত প্ৰকাশ হৈছে। ছাত্ৰ ছাত্ৰীসকলৰ উশৃংখলতাৰ প্ৰমাণ আৰু বহুত আছে। যিবোৰ দেখি আমি চকু থাকিও অন্ধৰ ভাও জুৰো। মানহানি অথবা পলায়নবাদী মনোভাৱ লওঁ। এইয়া জানো আমাৰ দুৰ্বল মনৰে পৰিচায়ক নহয়? বৰ্তমানে নাৰীৰ ওপৰত (সঘনাই ঘটা) চলা অমানবীয় অত্যাচাৰৰ বাবে দায়ী কোন? কেৱল পুৰুষসকলহে জানো? সুক্ষ্ম দৃষ্টিৰে বিচাৰ কৰি চালে দেখা যায় আমাৰ প্ৰচলিত সমাজ ব্যৱস্থাই ইয়াৰ বাবে দায়ী। আমাৰ সমাজত নাৰী-পুৰুষক মুকলি মনেৰে সন্মুখীন হোৱাত বাধা আছে। সামাজিক অন্তৰায়ৰ ফলস্বৰূপে সৃষ্টি হৈছে দুৰ্বাৰ আকৰ্ষণ, কামনা লালসা। য'ত সংঘটিত হৈছে, হত্যা, অবৈধ কাৰ্য, অমানবীয় আচৰণৰ দৰে জঘন্য অপৰাধ। সি যি কি নহওক কোনো কোনো সচেতন লোকে উল্লেখিত অবক্ষয়ৰ কথা অস্বীকাৰ কৰিব খোজে; যুক্তি প্ৰদৰ্শন কৰে। অৱশ্যে তেওঁলোকৰ যুক্তিও অমূলক নহয়। আচলতে, "উলুৰ লগত বগৰী পোৰা'ৰ দৰে কথা। সকলো ছাত্ৰ-ছাত্ৰী বা যুৱক-যুৱতীৰ নৈতিক পতন ঘটা নাই সেইটো ধ্ৰুৱ। মুষ্টিমেয় কিছুমানৰ বাবেই এই পংকিল শব্দটোৱে সমগ্ৰ ছাত্ৰ সমাজক কলংকিত কৰিছে। ইয়াতে আমাৰ সততা, সাহসৰ অপচয় ঘটিছে। আমাৰ চকুৰ আগতে ঘটি থকা কু-কাৰ্য, শালিনতাহীন পৰিবেশ-বোৰ দেখি নীৰৱে থাকিবলগীয়া হওঁ। (অথচ আমিয়েই সচেতন ছাত্ৰ বুলি আনৰ আগত জহ কৰোঁ) আচলতে আমি দুৰ্বল, সততা আৰু সাহসহীন। কিয়নো সেই উশৃংখলতাৰ মাজত নিজকে সোমাই অপদস্ত কৰিব নিবিচাৰো। ফলস্বৰূপে সেই উশৃংখল ছাত্ৰ বা যুৱকসকলে বিনা দ্বিধাই চলাই গৈছে উশৃংখলতা। সঁচাকৈ আমাৰ সমাজখন এক ভয়াবহ, জটিল সংকটৰ মাজত।

আমি জানো শিক্ষা আমাৰ অন্যতম সাংবিধানিক অধিকাৰ। শিক্ষা গ্ৰহণৰ আনুষঙ্গিক উপাদানসমূহৰ প্ৰতি আমাৰ চৰম অৱহেলা। উল্লেখনীয় কথাটো হ'ল, আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য-চৰ্চাৰ অভাৱ। সাহিত্যক এটা জাতিৰ দাপোন বুলি অভিহিত কৰা হয়। বিভিন্ন সাহিত্য সম্পৰ্কীয় মেলে মিটিঙে সাহিত্যচৰ্চাৰ অভাৱৰ কথাটো উপলব্ধি কৰিব পাৰি। সাহিত্য ৰসৰ সোৱাদে আমাৰ কৰ্তব্যবোধ, দায়িত্বজ্ঞান, ব্যক্তিত্ব তথা চৰিত্ৰগঠনত সহায় কৰিব বুলি মনে ধৰে। আমাৰ ছাত্ৰ-ছাত্ৰী সকলে সাহিত্য চৰ্চা কৰাত মনোনিবেশ কৰিলে কিছু উপকৃত হ'ব বুলি ভাব হয়। মূল কথা হ'ল, আমি কি কৰিলে কেনেকৈ আমাৰ সংকটমুখী সমাজখনক সুস্থ ৰূপে গঢ় দিব পাৰিম। এই সম্পৰ্কে সচেতন তথা বুদ্ধিজীৱীসকলে আঙুলিয়াই দিবনে? তেওঁলোক আমাৰ পাথেয় হ'বনে?

প্ৰকৃততে দুখৰ কথা হৈছে আমি আমাৰ মূল উদ্দেশ্যৰ লগত সংগতি ৰাখি চলিব নোৱাৰাটো। ইয়াতকৈ আৰু কি দুৰ্ভাগ্য হ'ব পাৰে। আমি পাৰিবই লাগিব যুগৰ লগত খাপ খাই আগবাঢ়িব। নেপোলিয়নে কৈছিল, " There is nothing impossible under the sun " গতিকে আমিও নোৱাৰাৰ কোনো প্ৰশ্নই নাই। মন

কৰিলে চন কৰিব পাৰি বুলি এষাৰ কথা আছে। আমাৰ ছাত্ৰসমাজ অধিক সচেতন হওক, বুজি উঠক প্ৰত্যেকেই নিজৰ দায়িত্ব আৰু কৰ্তব্যবোধ। আমাৰ সন্মুখত পৰি থকা কৰ্তব্যবোধ আমি নিজেই কৰিব লাগিব। প্ৰথমতে লাগিব আমাৰ চৰিত্ৰ সংশোধন কৰি দোষমুক্ত কৰা। আমি তেজৰ মাজত ভাতৃত্ববোধ আৰু মানৱতাবোধ গঢ়ি তুলিব লাগিব। তেতিয়াহে আমি হেলাৰঙে কৰ্তব্যত অগ্ৰসৰ হ'ব পাৰিম। খন্তেকীয়া মোহে আমাক খন্তেক আমোদহে দিব, ভৱিষ্যত উজ্বল কৰাত সহায় নকৰে।

## প্ৰাসংগিকতা ঃ

১৯৬৫ চনতে ডিগবৈ তৈল নগৰীৰ মজিয়াত ডিগবৈ মহাবিদ্যালয় স্থাপিত হয়। কিমান জন ছাত্ৰ-ছাত্ৰীয়ে এই মহাবিদ্যালয়ৰ বুকুতেই সফলতাৰে নিজৰ জীৱনক গঢ় দি জীৱন বাটত আগুৱাই গৈছে। শিক্ষাৰ এক সুন্দৰ ঐতিহ্য বহনকাৰী এই মহাবিদ্যালয়খনি। কিন্তু যোৱা আঠোটা বছৰৰ উত্তীৰ্ণৰ হাৰে (উত্তীৰ্ণৰ হাৰ ৪৪.৬৯%) হতাশ কৰাই নহয় সম্মানতো আঘাত দিয়া যেন অনুভৱ হৈছে। এইয়া যেন সুস্থ শৈক্ষিক পৰিবেশৰ অভাৱৰ ফলশ্ৰুতি। আচলতে সুস্থ শৈক্ষিক পৰিবেশে গা কৰিব নোৱাৰাৰ বাবে ছাত্ৰ-ছাত্ৰী, শিক্ষক বা কলেজ কৰ্তৃপক্ষৰ অনুশাসনকে দায়ী কৰা হয়। হয়তো এই সকলো আংশিকভাৱে দায়ী হব পাৰে। কিন্তু অভিভাৱক বা অঞ্চলটোৰ জনসাধাৰণ সকলো ইয়াৰ বাবে দায়ী। কাৰণ সকলোৰে বদান্যতাত এটা সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টি কৰাটো সম্ভৱ। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ মাজত দেখা দিয়া নিষ্ঠাৰ অভাৱেও শৈক্ষিক পৰিবেশ ম্লান কৰাতো সত্যতা নথকা নহয়। বিভিন্ন সমস্যাৰে জৰ্জৰিত মহাবিদ্যালয়খনেনো কেনেকৈ সুস্থ পৰিবেশ সততে গঢ় দিব পাৰিব। বৰ্ত্তমান যুগত পাঠদান বা গ্ৰহণেই সকলো জানো? ডিগবৈ মহাবিদ্যালয়ে চৌবিশ বছৰ গৰকিলে। এই সুদীৰ্ঘ সময়ছোৱাত ছাত্ৰ-ছাত্ৰী সকল বিভিন্ন সমস্যা আৰু অভাৱ মুক্ত নহয়। কেইমাহমানৰ পাছতে অৰ্থাৎ, ৯০ চনত মহাবিদ্যালয়ৰ ৰূপালীবৰ্ষ হ'ব। কিন্তু এই চৌবিশটা বছৰত এটা ছাত্ৰ-জিৰণি কোঠা নাই, মহাবিদ্যালয়ৰ ছাত্ৰসন্থাৰ এটা ভাল কাৰ্য্যালয় নাই; এটা স্থায়ী প্ৰেক্ষাগৃহ নাই, পানী যোগানৰ সু-বন্দৱস্ত নাই, শ্ৰেণীকোঠাৰ অভাৱ, ছাত্ৰ-ছাত্ৰী নিবাস ( Hostel ) নাই, ইত্যাদি। এইবোৰৰ অভাৱত এটা সুস্থ শৈক্ষিক পৰিবেশ গঢ়ি তোলাৰ চিন্তা কৰাতো সম্ভৱনে?

আনন্দৰ কথা যে, কেইবছৰমানৰপৰা কলেজ এইড ( AID ) ক্লাবৰ তৎপৰতাত বিজ্ঞানাগাৰ, ছাত্ৰী-জিৰণি কোঠা পকীকৈ সজালে। AID ক্লাব নাম ললেই সৰ্বশ্ৰী ৰফিক হুচেইন, মহেন্দ্ৰ ভৰালী বৰুৱা, সমৰেন্দ্ৰ ভাগৱতী, পি, বাৰ্মা, গিয়াছুউদ্দিন আহমেদ, তৰুণ হাজৰিকা, বিকাশ বৰুৱা, গোলাপ কলিতা, আদি চাৰৰ নাম ল'বই লাগিব। এওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতীয়া আগ্ৰহৰ ফলত এনেধৰণৰ উন্নয়নমূলক কামৰ সম্ভৱ হৈছে। AID ক্লাবৰ চেষ্টাতেই আজি দুটা দশকতকৈ অধিক কাল অবহেলিত হৈ থকা মহাবিদ্যালয়ৰ পথটো আৰু খেলপথাৰখন অসম তেল সংমণ্ডলে নিৰ্মাণ কৰিবলৈ তৎপৰ হৈছে। যিটো আজি ১৫/২০ বছৰৰ আগতেই হ'ব লাগিছিল। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ গুৰুত্ব আৰু নিষ্ঠাৰ অভাৱ যেন বোধ হয়। পৰিচালনা সমিতিয়ে অভাৱ সমূহ সুস্থ চিন্তাৰে দূৰ কৰাত অগ্ৰসৰ হলে আমি উপকৃত হ'ব পাৰিম বুলি বিশ্বাস। কথা হ'ল, এই অভাৱৰ কেতিয়া ওৰ পৰিব। আমি অভাৱৰ মাজতেই ৰূপালী-জয়ন্তী পাতিম নেকি? হয়তো পাতিব লাগিব। তাৰ আগতে আমি নিমন্ত্ৰিত অতিথি সকলক কি-বুলিনো প্ৰবোধ দিম। তেওঁলোকে কি-মন্তব্য কৰিব। এতিয়া আমাৰ কৰ্ত্তব্য হ'ল আমাৰ সম্ভাব্য প্ৰশ্নৰ উত্তৰসমূহ আগতীয়াকৈ তৈয়াৰ কৰাতকৈ ব্যৱহাৰিক দিশত সফলকাম হোৱাটোহে আচল কথা। নহ'লে আমি দোষমুক্ত হ'ব নোৱাৰিম। মহাবিদ্যালয়খনিৰ সুস্থ শৈক্ষিক পৰিবেশ গঢ় দিয়াত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, স্থানীয় জনসাধাৰণ একত্ৰিত হৈ মহাবিদ্যালয়খনিৰ উন্নতিত মুকলি চিন্তাৰ প্ৰয়োজন হৈছে।

**কবি সন্মিলন ঃ** ডিগবৈ মহাবিদ্যালয়ৰ চতুৰ্বিংশতিতম মহাবিদ্যালয় সপ্তাহ উপলক্ষে আলোচনী বিভাগৰ সৌজন্যত পোণপ্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ত এখনি কবি সন্মিলন আয়োজন কৰিছিলো। সন্মিলনখনি উদ্বোধন কৰে প্ৰবীণ শিক্ষাবিদ শ্ৰীযুত প্ৰিয়দাস তালুকদাৰ দেৱে। সঞ্চালনা কৰে অসমৰ প্ৰথিতযশা কবি ৰাম গগৈদেৱে। প্ৰায় ত্ৰিশ গৰাকী নবীন-প্ৰবীণ কবিৰ উপস্থিতিয়ে সন্মিলন খনি সফল কৰি তুলিছিল।

**প্ৰদৰ্শনী ঃ** চতুৰ্বিংশতিতম মহাবিদ্যালয় সপ্তাহত ছাত্ৰী-জিৰণি কোঠাৰ ভৰফৰ পৰা এখনি আটক ধুনীয়া প্ৰদৰ্শনী আয়োজন কৰিছিল। এই প্ৰদৰ্শনীয়ে মহাবিদ্যালয় সপ্তাহত সৌষ্ঠৱ বৃদ্ধি কৰিছিল। এনেধৰণৰ প্ৰদৰ্শনীয়ে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ উপৰিও প্ৰতিভা বিকাশ আৰু সুস্থ চিন্তাৰ এটা সৎ পৰিবেশ গঢ়ি তোলাত সহায় কৰিব। ভবিষ্যতেও এনেধৰণৰ চিন্তা-চৰ্চাৰ পৰিবেশ গঢ়ি তোলাত ছাত্ৰ-ছাত্ৰী সকল আগ্ৰহী হোৱাটো বিচাৰোঁ।

**আলোচনী সম্পৰ্কে :** দ্বাদশ সংখ্যাটিৰ সম্পাদকৰ দায়িত্ব লৈ এখন সৰ্বাঙ্গসুন্দৰ আলোচনী প্ৰকাশ কৰাৰ বাবে চেষ্টা কৰিছিলো। কিন্তু ছাত্ৰ-ছাত্ৰীসকলৰ উপযুক্ত লেখনীৰ অভাৱ আমি বাৰুকৈয়ে উপলব্ধি কৰিছো। দুই এজনৰ লেখনীত সম্ভাৱনীয়তা নথকা নহয়। তেওঁলোকে চেষ্টা কৰি থাকিলে এসময়ত ভাল, সুস্থ সাহিত্য সৃষ্টি কৰিব পাৰিব। দুখৰ বিষয়, ইংৰাজী বিভাগৰ ৰচনা, কবিতাই আমাক নিৰাশ কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পাঠ্যপুথি অধ্যয়নৰ উপৰিও এইবোৰ লিখা-মেলা চৰ্চা কৰিব লাগে, যাতে আমাৰ নৈতিক কৰ্ত্তব্যৰ ভিতৰত থাকে। আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনিৰ ঐতিহ্য বজাই ৰখাত আমিয়েই চেষ্টা কৰিব লাগিব। এই সংখ্যাটিত সকলো ছাত্ৰ-ছাত্ৰীৰ লেখনী প্ৰকাশ কৰিব নোৱাৰাৰ বাবে ক্ষমা বিচাৰিছো। ছাত্ৰ-ছাত্ৰীসকলেও যাতে মন পেলাই নিদি তেওঁলোকৰ চেষ্টা অব্যাহত ৰাখে তাৰ বাবে অনুৰোধ জনালোঁ। ডিগবৈ মহাবিদ্যালয় আলোচনীৰ দ্বাদশ সংখ্যাটিৰ প্ৰচ্ছদপটখনি 'অফ্‌চেট' প্ৰিণ্ট কৰোতে অতিৰিক্ত টকাখিনি বিজ্ঞাপনৰ জৰিয়তে সংগ্ৰহ কৰা হয়। এই বিজ্ঞাপন সম্পাদনা সমিতি আৰু ছাত্ৰ সন্থাৰ অনুমোদন সাপেক্ষে সংগ্ৰহ কৰা হয়। আলোচনীখনিৰ বেটুপাত খনি সৰ্বাংগসুন্দৰকৈ প্ৰকাশ কৰাত বিশেষ ভাবে সহায় আগবঢ়োৱা বিজ্ঞাপনদাতা আৰু ছাত্ৰসন্থালৈ আমাৰ ফালৰ পৰা কৃতজ্ঞতা জনাইছো।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ আলোচনীখনিৰ গুৰু দায়িত্বভাৰ বহন কৰিবলৈ সুবিধা দিয়াৰ বাবে আমি সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰকৃতজ্ঞ। আলোচনীখনৰ বিভিন্ন কামত দিহা পৰামৰ্শৰে উৎসাহিত কৰা ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত বিনোদ গগৈ চাৰ, মাননীয়া অধ্যক্ষা মহোদয়া শ্ৰীযুতা স্বৰ্ণলতা গগৈ বাইদেউ, সম্পাদনা সমিতিৰ অধ্যাপক-অধ্যাপিকা শ্ৰীযুত ৰজনী বৰুৱা, শ্ৰীযুত তৰুণ চন্দ্ৰ হাজৰিকা, শ্ৰীযুত হিতেন শৰ্মা চাৰ আৰু শ্ৰীমতী অণু বৰগোহাঁই (গগৈ) বাইদেউৰ লগতে সম্পাদনা সমিতিৰ বন্ধুবৰ ৰণজিৎ, নৃপুৰ, সীমান্ত আৰু বিনীতালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। মুখপত্ৰখনিলৈ শুভেচ্ছাবাণী প্ৰেৰণ কৰি উৎসাহিত কৰাৰ বাবে অসম সাহিত্যসভাৰ সভাপতি মাননীয় মহিম বৰা দেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। প্ৰচ্ছদ পটৰ শিল্পী শ্ৰীমান কমলাকান্ত বৰগোহাঁইৰ ওচৰত মই কৃতজ্ঞ হৈ থাকিম।

চতুৰ্বিংশতিতম মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত "কবি সন্মিলন" খনিত যিসকল শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীয়ে উপদেশ, পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়ালে, বিশেষকৈ অধ্যাপক মোহিনী বৰদলৈ, অধ্যাপক সমৰেন্দ্ৰ ভাগৱতী, অধ্যাপক প্ৰদীপ খাউণ্ড, অধ্যাপক বিকাশ বৰুৱা আৰু অধ্যাপিকা ৰুণজুমণি দত্ত বাইদেউ আৰু বন্ধুবৰ দীপক, পবিত্ৰ, অমূল্য, জিতেন, বিজয়, ৰমেন, পৰাগ, খগেন, বিউটী, প্ৰীতি, ৰুবী আৰু নয়নমণিৰ ওচৰত মই চিৰকৃতজ্ঞ।

এখন আলোচনী সম্পাদনা কৰা কিমান কঠিন সেইয়া ব্যৱহাৰিক দিশতহে অনুভৱ কৰিব পাৰি। সম্পাদক হিচাবে কি কৰিলো সেইয়া বিচাৰৰ দায়িত্ব আপোনালোকৰ। সদৌ শেষত আলোচনীখনি সময়মতে ছপাশালৰ পৰা উলিয়াই দিয়াত "দি অসম পেপাৰ ইণ্ডাষ্ট্ৰী"ৰ মুদ্ৰক শ্ৰীযুত ৰাজুল ৰাজখোৱা দেৱলৈ আৰু সকলো কৰ্মকৰ্ত্তালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰিছো।

ডিগবৈ
১৫-৭-৮৯

দীপেন কুমাৰ বড়া
সম্পাদক

চিৰস্মৰণীয় কবি

# টি, এছ, এলিয়ট

**কুমাৰী প্ৰণামী গোস্বামী**
স্নাতক ২য় বাৰ্ষিক (কলা)

**উনবিংশ** শতিকাৰ শেষৰ আৰু বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ কবিসকলৰ ভিতৰত টি, এছ, এলিয়টৰ নাম উল্লেখযোগ্য। টি, এছ, এলিয়টৰ সম্পূৰ্ণ নাম হৈছে টমাছ ষ্টাৰ্ণছ এলিয়ট। তেখেতৰ জন্ম হয় ১৮৮৮ খ্ৰীষ্টাব্দৰ চেপ্তেম্বৰ মাহত আমেৰিকাৰ মেছাছুছেট্‌চৰ চেণ্টলুইচত। এলিয়টৰ পিতৃপুৰুষৰ ঘৰ আছিল ইংলণ্ডৰ চমাৰচেটৰ ইষ্টক'কাৰ নামৰ গাঁৱত। তাৰ পৰা আহি তেওঁলোকে আমেৰিকাৰ মেচাছুছেটচত থাকিবলৈ লয় আৰু তাতে বিশ্বৰ মনীষী সাহিত্যিক এলিয়টৰ জন্ম হয়। তেওঁৰ ধৰ্ম আছিল এংলো কেথলিক খৃষ্টিয়ান।

টি, এছ, এলিয়ট আছিল কবিতাৰ পূজাৰি। তেওঁৰ সমকক্ষ আন এজন কবি প্ৰতিদ্বন্দী আছিল উইলিয়াম বাটলাৰ ইয়েটছ। বাট্‌লাৰ ইয়েটছে অস্তিত্বৰ ঐক্যৰ ওপৰত গুৰুত্ব দিছিল আৰু এলিয়টে গুৰুত্ব দিছে অবিভক্ত ইন্দ্ৰিয় গ্ৰাহ্যতাৰ ওপৰত।

এলিয়টৰ মতে, কোনো এজন কবিয়ে কবিতা লিখিব পাৰে একমাত্ৰ অভিজ্ঞতাক আশ্ৰয় কৰিহে। কবিয়ে জীৱনত বিভিন্ন অভিজ্ঞতা লাভ কৰে আৰু এই অভিজ্ঞতাবোৰ মনৰ ভিতৰলৈ সোমাই যায়। এই অৱস্থাত এইবোৰৰ কোনো আকাৰ নাই। এনে আকৃতিবিহীন অভিজ্ঞতাবোৰক ৰূপ দিবলৈ কবিৰ সমগ্ৰ সত্বাটোৱে ক্ৰিয়াশীল হৈ পৰে। এই আকাৰ নোহোৱা বস্তুটো মনৰ ওপৰভাগলৈ যেতিয়া ওলাই আহে তেতিয়া ভাবানুভূতিয়ে সৃষ্টি কাব্যৰ মাজলৈ আনে সংলগ্নতা। এখন নাটকৰ ঘটনাৱলীৰ মাজত নাইবা পোপৰ Essay on manৰ দৰে কবিতাৰ মাজতো এক প্ৰকাৰ অন্তৰ্নিহিত ভাবানুভূতি দেখিবলৈ পোৱা যায়। কিন্তু এনে সংগঠন কাৰ্য্যৰ মাজেদি প্ৰকাশিত ভাবানুভূতি কাব্য সৃষ্টিৰ কাৰক নহয়। (The new poetic by stead. Chapter VI)

এলিয়টৰ মতে কবিতা লিখোঁ বুলিয়ে লিখিব নোৱাৰি। মানুহৰ মনৰ এটা অনুভূতি প্ৰকাশ কৰা ক্ষমতা থাকিব লাগিব আৰু ই নিজে নিজে প্ৰকাশ পায়। টি, এছ, এলিয়টে লিখিছে যে — এজন অভিজ্ঞ আৰু অনভিজ্ঞ কবিৰ মাজত থকা পাৰ্থক্য তেওঁলোকৰ ব্যক্তিত্ব নাইবা ৰচনাৰ মাধুৰ্য্য অথবা বিস্তৃত বিন্যাসৰ

ওপৰত নিৰ্ভৰশীল নহয় কিন্তু নিৰ্ভৰশীল কোনে সূক্ষ্মভাৱে আৰু সম্পূৰ্ণৰূপে কবিতাটোৰ প্ৰকাশ মাধ্যম হৈ বিশেষ আৰু বিচিত্ৰ অনুভূতিবোৰ স্বতন্ত্ৰভাৱে সংযোগ-বিয়োগত তেওঁ পাৰদৰ্শিতা লাভ কৰিব পাৰিছে — তাৰ ওপৰত।

এলিয়টৰ কবিতাত মধ্যযুগৰ সন্তচেণ্ট আগষ্টিন আৰু ভাৰতৰ ভগৱান বুদ্ধৰ চিন্তাধাৰাৰ সমন্বয় ঘটিছে আৰু বাইবেল আৰু উপনিষদ একতে সন্নিবিষ্ট হৈছে। তেখেত এজন শ্ৰেষ্ঠ আমেৰিকান কবি। কোনো কোনো পণ্ডিতে এলিয়টৰ সংস্কৃতি আৰু কল্পনাৰ গুণক "আমেৰিকান" আখ্যা দিছে কাৰণ তেওঁৰ কবিতাত আছে বিশালতা, নতুন সাংস্কৃতিক পৰম্পৰাৰ উদ্ভাৱন, আমেৰিকান সুলভ আধুনিকতা। বিংশ শতাব্দীতো কোনো কোনো পণ্ডিতে "এলিয়টৰ যুগ" বুলি অভিহিত কৰিছে। ভাৰতীয় কবি ৰবীন্দ্ৰনাথে চতুৰ্থ দশকত এলিয়টৰ কবিতা অনুবাদ কৰা কাৰ্য্যই তেওঁৰ আধুনিকতাৰ প্ৰতি উদাৰ মনোভাৱৰ পৰিচয় পোৱা যায়।

এলিয়টে স্কুল একাডেমিত পঢ়ি থকা অৱস্থাৰ পৰাই কবিতা লিখিবলৈ লয়। তাৰ পাছত তেওঁ হাৰ্ভাডত পঢ়িবলৈ লয়। হাৰ্ভাডত পঢ়ি থকা অৱস্থাত তেখেতে হাৰ্ভাডৰ মুখপত্ৰ "ডি এডভোকেট" নামৰ কাগজখন সম্পাদনা কৰে। হাৰ্ভাডৰ কলেজত পঢ়ি থকা অৱস্থাত ১৯১৭ চনত "প্ৰুফক আৰু অন্যান্য পৰ্য্যবেক্ষণ" নামৰ কবিতা সংকলনটো ওলায়। এই সংকলনটোৰ সন্নিবিষ্ট "ডি লাভ চং অব জে আলফ্ৰেড প্ৰুফকে"ই তেওঁৰ প্ৰথম পৰ্য্যায়ৰ শ্ৰেষ্ঠ কবিতা। কবিতাটো তেওঁ ১৯১০ চনত হাৰ্ভাডত লিখিবলৈ লয় যদিও, ১৯১১ চনত মিউনিকতহে ই সমাপ্ত হয়। আগৰকেইটা হাৰ্ভাডীয় কবিতাতকৈ এই কবিতাটো অধিক তাৎপৰ্য্যপূৰ্ণ। কবিতাটো লাফৰ্গৰ প্ৰেৰণাত লিখা হৈছে। কবিতাটোত প্ৰকাশ পোৱা চিনাচিজম আৰু চেণ্টিমেণ্টৰ উদ্ভটসমূহ স্থাপন লাফৰ্গধৰ্মী।

এলিয়টৰ কবিতাত সাধাৰণতে আখ্যান দেখিবলৈ পোৱা নাযায়। তথাপি, প্ৰুফকত এটা কেন্দ্ৰীয় পৰিস্থিতি বৰ্তমান। এই পৰিস্থিতিটোৱে কবিতাটোত 'অৱজেক্টিভ কোৰিলেটিভ' হিচাপে ক্ৰিয়া কৰিছে। এলিয়টৰ মতে এখন ৰচনাত শব্দ আৰু চিত্ৰ আৰ্টৰ ৰূপত ভাব প্ৰকাশ কৰাৰ একমাত্ৰ উপযুক্ত স্বচ্ছ মাধ্যম হ'ল ভাৱৰ Objective corelative। এইবোৰ হ'ল একশ্ৰেণীৰ বস্তু নাইবা ঘটনা যাৰ সহায়ত বিশেষ এটা ভাৱ এনেদৰে প্ৰকাশিত হয় যে যেতিয়া বাহ্যিক প্ৰতীকবোৰ উপস্থাপিত কৰা যায় তেতিয়া ততালিকে ভাৱটো উদ্বুদ্ধ হৈ পৰে। অৱজেক্টিভ কোৰিলেটিভৰ সহায়ত আনৰ আগত ভাৱৰ সঞ্চাৰণ সম্ভৱ হয় — The Sacred wood (Hamlet)।

চি, কে ষ্টীছে লিখিছে যে হেমলেট ৰচনা কৰোঁতে, এলিয়টৰ ধাৰণা মতে, তেওঁৰ Corelative অথবা প্লটটো মনৰ তলিৰ পৰা গুলাই অহা গভীৰ অনুভূতি ধাৰণ কৰিবলৈ অসম্পূৰ্ণ আছিল। ইয়াৰ প্ৰধান প্ৰধান অংশবোৰে বস্তুটোক উটুৱাই নিছিল। পাত্ৰটোৱে ধাৰণ কৰিব নোৱাৰা সত্বেও ইয়াৰ মাজলৈ বৈ অহা গভীৰ অনুভূতিৰ সোঁত বন্ধ কৰিবলৈ শেক্সপীয়েৰ অক্ষম আছিল—ঠিক বড্‌লেয়াৰৰ কবিতাৰ দৰে যি কবিতাৰ অনুভূতি সদায় পাৰ ভাঙি আহে। গতিকে এলিয়টে উল্লেখ কৰা Objective Corelativeবোৰ ভাৰতীয় আলংকাৰিকসকলে ব্যৱহাৰ কৰা বিভাৱবোৰৰ লগত একে বুলি ক'ব পাৰি।

এলিয়টৰ মতে কবিতা এক প্ৰকাৰৰ ইন্দ্ৰিয়যুক্ত সজীৱ বস্তু। আমি কেৱল ক'ব

পাধোঁ যে এটা অৰ্থত কবিতাৰ জীৱন আছে কিন্তু ইয়াৰ বিভিন্ন খণ্ডবোৰ সুসংগঠিত এটা সজীৱ বস্তুতকৈ ভিন্ন ধৰণৰ আৰু কবিতাৰ পৰা লাভ কৰা ভাবানুভূতিও কবিৰ মনত হেন্দোলনি তোলা, ভাবানুভূতিতকৈ পৃথক।

ৱৰ্ডছওৱাৰ্থৰ মতে কবিতাৰ সংজ্ঞা হৈছে, শান্ত অৱস্থাত স্মৰণ কৰা ভাব, এই সংজ্ঞা এলিয়টে বিভ্ৰান্তিকৰ বুলি ক'ব খোজে। আচলতে কবিতাৰ উদ্দেশ্য নৈতিক শিক্ষাদান নহয় নাইবা কোনো ৰাজনৈতিক মতবাদৰ প্ৰচাৰো ই নকৰে। ধৰ্ম নাইবা তাৰ লগত সম্বন্ধ বিষয়ৰ বাহকো কবিতা নহয়। কবিতা হ'ল কবিৰ মনোবৈজ্ঞানিক অৱস্থাসমূহৰ এক প্ৰকাৰৰ সমষ্টি।

Tradition and Individual talent Hamlet আৰু Ben Johnson প্ৰভৃতি ৰচনাকেইখনত অচেতন ৰাজ্যৰ পৰা উদ্ভৱ হোৱা প্ৰতিক্ৰিয়াৰ ওপৰত থকা চেতনাৰ নিৰ্দেশ সম্বন্ধীয় কাব্যিক সমস্যাৰ আলোচনা দেখিবলৈ পোৱা যায়। Traditoin and Individual Talentত উল্লেখ কৰিছে যে "এজন শিল্পীৰ কৰ্ম পদ্ধতিৰ মাজতে থাকে নিৰৱচ্ছিন্ন ব্যক্তিত্ব বিলাপ"। ইয়াৰ লগতে এলিয়টে ক'ব খোজে যে প্ৰকাশ কৰিবলৈ কবিৰ এটা ব্যক্তিত্ব নাই কিন্তু তেওঁৰ আছে এটা মাধ্যম। এইটো এটা মাধ্যমহে কিন্তু ব্যক্তিত্ব নহয়। এই মাধ্যমৰ যোগেদি ধাৰণা আৰু অভিজ্ঞতাবোৰ আচৰিত আৰু অভাৱনীয়ৰূপে সংমিলিত হয়।

১৯১০ চনত হাৰ্ভাডৰ পৰা এম, এ, পাছ কৰি এলিয়টে ফ্ৰান্সৰ ছৰ্ধ বিশ্ববিদ্যালয়ত এবছৰ কাল হেনৰি বাৰ্গচঁৰ দৰ্শন অধ্যয়ন কৰি উভটি আহে আৰু ১৯১১ চনৰ পৰা হাৰ্ভাডতে দৰ্শন বিভাগৰ গ্ৰেজুৱেট এচিষ্টেণ্ট হিচাপে কাম কৰে। ১৯১৪ চনত তেওঁ দৰ্শন শাস্ত্ৰ পঢ়িবলৈ মাৰ্বুৰ্গলৈ যায় আৰু মহাযুদ্ধ আৰম্ভ হোৱাত অক্সফোৰ্ডলৈ আহি ব্ৰেডলিৰ দৰ্শনৰ ওপৰত গৱেষণা আৰম্ভ কৰে। ব্ৰড্‌লিৰ চিন্তাধাৰাই তেওঁৰ সৃষ্টি কৰ্মৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়।

১৯১৫ চনত তেওঁ বিয়া কৰায় আৰু অলপ দিন শিক্ষকতা কৰাৰ পিছত 'বেংক অৱ ইংলণ্ড'ত চাকৰি কৰি জীৱন নিৰ্বাহ কৰিবলৈ লয়। এই সময়তে তেওঁ 'ডিইগয়িষ্ট' আলোচনীখন সম্পাদনা কৰিবলৈ লয়।

মহাযুদ্ধৰ পিছৰ ১৯২০ চনৰ কবিতা সংকলনত উল্লেখ হোৱা সৰ্বাধিক উল্লেখযোগ্য কবিতা 'জেৰণচিয়ণ'ত এলিয়টৰ পৰিণত বয়সৰ মধ্য জীৱনৰ ষ্টাইল সুস্পষ্ট। এলিয়টে কবিতা সমূহ ৰচনা কৰোঁতে এক 'টেকনিক' ব্যৱহাৰ কৰিছিল। তুলনা কৰিব পাৰি সেই টেকনিক মানে কলা-কৌশলৰ লগত আধুনিক বোল-ছবিৰ কলা-কৌশল। অথচ, পাহৰি গ'লে ভুল হ'ব। তেতিয়ালৈকে বোলছবিৰ কলা-কৌশলহে নেলাগে বোলছবি বস্তুটোৱেই সিমান বেছি বিকশিত হৈ উঠা নাছিল। এজন সমালোচকে এই টেকনিকটোৰ বিষয়ে সুন্দৰকৈ ফঁহিয়াই দেখুৱাইছে।

এলিয়টে ১৯২১ চনত 'ডি ৱেষ্ট লেণ্ড' (অনুৰ্বৰ ভূমি) নামৰ তেওঁৰ সৰ্বাধিক বিখ্যাত কবিতাটো ৰচনা কৰিবলৈ লয়। সেই বছৰতে তেখেতৰ অসুখ হোৱাত তেখেতে প্ৰথমে মাৰ্গেটত পিছত চুইজাৰলেণ্ডৰ লুচানৰ ক্লিনিক এটাত অৱসৰ বিনোদন কৰে। তাতে তেওঁ কবিতাটোৰ পাণ্ডুলিপি সমাপ্ত কৰিবলৈ যত্ন কৰে। ১৯১২ চনত ঘৰলৈ উভতি আহোতে পাউণ্ডক লগ ধৰি কবিতাটোৰ পাণ্ডুলিপিটো দেখুওৱাত পাউণ্ডে কবিতাটোৰ বেছি ভাগ অংশ কাটি পেলাই বাকীখিনি প্ৰকাশৰ বাবে সমৰ্থন কৰে আৰু সংকুচিত অৱস্থাতে ১৯২২ চনত তেওঁ নিজে স্থাপন আৰু সম্পাদনা

কৰা 'ডি মাস্থলি ক্ৰাইটেৰিয়ান'ত কবিতাটো প্ৰকাশ পায়।

তেওঁৰ কবিতা সাধাৰণতে বৰ জটিল আৰু দুৰ্বোধ্য যেন লাগে। তেওঁৰ ৱেষ্টলেণ্ড এই যুগৰ এক মহৎ সৃষ্টি বুলি স্বীকৃত। ৪৩৩ চৰণৰ এই কবিতাটোৰ কাৰণেই তেওঁ নোবেল বঁটাৰে পুৰস্কৃত হৈছিল। ফ্ৰেংক কাৰ্মোডে 'ডি ৱেষ্ট লেণ্ড'ক বিংশ শতাব্দীৰ কেন্দ্ৰীয় ইংৰাজী কবিতা বুলি অভিহিত কৰিছে। কবিতাটোৰ আধাৰ হৈছে মধ্যযুগৰ উৰ্বৰতা মিথৰ 'চিম্বলিক' পৰিস্থিতি। মধ্যযুগৰ ৰোমাঞ্চত এটা পৰিস্থিতিৰ পুনৰাবৃত্তি হোৱা দেখা যায়। ৰজা পুৰুষত্বহীন হ'লে অথবা আঘাতপ্ৰাপ্ত হ'লে ৰাজ্যখনো অনুৰ্বৰ হয় আৰু দুৰ্বল হয়। এলিয়টে "ডি ৱেষ্ট লেণ্ড"তো উৰ্বৰতা মিথৰ সহায়ত এক প্ৰচেষ্টা চলাইছে। কবিতাটোৰ শেষত তেওঁ নিজে কিছুমান যথেষ্ট দীঘলীয়া টোকা সন্নিবিষ্ট কৰিছে। ৱেষ্টলেণ্ডত প্ৰকাশ পাইছে মহাযুদ্ধ যুগৰ মানুহৰ মৰ্ম বেদনা। স্মৰণযোগ্য যে, এলিয়টে কবিতাৰ এটা নতুন সংজ্ঞা দিছে। সংজ্ঞাটো হ'ল—কবিতা সংগীতময় ৰূপত স্ফটিকীকৃত যুগস্বৰূপ (**Poetry is age crystallised in music**) মহাযুদ্ধ বিধ্বস্ত য়ুৰোপে যেতিয়া হতাশাৰ মাজত জীৱনৰ বাট হেৰুৱাই পেলাইছিল, এলিয়টে তেতিয়া য়ুৰোপক আশাৰ বাণী শুনাইছিল — ক্ৰুচবিদ্ধ হোৱাতেই পূৰ্ব জন্মৰ সম্ভাৱনা। আচলতে এলিয়ট কবিৰহে কবি সাধাৰণ পাঠকৰ নহয়। এলিয়টৰ কবিতাত এক অপূৰ্ব ছন্দ চেতনাৰ ৰূপ দেখিবলৈ পোৱা যায়। ইংৰাজী ভাষাৰ উপযোগী এই নতুন ছন্দটোৰ নাম হৈছে, স্পন্দিত গদ্য। এই ছন্দ ৰূপটোৰে পৰিপূৰ্ণ অভিব্যক্তি অসমীয়া কাব্যত দিব পাৰিছিল মাত্ৰ এজন কবিয়ে — অমূল্য বৰুৱাই।

এলিয়ট আছিল এজন বিখ্যাত সমালোচক। এলিয়টৰ সমালোচনাৰ অন্যতম ক্লাচিক ফৰমূলা হ'ল 'অবজেকটিভ কোৰিলেটিভ'। এই বছৰতে প্ৰকাশ পোৱা এলিয়টৰ বিখ্যাত সমালোচনা গ্ৰন্থ 'ডি চেক্ৰেট উডে' তেওঁক এই শতাব্দীৰ শ্ৰেষ্ঠ সমালোচকসকলৰ এজন হিচাপে চিহ্নিত কৰিছে। এই গ্ৰন্থত প্ৰকাশিত 'ট্ৰেডিচন এণ্ড ইণ্ডিভিজুৱেল টেলেণ্ট' এলিয়ট ধৰ্মী নতুন কবিতাৰ 'মেনিফেষ্টেচ' স্বৰূপ। এই ক্ষেত্ৰত প্ৰবন্ধটোৰ স্থান ৱৰ্ডছৱৰ্থৰ 'লিৰিকেল বেলাড'ৰ পাতনিৰ অনুৰূপ।

**The use of poetry and the use of Criticism** পুথিত এলিয়টে লিখিছে যে কবি আৰু দাৰ্শনিকৰ কাম একেটা মূৰৰ মাজত নহৈ দুটাৰ মাজত হ'লে কামটো সুসম্পন্ন হয়। তথাপি সাহিত্য আৰু নৈতিকতা সম্পূৰ্ণৰূপে বিচ্ছিন্ন হোৱাটো তেওঁ পছন্দ নকৰে। সাহিত্যৰ এক প্ৰকাৰৰ নৈতিক গুণ আছে। "সাহিত্যৰ সুগভীৰ নৈতিকতা লেখকৰ চেতনা নৈতিক বিচাৰ প্ৰসূত নহয়। কিয়নো এনে বিচাৰ ব্যক্তিমনৰ উপৰিভাগৰ বিচাৰহে। তথাপি ক'ব লাগিব যে সকলো প্ৰথম শ্ৰেণীৰ কবিতাৰে নৈতিকতাৰ লগত সম্বন্ধ আছে। কলা-কৌশলৰ প্ৰতি সদা সচেতন হোৱাৰ ফলতে কবিয়ে এনে নৈতিক গুণৰ অধিকাৰী হ'ব পাৰে।"

এলিয়টে আৰ্টৰ স্বয়ংক্ৰিয়তাৰ ওপৰত গুৰুত্ব দিছে। **Religion and Literature** নামৰ ৰচনাত তেওঁ লিখিছে যে, আমি বসতি কৰা এই যুগৰ নীতি আৰু ধৰ্ম সম্বন্ধীয় কথাত সৰ্বজনৰ সম্মতিৰ প্ৰশ্ন নুঠে। গতিকে খ্ৰীষ্টিয়ান পাঠকসকলে কল্পনাপ্ৰসূত সৃষ্টি বা নৈতিক আৰু ধৰ্মীয় মানদণ্ডেৰে বিচাৰ কৰিব লাগে। "সাহিত্যৰ মহত্ব অকল সাহিত্যিক মানদণ্ডেৰে নিৰূপন কৰা নাযায় কিন্তু বস্তুটো সাহিত্য হয়নে নহয় তাকহে সাহিত্যৰ

মানদণ্ডই বুজাবলৈ সক্ষম।"

জন ক্রো ৰেনছামৰ মতে এলিয়টৰ সমালোচনা পদ্ধতি মনোবৈজ্ঞানিক ফলপ্রসূ অভিজ্ঞতা লাভৰ মাজতেই সীমিত। উইণ্টাৰছৰ মতে, শিল্প প্রক্রিয়া হ'ল কলা-কৌশলৰ সহায়ত লাভ কৰা মানৱ অভিজ্ঞতাৰ নৈতিক মূল্যায়ন। এনে কৌশলৰ বলতে মূল্যায়ন হয় বেছি স্পষ্ট অথচ চমু। নিজৰ বুদ্ধিশক্তিৰ সহায়ত কবিয়ে অভিজ্ঞতা বুজিবলৈ চেষ্টা কৰে। এইবোৰ অভিজ্ঞতাই অনুভূতিযুক্ত হৈ কাব্যত উপস্থাপিত হয়। ১৯১৪ চনত এলিয়টৰ আন এখন সমালোচনা গ্রন্থ 'ইমেজ টু জন ড্রাইভেন' প্রকাশ হয়।

১৯২৭ চনত এলিয়টে ব্রিটিছ নাগৰিকত্ব গ্রহণ কৰে আৰু 'চাৰ্চ অৱ ইংলেণ্ড'ৰ ভিতৰুৱা হয়। ১৯২২ চনত প্রতিষ্ঠা কৰি ১৯৩৯ চনলৈ সম্পাদনা কৰা "ডি মান্থলি ক্রাইটেৰিয়ণ"ত ৰোমাঞ্চ সাহিত্যৰ পণ্ডিত কাৰ্টিয়াচকে ধৰি কেইবাজনো চিন্তাবিদক জগতৰ কল্যাণ কৰিবলৈ উদগনি দিছিল আৰু নিজেও ইংলেণ্ডৰ সামাজিক সাংস্কৃতিক দিশ পোহৰাই গ্রন্থ লিখিছিল। এই গ্রন্থবিলাক হৈছে — 'থট্চ আফটাৰ লেম্বেথ' (১৯৩১), 'ডি আইডিয়া অৱ এ ক্রিষ্টিয়ান চচায়েটি' (১৯৩৯) আৰু 'নটচ টুৱাৰ্ডচ ডি ডেফিনিচন অৱ কালচাৰ' (১৯৪৮)"।

ইয়াৰোপৰি তেওঁ ইংলণ্ডৰ চাৰ্চত প্রবেশ কৰাৰ পিছত 'এৰিয়েল পয়েমচ', 'ডি জাৰ্নি অৱ ডি মেজাই', এলিমুলা' আৰু 'মেৰিণা' লিখাৰ উপৰিও আৰু বহুতো ধৰ্মীয় কবিতা লিখিছে। এলিয়টৰ আটাইতকৈ সহজ কবিতাবোৰৰ ভিতৰত 'জাৰ্নি অৱ দি মেজাই' কবিতাটো উল্লেখযোগ্য। কবিতাটোৰ বিষয়-বস্তু হ'ল, নৱ জগতক যীচুৰ সন্ধানত ওলোৱা কেইজনমান দ্রষ্টা পুৰোহিতৰ ভ্রমণ কালৰ বৰ্ণনা, কবিতাটোৰ প্রথম স্তৱকত আছে, ভ্রমণকাৰী কেইজনৰ অভাৱিত কষ্ট আৰু দুৰ্দশাৰ ইংগিতময় বৰ্ণনা, চেঁচা বতৰ, ওখোৰা মোখোৰা বাট আৰু 'গলি অহা বৰফত শুই' বৈ যোৱা উটকেইটাৰ আমনি—সিহঁতৰ ভৰিৰ খুৰাবোৰ বিষাইছে। অকল সিমানেই নহয়; অচিনাকি ঠাইবোৰৰ মানুহৰ ব্যৱহাৰো ভাল নহয়, ক'ৰবাত হয়তো চৰাইখানাত থকা খোৱাৰ দামেই মহঙা, ক'ৰবাত হয়তো মানুহবোৰৰ কথা-বতৰাই শুকান, কবিতাটোত এইখিনি কথা এনেদৰে দাঙি ধৰিছে।

> Then the camel men cursing
> and grumbling
> And running away, and wanting
> their liquor and women,
> And the night fires going out,
> and the lack of shelters,
> And the cities hostile and the towns
> unfriendly
> And the villages dirty and charging
> high prices.
> A hard time we had of it.
>
> (Journey of the Magi)

---

এলিজাবেথ ড্রু নামৰ এগৰাকী মহিলা সমালোচকে তেখেতৰ এই কবিতাটো বৰ ধুনীয়াকৈ সমালোচনা কৰিছে।

এলিয়টৰ পৰিণত বয়সৰ কবিকৃতি হ'ল "Four quarters", ৱেষ্টলেণ্ডৰ পৰা এইখনলৈ বহুদূৰৰ বাট। এইখনত ৱেষ্টলেণ্ডৰ দৰে নেতিবাচক সুৰটো পাবলৈ নাই, আৰু নাই আগৰখনৰ দৰে তীক্ষ্ণধাৰ বক্রোক্তি, তাৰ সলনি পোৱা যায় এক ৰহস্যবাদী কণ্ঠস্বৰ, অতি শান্ত সমাহিত সেই কণ্ঠস্বৰ। কিন্তু দুয়োখন কবিতা পুথিয়ে সমানে পূৰ্ণ। ইয়াৰ পিছত তেওঁ 'বাৰ্ণট নৰ্টন' নামেৰে আন এটা

দীঘলীয়া কবিতা ৰচনা কৰে। বাৰ্ণট নৰ্টনৰ কল্পিত স্থান লণ্ডন। তাৰ পিছত তেওঁ ক্ৰমে ১৯৪০ চনত 'ইষ্টক'কাৰ' আৰু ১৯৪১ চনত 'ডি ড্ৰাই চেভেজেছ' আৰু 'লিটন গিডিং' সমাপ্ত কৰে। ১৯৪৩ চনত চাৰিওটা কবিতা একেলগে গ্ৰন্থিত কৰি প্ৰকাশ কৰা হয়।

ইষ্টক'কাৰ ইংলণ্ডৰ দক্ষিণ-পূব ভাগত অৱস্থিত চমাৰচেট অঞ্চলৰ এখন গাঁৱৰ নাম। ইয়াৰ পৰাই টি, এছ, এলিয়টৰ পূৰ্বপুৰুষ এণ্ড্ৰু এলিয়টে সম্ভৱতঃ ১৬৬৯ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ উত্তৰ-পূব ভাগৰ মেছাছচেট্‌ছ ৰাজ্যৰ চালেমলৈ উঠি যায়। তাতে এলিয়টে ল'ৰা কালত গ্ৰীষ্ম উপভোগ কৰিছিল। ইষ্টক'কাৰ কবিতাটো এলিয়টৰ প্ৰখ্যাত কবিতা চতুষ্টয় 'ফোৰ কোৱাৰ্টেটিচ'ৰ দ্বিতীয় কবিতা।

এলিয়টৰ বহুতো সমালোচকে ফঁহিয়াই দেখুৱাইছে যে, তেওঁৰ কবিতাত আছে বস্তুগত পৰম্পৰ সম্পৃক্তি। তেওঁ তেওঁৰ কবিতাত বাস্তৱবাদিতা আৰু বৰ্ণনা বোলা বস্তু দুটা সম্পূৰ্ণৰূপে বাদ দিছে, তাৰ পৰিৱৰ্তে সুদীৰ্ঘ ঔপচাৰিক ব্যঞ্জনাহে ব্যৱহাৰ কৰিছে। সেই বাবে তেওঁৰ কবিতা জটিল আৰু দুৰ্বোধ্য যেন লাগে। তেওঁৰ জীৱনবীক্ষা অনন্য সাধাৰণ যদিও পৰৱৰ্তী কালৰ লোকসকলৰ বাবে বিশেষ কোনো অনুপ্ৰেৰণা পাবলৈ নাই। সেই ফালৰ পৰা চালে, 'পাইলন গোষ্ঠী'ৰ কবিসকল ষ্টিফেন স্পেণ্ডাৰ, ডব্লিউ, এইছ, অডেন আৰু চিচিল ডে লুইচ বহু বেছি অনুপ্ৰেৰণা সমৃদ্ধ। কিন্তু স্মৰণ কৰিব লাগিব তেওঁলোকে ব্যৱহাৰ কৰা নতুন টেকনিকটো অনিবাৰ্য্যভাৱেই এলিয়টৰ আৰু তেওঁলোকৰ সফলতা এলিয়টৰে সফলতা।

এইজনা জ্ঞানপিপাসু সাহিত্যিকে ১৯৬৫ চনৰ ৪ জানুৱাৰীত ইহলীলা সম্বৰণ কৰে। তেখেতক ১৯৬৫ চনৰ ১৭ এপ্ৰিলৰ দিনা চেণ্ট মাইকেল গীৰ্জাৰ চৌহদৰ একোণত দেহ-ভস্ম সমাধিষ্ট কৰা হয়। এইজনা সাহিত্যিকৰ মৃত্যু হ'লেও তেখেতৰ স্মৃতি পৃথিৱীৰ সকলো দেশৰ কবি আৰু ৰসজ্ঞ পাঠকৰ মাজত পাৰিজাত ফুলৰ দৰে চিৰজ্যোতিষ্মান হৈ ৰ'ব। ●

---

প্ৰবন্ধটি যুগুতাওঁতে বিভিন্ন পুথিৰ সহায় লোৱা হৈছে।

# বায়ুমণ্ডলৰ অজ’ন স্তৰ আৰু ইয়াৰ ক্ষয়ীভৱনৰ ভয়াবহতা

অৰুণ শৰ্মা
প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ

**দুটা** অক্সিজেনৰ পৰমাণু লগলাগি যেনেকৈ এটা সাধাৰণ অক্সিজেনৰ অণু গঠিত হয়, ঠিক তেনেকৈ তিনিটা অক্সিজেনৰ পৰমাণু লগলাগি এটা অজ’নৰ অণু গঠিত হয়। অজ’ন বায়ুমণ্ডলত প্ৰচুৰ পৰিমাণে পোৱা নাযায়। প্ৰায় একনিযুত বায়ুৰ অণুত মাত্ৰ কেইটামানহে অজ’নৰ অণু থাকে। আমি জানো যে অক্সিজেনৰ অবিহনে প্ৰাণী জীয়াই থকা অসম্ভৱ। কিন্তু অজ’ন থকা বায়ুত বেছি পৰিমাণে নিশ্বাস ল’লে ই বিষময় হৈ উঠে।

বায়ুমণ্ডলৰ ১৫ ৰ পৰা ৫০ কিঃ মিঃ ৰ ভিতৰৰ স্তৰটোক ষ্ট্ৰেট’স্ফিয়েৰ বোলা হয়। এই স্তৰতে যথেষ্ট গাঢ়তাৰ অজ’নৰ স্তৰ অৱস্থিত। এই অজ’নৰ স্তৰটোৱে সৌৰ বিকিৰণত থকা জীৱৰ অতি অনিষ্টকাৰী অতি বেগুনী ৰশ্মি ( Ultraviolet Ray ) এক্সৰশ্মি, মহাজাগতিক ৰশ্মি ( Cosmic Ray ), গামা ৰশ্মি ইত্যাদিক শুহি ৰাখি আমাৰ জীৱজগতক নিৰাপদে ৰখাত অত্যান্তৰূপে প্ৰয়োজনীয় অংশ গ্ৰহণ কৰি আছে। এই অজ’ন স্তৰৰ মুখ্য দায়িত্ব হৈছে প্ৰায় ৩০০ nm ( ১nm = ১০$_{m}^{-৯}$) তৰংগ দৈৰ্ঘ্যৰ সৌৰ বিকিৰণ সমূহ সম্পূৰ্ণৰূপে বন্ধ কৰা বা শোষণ কৰি পৃথিৱীক ইয়াৰ পৰা মুক্ত কৰা। সংজ্ঞা মতে অতিবেগুনী ( Uv ) ৰশ্মিৰ তৰংগ দৈৰ্ঘৰ সীমা ১০ ৰ পৰা ৪০০নেন’মিটাৰ ( nm)।

অজ’নস্তৰৰ ভিতৰতে কিছুমান ৰাসায়নিক প্ৰক্ৰিয়াৰ চক্ৰৰ যোগেদি সৌৰ অতিবেগুনী ( Uv ) ৰশ্মিৰ সৈতে অজ’নৰ আন্তঃক্ৰিয়া ঘটে যাৰ ফলস্বৰূপেই অজ’ন স্তৰে এখন জীৱজগতৰ আৱৰণ ৰূপে কাম কৰিছে। এই পদ্ধতিৰ প্ৰথম পদক্ষেপ হিচাপে অতি বেগুনী ( Uv ) ৰশ্মিৰ দ্বাৰা মুক্ত মৌল (Free radical) লৈ অক্সিজেনৰ অণুবোৰৰ ভংগন হয়। এই মুক্ত মৌলবোৰ পিছত অক্সিজেনৰ অণুৰ সৈতে যুক্ত হৈ অজ’নৰ অণুৰ সৃষ্টি কৰে। ইয়াত এটা অক্সিজেনৰ অণু লগহৈ দুটা অজ’নৰ অণু সৃষ্টি হোৱাত মূল বিক্ৰিয়া সংঘটিত হয়।

এইদৰে গঠিত হোৱা অজ’নৰ অণুবোৰে উচ্চশক্তি সম্পন্ন অতিবেগুনী ৰশ্মিবোৰৰ সৈতে নিয়মীয়াকৈ যুক্ত হ’ব পাৰে কেৱল অক্সিজেনৰ পৰমাণু আৰু মুক্ত অক্সিজেনৰ মৌল উৎপন্ন কৰাৰ ক্ষেত্ৰতহে। এইদৰে উৎপন্ন হোৱা অক্সিজেনৰ পৰমাণুবোৰে আগত কৈ অহা পদ্ধতিৰে অজ’নৰ অণু গঠন কৰিবৰ বাবে আকৌ এবাৰ অংশ গ্ৰহণ কৰে। এই অজ’ন অণুৰ গঠন আৰু ধ্বংসৰ যি আলোক ৰাসায়নিক বিক্ৰিয়াই এটা গতিয় ভাৰসাম্য (Dynamic equilibrium) সাব্যস্ত কৰিবৰ বাবে একেলেথাৰিয়ে সংগঠিত হৈ থাকে। এইদৰে অজ’নৰ গাঢ়তা সদায় সমান থাকে।

১৮০ ৰ পৰা ৩০০ nm তৰংগ দৈৰ্ঘ্যৰ ভিতৰৰ সৌৰ ৰশ্মি জীৱ বিজ্ঞান সম্বন্ধীয় প্ৰক্ৰিয়াৰ বাবে অতিশয় বিপদজনক। যিহেতু ই জীৱৰ কোষত থকা DNA নষ্ট কৰিব পাৰে আৰু জীৱদেহত বিশেষকৈ ছালত কৰ্কট ৰোগৰো আবিষ্ট কৰে ।

প্ৰায় ১৯৭০ চনৰ মাজভাগৰ পৰাই এই অজ্'নস্তৰৰ ধ্বংসৰ আৰম্ভ হৈছে। এই ধ্বংশৰ মূল কাৰণ হৈছে বহলাংশে ব্যৱহাৰ হোৱা কিছুমান নিশ্চিত ঔদ্যোগিক ৰাসায়নিক পদাৰ্থ যাক ক্ল'ৰ'ফ্ল'ৰ' কাৰ্বন বুলি কোৱা হয়। এই ৰাসায়নিক পদাৰ্থটো খুব স্থিৰ। ইয়াক ৰিফ্ৰিজাৰেণ্টচ বা প্ৰপেলেণ্টচ হিচাবেও ব্যৱহাৰ কৰা হয় । প্ৰপেলেণ্ট হিচাবে এৰ'ছ'ল স্প্ৰে'ত ব্যৱহাৰ হয় আৰু প্লাষ্টিক ফ'ম বনোৱাত প্ৰসাৰক হিচাবে ইয়াক ব্যৱহাৰ কৰা হয়। আমি দৈনন্দিন ব্যৱহাৰ কৰা বিভিন্ন স্প্ৰেৰ মূল উৎস ইয়ে। এই ৰাসায়নিক পদাৰ্থ সুস্থিৰ হোৱাৰ বাবে ই বহু বছৰ ধৰি একে ঠাইতে থাকিব পাৰে আৰু মাজে মাজে ষ্ট্ৰেটস্ফিয়েৰলৈ ইয়াৰ অনিয়মিত প্ৰবাহ হৈ থাকে। ষ্ট্ৰেটস্ফিয়েৰ পোৱাৰ লগে লগে এই যৌগটোৱে অতিবেগুনী (Uv) ৰশ্মি শোষণ কৰি মুক্ত ক্লৰিণলৈ বিশ্লেষিত হয়। যাৰ ফলস্বৰূপেই অজ্'ন অণুৰ ক্ষয়ীভবন হয় আৰু অক্সিজেনৰ অণুলৈ ৰূপান্তৰিত হয়।

তদুপৰি শব্দোত্তৰ পৰিবহন যেনে, এৰোপ্লেন, জেটপ্লেন, ৰকেট ইত্যাদিবোৰৰ অবাধ অহা যোৱাইও অজ্'ন স্তৰৰ ক্ষয়ীভবনত যথেষ্ট অৰিহণা যোগায়।

এণ্টাৰ্কটিকাত কৰা বিভিন্ন জোখ-মাখ গৱেষণাৰ দ্বাৰা নিশ্চত প্ৰমাণ হৈছে যে এই অঞ্চলৰ অজ্'নস্তৰৰ ক্ষয়ীভৱন হৈছে। এটা বৃটিছ জৰিপদলে ১৯৫৭ চনৰ পৰা চলোৱা অধ্যয়নৰ দ্বাৰা মন্তব্য কৰিছে যে যোৱা কেইবছৰমানৰ ভিতৰতে অজ্'নস্তৰৰ গাঢ়তা নাটকীয় ভাবে নামি গৈছে। ১৯৮৫ চনৰ মে মাহত এই বৃটিছ জৰিপদলে ঘোষণা কৰিলে যে এণ্টাৰ্কটিকাত বসন্তকাল চেপ্তেম্বৰ আৰু অক্টোবৰ মাহত শেষৰ যোৱা ৮ বছৰত অজ্'নস্তৰৰ গাঢ়তা খুব বেছি পৰিমাণে ক্ষয়ীভবন হৈছে। যাৰ ফলত অজ্'নস্তৰ অদৃশ্য হৈ তাৰ ঠাইত বিন্ধা (Hole) ৰ সৃষ্টি হৈছে । এই বিন্ধাৰ অৱস্থিতি us উপগ্ৰহ ' নিমবাদ—৭' য়ে নিদ্ধাৰণ কৰে। ই ১৯৭৮ চনৰ পৰাই পৃথিৱীৰ ওপৰত অজ্'নৰ গাঢ়তাৰ জোখ-মাখ লৈ আছিল। এই বিন্ধাৰ কালি আমেৰিকা যুক্তৰাষ্ট্ৰৰ কালিৰ সৈতে প্ৰায় সমান বুলি ঠাৱৰ কৰে। অক্টোবৰৰ মাজভাগৰ পৰা অজ্'নস্তৰৰ ক্ষয়ীভবন কমি যায় আৰু ইয়াৰ পাছত খুব জোৰেৰে বায়ু চলাচলৰ বাবে এই বিন্ধা প্ৰায় অজ্'নেৰে পূৰ্ণ হয়।

এণ্টাৰ্কটিকাৰ ওপৰত অজ্'নৰ নাটকীয় ক্ষয়াভৱনৰ মূল কাৰণ বায়ুমণ্ডললৈ ক্ল'ৰ'ফ্ল'ৰ' কাৰ্বনৰ অবাধ চলনৰ বাবেই সম্ভৱ বুলি বৈজ্ঞানিক সকলে ঠাৱৰ কৰিছে। আৰু ইয়াৰ বাবেই কিছুমান বিশেষ বতৰ সম্পৰ্কীয় অৱস্থাত এণ্টাৰ্কটিকাৰ ওপৰত পৰিলক্ষিত হৈছে।

পশ্চিম জাৰ্মানীৰ ত্ৰিমাৰহেভেনৰ কেইজনমান ভূমিবিজ্ঞানৰ বিশেষজ্ঞই পৃথিৱীৰ দুয়োটা মেৰু ভ্ৰমণ কৰি মন্তব্য কৰিছে যে এণ্টাৰ্কটিকাৰ ওপৰত দক্ষিণ মেৰুত সৃষ্টি হোৱাৰ দৰে অকিচিবাৰ ওপৰত উত্তৰ মেৰুটো একেধৰণৰ অজ্'ন বিন্ধাৰ সৃষ্টি হৈছে। অৱশ্যে এই বিন্ধা দক্ষিণৰ বিন্ধাতকৈ সৰু।

অজ্'নস্তৰৰ ক্ষয়ীভৱনে পৃথিৱীৰ জীৱৰ প্ৰতি আতংকৰ সৃষ্টি কৰিছে। যিহেতু ই পৃথিৱীৰ জীৱক অতি মাৰাত্মক (Uv) মহা-জাগতিক, এক্সৰশ্মি আদিৰ পৰা ৰক্ষা কৰিছে।

এই ৰশ্মিৰ বায়ুমণ্ডলত প্ৰচলনৰ ফলস্বৰূপে পৃথিৱীৰ প্ৰাণীৰ কৰ্কটৰোগ, চকুৰ বেমাৰ, সৌৰ বিকিৰণে পোৰা (Sun burn), অসংক্ৰাম্য বেমাৰ ইত্যাদিয়ে গ্ৰাস কৰিব। তদুপৰি উদ্ভিদৰো ধ্বংস হ'ব। এই ৰশ্মিয়ে জীৱকোষৰ DNA ধ্বংস কৰিব পাৰে। ইয়াৰ বাবে উদ্ভিদজগতৰ ক্ষতিসাধন হ'ব যি প্ৰাণীৰ অপৰিহাৰ্য্য অক্সিজেন অহৰহ উৎপাদন কৰি সমতা স্থাপন কৰিছে আৰু প্ৰাণীৰ বাবে অপকাৰী কাৰ্বন-ডাই-অক্সাইড গেছ শুহি বায়ুমণ্ডলক মুক্ত কৰি আছে।

কেলিফ'নিয়াৰ আৰু পৃথিৱীৰ আন আন অঞ্চলৰ বিজ্ঞানীসকলে ঠাৱৰ কৰিছে যে ফ্লুৰ'কাৰ্বনে কেইবাদশকলৈকে ক্ষতিসাধন কৰিব পাৰে। প্ৰপেলেণ্ট হিচাপে ব্যৱহাৰ কৰা এৰ'ছল স্প্ৰেৰ ক্ষেত্ৰত বিশেষকৈ ফ্লু'ৰ'-কাৰ্বন আৰু ঔদ্যোগিক গেছৰ বৰ্ত্তমান বৰ্ধিত ব্যৱহাৰ আৰু ভৱিষ্যত বৃদ্ধিলৈ লক্ষ্য ৰাখি এইকথা ধাৰণা কৰা হৈছে যে ১৯৭৫ চনৰ ভিতৰতে বায়ুমণ্ডলৰ অজ'নৰ চামনি প্ৰায় ১৫ গুণ হ্ৰাস পাব। কিছুসংখ্যক বিজ্ঞানীয়ে বিশ্বাস কৰে যে যদি এতিয়া ফ্লু'ৰ'কাৰ্বনৰ নিবাৰণ কৰা হয় তেতিয়া বায়ুমণ্ডলত বৰ্ত্তমানলৈকে বৰ্তি থকা এই ফ্লু'ৰ'কাৰ্বন মুক্ত কৰি স্বাভাৱিক অৱস্থালৈ আনিবলৈ আৰু এক শতাব্দী লাগিব। চিকিৎসা বিজ্ঞানীসকলে ভাৱে যে বায়ুমণ্ডলৰ অজ'ন অংশ প্ৰায় ১% হ্ৰাসে ছালৰ কৰ্কটৰোগৰ সংখ্যা শতকৰা ২ গুণ বৃদ্ধি কৰিব পাৰে।

নানা গৱেষণাৰপৰা পোৱা তথ্যৰ পৰা এই কথা ঠাৱৰ কৰিব পৰা হৈছে যে ফ্লু'ৰ'কাৰ্বনে উচ্চবায়ুমণ্ডলত প্ৰৱেশ কৰে আৰু বায়ুমণ্ডলৰ অজ'ন চাক্ষুনিত প্ৰতিক্ৰিয়া সৃষ্টি কৰি Uv ৰশ্মিৰ তেজক্ৰিয়তা বৃদ্ধি কৰে।

ফ্লু'ৰ'কাৰ্বনৰ বাহিৰেও নাইট্ৰজেন মিশ্ৰিত সাৰ নিৰ্মাণৰ দ্বাৰা বায়ুমণ্ডলৰ অজ'নস্তৰত বাধা প্ৰতিক্ৰিয়া সম্বন্ধেও পৰীক্ষা চলি আছে। কাৰণ নাইট্ৰ'জেন জাতীয় সাৰৰ সৃষ্টিৰ দ্বাৰা বায়ুৰ অজ'নস্তৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

বৰ্ত্তমান পৃথিৱীৰ সকলো ৰাষ্ট্ৰৰ বৈজ্ঞানিক-সকল আৰু প্ৰত্যেক ৰাষ্ট্ৰৰ চৰকাৰৰ ওপৰত এটা প্ৰধান কাম আহি পৰিছে — ই হৈছে অজ'নস্তৰৰ মূল কাৰণটো বিচাৰি উলিওৱা আৰু ইয়াক ক্ষয়ীভৱনৰ পৰা মুক্ত কৰা, এনে পৰীক্ষা নিৰীক্ষাৰ দ্বাৰাহে এই সমস্যাসমূহৰ সমাধান সম্ভৱ আৰু ভৱিষ্যত বংশধৰসকলো এক ভয়াবহ সমস্যাৰ পৰা মুক্ত হ'ব পাৰিব। ●

# কবি আৰু কবিতা

বিনোদ গগৈ
অধ্যাপক

**৬ জানুৱাৰী,** শুক্রবাৰ ১৯৮৯ চন। ডিগবৈ কলেজ ছাত্র সন্থা তথা ডিগবৈ কলেজৰ বাবে এই দিনটো চিৰস্মৰণীয় ৰূপে চিহ্নিত হৈ ৰব। ডিগবৈ কলেজ ছাত্র সন্থাৰ দ্বাৰা আয়োজিত কলেজ সপ্তাহৰ কাৰ্য্যসূচীৰ অন্যতম অংশবিশেষ হিচাপে আলোচনী বিভাগৰ উদ্যোগত এখনি বাচকবনীয়া কবি সন্মিলন সেইদিনাখন অনুষ্ঠিত কৰা হয়। এই কবি সন্মিলন একাধিক নবীন-প্রবীণ কবিৰ উপস্থিতি আৰু অংশ গ্ৰহণে জেউতি চৰায়। কবিসকল আছিল **সৰ্বশ্ৰী**ঃ ৰাম গগৈ, হিতেন শৰ্মা, উজ্বল শইকীয়া, পূণ্য শইকীয়া, ড° ৰথীন্দ্ৰ নাথ চৰকাৰ, দ্রোণকান্ত বৰুৱা, চৈয়দা আকেলা খানম, পূৰ্ণানন্দ শইকীয়া, বসন্ত দেউৰী, বিকাশ বৰুৱা, অগ্নি বাহাদুৰ ক্ষেত্ৰী। হিমাদ্রী শেখৰ ভট্টাচাৰ্য্য, ৰণজিৎ ফুকন, অনুপম ফুকন, মনু বৰগোহাঁই, বিনীতা ভূঞা, শংকৰ প্ৰসাদ ভট্টাচাৰ্য্য, জোনা শইকীয়া, প্ৰাঞ্জলী বৰগোহাঁই, শ্যাম কুমাৰ, বন্দনা দাস, নীলিমা বৰা আৰু লোহিত শইকীয়া।

কবি সন্মিলন উদ্বোধন কৰে স্থানীয় কৃতী শিক্ষাবিদ আৰু কবি শ্ৰীপ্ৰিয় দাস তালুকদাৰ দেৱে। দাস তালুকদাৰ দেৱে তেওঁৰ চমু ভাষণত কবিক দুভাগে বিভক্ত কৰি দেখুৱায় — স্বভাব কবি আৰু সাধক কবি। তেওঁৰ মতে স্বভাব সিদ্ধ কবিৰ কবিতা বেছি প্ৰাণোচ্ছল আৰু মানুহৰ হৃদয়ৰ অন্তঃস্থল সহজে প্ৰবেশ কৰিব পাৰে।

আধুনিক কবিতাৰ দুৰ্ব্বোধ্যতাৰ বিষয়ে কৈ তেওঁ কয় যে বহুতৰ মতে এই শ্ৰেণীৰ কবিতা বুজিবলৈ প্ৰথমে তীক্ষ্ণ মগজুৰ প্ৰয়োজন আৰু মগজুৰ পৰা তেনে কবিতা হৃদয়লৈ প্ৰেৰণ কৰিলেহে এনে কবিতা বোধগম্য হয়। এনে কবিতাই সাধাৰণ পাঠকৰ মন জয় কৰিবলৈ সমৰ্থ নোহোৱাৰ বাবে এই শ্ৰেণীৰ কবিতা অনাদৰৰ বস্তু হৈ পৰে। তালুকদাৰ দেৱে আধুনিক নবীন কবি সকলক আহ্বান কৰি কয় যে তেওঁলোকে এই জটিলতা পৰিহাৰ কৰি সহজবোধ্য কবিতা ৰচনা কৰাত মনোযোগ দিব লাগে।

কবি সন্মিলনৰ সঞ্চালকৰ দায়িত্ব বহন কৰে যশস্বী কবি শ্ৰীৰাম গগৈ দেৱে। কবি গগৈ দেৱে তেওঁৰ আৰম্ভণি বক্তৃতাৰ আৰম্ভণিতে ডিঃ কঃ ছাঃ সঃ ৰ আলোচনী বিভাগৰ উদ্যোগত

অনুষ্ঠিত কবি সন্মিলনৰ উদ্যোক্তা সকলক শলাগি এই বুলি মন্তব্য দিয়ে যে কলেজ সপ্তাহত কবি সন্মিলনৰ লেখীয়া অনুষ্ঠান সচৰাচৰ বিৰল।

কবিতাৰ সম্পৰ্কে ব্যাখ্যা দাঙি ধৰি তেওঁ কয় যে কবিতাৰ মূল উদ্দেশ্য হৈছে জীৱন জগৎ আৰু প্ৰকৃতি ব্যাখ্যা কৰা। সকলোৰে ভিতৰত যি গভীৰ চিৰন্তন সত্য আছে, অনিৰ্ব্বাচনীয় সৌন্দৰ্য্য আছে, সেইটো প্ৰকাশ কৰে কবিয়ে। তদুপৰি কবিতাই সত্য শিৱ আৰু সুন্দৰৰ প্ৰকাশ কৰিব লাগিব। কবি সকলে মানৱ প্ৰাণত নতুন আশা, নতুন পোহৰৰ সঞ্চাৰ কৰিবলৈ সমৰ্থ হ'ব লাগিব। ইয়াকে কৰোঁতে কবিয়ে নতুন কল্পনাৰে উদীপ্ত হ'ব লাগিব। কবি ৱৰ্ডছৱৰ্থৰ ভাষাৰ গইনা লৈ ক'বলৈ গ'লে ঃ

> " The light that never was
> on sea or land,
> The consecration and the
> poet's dream "

তেওঁ কয় যে কাল-চেতনা বা যুগ-চেতনাৰ লগতে ইতিহাসবোধেহে কবিতাৰ মান নিৰ্ণয় কৰে। কবিতা একোটা যুগৰ ধাৰক আৰু বাহক। ই একোটা কালৰ সম্যক প্ৰতিচ্ছবি, ইয়াৰ আশা-নিৰাশা, ঘাট - প্ৰতিঘাট, জয়-পৰাজয়, উৎপীড়ন-নিপীড়ন সমস্ত প্ৰতিবিম্বিত কৰিব লাগিব।

আঙ্গিকৰ সম্পৰ্কে উল্লেখ কৰি তেওঁ কয় যে কবিসকলৰ এই ক্ষেত্ৰত যথোচিত স্বাধীনতা থাকিব লাগে। কিন্তু সেয়ে হ'লেও তেওঁৰ মতে আঙ্গিক আৰু বিষয় বস্তু এই দুয়োটাৰ সম্পৰ্ক অভিন্ন। একোটা কবিতা নিটোল হ'ব পাৰে কিন্তু সেই কবিতাৰ বিষয়বস্তু যদি তৰল, অন্তঃসাৰশূন্য হয় তেনে কবিতা কেতিয়াও সাৰ্থক কবিতা হ'ব নোৱাৰে অথবা ৰসোত্তীৰ্ণ হ'ব নোৱাৰে। আনহাতে সেই কবিতা বিষয়বস্তুৰ দিশৰ পৰা নিটোল হলেও আঙ্গিকৰ দিশৰ পৰা নিখোঁত নহ'লে তেনে কবিতাও সাৰ্থক আৰু কালজয়ী হ'ব নোৱাৰে।

ধ্ৰপদী কবিতাসমূহত প্ৰাদুভাৱ ঘটা দৈব্যবাদৰ পৰা ফালৰি কাটি আজি অসমীয়া কবিতাই এক নৱজাগৰণৰ সৃষ্টি কৰিছে বুলি মন্তব্য দি কবিজনাই কয় যে প্ৰকৃত কবিতাত দৈব্যবাদ নতুবা অতিমাত্ৰা ৰোমাঞ্চৰো স্থান নাই।

কবিগৰাকীয়ে আধুনিক অসমীয়া কবিতাৰ গতি প্ৰকৃতি সম্পৰ্কে কয় যে ই নিশ্চয় শুভ কিয়নো সাম্প্ৰতিক কালত একাধিক নবীন প্ৰবীণ কবিয়ে কবিতা লেখাত আশাশুধীয়াকৈ ব্ৰতী হৈছে আৰু তেওঁলোকৰ লেখনিত গভীৰ মননশীলতা তথা যুগ চেতনাৰ স্ফুৰণ ঘটা লক্ষ্য কৰা যায়।

কবি গগৈদেৱক বাস্তবিকতে এজন স্বভাব-সিদ্ধ জনতাৰ কবি (Paet of the masses) বুলি অভিহিত কৰিব পাৰি। তেওঁৰ ৰচনাশৈলী বহুতৰে পৰা পৃথক, নিজস্ব বৈশিষ্ট্যৰে সমুজ্বল। তেওঁৰ সহজ সৰল নিৰ্ম্মেদ, নিৰলংকাৰ ভাষাই সহজে পাঠকক আকৰ্ষণ কৰিব পাৰে। সূক্ষ্ম সমাজ নিৰীক্ষণ, সংবেদনশীল মানবতাবোধ আৰু প্ৰগতিশীল জীৱনবীক্ষা তেওঁৰ কবিতাৰ প্ৰাণ।

এনে এজন জনতা দৰদী কবি সুলভ সহানু—

ভূতিৰে পুষ্ট কবি হোৱাৰ বাবেহে তেওঁ কবিৰ সামাজিক দায়বদ্ধতাৰ কথা দোহাৰে। তেওঁ সোচ্চাৰে কয় যে কবিতাত দৰিদ্ৰ নিপীড়িত জনৰ হাহাঁকাৰ ধ্বনিত হ'ব লাগিব। তদুপৰি তেওঁ উপলব্ধি কৰে যে বৰ্তমান যুগৰ আটাইতকৈ ডাঙৰ সমস্যা হৈছে ( যিটো কেৱল ৰাষ্ট্ৰীয় নহয়। সমগ্ৰ বিশ্বৰ ) নিৰাপত্তা তথা শান্তিৰ প্ৰতি প্ৰত্যাহ্বান । আজিৰ পৃথিৱীৰ মানুহৰ মন অথিৰ অবিৰ । দ্বিধাগ্ৰস্ত। সমাজৰ চৌদিশে দেখা যায় কেৱল অবক্ষয়— শিক্ষা, সাংস্কৃতি, ৰাজনীতি, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতে । মেথিউ আৰ্ণল্ডে এনে দুৰ্যোগপূৰ্ণ সন্ধিক্ষণৰ ভাষ্য দাঙি ধৰিছিল এনেদৰে :

"Standing between two worlds, one dead
The other Powerless to be born

সেয়ে আজিৰ কবিতাই এই সকলোবোৰ বিষয় ৰেখাপাত কৰি মানুহৰ মনত অভয়, নিৰাপত্তা আৰু আশাৰ সঞ্চাৰ কৰিব লাগিব। এনে আবেদন আৰু বাণী কবিতাত মূৰ্ত্ত নহ'নে তেনে কবিতা কালজয়ী আৰু জনসমাদৃত হ'ব নোৱাৰে। সদৌ শেষত তেওঁ আশা কৰে যে আজিৰ কবিসকল যুগৰ এই দাবীৰ প্ৰতি যেন সদা সচেতন হৈ থাকে ।

## রহস্যময় মাছ

# চিল'কান্থ

অণু বৰগোহাঁই (গগৈ)
প্ৰবক্তা, প্ৰাণীবিজ্ঞান বিভাগ

**বিজ্ঞানৰ** দৃষ্টিত লুকাই থাকে সৃষ্টিৰ ৰহস্য। এই ৰহস্যময় বিশ্বত বৈজ্ঞানিকসকলৰ নিতৌ ন ন আৱিষ্কাৰে বিজ্ঞানৰ বাবে ন ন পথৰ সন্ধান দিয়ে। এনেকৈয়ে আমি জীৱ-জগতৰ ক্ৰমবিকাশত বহুতো বিস্ময়কৰ প্ৰাণী লগ পাওঁ। কিছুমানৰ পূৰ্ণবিকাশ ঘটিছে আকৌ কিছুমানে প্ৰাকৃতিক বাতাবৰণৰ লগত খাপ খাব নোৱাৰি পৃথিৱীৰ পৰাই সম্পূৰ্ণৰূপে হেৰাই গৈছে। উদাহৰণস্বৰূপে আমি বিশাল আকৃতিৰ ডাইন'চৰৰ কথা ক'ব পাৰোঁ।

আমি আচৰিত নহৈ নোৱাৰোঁ যে এটা মাছৰ পুনৰ আবিৰ্ভাবেও বিজ্ঞান মহলত বিস্ময় সৃষ্টি কৰিছিল। ১৯৩৮ চনত উল্লেখিত মাছটো দক্ষিণ আফ্ৰিকাৰ পূব উপকূলত চালুমনা নদীৰ মোহনাত মাছমৰীয়াবিলাকে পাইছিল। ইয়াক পানীৰ পৰা ৭৩ মিটাৰ গভীৰতাত পোৱা গৈছিল। মাছটো দীঘে প্ৰায় ১½ মিটাৰ, ওজন ৫৮ কিঃ গ্ৰাম, বাকলিবোৰ ডাঙৰ গোলাকৃতি গাঢ় নীলা ৰঙৰ আৰু ফিচাবোৰ লবেট (Lobate) আকাৰৰ এই মাছটোক পূব লণ্ডনৰ মিউজিয়ামৰ তত্বাবধায়িকা Miss Courtenay Latimer ৰ সন্মানাৰ্থে Rhodes University College in Grahamstownৰ প্ৰফেচাৰ J. B. L. Smith য়ে লেটিমেৰিয়া চালুমনি (Latimeria Chalumnae) নাম দিয়ে। স্থানীয় নদী চালুমনাত পোৱা বাবে প্ৰজাতিটোৰ নাম চালুমনি ৰখা হয়। তেতিয়াৰ পৰাই এই মাছবিধৰ সম্পৰ্কে বৈজ্ঞানিকসকলৰ মনোযোগ বাঢ়ে আৰু বহুতো বৈজ্ঞানিক কাৰ্য্যকলাপৰ অধ্যয়ন আৰম্ভ হয়। লেটিমেৰিয়াই হৈছে আটাইতকৈ পুৰণি জীৱন্ত ফচিল মেৰুদণ্ডী প্ৰাণী।

এই মাছটো অতি প্ৰাচীন চিল'কান্থৰ বংশধৰ। এইবিধ মাছ ক্ৰিটেচিয়াচ পিৰিয়দ (Cretaceous Period)ৰ শেষত প্ৰায় ৭০ নিযুত বছৰৰ আগত লুপ্ত হৈ গৈছে বুলি ভবা হৈছিল। কিন্তু ইয়াৰ আবিৰ্ভাবে পৃথিৱীযুৰি আলোড়ন তুলিলে। চিল'কান্থৰ জীৱিত প্ৰাণীৰ যোগ-সূত্ৰতা সম্পৰ্কে অধ্যয়নৰ বাবে বৈজ্ঞানিকসকল সাজু হ'ল। কিন্তু তেওঁলোক নিৰাশ হ'ল কাৰণ মাছটোৰ শৰীৰ বিদ্যা অধ্যয়নত বাধা পৰিল। মাছটোৰ ছালৰ কিছু অংশ আৰু লাওখোলাটোহে পোৱা গৈছিল।

১৪ বছৰৰ পিছলৈকে কোনো চিল'কান্থ মাছৰ অৱস্থিতি পোৱা নগ'ল। ১৯৫২ চনত দ্বিতীয় চিল'কান্থ মাছটো মাছমৰীয়াবিলাকে

মালাগাচি আৰু আফ্ৰিকাৰ পূব উপকূলৰ মাজৰ French Comororৰ Anjouan দ্বীপৰ পানীত ধৰে। দুৰ্ভাগ্য যে এইটোও আধা গেলি-পচি যোৱাত উপযুক্ত অধ্যয়ন কৰিব পৰা নগ'ল। আমোদজনক কথা যে সেই দ্বীপৰ অধিবাসী-বিলাকে লেটিমেৰিয়াৰ খহটা বাকলিৰে চাই-কেলৰ চকাৰ ফুটা মেৰামতি কৰিছিল।

বৈজ্ঞানিক সকলৰ উৎসুকতাৰ বাবেই এই দ্বীপত Madagascar Institute of Scientific Research নামৰ অনুষ্ঠান গঢ়ি উঠিল; তেওঁ-লোকে উন্নত পদ্ধতিৰে মাছবিধ ধৰা, সংৰক্ষণ কৰা আৰু বেগী বায়ুৰ যানেৰে তালৈ পঠোৱাৰ ব্যৱস্থা কৰিলে। ইয়াৰ ফলত ১৯৭৫ চনৰ ভিতৰত প্ৰায় ৮০টা মান মাছ ধৰা পৰিল। ইয়াৰ কিছুমান মাছ বিস্তৃত বৈজ্ঞানিক অধ্যয়নৰ বাবে ব্যৱচ্ছেদ কৰি তুলনামূলক শাৰীৰিক অধ্যয়ন কৰা হ'ল। National museum of National History, Paris আদি বিভিন্ন কাকত পত্ৰতো প্ৰচাৰ হ'ল আৰু মাছটোৰ গুৰুত্ব বুজাবলৈ National Museum of National History, Paris, London and New York আদি অন্যান্য ঠাইত জনসমাজত প্ৰদৰ্শন কৰা হ'ল।

## ভূতাত্ত্বিক বুৰঞ্জী (Geological History) ঃ

ভূবিজ্ঞানৰ বুৰঞ্জী অধ্যয়ন কৰি জনা গৈছে যে চিল'কান্থ মাছ এটা ডাঙৰ Group ক্ৰচপ্‌টেৰিজিয়ানৰ (Crossopterygians) অন্ত-ৰ্গত। এই মাছবিলাক ফিচাৰ বৈশিষ্ট্যৰ বাবে অন্য মাছৰ পৰা চিনাক্ত কৰিব পাৰি। অন্য মাছৰ দৰে এই মাছৰ দেহৰ মূল অংগৰ পৰা প্ৰত্যক্ষভাৱে বাকলিবোৰ ওলোৱাৰ পৰিৱৰ্তে এইবিধ মাছত বাকলিৰ এটা মুঠাৰ পৰা বাহিৰলৈ ওলোৱাৰ দৰে দেখি, ফলত দেহটোত যেন একো একোটা ওলমি পৰা অংগ (Lobe) হৈ লাগি আছে। সেইবাবে এই মাছ বিধক ল'ব-ফিন্‌ড্ (Lobe-finned) মাছ ক্ৰচপ্‌টেৰি-জিয়ান (Crossopterygions) বোলা হয়। এই মাছবিধ অতি প্ৰাচীন — প্ৰায় ডেভ'নিয়ান (Devonian) সময়ৰ আৰম্ভণিৰে ৪০০ নিযুত বছৰৰ আগত আৱিৰ্ভাব হৈছিল।

বৈজ্ঞানিকসকলে প্ৰায় অৰ্ধ শতাব্দী কাল স্থলচৰ মেৰুদণ্ডী প্ৰাণী যেনে — ভেকুলী ঘৰিয়াল আদিৰ চলন অংগ ঠেঙৰ লগত এইবিধ মাছৰ ফিচাক তুলনামূলকভাৱে অধ্যয়ন কৰি এইটোও সিদ্ধান্তলৈ আহিছিল যে এই-বিধ মাছৰ ফিচা হ'ল প্ৰকৃত ঠেং বা চলন অংগ যিটো মাছ আৰু মেৰুমণ্ডী প্ৰাণী ঠেঙৰ "হেৰুৱা যোগসূত্ৰ" (Missing link)। ইয়াবো-পৰি লাওখোলাৰ সাধাৰণ গঠন প্ৰণালীৰ প্ৰকৃতিও আদ্য উভচৰ প্ৰাণীৰ লগত মিল আছে। গতিকে ভূবিজ্ঞানৰ দৃশ্যপটত উভচৰ প্ৰাণীৰ পূৰ্বপুৰুষ এই মাছবিধ বুলিয়ে বৈজ্ঞানিকসকলে ক'ব খোজে।

ক্ৰচপ্‌টেৰিজিয়ান (Crossopterygians) বিলাকে উত্তৰাধিকাৰ শাৰীত দুটা ঠালত বিভক্ত। তাৰেই এটা ঠাল চিল'কান্থ (celacanth—hollow spine) আনটো ৰিপ্‌দিচ-টিয়ান (Rhipdistian)। চিল'কান্থবিলাকৰ ক্ৰমবিকাশৰ গতিধাৰাত বহু নিযুত বছৰ ধৰি আকৃতি আৰু গঠন পৰিৱৰ্তন হোৱা নাছিল। কিন্তু ৰিপ্‌দিচ্‌টিয়ানবিলাকে পাছত সৃষ্ট হ'ব পৰা মেৰুদণ্ডী প্ৰাণীৰ উৎস হিচাপে পূৰ্বসূচনা কৰে। প্ৰকৃতপক্ষে আদিম উভচৰৰ জীৱাশ্ম সমূহো ভূতাত্ত্বিক অৱক্ষেপনৰ ফলতে এই মাছসমূহৰ নিচেই কায়াটো পোৱা গৈছে; কিন্তু অপৰিৱৰ্তিত চিল'কান্থবিলাক ৰিপ্‌দিচ্‌-টিয়ান বিলাকতকৈ বহুদিন ধৰি জীয়াই আছিল। ৰিপ্‌দিচ্‌টিয়ানবিলাক পাৰমিয়ান (Permian) সময়ৰ প্ৰাথমিক অৱস্থাতে লুপ্ত হৈ গৈছিল। ক্ৰচপ্‌টেৰিজিয়ান মাছবিলাকৰ লগত অতি ওচৰ সম্পৰ্ক থকা আন এটা ঠাল

হ'ল হাওঁফাওঁযুক্ত মাছ ডিপনয় (Dipnoi) ঠিক একে সময়তে আবির্ভাৱ ঘটিছিল। এইবিধ মাছৰ ভিন্ন তিনিটা উল্লেখযোগ্য প্ৰাণী হ'ল Australiaৰ নিউচেৰাট'ডাচ (Neoceratodus) tropical South Americaৰ লেপিড'চাইৰেন (Lepidosiren) আৰু Africaৰ প্ৰটপ্‌টেৰাচ (Protopterus) মাছবিধৰ এটা বৈশিষ্ট্য হ'ল ই অতি উষ্ণ তাপ মাধ্যমত নদীৰ পানী শুকাই গ'লে বোকা খান্দি সোমাই জীৱনকাল অতিবাহিত কৰাটো।

ডেভনিয়ান সময়ত আৱিৰ্ভাৱ হোৱা আদিম চিল'কান্থবিলাক পাছত বিশেষকৈ পাৰ্মিয়ান সময়ত আবিৰ্ভাৱ হোৱা চিল'কান্থৰ লক্ষণগত দিশত বহুদূৰ আঁতৰি যোৱা নাই। অতি প্ৰাথমিক এই প্ৰাণীসমূহ সাধাৰণতে নিৰ্মল পানীত বাস কৰিছিল। ডেভনিয়ান সময়ৰ মাছসমূহ লুণীয়া-অলুণীয়া দুয়োটা মাধ্যমতে বাস কৰিছিল। ট্ৰায়েজিক (Triassic) সময়ৰ ৪০% আৰু জুৰেচিক (Jurassic) সময়ৰ প্ৰায় সকলোবিধ মাছ সাগৰীয় অৱক্ষেপনত পোৱা গৈছিল। Macropoma আৰু অন্যান্য বহুতো ক্ৰিটেচিয়াচ সময়ৰ চিল'কান্থ মাছ সাগৰীয় আছিল। ক্ৰিটেচিয়াচ সময়ৰ পাছৰ সময়-




ক্ৰচপ্‌টেৰিজিয়ান মাছৰ ভূতাত্বিক বুৰঞ্জী : হীল ডেভ'নিয়ানৰ পৰা ক্ৰিটেচিয়াচ সময়লৈকে লুণীয়া, অলুণীয়া দুয়োটা মাধ্যমতে বিয়পি আছিল ( লেটিমেৰিয়া চালুমণিৰ লুণীয়া পানীত বাসস্থান ) ; ৰিপদিচ্‌টিয়ান বিলাকৰ কেৱল অলুণীয়া পানীতহে বাসস্থান আৰু প্ৰাক-পৰ্মিয়ান সময়তে মৃত্যু হয়। ইয়াৰ এটা ঠালে স্থলজ চতুষ্পদীৰ পূৰ্বপুৰুষ। ক্ৰচপ্‌টেৰিজিয়ানৰ ওচৰ সম্বন্ধ থকা ডিপনয়বিলাক ডেভ'নিয়ানৰ মিশ্ৰিত আকৃতিৰ বাদে সকলোবোৰেই অলুণীয়া পানীত বাস।

ছোৱাত জীৱাশ্মিক চিল'কান্থৰ নথি পোৱা নাযায়। গতিকে এইটো স্পষ্ট যে চিল'কান্থ বিলাক (আনকি ক্ৰচপটেৰিজিয়ান গোটটোৱে মেচ'জয়িক (Mesozoic) প্ৰকল্পৰ শেষৰ ফালে লুপ্ত হৈ গৈছে। গতিকে জীৱিত চিল'কান্থ মাছ Latimeriaৰ পুনৰ আবিৰ্ভাৱে বিজ্ঞানী সমাজত চাঞ্চল্যৰ সৃষ্টি কৰাটো স্বাভাৱিক কথা। তদুপৰি যিকোনো যুগৰ জীৱাশ্মৰ ভূতাত্বিক অধ্যয়নে এইটোও দেখুৱালে যে—ক্ৰমবিকাশৰ গতিধাৰাত চিল'কান্থবিলাক অলুণীয়া পানীৰ মাধ্যমতে বৰ্তি নাথাকি লুণীয়া মাধ্যমৰ পৰা আনকি গভীৰ সাগৰীয় মাধ্যমলৈও স্থান সলনি কৰিছিল।

বেছিভাগ জীৱাশ্মিক চিল'কান্থ মাছ ইউৰোপৰ পৰাই পোৱা গৈছে; তাৰেই কেইটামান সংৰক্ষিত মাছ হ'ল — Rhabdoderma, Holophagus আৰু Macropoma অন্যান্য উল্লেখযোগ্য কিছুমান উত্তৰ আমেৰিকা, স্পিটচবজেন আৰু মালাগাচি, অন্যান্য য'ত ত'ত সিঁচৰিতভাৱে অৱস্থিতি দেখুওৱা ঠাইসমূহ হ'ল—ব্ৰাজিল, গ্ৰীণলেণ্ড, ছোভিয়েট ইউনিয়ন, চিৰিয়া (মাউণ্ট লেবানন) আৰু অষ্ট্ৰেলিয়া। আনকি বৰ্তমানলৈকে এই মাছৰ অৱস্থিতিৰ নথি নাই। Triassic চিল'কান্থ (Sinocoelacanthus) দেহৰ অৱশেষাংশ যোৱা ষষ্ঠদশকত চীনত পোৱা গৈছিল। ১৯৭৪ চনত সুসংক্ষিত প্ৰাথমিক জুৰেচিক চিল'কান্থৰ জীৱাশ্ম ভাৰতত পোৱা গৈছিল। এইটো আমি ক'ব পাৰো যে যদিও জীৱিত চিল'কান্থৰ Comoro দ্বীপতহে আবিৰ্ভাৱ ঘটিছে; কিন্তু জীৱাশ্মিক চিল'কান্থৰ সময় আৰু ঠাইবিশেষে সাৰ্বজনীন পৰিব্যাপ্তি লাভ কৰিছে।

### ভাৰতত আবিষ্কাৰ (Discovery in India)

ভাৰতীয় চিল'কান্থ মাছটো প্ৰদৰ্শনৰ বাবে Geological Museum of the Indian Statistical Institute, Calcuttaত ৰখা হৈছে। এই মাছটোও সম্পূৰ্ণ সুগঠিত ৰূপত পোৱা নগৈছিল। জৈৱাশ্মিক প্ৰমাণ হ'ল মাছটো অতি বলবান। প্ৰায় ৭০ ছে,মি, দীঘল। সেইবাবে Indocoelacanthus Yobusfus নামাকৰণ কৰা হৈছিল। ইয়াৰ দাঁত নাই বাবে অন্যান্য সৰু সৰু মাছবোৰ গিলিহে খাইছিল। ইয়াৰ আহাৰ প্ৰাণীটোৰে সৈতে সমান গভীৰতাতে আছিল। জুৰেচিক সময়ৰ শেষৰ ফালে আবিৰ্ভাৱ হোৱা চিল'কান্থ মাছসমূহ সাগৰীয় পৰিবেশত অতি সংৰক্ষণশীল অৱস্থানত আছিল। প্ৰকৃতপক্ষে বেলজিয়াম কংগোৰ লুৱালবা (Lualbea) জীৱাশ্মিক মাছ আৰু ভাৰতৰ ইন্দোচিল'কান্থ মাছে প্ৰমাণ কৰে যে এইবিলাকৰ কিছুমান জুৰেচিক সময়লৈকে অলুণীয়া পানীত বাস কৰিছিল। কাৰণ ক্ৰিটেচিয়াচ মাছসমূহ সম্পূৰ্ণৰূপে সাগৰীয় আছিল। ইন্দ চিল'কান্থাছ মাছ অতি বিৰল। দাক্ষিণাত্যত পোৱা মাছটো প্ৰায় ১৬৫ নিযুত বছৰ পূৰ্বণি।

### লেটিমেৰিয়াৰ জীৱন অধ্যয়ন (Biology of Latimeria)

লেটিমেৰিয়াৰ প্ৰথমটো প্ৰজাতিৰ বাহিৰে বাকী সকলোবোৰ মাছ মাছধৰা দুৰত্বৰ ভিতৰতে ১৪৫ মিটাৰৰ পৰা ৩৬০ মিটাৰ পানীৰ গভীৰতাতে ধৰা হৈছে। এইবিধ মাছ পূৰ্ণ বয়স্ক অৱস্থাত ১.১০ মিটাৰৰ পৰা ১.৬৫ মিটাৰলৈকে দীঘল আৰু ওজন ৩২ কিলোগ্ৰামৰ পৰা ৮২ কিলোগ্ৰামলৈকে হয়। চকুযোৰ তিৰবিৰাই থকা আৰু পোহৰৰ পৰা আঁতৰাই ৰাখে। পানীৰ পৰা পানীৰ উপবিভাগলৈ তোলাৰ কেইঘণ্টামানৰ পাছতেই উষ্ণতাৰ সালসলনিৰ বাবেই ইয়াৰ মৃত্যু হয়। প্ৰাণীটোৰ বাসস্থানৰ তাপমাত্ৰা অধ্যয়ন কৰি জনা গৈছে যে ৯২° ছেণ্টিগ্ৰেডেই ইয়াৰ অৱস্থান।

লেটিমেৰিয়াৰ সাতোৰণ ক্ষমতা ধীৰ, ইয়াৰ Lobe আকৃতি ফানকেইখনে বাকলিৰ নিচিনাকৈ ডাঙৰ ডাঙৰ শিলৰ ফাঁকে ফাঁকে বগোৱাত সহায় কৰে। মাছটোৰ চলন অতি কম যদিও ফানকেইখনে অত্যাধিক চলন ক্ষমতা লাভ কৰিছে; শ্ৰোণী কালে সকলো দিশতে প্ৰায় ১৮০° কোণ হিচাপে ঘূৰাব পাৰে। শিলৰ তলত আশ্ৰয় লৈ অচল অৱস্থাত আহাৰৰ বাবে পৰি থাকে; আহাৰ পালে অতি শক্তিশালী নেজডালেৰে আহাৰ-টোক আৱৰি জোৰেৰে মাৰি পঠিয়াই চিকাৰ ধৰে। মৃত্যুৰ সময়ত ইয়াৰ ফানদুখন বিপৰীত মুখে ঢাল খায়। সেয়ে প্ৰাণীটো অসমমিতি দেখা যায়। ইয়াৰ কম দাঁত থকা বাবে ইয়াৰ আহাৰ অন্যান্য সৰু সৰু মাছবোৰ চোবাই গুৰি কৰি খায়। কাৰণ দেহৰ ভিতৰত পোৱা ব্যৱচ্ছেদন প্ৰক্ৰিয়াৰ দ্বাৰা এইটো প্ৰমাণ হৈছে।

লেটিমেৰিয়া মাছৰ আৱিষ্কাৰৰ ৩০ বছৰৰ পূৰ্বে বৃটিছ প্ৰাণীবিদ Edwin, S. Goodrichএ আদিম মেৰুদণ্ডী প্ৰাণীৰ হৃদপিণ্ডৰ বিষয়ে বহুতো চিত্ৰ অংকন কৰিছিল। যাৰ কোনো প্ৰাথমিক ভিত্তি নাছিল। কিন্তু পাছত এই মাছটোৰ ব্যৱচ্ছেদনে তেওঁৰ ভৱিষ্যত বাণীৰ উপযুক্ত প্ৰমাণ পাই নথৈ আনন্দিত হৈছিল। হৃদপিণ্ডটো বহল 'V' আকৃতিৰ আৰু চাইনাচ ভেনচাচ নিলয়ৰ পাছফালে অৱস্থিত। এই-বিধ মাছৰ পিটুইটেৰী গ্ৰন্থিটো তালুৰ গুৰিত অৱস্থিত প্ৰচুৰ পৰিমাণে ৰক্তজালিকাৰে আৱৰা আৰু এই গ্ৰন্থিয়ে হৰমন নিঃসৰন কৰে। পূৰ্ব অস্থিযুক্ত মাছ আৰু বৰ্তমান হাওঁফাওঁযুক্ত মাছৰ দৰে লেটিমেৰিয়াৰো খাজবিহীন পৃষ্ঠদণ্ড আছে। অন্যান্য চাৰ্ক আৰু ডিপনয়ৰ দৰে অন্ত্ৰত স্পাইৰেল ভালভ আছে। বায়ুমোনা এইবিধ মাছত দেখা যায় যদিও শ্বাসযন্ত্ৰ হিচাপে কাম নকৰে।

গোটেই দেহটোৰ তুলনাত চিল'কান্থৰ মগজু অতি সূক্ষ্ম। এটা ৩৬ কিলোগ্ৰাম ওজনৰ চিল'কান্থৰ মগজুৰ ওজন প্ৰায় ২৫ গ্ৰামতকৈ কম অৰ্থাৎ দেহৰ ওজন ১৫,০০০ গুণৰ ১ ভাগতকৈ বেছি নহয়। কোনো জীৱিত মেৰুদণ্ডী প্ৰাণীৰ দেহৰ তুলনাত ইমান সৰু মগজু নাই। যদিও ইয়াৰ মগজু সৰু কিন্তু প্ৰাণীটোৰ দেহৰ লগত সমানুপাতিকতা ৰক্ষা কৰে। ইয়াৰ বিভিন্ন উপাদানে সমতা ৰাখে।

চিল'কান্থৰ লাওখোলাৰ আন এটা উল্লেখনীয় লক্ষণ হ'ল খোলাৰ ভিতৰৰ সাজোন "Intra-cranial joint" এই সাজোনৰ কাৰ্য্য পদ্ধতি সম্পৰ্কে বৰ্তমান ভিন্ন মতানৈক্য দেখা যায়। যদিও এই সম্পৰ্কে সম্পূৰ্ণ সন্তোষিত ব্যাখ্যা পোৱা নাই। তথাপিও চিল'কান্থৰ ক্ষেত্ৰত ক'ব পাৰি যে খাদ্য গ্ৰহণ কাৰ্য্যত হনুৰ চলন কাৰ্য্য মুখ গহ্বৰ ডাঙৰ কৰি অহাৰ গ্ৰহণৰ কাৰ্য্যত ই পোনপটীয়া অংশ লয়। মাছটোৰ শ্বাস-প্ৰশ্বাস কাৰ্যটো এই সাজোনে সহায় কৰে। বিভিন্ন গাঁঠনিবোৰে মুখেদি বায়ু সোমোৱা কাৰ্য্যত সহায় কৰে। ১৯৭২ চনত Comoro দ্বীপলৈ আমেৰিকান, বৃটেন, ফ্ৰান্স অভিযানটোৱে (American, British, French Expedition) এটা ৮ ঘণ্টা আগেয়ে ধৰা মাছত পৰীক্ষা চলাইছিল আৰু প্ৰতি মিনিটত ১২ বাৰকৈ শ্বাস কাৰ্য্যৰ গতি লক্ষ্য কৰা গৈছিল।

**জীৱন বুৰঞ্জী আৰু সংৰক্ষণ (Life history and Conservation)**

অলপতে ফ্ৰান্সৰ বৈজ্ঞানিকসকলে লেটিমেৰিয়া মাছৰ সংৰক্ষণৰ বিষয়ে প্ৰস্তাৱ আগবঢ়াইছে আৰু মাছমৰীয়াবিলাকক এই মাছ সংৰক্ষণৰ বাবে ইহঁতৰ জীৱন বুৰঞ্জী প্ৰজনন আৰু ইয়াৰ আনুষঙ্গিক কাৰকসমূহৰ যাবতীয় অধ্যয়নৰ বাবে আমেৰিকাৰ বৈজ্ঞানিক সকলে কাৰ্য্যপন্থা হাতত লৈছে।

১৯৭২ চনত প্ৰাপ্তবয়স্কা মাইকী মাছৰ পৰা অতি ডাঙৰ আকৃতিৰ (৮.৫ ছেন্টিমিটাৰৰ পৰা ৯.০ ছেন্টিমিটাৰ) ব্যাসৰ কণী দৃষ্টিগোচৰলৈ আহে। এইটোৱে প্ৰাণীবিধৰ কণী পৰা স্বভাৱক প্ৰমাণ কৰে। জৈৱাশ্মিক নথিয়েও ইয়াক প্ৰমাণ কৰে। তদুপৰি জীৱাশ্ম বা বৰ্তমানৰ চিল'কান্থবিলাকৰ যিবোৰ পায়ুফান বা শ্ৰোণীফান আন্তঃনিষেচনৰ বাবে ৰূপান্তৰ হোৱা নাছিল, এইটো ৰূপান্তৰ ঘটিলহেঁতেন যদিহে এই মাছে পোৱালি দিলেহেঁতেন বা কণী পাৰি উমনি ল'লেহেঁতেন। এতিয়ালৈকে পোৱা জীৱাশ্মিক নথিৰ পৰা জনা গৈছে যে **Holophagus**ৰ পোৱালি দিয়া কাৰ্য্যই এটা ডাঙৰ প্ৰশ্নৰ অৱতাৰণা কৰে।

এইটোও কোৱা হৈছে যে লেটিমেৰিয়া মাছে কণী পৰাৰ উপৰিও পোৱালি দিয়া সম্ভাৱনাও আছে। **American Museum of Natural History, New York**ৰ ১.৬ মিটাৰ দীঘল ৬৫ কিলোগ্ৰাম ওজনৰ মাইকী লেটি-মেৰিয়া মাছে অৱশেষত ১৯৭৫ চনত এই প্ৰশ্নৰ সমাধান কৰে। ইয়াৰ ব্যৱচ্ছেদিত অন্তৰ্দেহ সোঁ ডিম্বনলীত যুক্তভাৱে পাঁচটা ক্ৰমবৰ্ধমান অৱস্থাৰ পোৱালি দেখা গ'ল। এই পোৱালিসমূহ মাক-বাপেকৰ সূক্ষ্ম অনুকৃতি কিন্তু ডাঙৰ কুহুম মোনা আৰু চকুযোৰ ডাঙৰ। বাকলি আৰু ফানো সম্পূৰ্ণ। বিভিন্ন প্ৰমাণৰ পৰা জনা গৈছে যে গৰ্ভধাৰণ কাল প্ৰায় ১ বছৰতকৈ বেছি। যিহেতু অন্তঃনিষেচনেই এই প্ৰাণীত প্ৰয়োজন গতিকে পায়ুৱে হালিব পৰা সংগম অংগৰ কাম কৰে। বৰ্তমান লেটি-মেৰিয়াই এবছৰতকৈ অধিককাল গৰ্ভধাৰণ কৰি পোৱালি দিয়াৰ প্ৰক্ৰিয়াৰে আলম লৈ ইহঁতক সংৰক্ষণত গুৰুত্ব দিয়া হৈছে; প্ৰশ্ন হয় গোটেই বছৰ ধৰি মাছ ধৰাটোক বন্ধ কৰিব পৰা যাবনে বা পাৰিছেনে? আমাৰ হাতত থকা নথিয়ে এইটো এতিয়াও সূচাইছে যে ইয়াৰ বিস্তৃতি আৰু সংখ্যা এতিয়াও কম। বৈজ্ঞানিকসকল নিশ্চিত যে এইবিধ মাছ লুপ্ত হোৱা পথৰ ভয়াবহতাৰ পৰা বহুত আঁতৰত। এইক্ষেত্ৰত **Comoro** পানীভাগত এইবিধ মাছৰ সংৰক্ষণৰ বাবে সুদৃঢ় পদক্ষেপ ল'ব লাগিব।

সামৰণিত **Smith**ৰ ভাষাৰে ক'ব পাৰোঁ "**The celacanths are incomparable machines for reading time backward.**"

# অতিপৰিবাহিতা
## আৰু সম্ভাৱনা

**দীপিকা হাজৰিকা**
পদাৰ্থ বিজ্ঞান বিভাগ

**মানব** সভ্যতাৰ অগ্ৰগতিৰ লগত ওতঃপ্ৰোত ভাবে জড়িত হৈ থকা বিজ্ঞানৰ বিশাল অৰিহণাৰ কথা ভাবিলে বিস্ময়ান্বিত হ'ব লাগে। বিজ্ঞানে ন ন আৱিষ্কাৰ আৰু সম্ভাৱনাৰ দ্বাৰা 'সংসাৰ চক্ৰত নিকাৰ ভুঞ্জি' থকা জীৱনৰ ছন্দ সুষম আৰু আৰামদায়ক কৰাই নহয়, সভ্যতাৰ ইতিহাসতো গতিশীলতা আৰু ক্ৰান্তিৰ সূচনা কৰি আহিছে। আলোচ্য 'অপৰিবাহিতা'ৰ ( Super conductivity) ওপৰত অবিৰামভাৱে চলি থকা গৱেষণা চূড়ান্ত লক্ষ্যত উপনীত হওঁ হওঁ। ইতিমধ্যে গণনা ( Count down ) আৰম্ভ হৈছেই। এই গৱেষণাৰ লক্ষ্যত উপনীত হ'লে বৈজ্ঞানিকসকলে এখন নতুন জগতৰ দ্বাৰ উন্মোচন কৰাই নহয়, লক্ষ্যৰ সিপাৰে অপেক্ষা কৰি থকা অলেখ বিস্ময় মানব জাতিক উপহাৰ দিবলৈ সক্ষম হ'ব।

অতিপৰিবাহিতাৰ ওপৰত আজি পৃথিবীৰ সকলো অত্যাধুনিক গবেষণা কেন্দ্ৰতেই পূৰ্ণোদ্যমে গৱেষণা চলি আহিছে। এই বিষয়টোৰে বৈজ্ঞানিক-অবৈজ্ঞানিক নিৰ্বিশেষে বিশেষ মনেযোগ আকৰ্ষণ কৰাৰ মূলতে হ'ল ইয়াত অন্তৰ্নিহিত প্ৰচুৰ সম্ভাৱনা আৰু স্বচ্ছল ব্যৱহাৰিক প্ৰয়োগ। এই গৱেষণাৰ সাফল্যৰ প্ৰতি সকলো সন্দিহান হৈ থকাৰ কাৰণ হ'ল ইয়াৰ কাৰিকৰী আৰু ঔদ্যোগিক সমান্তৰাল প্ৰয়োগৰ সম্ভাৱনা।

১৯০৮ চনত হেইক্ কামাৰলিং ওনুছ (Heike Kamarlingh Onnes) নামৰ এজন ডাচ্ছ পদাৰ্থবিদে ৪.২° কেলভিন (K) উষ্ণতাত হিলিয়াম গেচ তৰলীকৰণ কৰিবলৈ সক্ষম হৈছিল। অতি গৌৰৱৰ কথা যে, এই পৰীক্ষাৰ কাৰণে প্ৰয়োজনীয় হিলিয়াম গেচৰ যোগান ধৰিছিল আমাৰ ভাৰত চৰকাৰে। ১৯১১ চনত এইজন পদাৰ্থবিদেই অতিপৰিবাহিতাৰ পৰিঘটনাটো আৱিষ্কাৰ কৰে, যাৰ বাবে ১৯১৩ চনত তেওঁক নবেল বটাৰে সন্মানিত কৰা হয়। ১৯৮৭ চনৰ ছেপ্তেম্বৰ মাহলৈকে অতিপৰিবাহিতা সম্পৰ্কিত বিভিন্ন বিষয়ত মুঠ ন জন বিজ্ঞানিক নবেল বটাৰে সন্মান জনোৱা হয়।

কিন্তু এই অতিপৰিবাহিতানো কি ? প্ৰথম আৱিষ্কাৰৰ সাতোটা দশকৰ পিছত হঠাতে পৃথিবীৰ সকলো বৈজ্ঞানিক ইয়াৰ প্ৰতি কিয় ইমান আকৰ্ষিত হৈছে ?

সকলো পদাৰ্থই কম বেছি পৰিমাণে বিদ্যুৎ পৰিবহন কৰিব পাৰে। প্ৰত্যেক পৰিবাহীৰে এক বিশেষ ধৰ্ম্ম আছে, যাৰ বাবে

ই নিজৰ মাজেৰে হোৱা বিদ্যুতৰ স্বাধীন গতিক বাধা দিব পাৰে। এই ধৰ্ম্মই হৈছে পৰিবাহীৰ বিদ্যুত-ৰোধ (Resistance) ক্ষমতা। ৰূপ ( Silver ) হৈছে এবিধ সুপৰিবাহী ( good conductor ), কিন্তু মূল্য বৰ বেছি হেতু সৰবৰহী ভাৱে ব্যৱহাৰৰ অসুবিধা। গতিকে বিদ্যুৎ প্ৰবাহৰ বাহক হিচাপে তামৰ তাঁৰকে সচৰাচৰ ব্যৱহাৰ কৰা হয়। আনহাতে কাঁচ, কাগজ, এচ্‌বেঁচ্‌ট'জ, ৰবৰ আদিৰ মাজেৰে বিদ্যুৎ চলাচল কৰিব নোৱাৰে বাবে ইহঁতক কু-পৰিবাহী বোলা হয়। অৱশ্যে সু-পৰিবাহী-বোৰেও ইহঁতৰ নিজস্ব প্ৰতিৰোধ ক্ষমতা থকাৰ বাবে বিদ্যুৎ-প্ৰবাহত অলপ হ'লেও বাধা দিয়ে। এনে বাধা অতিক্ৰম কৰি নিৰৱচ্ছিন্ন বিদ্যুৎ সোঁত পাবলৈ হ'লে নমনীয়ভাৱে সংঘৰ্ষ কৰিব লগা হয়। ফলত বৈদ্যুতিক শক্তিৰ যি পৰিমাণ এই বিদ্যুৎ-ৰোধ অতিক্ৰম কৰোঁতে ব্যয় হয়, সিয়েই তাপলৈ ৰূপান্তৰিত হয়। উদাহৰণ স্বৰূপে বিজুলী চাকিৰ কথাকে ধৰোঁ। ইয়াৰ বাল্বটো হৈছে কাঁচৰ আৰু ভিতৰত পাকখাই থকা মিহি তঁাৰ (Filament) এডাল দেখা পাওঁ। এই ফিলামেণ্টডাল টাংষ্টেনেৰে (Tungsten) নিৰ্মিত। প্ৰত্যেকবাৰ চুইচ্‌ দিয়াৰ লগে লগে বিদ্যুৎ প্ৰবাহ তামৰ তঁাৰৰ মাজেৰে গতি কৰি বাল্বটোত সোমায় আৰু ফিলামেণ্টডালৰ ৰোধ অতিক্ৰম কৰিব লগা হয়। ফলত তাপ উদ্ভৱ হয়। এই তাপ ৰুম-হিটাৰৰ ক্ষেত্ৰত হয় ৰঙা আৰু বাল্বৰ ক্ষেত্ৰত হয় বগা—অৰ্থাৎ কোঠাটো দিনৰ পোহৰৰ দৰে উজ্জ্বলাই তোলে। কিন্তু অন্তৰিত ( insulated ) তঁাৰৰ মাজতো 'চুটি-বৰ্তনী' ( shortcircuit ) হোৱা, ৰবৰ — আৱৰণি গ'লি যোৱা বা 'ফিওজ'ৰ বাবে অন্ধকাৰ হোৱা আদি ঘটনাৰ লগত আমি অতি পৰিচিত। অৰ্থাৎ সু-পৰিবাহীবোৰেও বিদ্যুতৰ স্বতন্ত্ৰ গতিক কিঞ্চিৎ হ'লেও বাধা দিয়ে। সেয়ে আমি আজি যি বিদ্যুৎ শক্তি পাইছোঁ সি মূল-কেন্দ্ৰত ( Power station )উৎপাদিত হোৱা শক্তিৰ অৰ্ধাংশহে। গতিকে, হাজাৰ হাজাৰ কিলোমিটাৰ তাঁৰৰ মাজেৰে বিদ্যুৎ-প্ৰৱাহ বৈ আহোঁতে কিমানখিনি শক্তি (বিদ্যুৎ) অনৰ্থক ব্যয় হয়, ই এক কল্পনা




কাৰব নোৱৰা সমস্যা। যদি এই বিদ্যুৎ পৰিবাহী সমূহ ৰোধমুক্ত কৰিব পাৰি, অৰ্থাৎ স্বাভাৱিক উষ্ণতাত ইহঁতক অতিপৰিবাহী কৰিব পৰা যায়, তেতিয়া বিদ্যুৎ শক্তি একেবাৰে নষ্ট নহ'ব।

অতিপৰিবাহিতা হৈছে পদাৰ্থৰ এক বিশেষধৰ্ম্ম। এনে কিছুমান পদাৰ্থ আছে যাৰ উষ্ণতা হ্ৰাস কৰি গৈ থাকিলে এক বিশেষ উষ্ণতাত ইইঁতে বিদ্যুৎ প্ৰবাহত বাধা একেবাৰে নিদিয়ে অৰ্থাৎ ইইঁত সম্পূৰ্ণ বিদ্যুৎ ৰোধহীন (Zero Resistance) হৈ পৰে। এই বিশেষ উষ্ণতাক সংকট-উষ্ণতা (Tc, transition temperature) বোলা হয়।

আকৌ, ওনূছ্ ৰ কথালৈ অহা যাওক। তেওঁ গবেষনা কৰি দেখিলে যে পাৰাৰ উষ্ণতা ৪০২ কে. (বা-২৬৯° চেন্টিঃ) তকৈ যদি হ্ৰাস কৰা হয়, তেতিয়া ইয়াৰ বিদ্যুৎ-ৰোধ ক্ষমতা একেবাৰে নাইকিয়া হৈ পৰে আৰু পৰিবাহিতা, বিপুলভাৱে বাঢ়ি যায় (পৰিবাহিতা, ৰোধৰ ব্যস্ত অনুপাতিক), অৰ্থাৎ অতিপৰিবাহী হৈ পৰে।

[ পাৰাৰ ক্ষেত্ৰত বিভিন্ন উষ্ণতাত হোৱা ৰোধৰ পৰিবৰ্ত্তন ]
( সংকট-উষ্ণতা ৪.২ কেলভিন )

এনে সংকট-উষ্ণতা পাবলৈ হ'লে পদাৰ্থটো তৰল হিলিয়ামত ডুবাই থব লাগিব (হিলিয়ামৰ তৰলীকৰণ হয় ৪.২ কেত)।

এইখিনিতে উষ্ণতা জোখা স্কেলৰ বিষয়ে চমুকৈ উল্লেখ কৰা হ'ল। উষ্ণতা জোখা স্কেল কেইবাবিধো আছে। সচৰাচৰ ব্যৱহৃত স্কেল কেইবিধ হৈছে—ফাৰ্ণহাইট, ছেলছিয়াছ আৰু কেলভিন্। ফাৰ্ণহাইট স্কেল আৱিষ্কাৰ কৰে জাৰ্মান পদাৰ্থবিদ গেব্ৰিয়েল ফাৰ্ণহাইটে ১৭২৪ চনত। এইডাল স্কেলত পানীৰ হিমাংক ৩২° ফাঃৰ পৰা পানীৰ উতলাংক ২১২° ফাঃ লৈ ভাগ কটা থাকে। ইয়াৰ ওঠৰ বছৰ পাছত এল্ডাছ্ ছেলছিয়াছে চেন্টিগ্ৰেড্ স্কেল আৱিষ্কাৰ কৰে। ইয়াত পানীৰ হিমাংক আৰু উতলাংক ক্ৰমে 0°চেঃ আৰু ১০০° চেঃ। আজিকালি ইয়াক ছেলছিয়াছ স্কেল বুলিও কোৱা হয়। কেলভিন স্কেলৰ আৱিষ্কাৰ হয় উনবিংশ শতিকাত লৰ্ড কেলভিনৰ দ্বাৰা। এইডাল স্কেলত নিম্নতম উষ্ণতা হৈছে 0° কেলভিন (0°K)। এই শূন্য কেলভিনেই আটাইতকৈ নিম্নতম উষ্ণতা। সেয়ে ইয়াক 'পৰম শূন্য'ও (absolute zero) বোলা হয়। ছেলছিয়াছ স্কেলত এই উষ্ণতা—২৭৩°২ চেঃ, অৰ্থাৎ 0° চেঃ-তকৈ ২৭৩°২ চেঃ কম। শূন্য কেলভিনৰ পৰা উষ্ণতা বঢ়াই গৈ থাকিলে ২৭৩° কেলভিনত (বা 0° চেঃত) পানীৰ হিমাংক আৰু ৩৭৩° কেলভিনত (বা ১০০° চেঃত) পানীৰ উতলাংক পোৱা যায়। যি কোনো উষ্ণতা ছেলছিয়াছৰ পৰা কেলভিনলৈ নিবলৈ হ'লে কেৱল ২৭৩ যোগ কৰিলেই হয়।

ওন্ছৰ আৱিষ্কাৰৰ তিনিকুৰি পোন্ধৰ বছৰ পাছলৈকে অতিপৰিবাহিতাৰ সম্পৰ্কত বিশেষ প্ৰগতি হোৱা নাছিল। প্ৰথম অৱস্থাত পোৱা অতিপৰিবাহী সমূহৰ সংকট উষ্ণতা —(Tc) পৰমশূন্যৰ ওচৰত। সীহৰ (lead) সংকট-উষ্ণতাৰ মান ৭°৩ কেঃ, টিনৰ (tin) ৩°৮ কেঃ, নিয়'বিয়াম টিটেনিয়াম মিশ্ৰ-ধাতুৰ (alloy of niobium titenium) ৯° কেঃ। ১৯৪১ চনত সংকট-উষ্ণতাৰ মান ১৫° কেলভিনলৈ বঢ়াব পৰা গৈছিল। বহুবছৰ যোৱা সাধনাৰ অন্ততো বিজ্ঞানীসকলে সংকট-উষ্ণতাক কোঠাৰ উষ্ণতালৈ (room temperature) আনিবলৈ সক্ষম হোৱা নাছিল, কিন্তু লক্ষ্যত উপনীত হ'বলৈ নেৰানেপেৰা প্ৰচেষ্টা আৰু উৎসাহ অটুট আছিল। তেওঁলোকে এই সংকট-উষ্ণতাক ২৩° কেলভিনতকৈ বঢ়াব পৰা নাছিল।

অৱশেষত সেই চাঞ্চল্যকৰ দিনটো, বিজ্ঞান ইতিহাসৰ সোণালী দিনটো উপস্থিত

হ'লহি । ১৯৮৬ চনৰ ২৭ জানুৱাৰী । চুইজাৰল্যাণ্ডৰ তিনিকুৰি বছৰীয়া বিজ্ঞানী কাল এলেক্স ম্যুলাৰ আৰু পশ্চিম জাৰ্মানীৰ একুৰি ওঠৰ বছৰীয়া জোহান্স জৰ্জ বেদনৰ্জে এবিধ চিৰামিক ( Ceramic on oxide of lanthanum, barium and copper ) আৱিষ্কাৰ কৰিলে, যাৰ সংকট-উষ্ণতাৰ মান ৩৫° কেলভিন । এই আৱিষ্কাৰৰ বাবে ১৯৮৭ চনত তেওঁলোকক যুটীয়াভাৱে নবেল বঁটাৰে সন্মানিত কৰা হয় । বিজ্ঞানীদ্বয়ৰ এই চিৰামিক অতিপৰিবাহীৰ আৱিষ্কাৰৰ লগে লগে বিশ্বৰ আন আন বৈজ্ঞানিকসকলে নতুন উদ্যমেৰে তেওঁলোকৰ মূল লক্ষ্যত উপনীত হ'বলৈ উঠি পৰি লাগিল । ১৯৮৭ চনৰ ১৬ ফেব্ৰুৱাৰীত ছিংউ ( প'ল ) ছুৰ নেতৃত্বত এদল গৱেষকে এই সংকট—উষ্ণতাৰ মান ৯২° কেলভিনলৈ নিবলৈ সক্ষম হৈছিল । এই আৱিষ্কাৰে বিজ্ঞান জগতত পুনৰ তোলপাৰ লগালে । কাৰণ নাইট্ৰজেন তৰলীকৰণ হয় ৭৭° কেলভিনত । যিহেতু নাইট্ৰজেনৰ মূল্য হিলিয়ামতকৈ বহুত কম, গতিকে হিলিয়ামৰ সলনি এতিয়া তৰল নাইট্ৰজেন ব্যৱহাৰ কৰিব পৰা যাব । অৰ্থাৎ কথাটো হ'ল পানীয়ৰ ( Scotch ) সলনি পানী ব্যৱহাৰ কৰাৰ নিচিনা । লগে লগে পৃথিবীৰ সকলো গৱেষনাগাৰৰ বৈজ্ঞানিক সকলে বহু বছৰৰ প্ৰতীক্ষাৰ অন্তত দেখা পালে ৰিণিকি—ৰিণিকি এচেৰেঙা পোহৰ । অৰ্থাৎ কোঠাৰ উষ্ণতাত অতিপৰিবাহিতা পোৱাতো নিশ্চিত হ'ল ।

নতুন দিল্লীৰ নেচনেল ফিজিকেল গৱেষণাগাৰৰ ( NPL ) অধ্যাপক এ.ভি. নাৰ্লিকাৰৰ নেতৃত্বাধীন দলটোৰ মতে এক বিশেষ চিৰামিকৰ বিদ্যুৎ-ৰোধ ২৭৩° কেঃ উষ্ণতাত অৰ্থাৎ O° চেঃত [ শ্ৰীনগৰৰ এটা শীতৰ ৰাতিৰ উষ্ণতা O° চেঃ ] নাইকিয়া হৈ যায় । তেওঁলোকে চিৰামিকৰ বিভিন্ন চানেকী ( Sample ) ব্যৱহাৰ কৰি সংকট-উষ্ণতাৰ ( Tc ) মান ৩০০ কেলভিন বা ২৭° চেঃ পোৱাৰ কথাটো উল্লেখ কৰিছে । এই কথাটোকে আৰু দৃঢ়তাৰে প্ৰতিপন্ন কৰিবলৈ বৰ্তমানো বিৰামহীনভাৱে গৱেষণা চলি আছে ।

অতিপৰিবাহিতাৰ সম্পৰ্কত কেৱল এন,পি, এলতে গৱেষণা চলি থকা নাই, অন্যান্য গৱেষণাগাৰতো, যেনে—ভাবা এটমিক ৰিচাৰ্চ চেণ্টাৰ, টাটা ইন্সটিটিউট অব ফাণ্ডামেণ্টেল ৰিচাৰ্চ [ ড্ৰুয়োটা বম্বেত অৱস্থিত ], ইণ্ডিয়ান ইন্সটিটিউট অব চায়েন্স [বাংগালোৰ], চাহা ইন্সটিটিউট অব নিউক্লিয়াৰ ফিজিক্স [ কলিকতা ]আৰু নেচনেল কেমিকেল লেবৰেটৰী [পুনা] আদিতো সমান তৎপৰতাৰে চলি আছে । ভাৰত চৰকাৰে, বিশেষকৈ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে এই বিষয়টোৰ ওপৰত গভীৰ আগ্ৰহ প্ৰকাশ কৰিছে । ইয়াৰ প্ৰায়োগিক আৰু ব্যৱসায়িক গুৰুত্ব উপলব্ধি কৰি গবেষণা ক্ষিপ্ৰতৰ কৰি তুলিবৰ কাৰণে এখন 'এপেক্সবডি' ( Apex body ) গঠন কৰিছে । এই বডিত প্ৰধানমন্ত্ৰী নিজে চেয়াৰমেন হিচাপে থকাৰ উপৰিও কেইবাজনো কেন্দ্ৰীয় মন্ত্ৰী, প্ৰফেচৰ যশ পাল, ড° চি, এন, আৰ, ৰাও, ভাবা এটমিক চেণ্টাৰৰ ডিৰেক্টৰ, আন কেইটামান গৱেষণাগাৰৰ মুৰব্বী, প্ৰখ্যাত বৈজ্ঞানিক, কাৰিকৰীবিদ আৰু শিল্পপতিও ইয়াৰ সদস্য । বৈজ্ঞানিক দিশত ভাৰতবৰ্ষত এনে বলিষ্ঠ পদক্ষেপ ইয়াৰ পূৰ্বতে গ্ৰহন কৰা হোৱা নাছিল । যদি অতিপৰিবাহিতা সম্পৰ্কত ভাৰতীয় বৈজ্ঞানিকসকলৰ দীৰ্ঘদিনীয়া সাধনা সফলকাম হয়, তেনেহলে অদূৰ ভৱিষ্যতে স্বৰ্ণোজ্জ্বল ধৰণী ৰচনাৰ সঁচাৰ কাঠি ভাৰতৰ হাতত থাকিব ।

অতিপৰিবাহিতাৰ ব্যৱহাৰিক প্ৰয়োগৰ পৰিসৰ অতি বিশাল হ'ব । নিত্য ব্যৱহাৰ্য্য সামগ্ৰী প্ৰস্তুত ঔদ্যোগিক সঁজুলি প্ৰস্তুত, যান বাহন নিৰ্মান আৰু ইয়াৰ দ্ৰুত অথচ নিৰাপদ

গতি নিয়ন্ত্রন, চিকিৎসা বিজ্ঞান আদি সকলোতে সফল ভাৱে ব্যৱহাৰ কৰিব পৰা যাব। চিকিৎসা বিজ্ঞানত মানব দেহ স্কেনাৰত ( Scanner ) অতিপৰিবাহিতাক অতি তৎপৰতাৰে অথচ সফলভাৱে কামত লগাব পৰা হ'ব।

অতিপৰিবাহী নানা তৰহৰ সা-সঁজুলিৰ দ্বাৰা বৰ্ত্তমানৰ গতানুগতিক আৰু আমনিদায়ক পৰিবহন ব্যৱস্থাৰ আমূল পৰিবৰ্তন সাধন কৰিব পৰা যাব। মেগলেভ যান-বাহন, দ্ৰুতগতিৰ বুলেট-ট্ৰেইন আৰু প্ৰচণ্ড শক্তিশালী ক্ষুদ্ৰ আকাৰৰ বৈদ্যুতিক গাড়ীৰ প্ৰচলন হ'ব। এই বৈদ্যুতিক গাড়ীবোৰত সৰু আকাৰৰ শক্তিসম্পন্ন মটৰ থাকিব আৰু আবশ্যকীয় বিদ্যুৎ শক্তি আহৰণ কৰিব মাটিৰ তলত পুতি ৰখা কেল ( Cable ) বোৰত সঞ্চিত হৈ থকা বৈদ্যুতিক শক্তিৰ পৰা। ফলত বৰ্ত্তমানে আতংকৰ সৃষ্টি কৰা বায়ু প্ৰদুষীকৰণো বহু পৰিমানে হ্ৰাস পাব, কাৰণ যান-বাহনৰ পৰা লেথেৰি নিছিগা ধোঁৱা আৰু আমনিদায়ক শব্দ নিৰ্গত নহ'ব। মেগলেভ যান-বাহনৰ মূলতত্ব হৈছে চুম্বকৰ বিপৰীত মেৰুৰ মাজত আকৰ্ষণ আৰু সমমেৰুৰ মাজত বিকৰ্ষণ। বৰ্ত্তমানৰ যান-বাহনবিলাকৰ দৰে ইয়াত চকাৰ ব্যৱস্থা নাথাকিব। এই মেগলেভবিলাকে যাত্ৰা সুষম আৰু আৰামদায়ক কৰি তোলাই নহয়, দৈনন্দিন জীৱনত দৃষ্টিগোচৰ হোৱা ক্ৰমবৰ্ধমান পথ দুৰ্ঘটনা, চিৰিৰ পৰা ট্ৰেইন উফৰি পৰা প্ৰভৃতি ঘটনাৰো পূৰ্ণবিলুপ্তি ঘটিব। কাৰণ নিউক্লিয়াৰ সংযোজন [ Nuclear fusion ], মেগনেট' হাইড্ৰডায়েনেমিক্‌চ্ [ Magneto Hydrodyanamics ], এ. চি আৰু ডি. চি, জেনেৰেটৰ [ a.c and d.c generator ], পাৱাৰ কেৱল [ Power Cable ] আদিত অতিপৰিবাহিতাৰ ব্যৱহাৰ কৰিব পৰা যাব। প্ৰবাহিত হৈ থকা অৱস্থাত বিদ্যুৎ-শক্তি নষ্ট হোৱাটোও বহু পৰিমাণে লোপ পাব।

উচ্চমানৰ তাত্ত্বিক পদাৰ্থবিজ্ঞান, আৰু ঔদ্যোগিক দিশতো দ্ৰুত পৰিবৰ্ত্তন আনিব। আজি গোটেই পৃথিবীয়ে বৈদ্যুতিক শক্তি হ্ৰাস হৈ অহাৰ যি সংকটাৱস্থাৰ সন্মুখীন হৈছে অতিপৰিবাহীৰ ব্যৱহাৰে এই সংকটাৱস্থা দূৰ কৰিবলৈ সক্ষম হ'ব। বিদ্যুৎ পৰিবহনত অতিপৰিবাহীৰ ব্যৱহাৰ কৰাৰ মূলতে হ'ল ইহঁতে বিদ্যুৎ সোঁত কঢ়িয়াওতে অকণো শক্তি ব্যয় নহ'ব। সেইকাৰণে অতিপৰিবাহী তাঁৰ ব্যৱহাৰ কৰিলে টেলিসংযোগ ব্যৱস্থাত তিনি চাৰি কিলোমিটাৰ দূৰে দূৰে 'ৰিপিটাৰ' নবহুৱালেও হ'ব।

কম্পিউটাৰৰ ক্ষেত্ৰতো পৰিবৰ্ত্তনৰ সূচনা হ'ব। সৰু আকাৰৰ অতি শক্তিশালী চুপাৰ কম্পিউটাৰ সৃষ্টি কৰিব পৰা হ'ব।

শেহত ক'ব পাৰি যে অতিপৰিবাহিতাক মানব-সভ্যতাৰ কল্যাণ সাধনাৰ্থে নিশ্চিতভাবে ব্যৱহাৰ কৰিব পৰা হ'ব। যদিও এই মুহূৰ্ত্তত ইয়াৰ বা অতিপৰিবাহী সামগ্ৰীসমূহ অতি ব্যয়বহুল হ'ব তথাপি অদূৰ ভবিষ্যতে ইয়াক সুলভ কৰি তুলিব পৰা হ'ব। ধনী দুখীয়া নিৰ্বিশেষে ইয়াৰ সুফল লাভ কৰিব। ইয়াৰ ফলত কেবল ক্ৰান্তি বা ৰূপান্তৰৰ সূচনা হোৱাই নহয়, সৌৰজগতৰ জীৱ অধ্যুষিত একমাত্ৰ গ্ৰহটোত যে মানুহে আয়াসলব্ধ শান্তিময় জীৱন নিৰ্বাহ কৰিব পাৰিব ই নিঃসন্দেহে সত্য। ●

# প্ৰবন্ধ লিখন কলা

**মিছ মনিদীপা কোঁৱৰ**
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

**জীৱনৰ** সঁচা অভিজ্ঞতা সমূহৰ পাণ্ডিত্য-পূৰ্ণ বিশ্লেষণতেই প্ৰবন্ধৰ সৃষ্টি হয়। সমাজ তথা জীৱনৰ দোষ ত্ৰুটীবোৰৰ নিৰপেক্ষ আৰু নিৰ্ভীক সমালোচনাই হ'ল প্ৰবন্ধ। প্ৰবন্ধত কল্পনাৰ কোনো প্ৰলেপ নাথাকে।

আমি বহুতেই প্ৰৱন্ধ লিখোঁ। অসমৰ অনেক আলোচনী আৰু বাতৰি কাকতত নানা বিষয়ৰ প্ৰৱন্ধ পঢ়িবলৈ পোৱা যায়। সেইদৰে, বিদ্যালয়, মহাবিদ্যালয় আদিৰ আলোচনীতো প্ৰৱন্ধ প্ৰকাশ হয়। ভালকৈ বিশ্লেষণ কৰি চালে দেখা যায় যে এই প্ৰবন্ধ-বোৰৰ সৰহ ভাগেই ভাল প্ৰবন্ধৰ শাৰীত নপৰে। কিছুমান প্ৰবন্ধ আনৰ প্ৰবন্ধ পঢ়ি লিখা, আন কিছুমান প্ৰবন্ধ অসত্য আৰু কল্পিত তথ্যেৰে ভৰপূৰ আৰু বাকী থকাখিনি হয়তো অৰ্থহীন। লাগ-বান্ধ নোহোৱা কিছুমান বাক্যৰ সমষ্টি নাইবা বক্তব্যবোৰ সুখপাঠ্য নহয়। এই অভিজ্ঞতাৰ পৰা জনা যায় যে এনে দুৰ্গতিৰ আচল কাৰণ হ'ল প্ৰবন্ধ লিখকসকলৰ প্ৰবন্ধ লিখন কলাৰ সন্ধন্ধে সম্যক জ্ঞানৰ অভাৱ। সেই কাৰণে প্ৰবন্ধ লিখন কলাৰ থুলমূল আভাস এটি ইয়াত দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ।

## কাৰবাবে লিখা হ'ব ?

লিখিবলৈ আৰম্ভ কৰাৰ আগেয়ে ঠিক কৰি ল'ব লাগিব প্ৰবন্ধটো কোন শ্ৰেণী পাঠকৰ বাবে লিখা হ'ব। যি বিষয়ৰ প্ৰবন্ধ লিখা হ'ব সেই বিষয়ৰ ন শিকাৰুৰ বাবে, ন পুৰণি শিকাৰুৰ কাৰণে লিখা হ'ব নে ? বেছি পঢ়া-শুনা পাঠকৰ কাৰণে লিখা হ'ব নে, কম পঢ়া-শুনা পাঠকৰ কাৰণে লিখা হ'ব ? বয়সীয়ালোকৰ কাৰণে নে কম বয়সীয়া-লোকৰ কাৰণে? চিন্তাশীললোকৰ বাবে, নে চিন্তাহীনলোকৰ বাবে ? এনেদৰে নিজক প্ৰশ্ন কৰি কাৰ কাৰণে লিখা হ'ব সেইটো স্থিৰ কৰি ল'ব লাগে। তাৰ পিছত তেনে ধৰণৰ পাঠক এজনৰ আগত বিষয়টো যেনে ধৰণে বুজালে তেনে ধৰণৰ পাঠক এজন বুজিবলৈ ইচ্ছুক হব, তেনেধৰণে প্ৰবন্ধটো লিখিব লাগে।

## কি উদ্দেশ্যে লিখা হব ?

লিখিবলৈ আৰম্ভ কৰাৰ আগতে কোন শ্ৰেণী পাঠকৰ বাবে প্ৰবন্ধটো লিখা হ'ব তাক স্থিৰ কৰাৰ পাচত কি উদ্দেশ্যেনো প্ৰবন্ধটো লিখা হ'ব, সেইটো স্থিৰ কৰি ল'ব লাগে। কিবা নতুন তথ্য পাঠকসকলক জনাবলৈ প্ৰবন্ধটো লিখা হ'ব নেকি ? নহ'লে সকলোৱে জনা তথ্যকে নতুন ধৰণে বুজাবলৈ লিখা হ'ব নেকি ? আমি জনা বহুখিনিৰ অন্তৰালত কিবা ৰাজনৈতিক, অৰ্থনৈতিক,

সামাজিক বা মনস্তাত্ত্বিক কাৰণ থকা দেখুৱাবলৈ লিখা হ'ব নেকি? কিবা নতুন সত্য প্ৰতিষ্ঠা কৰিবলৈ লিখা হ'ব নেকি? প্ৰতিষ্ঠিত কোনো সত্য ভুল প্ৰমাণ কৰিবলৈ লিখা হ'ব নেকি? কোনো সত্যৰ আংশিক সংশোধন কৰিবলৈ লিখা হ'ব নেকি?

উদ্দেশ্য স্থিৰ কৰি লৈ সেই উদ্দেশ্য সফল কৰিবলৈ বিষয়টোৰ তথ্যপাতি যোগাৰ কৰিব লাগিব। সেই বিষয়ৰ আধুনিক সংস্কৰণৰ কিতাপ পত্ৰ পঢ়িব লাগিব। বিশ্বকোষ, প্ৰসঙ্গকোষ সেই বিষয়ৰ আলোচনী যদি আছে পঢ়িব লাগিব। সেই বিষয়ৰ নতুন তথ্য থকা গবেষণামূলক প্ৰবন্ধ পাতি পঢ়ি আৱশ্যকীয় কথাবোৰৰ টোকা লিখি ল'ব লাগিব। টোকা কৰোঁতে প্ৰবন্ধ আলোচনা কৰিব খোজা বিভিন্ন উপশিতানত টোকা সংগ্ৰহ কৰিব লাগে। লিখিবৰ সময়ত এই টোকাহে ব্যৱহাৰ কৰিব লাগে।

### লিখনৰ পৰ্য্যায় কেইটা হ'ল—

প্ৰবন্ধ এটা লিখোঁতে চাৰিটা পৰ্য্যায় বা খেও মাৰিব লাগে। খেও কেইটা হ'ল— ১) বিষয় নিৰ্বাচন আৰু সীমা নিৰ্দ্ধাৰণ ২) বিষয় বিশ্লেষণ ৩) বিষয় সংগঠন আৰু ৪) প্ৰবন্ধ লিখন। তলত প্ৰত্যেক মেপৰ বিতং আলোচনা কৰা হ'ল।

### বিষয় নিৰ্বাচন আৰু সীমা নিৰ্দ্ধাৰণ

পোন প্ৰথমে বিষয়টো নিৰ্বাচন কৰি ল'ব লাগে। বিষয় একোটাৰ লিখা সম্ভৱপৰ নহয় কাৰণে তাৰ সীমা নিৰ্দ্ধাৰণ কৰা অতি প্ৰয়োজন। উদাহৰণ স্বৰূপে, বিষয়টো যদি অসমীয়া সাহিত্য বুলি লোৱা হয়, ইয়াক লিখি শেষ কৰিব নোৱাৰি। অসমীয়া সাহিত্য বুলিলে নাট্য সাহিত্য, কাব্য সাহিত্য, উপন্যাস সাহিত্য, গল্প সাহিত্য, জীৱনী সাহিত্য, সমালোচনা সাহিত্য আদি অনেক বিষয় সোমাই থাকে। এই আটাইবোৰৰ বিষয়ে এটা প্ৰবন্ধতে লিখা সম্ভৱ নহয়। সেইদৰে অসমীয়া গল্প সাহিত্য বুলিলে হাস্যৰসিক গল্প, ৰোমাণ্টিক গল্প, ডিটেকটিভ গল্প, মনস্তাত্ত্বিক গল্প, সামাজিক গল্প আদি বিভিন্ন ধৰণৰ গল্পৰ কথা লিখি শেষ কৰিব নোৱাৰি। সেইবাবে এটা নিৰ্দিষ্ট আলোচ্য বিষয়লৈ নিৰ্বাচন কৰি সীমা নিৰ্দ্ধাৰণ কৰিব লাগে।

ইয়াৰ পিছত প্ৰবন্ধটোৰ শিৰোনামা ঠিক কৰিব লাগে। শিৰোনামাটো প্ৰবন্ধটোৰ বিষয়ৰ লগত খাপ খোৱা হ'ব লাগিব। যথাসম্ভৱ চুটি হ'ব লাগে। আৰু যিমানদূৰ সম্ভৱ আৰ্কষণীয় হ'ব লাগে।

### বিষয় বিশ্লেষণ

বিষয় বিশ্লেষণ মানে বিষয়টোৰ আলোচনা কৰিব লগীয়া কথা কেইটা বিচাৰি উলিওৱা। বিষয়টো বিশ্লেষণ কৰোঁতে সংজ্ঞাৰ পৰাই আৰম্ভ কৰা ভাল। আলোচ্য বিষয়টো কেইটামান ভাগত ভগাব পাৰি যদিও ইয়াৰ পিছতে ভগোৱা উচিত সমীক্ষা মূলক প্ৰতিবেদনবোৰ, ইয়াৰ পিছতে পাৰি সমীক্ষিত তথ্যবোৰৰ সাধাৰণ প্ৰৱণতা কি, এই বিষয়ে এটা ইঙ্গিত দিব পাৰি। সাৰ্থক বা উল্লেখযোগ্য কাম ইয়াৰ পিছতে দিব পাৰি। শেষত লিখকৰ মতামতেৰে প্ৰবন্ধটো শেষ কৰিব লাগে।

### বিষয় সংগঠন

বিষয় সংগঠন মানে আলোচ্য বক্তব্য বোৰৰ প্ৰণালীবদ্ধ সমষ্টিকৰণ সংগঠন কৰোঁতে আমি দুটা কাম কৰিব লগা হয়। প্ৰথমে, একে কথাৰ কথাবিন্দুবোৰ একেলগে থুপোৱা আৰু দ্বিতীয় কথাবিন্দুবোৰ যুক্তিসম্মত ক্ৰমত স্থাপন কৰা।

সমষ্টিকৰণ কৰোঁতে চাবলগীয়া বিষয় হ'ল প্ৰস্তাৱিত কথাবিন্দুবোৰৰ মাজত এনে ধৰণৰ কথা থকা একাধিক বিন্দু আছে নেকি ? যদি আছে, সেই বিন্দুৱে আন এটা বিন্দুতকৈ ক্ষুদ্ৰতম বা বৃহত্তৰ পৰিসৰ লৈছে নেকি ? যদি লৈছে বৃহত্তৰটোত ক্ষুদ্ৰতৰটো সুমুৱাই ল'ব লাগে। কথাবিন্দুবোৰৰ যুক্তিসন্মত ক্ৰমত স্থাপন কৰোঁতে এনে ধৰণে স্থাপন কৰিব লাগে, যাতে চিন্তাৰ সোঁত প্ৰথম বিন্দুটোৰ পৰা স্বাভাৱিকভাৱে দ্বিতীয়টোলৈ যায়। তাৰ পিছত দ্বিতীয়ৰ পৰা তৃতীয়লৈ, তৃতীয়ৰ পৰা চতুৰ্থীলৈ — এই ক্ৰমত গতি কৰি শেষৰ বিন্দুত চিন্তাৰ সোঁত বৈ যায়গৈ। পৰস্পৰ সম্বন্ধ থকা কথাবিন্দুবোৰ ধাৰাবাহিকভাৱে আলোচনা কৰিব লাগে।

এইদৰে বিষয় সংগঠন কৰা হ'লে বিষয়টোৰ বহিঃৰেখা অঙ্কিত হয়। প্ৰবন্ধটোৰ দৈৰ্ঘ্য আৰু প্ৰকৃতি অনুযায়ী বহিঃৰেখাৰ আকাৰ নিৰ্ধাৰিত হয়। প্ৰবন্ধৰ আকাৰ দীঘলীয়া কৰিবলৈ হ'লে একো-একোটা কথাবিন্দুৰ আকৌ উপবিভাগ কৰা হয়। প্ৰবন্ধটোৰ আৰম্ভণিতে বিষয়টোৰ গুৰুত্ব সম্পৰ্কে কেতিয়াবা একোটা অনুচ্ছেদ লিখা হয়। লিখিবলৈ লোৱা প্ৰবন্ধৰ বহিঃৰেখাৰে লিখা প্ৰবন্ধ সুখ পাঠ্য নহয়। এতিয়া কথা হ'ল প্ৰবন্ধটোৰ ভালকৈ লিখাৰ।

**প্ৰবন্ধ লিখন —**

প্ৰবন্ধ একোটাৰ আৰম্ভণি, বিকাশ আৰু সামৰণি — এই তিনিটা পৰ্য্যায় আছে। প্ৰবন্ধৰ আৰম্ভণি প্ৰথম অনুচ্ছেদ হয়, এটা প্ৰথম অনুচ্ছেদৰ প্ৰথম বাক্যটো গুৰুত্বপূৰ্ণ। প্ৰথম বাক্যটোৱে পাঠকক আকৰ্ষিত কৰিবও পাৰে, বিকৰ্ষিত কৰিবও পাৰে।

আৰম্ভণি কৰা বাক্য পোণপটীয়া আৰু মনোগ্ৰাহী কৰিব পাৰি বিশেষ আগ্ৰহ বঢ়াব পাৰি বা ৰচনাসুলভ পৰিচয়দান কৰিব পাৰি। আৰম্ভণি বাক্য পোণপতীয়া আৰু মনোগ্ৰাহী কৰিবলৈ তলত দিয়া কৌশলবোৰ খটুওৱা হয়।

ক) শিৰোনামাটোৰ পুনৰাবৃত্তি কৰা হয়।
খ) শিৰোনামাটোৰ বাক্যান্তৰ কৰা হয়।
গ) বিষয়টোৰ উপযোগীকৈ পৰিবেশ সৃষ্টি কৰা হয়।
ঘ) বিষয়টোৰ বহিঃৰেখা দি দীঘলীয়া বাক্য ৰচনা কৰা হয়।

কথাবিন্দুৰ গুৰুত্ব অনুসৰি তাৰ পৰিসৰ কম বেছি কৰিব লাগে। বেছি গুৰুত্বপূৰ্ণ কথাবিন্দুবোৰ বেছি ঠাই জুৰি আৰু কম গুৰুত্বপূৰ্ণ কথাবিন্দু কম ঠাইত আলোচনা কৰিবলগীয়া থাকিলে একোটা কথাবিন্দুৰ বাবে একোটা অনুচ্ছেদ লিখিব লাগে।

সামৰণিত প্ৰবন্ধটো সম্পূৰ্ণহোৱাৰ ধাৰণা এটা দিব লাগে। বহুতে বৰ্ণনাৰে মাজতেই প্ৰবন্ধৰ সামৰণি মাৰে। এনে ব্যৱস্থা সুগম নহয়। সামৰণিৰ ধাৰণা দিবলৈ শিৰোনামাত উল্লেখিত কথাখিনিৰ পুনৰুক্তি কৰিব লাগে। নাইবা ইয়াৰ গুৰুত্বপূৰ্ণ অংশটোৰ পুনৰুক্তি কৰিব লাগে। সাধাৰণতে শেষৰ বাক্যটোত এই পুনৰুক্তি হ'ব লাগে।

**প্ৰবন্ধটোৰ সম্পাদনা —**

আলোচনী সম্পাদক প্ৰবন্ধ লিখকৰ পৰা আঁতৰত থাকে। প্ৰবন্ধটো পঢ়ি সম্পাদক সন্তুষ্ট নহ'লে তেওঁ ফটা কাকতৰ পাচিত তাৰ ঠাই দিয়ে। যিমানেই কষ্ট কৰি, তথ্য সংগ্ৰহ কৰি প্ৰবন্ধটো লিখা নহওঁক লাগে, প্ৰবন্ধৰ গঢ় যদি সম্পাদকৰ মনঃপুত নহয়, তেন্তে সেই প্ৰবন্ধৰ স্থান আলোচনীৰ পাতত নাই। সেই কাৰণে, সম্পাদকৰ মন এটা লৈ প্ৰবন্ধটো অতি কমেও তিনিবাৰ পঢ়িব লাগে।

প্ৰথম পাঠত প্ৰবন্ধটোৰ বস্তু আৰু আকাৰ পৰীক্ষা কৰিব লাগে। এই পাঠত তলত দিয়া কথাকেইটা চাব লাগে —

১) সম্ভাব্য পাঠকসকলে আওকাণ কৰিব নোৱাৰাকৈ প্ৰবন্ধৰ বিশেষ বক্তব্যটোৰ যিমান সম্ভৱ সিমান ফট্‌ফটীয়াকৈ শিৰোনামাত কোৱা হৈছে নে? শিৰোনামাটোত যিমানখিনি ক'ব খোজা হৈছে প্ৰবন্ধটোত তাতোকৈ বেছি বা কম কোৱা হৈছে।

২) সেই বিষয়ে বিশেষ পঢ়া-শুনা নকৰা লোকৰ বাবে প্ৰবন্ধৰ বৰ্ণনাখিনি স্পষ্ট হৈছে নে?

৩) প্ৰবন্ধটোত প্ৰয়োজনীয় আটাইবোৰ তথ্য দিয়া হৈছে নে ? বৰ্ণনাখিনি যুক্তিসন্মত হৈছে নে?

৪) সন্নিবিষ্ট তথ্যখিনিৰ ভেটিত প্ৰবন্ধটোত দিয়া সিদ্ধান্ত যুক্তিসিদ্ধ কৰা হৈছে নে? অনুমান, মত আৰু সন্দেহখিনি ঠিকমতে চিহ্নিত কৰা হৈছেনে?

৫) প্ৰয়োজনীয় চিত্ৰ-তালিকা আদি দিয়া হৈছে নে? অপ্ৰয়োজনীয় চিত্ৰ-তালিকা আদি আঁতৰোৱা হৈছেনে?

৬) দ্বিতীয় পাঠৰ লিখন-শৈলী পৰীক্ষা কৰা হয় এনেদৰে —

১) ব্যৱহৃত পৰিভাষাবোৰৰ লগতে সংজ্ঞা দিয়া হৈছে নে?

২) প্ৰবন্ধটোত অপ্ৰয়োজনীয় প্ৰতিশব্দ, অদৰকাৰী সুভাষণ আৰু দ্ব্যৰ্থবোধক, বাক্য আছে নেকি?

৩) অনাৱশ্যক শব্দ, বাক্যাংশ আৰু বাক্য আছে নেকি?

৪) প্ৰত্যেকটো অনুচ্ছেদত একোটা গুৰুত্বপূৰ্ণ কথা আলোচনা কৰা হৈছে নে নাই?

৫) প্ৰত্যেক অনুচ্ছেদৰ কথাই স্বাভাৱিক ভাৱে পাছৰ অনুচ্ছেদলৈ গতি কৰিছে নে?

৬) উপশিতানবোৰ যথাযথ বৰ্ণনা মূলক হৈছে নে?

৭) বাক্যবোৰ সম্ভৱপৰ সৰলতম, অতিশয় পোনপতীয়া আৰু অতিশয় শক্তিশালী হৈছে নে?

তৃতীয় পাঠত বৰ্ণনাখিনি পৰীক্ষা কৰা হয়। ইয়াক কৰোঁতে চাব লাগে—

১) প্ৰসংগোল্লেখবোৰ আকাৰত স্বয়ংপূৰ্ণ হৈছে নে?

২) প্ৰত্যেকটো শব্দ শুদ্ধকৈ জোঁটোৱা হৈছে নে?

৩) ঠিকমতে বহি-চিহ্ন দিয়া হৈছে নে?

৪) চিত্ৰ আৰু তালিকাবোৰত ঠিকমতে মানি, চলিলেই ভাল প্ৰবন্ধ লিখিব পাৰি। সম্ভাব্য প্ৰবন্ধ লিখক-লেখিকাসকলে এইবোৰ নিয়ম মানি চলিলে ভাল প্ৰবন্ধ লিখক বা লেখিকা হ'ব পাৰিব বুলি দৃঢ় বিশ্বাস।

---

**গুৱাহাটীৰ বিঃ বৰুৱা কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাৰ প্ৰবন্ধৰ সহায় লৈ লিখা হৈছে।**

## বৰ্ত্তমান প্ৰজন্ম ঃ

# কেইটামান প্ৰাসঙ্গিক কথা

অশোক নন্দ চক্ৰৱৰ্ত্তী
প্ৰৱক্তা, অৰ্থনীতি বিভাগ

যিকোনো এখন সমাজত স্থিতাৱস্থাৰ (Stagnancy) বিৰুদ্ধে বিক্ষোভ নিক্ষেপিত হয় যুৱ-সম্প্ৰদায়ৰ যোগেদি । বিশ্ব ইতিহাস পৰ্য্যালোচনা কৰিলে এই মন্তব্যৰ সপক্ষে বহু তথ্য, সাক্ষী নিঃসন্দেহে যুগুত কৰিব পৰা যাব । ঘটনাটো পিছে তাৰুণ্যৰ সহজাত কৰ্ম বুলিয়েই ক'ব পাৰি । এনে হোৱাৰ কাৰণ তৰুণ সম্প্ৰদায়ৰ এনে প্ৰতিক্ৰিয়াৰ ভেটিত থকা নিয়মবোৰ অনুসন্ধান কৰাৰ দায়িত্ব সমাজ বিজ্ঞানীৰ। এইবোৰ কথাত আমাৰ মুৰ কামোৰণি অৰ্থহীন । সেয়ে আমি বৰ্ত্তমান আৰ্থ-সামাজিক পৰিস্থিতিত বৰ্ত্তমান প্ৰজন্মৰ চৰিত্ৰ লক্ষণ বুজাৰ চেষ্টা কৰাটোৱেই সমীচীন ।

বৰ্ত্তমান তৰুণ প্ৰজন্মৰ বিৰুদ্ধে আটাইতকৈ ডাঙৰ অভিযোগটো মূল্যবোধ-সংক্ৰান্ত । সামাজিক ন্যায়-নীতি, আচাৰ-আচৰণ বিৰোধিতাৰ নামত এক তথাকথিত বিশৃংখল অৱস্থাৰ সৃষ্টিয়েই যেন এই প্ৰজন্মৰ একমাত্ৰ উদ্দেশ্য, এনে এবিধ অনুচ্চাৰিত অভিযোগে পূৰ্বৱৰ্ত্তী প্ৰজন্মৰ চিন্তাত ক্ৰমশঃ স্পষ্টতৰ হৈ উঠিচে । তৰুণ প্ৰজন্মই স্বাভাৱিকতে এনেবিধ মানসিকতা প্ৰকাশৰ বিৰুদ্ধে থিয় দি প্ৰতিবাদ জনায় নিজস্ব ভংগীত । কেতিয়াবা বিশৃংখল ভাবেও। ফলত দুই প্ৰজন্মৰ মাজত এটা বিচ্ছিন্নতাবোধে শিপাই বিস্তৃতি লাভ কৰিছে । আজিকালি যাক (Generation gap) বুলি কোৱা হয় বুদ্ধিজীৱিসকলৰ ভাষাত । আচলতে মন কৰিব লগা কথাটো হৈছে যে, যি কোনো অস্বাভাৱিক অৱস্থাত যোগাযোগ বা সম্পৰ্কহীনতাৰ বাবে এই শূন্যতাকেই দায়ী কৰি মূল সমস্যাটোৰ সন্দৰ্ভত চকুমুদি থকাৰ এটি প্ৰৱণতা দিনক দিনে বাঢ়ি আহিছে । পাহৰি যোৱা হয় যে Generation gap এটা সামাজিক সমস্যা (Social Problem) আৰু এইয়া সমাজৰ পৰাই উদ্ভৱ হৈছে। পাহৰি যোৱা হয় যে, ইয়াৰ বাবে দায়ী সামাজিক কাৰণবোৰ চিহ্নিত নোহোৱালৈকে বৰ্ত্তমান অৱস্থাৰ সলনি কৰাতো নিচেই অসম্ভৱ ।

সামাজিক গাঁথনি (Social Structure) অনুসৰিহে সামাজিক মূল্যবোধ সৃষ্টি হয় । সম্পৰ্কটো 'সৌধ' (Structure) আৰু "উপৰি সৌধ"ৰ (Super Structure) মাজৰ সম্পৰ্ক । গতিকে সামন্তবাদী সমাজব্যৱস্থা আৰু পুঁজিবাদী সমাজব্যৱস্থাত সৃষ্টিহোৱা মূল্যবোধবোৰো মূলতে বেলেগ, কাৰণ সংগঠনটোৱেই বেলেগ । এতিয়া যি কোনো এটা বিশেষ সমাজ ব্যৱস্থাত গঢ়ি উঠা মূল্যবোধবোৰৰ

ক্ষেত্ৰত দেখা যায় যে, সামাজিক গাঁথনিৰ অন্তৰ্গত বিভিন্ন বিৰোধ যেতিয়া তীব্ৰ হৈ উঠে সমাজবিকাশৰ অনিবাৰ্য্য নিয়ম অনুসৰি তেতিয়া এই মূল্যবোধবোৰেই প্ৰথমতে ধৰ্ষিত হয় আৰু ই হ'বলৈ বাধ্য । এজন বিশেষ ব্যক্তিৰ ( individual ) ক্ষেত্ৰত ইয়াৰ মনোভাবটো "We do not practise what we preach" বিধৰ বুলি ক'ব পাৰি । আৰু এইখিনিৰ পৰাই আৰম্ভ হয় নতুন প্ৰজন্মটোৰ সমস্যা । যি মূল্যবোধৰ বিষয়ে সচেতন হ'বলৈ কোৱা হয়, সেই মূল্য-বোধৰ প্ৰতি আনুগত্য দাবী কৰা হয় সমাজৰ তৰফৰ পৰা । সেই মূল্যবোধবোৰেই প্ৰতিদিন ধৰ্ষিত হোৱা দেখা পাই তৰুণ প্ৰজন্মটোৱে চকুৰ আগত । অবিশ্বাসৰ (disbelief) এনে এক কেন্দ্ৰভূমিৰ পৰাই বৰ্ত্তমান প্ৰজন্মৰ যাত্ৰা আৰম্ভ হয় । অৰ্থাৎ ভৰিখন ভাঙি দি খোজ কাঢ়িবলৈ কোৱাৰ দৰেই কথা এটা । বৰ্ত্তমান প্ৰজন্মৰ ওচৰত যি মানবিক সততা, ন্যায়নিষ্ঠা নাইবা অন্যান্য মানবিক গুণাৱলীৰ দাবী জনোৱা হয়, স্বাভাবিকতেই প্ৰশ্ন উঠিব যে সেই একেবোৰে মূল্যবোধ বৰ্ত্তমান সমাজত যথাৰ্থতে সংৰক্ষিত হৈছেনে ? উত্তৰ অনাৱশ্যক, কিয়নো সমাজেই ইয়াৰ সাক্ষী । গতিকে যুক্তিপূৰ্ণভাবেই এইবোৰ প্ৰতিষ্ঠিত মূল্যবোধৰ তৰুণ প্ৰজন্মৰ চকুত ভুৱা যেন লাগে আৰু বিক্ষোভ অনিবাৰ্য্য হৈ উঠে । ইয়াৰ বাবেই এজন "young man" এজন 'angry young man' অত পৰিৱৰ্ত্তিত হৈ যায় । আৰু প্ৰজন্মটোৰ বিদ্বেষ বিক্ষোভৰ জৰুৰী বৰ্হি প্ৰকাশ (Out let) ঘটে অবিশ্বাসৰ (disobedience) যোগেদি সামাজিক ন্যায়-নীতিৰ উলংঘা ( Violation of social code and norms) এটা চৰিত্ৰ-লক্ষণ হৈ পৰে । বিশ্বাসভংগৰ পৰা জন্ম হয় হতাশা (frustration) আৰু অনমনীয় মনোভাব এইবোৰ প্ৰতিকূলৰ বেমেজালিত পৰি ভাগি যায় এজন যুবকৰ মানসিক সংগঠন । সংগত ক্ষোভ লৈ নিজক সি সঠিক লক্ষ্যৰ ফালে পৰিচালিত কৰাৰ ক্ষমতাটোৱেই হেৰুৱাই পেলায় আৰু পৰিচালিত হয়, অনিয়ন্ত্ৰিত অসংগঠিত ক্ষোভৰ দ্বাৰা । গতিকে তাত আচাৰ আচৰণত এটা বৈপৰিত্য পোৱা যায় ।

আজিৰ অসমৰ পটভূমিত একেই ঘটনা ঘটিছে । কৃষি-অৰ্থনীতিৰ সংকটে ভাঙি পেলাইছে গ্ৰামীন সংগঠন ; অথচ যান্ত্ৰিকীকৰণ (mechanisation) সেই অৰ্থে হোৱা নাই । জনসংখ্যা-বৃদ্ধি, শিক্ষিত, অশিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধিয়ে এক অৰ্থনৈতিক সংকটৰ জন্ম দিছে । মুঠতে অৰ্থনৈতিক বিপৰ্য্যয়ৰ ফলত এক সামাজিক সাংস্কৃতিক সংকট ঘনীভূত হৈছে । যৌথ পৰিয়ালবোৰ ভাগি গৈ আছে ;মধ্যবিত্ত আত্মকেন্দ্ৰিকতা মধ্যবিত্ত পৰিয়ালবোৰৰ মুখ্য চালিকা শক্তি হৈ পৰিছে । যি স্বপ্নভূমিৰ বাবে কেইবছৰমান আগত ন-অসমীয়াই নিজক উৎসৰ্গা কৰিছিল, অসমৰ ইতিহাস তেজেৰে লিখিব বুলি সংকল্প কৰিছিল । সেই স্বপ্নভূমিত এতিয়া পচাঁ 'শ'ৰ গোন্ধৰ বাহিৰে আন একো নাই । স্বপ্ন আৰু বিশ্বাসভংগৰ ই এক চৰম বিন্দু । যি বিন্দুত থিয় হৈ বৰ্ত্তমান প্ৰজন্মক ভবিষ্যত বুলি ক'লে এন্ধাৰৰ বাহিৰে একো দেখিবলৈ নোপোৱা কথাটোৱেই হ'ব, অথচ ই নিচেই স্বাভাবিক ।

আনহাতে, তৰুণমানসৰ লগত গণমানসৰ যোগাযোগ যাতে সম্ভৱ নহয় অৰ্থাৎ স্থিতাৱস্থাত টিকাই ৰখা যায় । তাৰ বাবে বিভিন্ন প্ৰতিষ্ঠান সংগঠন আৰু শক্তিসমূহে গণমাধ্যমক নানাভাবে ব্যৱহাৰ কৰিছে । স্থূল আৰু সস্তীয়া আৱেগিক ধ্যান-ধাৰণাক সংস্কৃতি বুলি অপপ্ৰচাৰ চলাইছে । মূল্যবোধক সিহঁতে বজাৰলৈ আনি পণ্য সামগ্ৰীত পৰিণত কৰিছে । এই সকলোবোৰৰ কাৰণে বৰ্ত্তমান প্ৰজন্মই এটা বিছিন্নতাবোধত (Sense of alienation) আক্ৰান্ত হৈছে । ভাৰতৰ ৰাজনৈতিক আকাশত ইয়াৰ ধুমুহা আমি দেখিছোঁ । সংস্কৃতিৰ ক্ষেত্ৰত নৈৰাশ্যই আৰু জীৱনতো জন্ম দিছে শূন্যতাৰ । বৰ্ত্তমান প্ৰজন্মৰ সম্বন্ধহীন আচৰণৰ বিপৰীত

ব্যৱহাৰৰ এই গোটেইবোৰ ফল মাত্ৰ। আৰু এইখিনিতেই সমাজৰ মূৰব্বীসকলে বৰ্ত্তমান প্ৰজন্মটোক দোষী সাব্যস্ত কৰি আঙুলি টোঁৱা-বলৈ সুবিধা পাইছে ।

এটা কথা ঠিক যে, বৰ্ত্তমান প্ৰজন্মৰ অন্তৰৰ অস্থিৰতা, আচাৰ-আচৰণৰ বিশৃংখলতাৰ যোগেদি যাৰ বহিঁপ্ৰকাশ — ই মাথোন এটি বিকল্পৰ বাবে । কিন্তু সঠিক চেতনাৰ অভাবৰ ফলত বিকল্প ব্যৱস্থাৰ তাত্বিকৰূপ সংগঠন-বোৰেও কোনো এটা গ্ৰহন যোগ্য 'মডেল' দিব পৰা নাই — স্বজন তোষন ক্ষমতা লিপ্সাই সিহঁতৰ বাবে একমাত্ৰ লক্ষ্য । এনেকুৱা পৰি-স্থিতিত এই প্ৰজন্মৰ এটা অংশই সহজ সমা-ধান হিচাপে পলায়নবাদী মানসিকতাৰ চিকাৰ হৈ পৰিছে আৰু বিশৃংখল জীৱন-যাপনৰ, সস্তীয়া বা অপসংস্কৃতিৰ ( Disco Culture ), মাদক দ্ৰব্য সেৱনত অভ্যস্ত হৈ পৰিছে । মাদক দ্ৰব্য সমূহৰ আমদানি আৰু ব্যৱহাৰ বাঢ়ি যোৱাৰ মূল কাৰণ হ'ল এইবোৰেই । অস্বীকাৰ কৰিব নোৱাৰি এনে পৰিস্থিতিত তৰুণ প্ৰজন্মৰ দায়িত্ব আৰু বেচি । এইটো সঠিক নহয় যে, তৰুণ প্ৰজন্ম দায়িত্ব গ্ৰহণত অনিচ্ছুক কিম্বা পালনত অক্ষম । অসমৰ যোৱা কেইবছৰৰ সংঘটিত ঘটনাবোৰ তাৰে দৃষ্টান্ত । আচল কথা হ'ল অভাৱ — সেই সচেতন মানসিক সংগঠনৰ যিটো নহ'লে 'উপায় উদ্ভাৱন' অসম্ভৱ । পৰিৱৰ্ত্তনৰ বাবেই আদৰ্শ (utcology) আৰু আঁচনি (strategy) দুয়োৰেই সমান প্ৰয়োজন । আজিৰ প্ৰজন্মৰ স্বপ্ন সফল হ'বলৈ হ'লে নতুন দিশত মুকলিকৈ ভাৱিব লাগিব। নতুন চিন্তা আৰম্ভ কৰাৰ এয়েই প্ৰকৃত আৰু উৎকৃষ্ট সময়। সমস্যাক উপলব্ধি কৰি, সমস্যাক স্বীকাৰ কৰি, সমস্যাৰ মাজত বাস কৰিয়েই সমাধান উলিয়াব পাৰিব লাগিব । সমস্যাক অস্বীকাৰ কৰিলে আত্মবিনাশ সম্ভৱ হ'ব পাৰে, আত্ম আৱিষ্কাৰ নহয় । তেনে ক্ষেত্ৰত, অহা প্ৰজন্মৰ আদালতত প্ৰত্যুত্তৰ দিবলৈও সাজু থাকিব লাগিব । আমি এই প্ৰজন্মৰ সন্তানে বিশ্বাস কৰোঁ যে এনে অৱস্থা কেতিয়াও চিৰ-স্থায়ী হ'ব নোৱাৰে । বিকল্প আছে, মাথোন বিচাৰিব জানিব লাগিব । বৰ্ত্তমান হতাশা আৰু নৈৰাজ্যৰ মাজতেই লুকাই আছে ভৱিষ্যত সম্ভৱনাৰ বীজ আৰু খেতি দুয়োটাই। গতিকে অৱক্ষয়ৰ চিন্তাত অতিমাত্ৰা পীড়িত আৰু হতাশাবোধ কৰাৰ কাৰণ নাই, যিহেতু আমি বিশ্বাস কৰোঁ, "One must have chaos to give birth to advancing star." ●

মানুহৰ জীৱনৰ কিছুমান সঙ্কটপূৰ্ণ সময় আহে । তথাপি এই ভাবি সান্তনা লভিব লাগিব যে সংগ্ৰাম যিমানেই কঠিন হ'ব জয়লাভো সিমানেই গৌৰবময়।

**টমাছ পেইন**

# ক্যাৰাটে কি ?

ৰবীন মৰাণ
স্নাতক ২য় বাৰ্ষিক (বাণিজ্য শাখা)

**'ক্যাৰাটে'** (karate) শব্দটো উচ্চাৰণ কৰাৰ লগে লগে প্ৰথমে এটা নামেই মনলৈ আহে, সেয়া হ'ল 'ব্ৰুচ্‌লী'। যাৰ নাম এসময়ত বিশ্বৰ জনগনৰ মুখে মুখে উচ্চাৰিত হৈছিল। কিন্তু ব্ৰুচ্‌লীৰ প্ৰকৃত নামটো এক ৰহস্যপূৰ্ণ। তেওঁৰ আচল নাম আছিল 'ক্যুন কেম' যাৰ প্ৰতিশব্দ ছানফ্ৰান্সিকোৰ ৰক্ষক'। ছানফ্ৰান্সিকোৰ এখন বিশ্ববিদ্যালয়ত ১৯৪০ চনৰ ২৭ নবেম্বৰ তাৰিখত তেওঁ জন্ম হৈছিল। সেইখন চিকিৎসালয়ৰে ব্ৰুচ্‌লীক ছোৱাচিঁতা কৰা এগৰাকী নাৰ্চে ব্ৰুচলীৰ আচল নাম 'ক্যুন কেম্‌'টো উচ্চাৰণ কৰিবলৈ অসুবিধা হোৱাৰ বাবে তেওঁক 'ব্ৰুচ্‌লী' নাম দি লয়। শেষত সেই নামেৰেই জনাজাত হৈছিল।

ব্ৰুচ্‌লীয়ে সকৰে পৰাই নিজকে 'পালোৱান' কৰি তুলিবলৈ বিচাৰিছিল। তেওঁৰ মন চীনৰ প্ৰাচীন যুদ্ধ-কলাৰ প্ৰতি বাঢ়ি গৈছিল। ব্ৰুচ্‌লী নামি পৰিল চীনৰ প্ৰাচীন যুদ্ধ-কলা কুংফু-ক্যাৰাটেৰ অনুশীলনত। তেওঁ শৰীৰচৰ্চ্চাৰ গুৰু হিচাপে বিচাৰি পালে কুংফুৰ কিংবদন্তী পুৰুষ 'য়েপ খান'ক। 'কুংফু'ৰ গোপনীয় ৰহস্যবিলাক আয়ত্ত কৰি ব্ৰুচ্‌লীয়ে নিজৰ নতুন পদ্ধতি (style) 'জিত্‌কুনেন্‌' আয়ত্ত কৰি লৈছিল।

তেওঁ অকল যে 'কুংফু' শিকাতেই সীমাবদ্ধ আছিল সেয়া নহয়। তেওঁ যুদ্ধ সম্পৰ্কীয় সকলো কলা যাক ইংৰাজীত কোৱা হয় মাৰ্চিয়েল আৰ্টচ (Martial Arts) আয়ত্তাধীন কৰি লৈছিল। কুংফু, ক্যাৰাটে, জুড্ো, টাইকোৱান্দু, বক্সিং বা মুষ্টিযুদ্ধ, কুস্তি, ভাৰ উত্তোলন, ষ্টিক আদি সকলো কলাতে তেওঁ পাৰ্গত হৈ উঠিছিল। তেওঁৰ গাৰ গঠন দেখিলেই চকুৰোৱা আছিল।

ব্ৰুচ্‌লীয়ে অকল যুদ্ধ সম্পৰ্কীয় কলাতে আৱদ্ধ নাথাকি সোমাই পৰিল চলচিত্ৰ জগতত। তেওঁৰ সৰুৰে পৰা অভিনয়ৰ প্ৰতি বৰ ৰাপ আছিল। মাত্ৰ ছয় (৬) বছৰ বয়সৰ পৰাই শিশু শিল্পীহিচাপে অভিনয়ৰ পাতনি মেলে। এজন নায়কৰ ৰূপত ব্ৰুচ্‌লীৰ সফলতা দেখি হলিউডৰ অভিনেতাসকলৰ উপৰিও চলচিত্ৰ নিৰ্ম্মাণ কৰা সংস্থাবিলাকেও ভয় খাই উঠিছিল।

ব্ৰুচ্‌লী যুদ্ধ-কলাৰ লগতে চলচিত্ৰ জগতত জড়িত থকাৰ কাৰণে বিশ্বৰ চুকে কোনে থকা সকলোলোকেই মানুহজনক চিনি নাপালেও 'ব্ৰুচ্‌লী'ৰ নামটো আৰু তেওঁৰ সুখ্যাতিৰ বিষয়ে বাৰুকৈয়ে জানিছিল। কিন্তু ১৯৭৩ চনৰ ২০ জুলাইৰ দিনা কুংফু-ক্যাৰাটেৰ

সম্রাট অপৰাজেয় ব্রুচ্‌লীৰ মৃত্যুৰ খবৰে সমূহ বিশ্ববাসীকে মৰ্ম্মান্তিক আঘাত দিলে। আটাইতকৈ ডাঙৰ আঘাত পৃথিৱীৰ সেইসকল যুৱকৰ বুকুত লাগিল যিসকলৰ বাবে ব্রুচলী পৌৰষত্ব আৰু বীৰত্বৰ প্ৰতীক হৈ পৰিছিল।

এতিয়া কথা হ'ল ক্যাৰাটেৰ উৎপত্তি উদ্দেশ্য, প্ৰভাৱ আৰু ইয়াৰ পৰা পোৱা উপকাৰিতাৰ বিষয়ে চমুকৈ আলোচনা।

'ক্যাৰাটে' শব্দটি জাৰ্মানী হ'লেও ক্যাৰাটেৰ উৎপত্তি ভাৰতবৰ্ষতে। ইয়াৰ জন্মদাতা প্ৰকৃততে বুদ্ধধৰ্মাৱলম্বী লোকসকল। বুদ্ধদেৱৰ জন্ম হৈছিল 'কপিলাবস্তুত' — বৰ্তমান এই ঠাই নেপালত অৱস্থিত। তেতিয়া বৌদ্ধ প্ৰচাৰকগণে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে দক্ষিণ পূৰ্ব এছিয়া আৰু চীনদেশলৈ গৈছিল। তেওঁলোকে বৌদ্ধ ধৰ্ম প্ৰচাৰৰ কাৰণে প্ৰায়ে জঙ্ঘল, পাহাৰ তথা নিৰ্জন ঠাই অতিক্ৰম কৰি বিভিন্ন দেশলৈ যাব লগা হৈছিল। তেওঁলোকে প্ৰায়ে ডকাইত বা বন্য প্ৰাণীৰ দ্বাৰা আক্ৰান্ত হ'ব লগা হৈছিল। জঙ্ঘলে পাহাৰে ঘূৰি ফুৰোতে লগত অস্ত্ৰ আদি লৈ ফুৰাতো সম্ভৱ নহৈছিল। সেই কাৰণে তেওঁলোকে খালি হাতে বিশেষ ধৰণৰ যুঁজ আৰু আত্মৰক্ষাৰ কৌশল আৱিষ্কাৰ কৰিছিল। বহুতৰে অনুমান বন্য-প্ৰাণীয়ে যেনেকৈ নিজৰ মাজত যুঁজ কৰে, সেই কৌশল বিলাক ইয়াৰ ভিতৰত অন্তৰ্ভুক্ত।

অন্যহাতেদি যেতিয়া বিশ্বত যুদ্ধ-বিগ্ৰহৰ বাবে প্ৰস্তুতি চলিছিল তেতিয়াৰ কথা। বিশ্বৰ সকলো দেশেই দেশ ৰক্ষাৰ্থে যুদ্ধৰ বাবে বৈজ্ঞানিক পদ্ধতিত সা-সৰঞ্জাম তৈয়াৰ কৰি লৈছিল। কিন্তু বৌদ্ধধৰ্মাৱলম্বী সকলে এটা স্বকীয়া প্ৰথা ৰচনা কৰিছিল। সেয়া হ'ল শত্ৰুপক্ষৰ লগত বিনা অস্ত্ৰে সন্মুখীন হৈ শত্ৰুক প্ৰতিৰোধ কৰিব পৰা এবিধ কলা। তেওঁলোকৰ হাত-ভৰিয়েই আছিল তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰ। তেওঁলোকে একত্ৰ হৈ শৰীৰ চৰ্চ্চাকৰিবলৈ ধৰিলে। তেওঁলোকে যিঠাইত অনুশীলন (Practice) কৰে সেই ঠাইক টেমপল্ (Temple) বুলি কোৱা হয়। তেওঁলোকৰ উদ্দেশ্যই আছিল আত্মৰক্ষা আৰু দেশ তথা জাতিৰ অস্তিত্ব ৰক্ষা কৰা।

চীনদেশত এই যুদ্ধ-কলা বা মাৰ্শ্বেল আৰ্টক (Martial Arts) 'কুংফু' বোলে। পাছত চীনত 'ওকিনাওয়া' আৰু জাপানত গৈ 'ক্যাৰাটে' নামেৰে নামাকৰণ হ'ল।

ক্যাৰাটে যি ঠাইত অনুশীলন (Practice) কৰা হয় তাক দোজো (Dojo) বোলে। দোজো শব্দটোৰ অৰ্থ — দো(Do)-পথ (way) আৰু জো (jo)-প্ৰশিক্ষণ (Training)। 'দোজো মন্দিৰৰ নিচিনা পবিত্ৰ স্থান, আনকি জোতা পিন্ধিও তাত প্ৰৱেশ কৰিব নোৱাৰি—তাতেই ছাত্ৰ সকলৰ মনঃসংযোগ সাধন হয়। দোজোৰ কাষৰ দেৱালত 'ষ্টাইল আৱিষ্কাৰকৰ' (style founder) ছবি আঁকি থোৱা হয়। সকলোৱে কাষত বহি 'zen' (Maditation) কৰে। কাৰণ সেয়া অতি পবিত্ৰ অৰ্থাৎ ভগৱানৰ স্থান হিচাপে গণ্য কৰা হয়।

সেনসাই (sensai) বা প্ৰশিক্ষক (Instructor) আৰু সহপাঠীক দেখিলে বো (bow) কৰিব লাগে। দোজোত নমাৰ আগতে আৰু অনুশীলনীৰ (practice) পাছত বো কৰা হয়। অনুশীলন চলি থকা সময়ত যদি কিবা বুজি নাপায় তেন্তে প্ৰথমেই প্ৰশিক্ষকক বো কৰি সোধে আৰু বুজাৰ পাছত আকৌ বো দি নিজৰ স্থানলৈ (line) উভতে। যদি কোনো ছাত্ৰই দেৰিকৈ দোজোলৈ আহে, তেতিয়া প্ৰথমে বো কৰি মূৰ দোৱাব লাগে আৰু প্ৰশিক্ষক আৰু সহপাঠীক বো কৰি এক মিনিট বজ্ৰাসনত 'মেডিটেশ্বন্' কৰিব লাগে। মেডিটেশ্বনৰ পাছত বো দি শাৰীত (line) থিয়

হ'ব লাগে। এনেধৰণৰ বহুত কিছুমান নিয়মানুৱৰ্তীতা আৰু ভদ্ৰাচৰণ ক্যাৰাটেৰ ভিতৰত অন্তভু'ক্ত ।

'কাতা' (kata) ক্যাৰাটেৰ এটা বিশেষ অংগ আৰু সফলতাৰ মূল দ্বাৰ । কাতাৰ অৰ্থ হ'ল সূত্ৰ (formula) । যেনেকৈ অংক এটা কৰিবলৈ সূত্ৰ প্ৰয়োগ কৰিব লাগে ঠিক তেনেকৈ এই কলাও পদ্ধতিমূলক হ'বলৈ হ'লে কাতা নিতান্তই প্ৰয়োজনীয়। কাতা অনুশীলন কৰিলে কৌশল (technique) যথেষ্ট উন্নতমানৰ হয় আৰু যিকোনো আক্ৰমণ প্ৰতিৰোধ কৰাৰ ক্ষমতা বৃদ্ধি পায় । কাতা অনুশীলন কৰাৰ সময়ত প্ৰত্যেকটো ভঙ্গীমাতে ভাবিব লাগিব যে বিপক্ষজন সন্মুখতে আছে আৰু প্ৰত্যেকটো মুভ্‌মেণ্টত (movement) থাকিব লাগিব স্পিড (speed) আৰু ফৰ্চ (force) ।

মন আৰু শৰীৰৰ সংযোগ অৰ্জন কৰিবলৈ হ'লে এই ধৰণৰ অনুশীলন (practice) কৰিব লাগিব । কাতাই এটা অসাধাৰণ শাৰীৰিক সুস্থতা আনে । যি কোনো লোকে যি কোনো সময়ত কাতা অনুশীলন কৰিব পাৰে। ইয়াৰ ফলত শৰীৰৰ অংগ-প্ৰতংগত ৰক্তপ্ৰবাহ সুস্থভাৱে প্ৰবাহিত হ'ব আৰু শৰীৰ নিৰোগ থাকিব ।

দুজন বা ততোধিক শিক্ষানবিছ লগলাগি কৰা আক্ৰমনাত্মক কৌশল ও আত্মৰক্ষাত্মক কৌশলৰ বিনিময়কে কুমিতে (kumite) বোলে ।

কুমিতে অনুশীলন কৰিলে বুজা যায় যে কেতিয়া প্ৰতিপক্ষৰ দ্বাৰা আক্ৰমণ হ'ব বা প্ৰতিপক্ষক আক্ৰমণ কৰিব লাগিব আৰু ইয়াৰ দ্বাৰা শৰীৰৰ অনেক কিছু উন্নতি হয় যেনেকৈ হাত-ভৰিৰ গতি হ্ৰাস-বৃদ্ধি আৰু নিশ্বাস নিয়ন্ত্ৰণ ক্ষমতা বৃদ্ধি পায়, শক্তিৰ কেন্দ্ৰীভূতকৰণ (concentration force) বাঢ়ে, ধৈৰ্য্য ক্ষমতা বৃদ্ধি পায় আৰু হাত-ভৰি যুঁজৰ উপযুক্ত কৰি তোলে ।

বৌদ্ধধৰ্মাৱলম্বী লোকসকলে জীয়ন্ত কৰি তোলা যুদ্ধকলাৰ আজি সমগ্ৰ বিশ্বতে দিনক-দিনে সমাদৰ বৃদ্ধি পাইছে । বৰ্তমান ক্যাৰাটে প্ৰশিক্ষণ বিজ্ঞান সন্মত উপায়ে কৰা হয় ।

বিশ্বৰ ভিতৰত বিশেষকৈ প্ৰাধান্য লাভ কৰা দেশকেইখন হ'ল চীন, জাপান, আৰু থাইলেণ্ড । এই কলা আজিকালি খেল হিচাপেও জনপ্ৰিয় । ইয়াক আনকি 'বিশ্ব অলিম্পিক পৰ্য্যায়ৰ খেল হিচাপে স্থান দিয়া হৈছে ।

আগতে এই খেল বা কলা নগৰ, চহৰ বিলাকতহে সীমাবদ্ধ আছিল । কিন্তু আজিকালি ইয়াৰ প্ৰসাৰ আনকি গাঁৱে-ভূঁঞে, চুকে-কোনেও হৈ পৰিছে । ইয়াৰ উপকাৰিতা বা গুৰুত্বৰ বিষয়ে কোনেও নুই কৰিব নোৱাৰে । কিয়নো বিস্ময়কৰ ক্ষমতা সম্পন্ন ক্যাৰাটে প্ৰশিক্ষণৰ ফলত শাৰীৰিক ও শৰীৰ তত্ত্বৰ আৰু মানসিক দিশত উন্নতি ঘটায়, যাতে এজন দুৰ্বল আৰু বয়স্ক লোকেও ক্যাৰাটে শিক্ষা ল'ব পাৰে । ক্যাৰাটেৰ কৌশল যদি সুস্থ ভাৱে কৰা হয় তেন্তে নানা ধৰণৰ দুৰাৰোগ্য ৰোগ তথা দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰিব পাৰি। ক্যাৰাটেৰ শাৰীৰিক মূল্য চমৎকাৰ । ক্যাৰাটেৰ সকলো ৰকমৰ কৌশলৰ দ্বাৰা শৰীৰৰ যিবোৰ পেশী অনুন্নত থাকে সেইবোৰো ভাৰসাম্য অৱস্থাত ৰাখিব পাৰি । ইয়াৰ অনুশীলনৰ কাৰণে এডোখৰ উপযুক্ত ঠাইৰ বাদে আন একোৰে প্ৰয়োজন নহয় ।

কিছুমানে আকৌ ৰাষ্টাই ঘাটে মাৰপিত কৰিবলৈও ক্যাৰাটে আদি কলা শিকা দেখা যায়। এই উদ্দেশ্য আগত লৈ ক্যাৰাটে শিকিবলৈ যোৱাটো যুক্তিহীন আৰু নিজৰ হিতৰ ফালে নগৈ বিপৰীতগামী হোৱাটো স্বাভাৱিক ।

ক্যাৰাটে শিকাটো অৱশ্যে সহজ কথা নহয় । চকুৰে দেখাত এই কলা একেবাৰে সহজতে আয়ত্ত কৰিব পাৰি যেন লাগে। কিন্তু কাৰ্য্যক্ষেত্ৰত নামিলেহে ক্যাৰাটে কিমান সহজ গম পোৱা যায় ।

ক্যাৰাটে — ডো মূলত এটা যুদ্ধ কলা বা মাৰ্শ্বে'ল আৰ্টচ্ (martial Arts) যাৰ অৰ্থ আমি আমাৰ লক্ষ্যত বা আদৰ্শত উপনীত হ'ব পাৰোঁ । ক্যাৰাটেৰ বাবে প্ৰয়োজন কঠোৰ নিয়মানুবৰ্তিতা, উৎসাহ-উদ্দীপনা তথা সাধনা। বহুবছৰ ধৰি দীৰ্ঘ আৰু কঠোৰ অনুশীলনৰ দ্বাৰা শৰীৰটোক গঢ়িব লাগিব । ইয়াৰ ফলত শৰীৰ গঠনৰ উপৰিও মহান চৰিত্ৰও গঠন হয়, কাৰণ তেনে ভাবেই নিয়মানুৱৰ্তিতা বন্ধা আছে। ক্যাৰাটেৰ কৌশলৰ বাবে যি নিয়ন্ত্ৰণৰ দৰকাৰ তেনেকৈ আবেগ, ভয়, ব্যথা ও ঘৃণাৰ ওপৰতো যথেষ্ট নিয়ন্ত্ৰণৰ দৰকাৰ ।

ক্যাৰাটে এনে এটা ভয়ানক আত্মৰক্ষাৰ কৌশল য'ত কোনো অস্ত্ৰৰ প্ৰয়োজন নহয় । ক্যাৰাটেৰ দ্বাৰা আত্মৰক্ষা কৰাৰ অনেক সুবিধা আছে, আনকি বহুজনে মিলিত হৈ আক্ৰমণ কৰিলেও বিনা অস্ত্ৰে পৰাস্ত কৰিব পাৰি । ইয়াৰ বাবে লাগিব উদ্যম, অনুশীলন, কৌশল অধ্যৱসায় আৰু সৰ্বদিশত নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতা ।

বৰ্তমান ক্যাৰাটে প্ৰশিক্ষণ বিজ্ঞানসম্মত উপায়ে কৰা হয় । ক্যাৰাটেৰ নতুন সংশোধনী নীতি (principle of amendment) অনুসৰি বিভিন্ন পদ্ধতিত (styles) ভাগ ভাগ কৰা হৈছে। ক'বলৈ গ'লে আমাৰ ভাৰতবৰ্ষতে বিভিন্ন নামৰ ক্যাৰাটে সংগঠন আছে । অথচ মূল বস্তু একেটাই ।

ক্যাৰাটেৰ পদ্ধতিবিলাকৰ ভিতৰত বিজ্ঞান—সম্মত উপায়ে উন্নত মানদণ্ডৰ প্ৰশিক্ষণ দিয়া এটা পদ্ধতিৰ বিষয়ে আমি আলোচনা কৰোঁ-হক ।—আলোচ্য পদ্ধতিটো (style) কলিকতা নিবাসী ক্যাৰাটে সম্ৰাট তথা 'ফিফ্থ্ ডান্ ব্লেক্ বেল্ট্' (Fifth Dan Black Belt) ডিগ্ৰী-ধাৰী মি, শ্যামল পালৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা ক্যাৰাটে ষ্টাইল 'কাছুমি কি কান ক্যাৰাটে ইনটাৰনেচ্নেল্' (Kasumi Ki Kan Karate International) । অৱশ্যে ইয়াৰ ঘাই-শিপাডাল আছিল জাপানত। 'কাছুমি কি কান ক্যাৰাটেৰ' অৰ্থ তলত দিয়া ধৰণে হ'ব — কাছুমি(kasumi)—মন্দিৰ (temple), কি(ki) — অভ্যন্তৰীণ শক্তি (inner energy), কান (kan) — মিলিত হোৱা (meet), ক্যাৰা (kara) — খালি বা উন্মুক্ত(open), টে (te) — হাত (hand) । এই ষ্টাইলৰ ক্যাৰাটে প্ৰশিক্ষণ সমগ্ৰ ভাৰতবৰ্ষতে জনপ্ৰিয় হৈ পৰিছে। আনকি অসমৰ চহৰে-নগৰে, গাঁৱে-ভূঁঞেও ইয়াৰ প্ৰশিক্ষণ কাৰ্য্য চলি আছে ।

বেল্টৰ (Belt) ৰং দেখিয়ে ছাত্ৰসকলৰ শ্ৰেণীবিভক্ত কৰা যায় । কাছুমি কি কান ক্যাৰাটেত পাঁচবিধ ৰঙৰ (colour) বেল্ট (belt) থাকে । পৰ্য্যায়ক্ৰমে বগা (white), হালধীয়া (yellow), কমলা (orange), সেউ-জীয়া (green), আৰু বাদামী (brown) ।

১৯৮৬ চনৰ মে' মাহত আমাৰ ডিগবৈতো এটা প্ৰশিক্ষণ কেন্দ্ৰ (Dojo) মুকলি কৰা হয়। বৰ্তমান ইয়াৰ প্ৰশিক্ষণ কাৰ্য্য 'ডিগবৈ কেন্দ্ৰীয় নামঘৰ'ৰ (Digboi Central Namghar) খেলপথাৰ প্ৰাঙ্গণত চলি আছে । ডিগবৈ দোজোটো (Dojo) পৰিচালনাৰ ভাৰলৈ আছে ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ মূখ্য প্ৰশিক্ষক (Chief Instructor) ফাষ্ট' ডান্ ব্লেক্ বেল্ট (First Dan Black Belt) ডিগ্ৰীধাৰী মি, অনিন্দ সেনগুপ্তাদেৱে । ডিগবৈ দোজোৰ প্ৰশিক্ষাৰ্থী

দলে উচ্চ প্ৰশিক্ষণাৰ্থে এতিয়ালৈকে তিনি-বাৰকৈ কলিকতাৰ মূল কোঠলৈ (Head quarter) গৈ সফলতা অৰ্জন কৰি আহিছে।

গতিকে ক্যাৰাটে এফালে নিজৰ তথা দেশৰ অস্তিত্ব ৰক্ষা কৰাত নিৰাপত্তা প্ৰদান কৰে, আনহাতে দেহাটো সুস্থাৱস্থাত ৰাখে। অৰ্থাৎ সোনকালে বৃদ্ধাৱস্থা পাই অসুস্থ হোৱাৰ পৰা ৰক্ষা কৰিব পাৰি। □

কোনো এটা জাতিক ডাঙৰ কৰিব লাগিলে কিছুমান সঁজুলিৰ আৱশ্যক। জাতীয় "ডাঙৰতালৈ" সেই সঁজুলিবিলাক নহ'লে নহয়। কোনো বাঢ়েয়ে চাছ, হাতুৰি, ৰেন্দা, বটালি প্ৰভৃতি নহ'লে কোনো বৰপেৰা সাজিব নোৱাৰে। জাতীয় বৰপেৰা সাজিবলৈকো তেজৰ চাছ, বলৰ বটালি, সহিষ্ণুতাৰ ৰেন্দা, একতাৰ গজাল, স্থিৰতাৰ কৰত, গাম্ভীৰ্য্যৰ হাতুৰি, বাহ্যাড়ম্বৰ পাক-ভোঁহৰ, ধৰ্মনিষ্ঠাৰ খিলি, সদাচাৰৰ গৰ্ভ-গজাল লাগে।

— **লক্ষ্মীনাথ বেজবৰুৱা**

# অসমৰ থলুৱা সংস্কৃতি

**আবিদুল ইছলাম বৰা**
স্নাতক মহলা, তৃতীয় বাৰ্ষিক (কলা)

এটা জাতিৰ সাহিত্য, কলা আদি বৌদ্ধিক সৃষ্টিসমূহৰ সমষ্টিয়েই সংস্কৃতি। সংস্কৃতিয়ে কোনো এটা জাতিৰ নৈতিক আৰু বৌদ্ধিক উন্নতিৰ অৱস্থাকো বুজায়। এটা জাতিৰ নিজস্ব জীৱনধাৰাকে কৃষ্টি বুলি কোৱা হয়। সেই কৃষ্টিকেই ভেটি কৰি সৌন্দৰ্য্যবোধ সৃষ্টি প্ৰতিভা, সুকুমাৰ কলা, চিন্তা দৰ্শন তথা মানসিক উৎকৰ্ষতা নিৰন্তৰ সংস্কাৰেৰে ঠন ধৰি উঠে। মানসিক উৎকৰ্ষতাৰ দ্বাৰাই মানুহে জীৱন-যাপনৰ প্ৰণালী, হৃদয়বৃত্তি, চিন্তাধাৰা উন্নত আৰু সূক্ষ্ম কৰিবলৈ সক্ষম হয়। কিন্তু বহল অৰ্থত 'সংস্কৃতিয়ে' মানৱ সভ্যতাৰ সকলো দিশকে সামৰি লয়।

এই অসমেই ভাৰতীয় নাট্যশাস্ত্ৰৰ আদিম প্ৰেৰণাৰ স্থল — শিৱভূমি। এই শিৱভূমিতে বহু কলাৰ গৰাকী শ্ৰীমন্ত শংকৰদেৱ পৃথিৱীত অৱতীৰ্ণ হৈছিল। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজলৈ বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰতা হোৱাৰ লগে লগে পৰম্পৰাগতভাৱে সাংস্কৃতিক ধাৰাত শংকৰদেৱৰ কলা সংস্কৃতিয়ে প্ৰভাৱ পেলাব ধৰে আৰু 'শংকৰী সংস্কৃতি' বুলি এক নতুন সংস্কৃতিয়ে ঠন ধৰি উঠিবলৈ ধৰে।

অসমীয়া সমাজৰ সমাজ-সচেতন ব্যক্তিৰ যদি নাম ল'ব লগা হয়, তেন্তে শ্ৰীমন্ত শংকৰদেৱেই অগ্ৰণী। তেখেতৰ কাৰ্য্যাৱলীৰ বিচাৰ কৰিলে দেখা যায় — তেখেতে যি কৰিছিল সেয়া একমাত্ৰ এখন নতুন সমাজ সংগঠন কৰাৰ উদ্দেশ্যেৰেই কৰিছিল।

যোৱা পাঁচশ বছৰে যিখন অসমীয়া সমাজে অসমীয়াত্ব ৰক্ষা কৰি আগবাঢ়িছে সেই সমাজখনৰ পথ প্ৰদৰ্শক — শ্ৰীমন্ত শংকৰদেৱে গীত-মাত, নাট্য, বাদ্য দি অসমীয়া সমাজখনক সঞ্জীৱিত কৰি থৈ গ'ল, 'চিহ্ন যাত্ৰা'ৰে অসমীয়া নাটৰ পাতনি মেলিলে। খোল-তালেৰে বাদ্য সংযোজনা কৰিলে। অংকীয়া ভাওনাৰ সূত্ৰধাৰৰ মুখত অসমীয়া গদ্যৰীতিৰ প্ৰথম চানেকি তেখেতেই দাঙি ধৰিলে। বৰগীতৰ নিচিনা আধ্যাত্মিক গীতৰ প্ৰৱৰ্ত্তন কৰিলে আৰু নামঘৰৰ যোগেদি আমাৰ অসমীয়া সমাজখন গঢ়াৰ চিন্তা কৰে।

এতিয়াৰ গণতন্ত্ৰৰ বীজ অসমীয়া সমাজত নামঘৰৰ দ্বাৰাই সিঁচা হ'ল। নাম ধৰ্মৰ নামত জাতি-অজাতি বিচাৰ হেৰাই গৈ অস্পৃশ্যতা বৰ্জনৰ লাই-খুটা নামঘৰতে পুতিলে। এজন ধৰ্মগুৰুৰ এনে ৰাজনৈতিক চেতনাই অসমীয়া জাতিগঠনত বহুলাংশে সহায় কৰিছিল। পিছৰ কালত এই নামঘৰবিলাকৰ পৰাই অসমত সত্ৰসমূহ উদ্ভৱ হ'ল। এই সত্ৰসমূহৰ যোগেদিয়েই শংকৰী কৃষ্টি, তথা

অঙ্কীয়া ভাওনা, বৰগীত, নামপ্ৰসঙ্গত গীত-সমূহৰ চৰ্চ্চা, ঢোল-খোলৰ চেও আদি ৰক্ষা পৰি আহিছে। পাঁচশ বছৰৰ আগতে শংকৰদেৱৰ আৰ্বিভাৱ নোহোৱাহ'লে সেই সময়ৰ পৰা অসমীয়া সংস্কৃতি বুলি কিবা এটা বস্তু নাথাকিলেহেঁতেন ; কাৰণ সাহিত্য , কলা-সংস্কৃতিৰ মাধ্যমেৰে শংকৰদেৱে সামাজিক বিপ্লৱ আনিলে ধৰ্মপ্ৰচাৰৰ যোগেদি।

শ্ৰীমন্ত শংকৰদেৱে তাহানিতে জাতীয় সংহতিৰ কথা চিন্তা কৰিলে আৰু লক্ষ্যত উপনীত হ'বলৈ কৈৱৰ্ত বোৱাৰী ৰাধিকাক সতীত্ব দিলে, গাৰো পৰ্বতীয়া ভাই গোবিন্দক শৰণ দিলে ; মুছলমান চান্দসাই দৰ্জিক শৰণ দিলে। তেৱাৰ সময়ৰে ভৈয়ামৰ সত্ৰীয়া সংস্কৃতিয়ে পৰ্বতীয়া জনজাতীয় সংস্কৃতিক বুকুত সাবটি লয়।

আমাৰ পূব ভাৰত হৰ-গৌৰীৰ লীলা-ভূমি। তাৰ সন্তান বড়ো, ডিমাছা, কছাৰী, খাচীয়া আদি জনজাতি লোকসকল।

একালত সমগ্ৰ পূব ভাৰতৰ অধিপতি আছিল এই ডিমাছা লোকগোষ্ঠী। তাৰ উদাহৰণ আমি ডিক্ৰু, ডিক্ৰং, দিবাং আদিৰ দ্বাৰা জানিবলৈ সক্ষম হওঁ। ডিমাছাসকলে অসমীয়া সমাজৰ মূৰত মথুৰা পাগ মাৰি পাহোৱাল ডেকা যোৱাৰ দৰে ঢোলে-দগৰে কইনা ঘৰলৈ যায়। তাত কইনা ঘৰৰ দুৱাৰ-মুখত আমাৰ দৰে হেঙাৰ আগছে। পিছত হিন্দু সংস্কৃতিৰ প্ৰভাৱত হোম পদ্ধতিও প্ৰচলিত হয়।

ডিমাছাসকলৰ মূল উৎসৱ বিচু বা বুচু। খেতি চপোৱাৰ পাছত আমাৰ ভোগালী বিহুৰ দৰে এই উৎসৱ তেওঁলোকে উৎযাপন কৰে। উৎসৱত গোৱা গীতসমূহৰ সুৰ অসমীয়াৰ বিহুগীতৰ দৰে। আমাৰ দৰে ডিমাছা তিৰোতাসকলেও গামখাৰু, মেখেলা, ৰিহা পিন্ধে। তাঁতশালখন তেওঁলোকৰ বৰ মৰমৰ। কাপোৰ বব বা কাটিব নজনা ডিমাছা গাভৰুৰ বাবে অতি লাজৰ কথা। অসমীয়া ম'হৰ শিঙৰ পেঁপাটোৰ দৰে, ডিমাছা-সকলে এবিধ বিশেষ আকৃতিৰ পেপা বজায়। পেঁপাটোৰ নাম — মুৰৰী ; এই পেঁপাটো ডিমাছাসকলৰ পুষ্ট সংস্কৃতিৰ গৌৰৱময় ঘোষক। ডিমাছা লোকগোষ্ঠীৰ মাজত "গাৰচিমাং" নামৰ এবিধ লোকগীত প্ৰচলিত। উপমা আৰু সুন্দৰ বৰ্ণনা থকা "গাৰচিমাং" বিলাকৰ কাব্যিকতা বিৰাজমান। ডিমাছা সমাজত আমাৰ দৰে গাওঁবুঢ়াৰ সন্মান আটাইতকৈ বেছি। দৈনন্দিন জীৱনৰ ব্যৱহৃত কেতবোৰ বস্তু যেনে – ডলা, চালনী (চাৰ্ণি), ঢাৰি (ইয়াম) বিচনী (গিচিপ), জাপি (খাউবোণ) ইত্যাদিৰ প্ৰচলন বিস্তৃত।

এওঁলোক যদিও শাক্ত তথাপি গুৰু-জনাৰ আদেশক্ৰমে মাধৱদেৱ আৰু ঠাকুৰ আতা গৈ হেৰম্ব নৃপতিক শৰণ দিয়াৰ উল্লেখ পোৱা যায়। কিন্তু প্ৰধানতঃ, ডিমাছাসকলক শক্তিৰ উপাসক বুলিয়ে কোৱা হয়; কাৰণ তেওঁলোক বলি প্ৰথাৰ আৰু পূজা-পাতল কৰে।

ডিমাছাৰ স্বকীয় সাহিত্য মাথো লোক-সাহিত্যতে বৈ গ'ল। এসময়ত আৰ্য্য সংস্কৃতিকে তেওঁলোকে গ্ৰহণ কৰে।

অসমৰ বৃহৎ জনগোষ্ঠীৰ মাজত "কাৰবি" সকলো অন্যতম। কাৰবিসকলৰ আবাসভূমিৰ নাম কাৰবি আংলং। সাধাৰণতে তেওঁলোকক "মিকিৰ" বুলি ক'লেও কিম্বদন্তীত ইয়াৰ কোনো অৰ্থ নাই। তেওঁলোকে নিজকে আলেং — অৰ্থাৎ মানুহ বুলি পৰিচয় দিবলৈ ভাল পায়। কাৰবি লোকগীতত জাপানী কবিতাৰ দৰেই প্ৰতীকী ব্যঞ্জনাৰ বিমূৰ্ত্ত ৰূপ পোৱা যায়। কবি সাহিত্যিকৰ আপুৰুগীয়া অৱদানেৰে পুষ্ট অসমীয়া সাহিত্যত ৰং বং তেৰাং আৰু ছামছিং ছাঞ্চেৰ অৱদানো অন্যতম।

কাৰবি লোকনৃত্য তথা উৎসৱসমূহৰো এক স্বকীয় বৈশিষ্ট্য আছে। নৃত্যৰ ভিতৰত শস্য চপোৱাৰ সতে জড়িত হাচ্ছাকান নৃত্য, বিতনং চিডি, উৰাল মাৰি লৈ নচা লেংপুমকেন আদি নৃত্যই প্ৰধান।

আদিম মিচিং জনগোষ্ঠীৰ, সাংস্কৃতিক বুনিয়াদ গঢ়ি উঠিছিল চিয়াঙৰ পাৰত। তেওঁলোক হিন্দু ধৰ্মাৱলম্বী, স্থানীয় ধৰ্মসমূহৰ প্ৰভাৱ ইয়াত ব্যাপকভাৱে তেওঁলোকৰ ওপৰত পৰিছে। ভাওনাই ইয়াৰ সভ্যতাৰ প্ৰমাণ কৰে। মিছিং সমাজ নদীকেন্দ্ৰীক। তেওঁলোকৰ আন এটা বৈশিষ্ট্য হৈছে — মিছিং গাভৰুৰ স্বাৱলম্বিতা। এই স্বাৱলম্বন তেওঁলোকে সামাজিক পৰিৱেশৰ পৰা আহৰণ কৰি ভৱিষ্যত জীৱনৰ বাবে নিজৰ অৰ্থ নিজে সঞ্চয় কৰে।

বড়োসকল প্ৰধানতঃ ব্ৰহ্মধৰ্মী আছিল। তেওঁলোকৰ সমাজৰ নৃত্য, গীত, লোকগীত ইত্যাদি অন্যান্য জনজাতীয় নৃত্যবোৰৰ পৰা সুকীয়া পৰিলক্ষিত হয়। বড়ো, কছাৰী, ৰাভালোকৰ সমাজত বয়নশিল্প, কাঠশিল্প, বেত, বাঁহ, ধাতুশিল্প আদিৰ অবাধ প্ৰচলন। জনগোট আৰু অঞ্চলভেদে সুকীয়া সুকীয়া লোকসঙ্গীত আছে। এই সঙ্গীতবোৰ কিছুমান অৰ্থনৈতিক কৰ্ম, সামাজিক উৎসৱ আৰু ধৰ্মানুষ্ঠানৰ লগত জড়িত।

আহোমসকল সুকীয়া ধৰ্ম, ভাষা সংস্কৃতিৰে পৰিবেষ্টিত এটা জাতি হ'লেও কালক্ৰমত থলুৱা সংস্কৃতি, ধৰ্ম, ভাষা, গ্ৰহণ কৰি দেশৰ সাংস্কৃতিক বিকাশ সাধনত আত্মনিয়োগ কৰে। বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় সাধন কৰি আহোম সকলেই অসমীয়া জাতিৰ জন্ম দিয়ে। এই যুগত সাহিত্য, চিত্ৰকলা, স্থাপত্য বিদ্যা, ভাস্কাৰ্য, যুদ্ধবিদ্যা, সঙ্গীত, সাজপাৰ, আ-অলঙ্কাৰ ইত্যাদিৰ উন্নতিৰ অৱস্থাপ্ৰাপ্ত হয়। আহোম যুগৰ স্থাপত্য বিদ্যা অতি উচ্চখাপৰ আছিল। আহোম ৰজাৰ মৈদাম, নামদাং নৈৰ শিলৰ সাঁকো, ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, জয়সাগৰ পুখুৰী ইত্যাদি স্থাপত্য বিদ্যাৰ উৎকৃষ্ট নিদৰ্শন। ভাস্কাৰ্য বিদ্যাৰো সুকীয়া বৈশিষ্ট্য এই যুগত পৰিলক্ষিত হয়। এই যুগৰ ভাস্কাৰ্য শিল, ইটা, কাঠ — এই তিনিওটাতে কৰা হৈছিল।

আহোমসকলে লগত লৈ অহা খেতিৰ সঁচ, যেনে — আহোম বগৰী, আহোম শালি, আহোম এঠা, আহোম কাপোৰ মেখেলা, ন'ৰা-চোলা, জাংফাই আদি অসমীয়া সংস্কৃতিৰ বুকুত সোমাই পৰিল। এই যুগত লোৰে বৰটোপ, হাতহিলৈ, সৰুহিলৈ, হেংদাং, তৰোৱাল, দা-কটাৰি ইত্যাদি নিৰ্মাণ কৰা হৈছিল। আহোম যুগৰ যুদ্ধ ব্যৱস্থাৰ এটা উল্লেখ কৰিবলগীয়া বিষয় হ'ল — গড়। আহোমৰ ছশবছৰীয়া ৰাজত্বৰ স্মৃতিচিন ৰাজনৈতিক দিশতকৈ সাংস্কৃতিক দিশতেই অধিক। অসমদেশ আৰু অসমীয়াৰ জন্ম যেনেকৈ এই যুগতেই তেনেকৈ অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিয়েও এই সময়তেই বিকাশ লাভ কৰি সমন্বয়ৰ সৌধ ৰচনা কৰি থৈ যায়।

ভাৰতীয় চিন্তাধাৰা আৰু সমাজ সংগঠনত ইছলামৰ দান অতুলনীয়। ইছলামৰ ৰীতি-নীতি, শিক্ষা-দীক্ষা, আৰু কৃষ্টি ঐতিহ্য অসমীয়া সমাজব্যৱস্থাত সোমাই পৰে। মূৰত মৰা পাগুৰি, পায়জামা আদি সাধাৰণ লোকৰ সামগ্ৰী হৈ পৰে। মোগল যুগৰ স্থাপত্যই অসমীয়াৰ স্থাপত্যৰ ওপৰত প্ৰভাৱ পেলায়। মুছলমান ধৰ্মত এক উচ্চখাপৰ আধ্যাত্মিক ভাৱৰ গীত "জিকিৰ" প্ৰচলন কৰে আজান ফকিৰে আহোম ৰাজত্বৰ কালত। "চেৰাঢেক" নামৰ মঙ্গলদৈ অঞ্চলৰ ফালে প্ৰচলিত আন এবিধ গীতৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা গৈছে। লোকশ্ৰুতি মতে মুছলমানসকলৰ শেষ নবী হজৰত মহম্মদ(দঃ) শিষ্যসকলে বিভিন্ন ঘাট-প্ৰতিঘাট যুদ্ধ বিগ্ৰহ

আদিৰ লোমহৰ্ষক কাহিনীৰ বিৰৰণ সম্বলিত গীতেই "চেৰাঢেক", ওজাপালিৰ লগত চেৰা-ঢেকৰ সাদৃশ্য মনকৰিবলগীয়া।

বৃটিছ শাসনে অসমীয়া সাহিত্য সংস্কৃতিৰ দিশত নৱজাগৰণৰ সূচনা কৰে। বিশেষকৈ ছপাযন্ত্ৰৰ প্ৰৱৰ্ত্তনে আৰু অৰুণোদয়ৰ প্ৰকাশন অসমীয়া সংস্কৃতিলৈ এক অভূতপূৰ্ব অৱদান। নিধিৰাম ফাৰৰেলৰ খ্ৰীষ্টীয় দৃষ্টিভঙ্গীৰ কবিতা আৰু ৰুদ্ৰনাথ বৰদলৈৰ ফটোগ্ৰাফধৰ্মী নাট অতি তাৎপৰ্য্যপূৰ্ণ। বৃটিছসকল অহাৰ সময়ত অসমৰ মঞ্চ ঘাইকৈ নামঘৰৰ অন্তৰ্ভুক্ত আছিল। স্বাধীনতাৰ পাছৰপৰা সঙ্গীত চিত্ৰকল্প, নৃত্য আদিৰ চৰ্চ্চা আৰু শিক্ষা বাঢ়িছে। লোক-সংস্কৃতিৰ প্ৰতিও মানুহৰ আকৰ্ষণ বাঢ়িছে। জনজাতীয় গীত-নৃত্যৰো বহুল প্ৰচলন হৈছে। জনজাতীয়সকলৰ মৌলিক সাহিত্য সংৰক্ষণৰ বাবে আকুল হেঁপাহ ফুটি উঠিছে।

বাণ-ভাগদত্ত, অনন্ত কন্দলিৰ দিনৰে পৰা শংকৰী যুগক সামৰি বৰ্তমানৰ অসমীয়া থলুৱা-সংস্কৃতি নানা জাতি-উপজাতি, বিভিন্ন ধৰ্ম আৰু লোকবিশ্বাসৰ আলমত গঢ়লৈ উঠা এক অপূৰ্ব মিশ্ৰ সংস্কৃতিসমূহৰ অৱদানো অপৰিসীম। বৃহৎ অসমীয়া জাতি গঢ়িবলৈ হ'লে আমি অসমীয়া থলুৱা সংস্কৃতিৰ উপাদান-সমূহৰ সহায় ল'বই লাগিব। ❁

আন্তৰিক ভাৱে ইচ্ছা থাকিলে, দৃঢ়যত্ন আৰু নিভুৰ্ল চিন্তাত আপুনি নিজকে তথা আপোনাৰ পৰিবেশক নতুন ভাৱে গঢ়ি তুলিব পাৰে

**— অৰিচন এচ, মাৰ্ডেন**

# এটা শোকৰ কবিতা

( অকালতে হেৰাই যোৱা মহাবিদ্যালয়ৰ কেইগৰাকীমান ছাত্ৰছাত্ৰীক সুঁৱৰি )

অধ্যাপক ৰজনী বৰুৱা
বুৰঞ্জী বিভাগ

সন্মুখত,
সুদীৰ্ঘ সেন্দুৰীয়া পথ
— পৰি ব'ল !
হৃদকুণ্ড,
হেজাৰ সেউজী সপোন
— ভাগি গ'ল !
হৃদয়ত,
অলেখ সুৰৰ গুণ্ গুণনি
— মাৰ গ'ল !
নীড়ন্বেষী পখীৰ পংক্তি
সিহঁত গুচি গ'ল !
সিহঁত অজ্ঞান পথৰ যাত্ৰী হ'ল ।
মই জানো —
শীতৰ পিচত বসন্ত আহিব
ফুলনীত সুবাসেৰে উপচি পৰিব,
স্বপ্ন ভঙ্গৰ বিননি মাথোন
শূন্যতাত ওলমি ৰ'ব ।





# আঁহত তলৰ সপোন

( এটি মৃত শিশুৰ করুণ স্মৃতিত )

অধ্যাপক হিতেন শৰ্ম্মা
ইংৰাজী বিভাগ

ৰাতি হ'লত
হঠাৎ চকুৰ মাজেৰে উজাৰি উৰি গ'ল
এজাক পাটমাদৈ

ফুলে বিন্ধিছে
কাঁইটে ফুটিছে

আধাফুটা মাতবোৰে আস্কাৰ গৰকিছে

আঁহত তলত এজাক বতাহে
আথে বেথে নিচুকাই
টোপনি নিয়াইছে এটি নাঙঠ সপোন

বঁহীৰ মাতত
নিলগৰ নদীৰ ঘাটত
লাহে লাহে ডুব যায়
ফুলৰ পাপৰিয়ে সজোৱা কইনাৰ সপোন ।

## বিনির্গত ৰজনী

অধ্যাপক বিকাশ কুমাৰ বৰুৱা
বাণিজ্য বিভাগ

পোহৰ বিনাশিনী বিভাৱৰী
বিভীষিকা
বিশাল সমূদ্ৰ,
আছে য'ত মলিনতা — কালিমা আৰু ক্ষুধা
চকামকা চাকনৈয়া — বিজ্ঞাল পবিধি ।
কত নিৰ্মম প্ৰমত্ত প্ৰবাদ
প্ৰতাৰণা কৰে বাৰে বাৰে
জন সমূদ্ৰ নিবাস ।
থৰে থৰে কঁপাই তুলি
এই নিজান ধৰিত্ৰী
আহিছে বান্ধি টঙালি
বিনিৰ্গত ৰজনী ।





## ত্ৰিধাৰা

নূপুৰ বৰা
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

( এক )

কি উৎসৱ আহিছে
তাই মোৰ তেজত
আঁচু সূতাবোৰ লেটিয়াই
গামোচা বৈছে ?

( দুই )

সেউজীয়া বিচাৰি যাম
নেপালে ফটিকাকে খাম,
( অন্তত ) দুখতো পাম ;
কলিজাত আশান্বিত তেজ
টলমল ।

( তিনি )

দিকচৌ বাটত পাৰি দিয়া
জোনাকী সন্ধিয়া
তাতে উমলি থাকক
প্ৰেম,
আমি ডুবি থাকো সুখত । ●

# দাপোনত অন্তৰ্মুখিতা

বিনীতা ভূঞা
স্নাতক ২য় বাৰ্ষিক (কলা)

দুপৰ ৰাতি :
বাহিৰত শীতৰ তীব্ৰ
গভীৰ—নিষ্ঠুৰ,
মই সাৰপালো — শুনিলো হঠাৎ
বাহিৰত যেন এক আৰ্তনাদ ;
আতুৰত উচুপিছে
নঙঠা শুকান গছৰ ডাল ।
শিয়ৰি উঠিছে
আধাফুলা ফুলৰ কলিটি ।
মোৰ পঁজাঘৰতে মই বন্দী,
তথাপিও দেখি আছো
বেৰৰ মাজেদি সৰকি অহা
শীৰ্ণ একোডালি সূতাইদি
সম্মুখৰ শুকান
পথাৰখন ।

যোৱাকালি মই
এটা সপোন দেখিছিলো —
দীঘল দীঘল খোজেৰে
সিহঁত মোৰ আগেদি পাৰ হৈ গ'ল,
মোক দেখি কাষ চাপি আহিল
মই মাথো চাই ৰ'লো ;
ভাল লগা কথাৰ টুকুৰাবোৰ
শুনি গ'লো ।
মোৰ অজানিতে মনলৈ নামি আহিল
হৃদয় গভীৰ কৰা
গীতৰ এটি কলি ।
আৰু মই যেন তাতেই
প্ৰাণ পাই উঠিলো !

# কবিতা-প্ৰেম-শব্দ

ৰণজিৎ ফুকন
স্নাতক তৃতীয় বাৰ্ষিক (বাণিজ্য)

তোমাৰ প্ৰিয় নাৰীৰ প্ৰতিটো শব্দত
বিচাৰি থোৱা জোনাক ৰাতি
সৃষ্টি হয় যৌৱনৰ নিমূক কবিতা ।
তোমাৰ তেতিয়াৰ কবিতাত অনুভৱ কৰোঁ
ফাগুনৰ মলয়া বতাহ,
গোন্ধ পাওঁ বসন্তৰ ফুল ।

কাবোবাৰ বোষৰ প্লাৱনত
উটি গ'ল হঠাৎ তোমাৰ
প্ৰিয় নাৰীৰ প্ৰেম শব্দমালা ।
তোমাৰ বাবে ই আছিল
প্ৰাণ উন্মাদ কৰা চাঞ্চল্য ।

জানা বন্ধু মই অনুভৱ কৰো
তেতিয়া আছিল এন্ধাৰ
যেন জৰি জৰি অহা পানী ।

বন্ধু —
সেয়েহে এতিয়া তুমি বিচৰা উচিত
তত্বগধুৰ আলোচনা,
শোষণ মুক্তিৰ সংগ্ৰাম ;
নহলেবা নিবল বতাহ ।

বন্ধু —
কিয় তুমি এতিয়াও বিচাৰি থোৱা
সেই জোনাক ৰাতি
প্ৰেম শব্দমালাৰ আৱক ?
কাৰণ এতিয়া নিশা দুপৰ
ইও প্ৰকাশ সময় জঞ্জম ।

বন্ধু — এতিয়া তুমি
ভাবুকিৰ প্ৰত্যাহ্বানত
সৃষ্টিৰ লক্ষ্যত নিয়ন্ত আদৰ্শযুক্ত পোছাক ।

# বেজবৰুৱা প্ৰশস্তি

অগ্নেশ্বৰ বড়া
স্নাতক ১ম বাৰ্ষিক (কলা)

জন্মিলা অসমভূমিত
সাহিত্যৰথী হৈ
ৰচিলা ভাষাৰ বেদী কৰি যুগমীয়া,
লভিলে নতুন জনম
আই অসমীয়ে
কৰিলা সাহিত্য কৰ্ম যাউতিযুগীয়া ।

অসম নামৰ এই
প্ৰভাতী ভানুক
বিদেশী ডাৱৰে কৰিছিলে অস্তমিত,
'জোনাকী'ৰ জোনাকৰ
ক্ষীণ আলোকত
উজ্জ্বলিল অসমী আই হৈ আলোকিত ।

ৰচিলা তুমি হে মহান
'লিটিকাই' নাট
তোমাৰেই জীৱনৰ সাহিত্য যজ্ঞৰ,
মনোমোহা ফলে ফুলে
থাপিলা বেদীত
বিয়পিল চৌদিশে জ্ঞানৰ পোহৰ ।

উপস্থিত হ'ল আহি
পদুম পাহিত
অপৰূপা সুন্দৰী 'পদুম কুঁৱৰী'
কল্পনা ৰাজ্যত ভ্ৰমি
পালা দৰশন
সৰগৰ মনোমোহা দেৱতাৰ পুৰী ।

প্ৰনয়ৰ প্ৰেমগীতি
উঠিল প্ৰাণত বাজি
কল্পনাৰে ৰচিছিলা কবিতা আকাৰে,
ফুলৰ লগত যেনে
ভ্ৰমৰৰ মৃদু গুঞ্জৰণ
গাঁঠিছিলা মনোমোহা দুখৰি ছন্দেৰে ।

জ্বলালা ধূপ-ধুনা
অৰ্চনা বেদীত তুমি
বিয়পিল চৌদিশে তাৰেই সুগন্ধি,
আনন্দত অধীৰ হৈ
ৰসৰাজ তুমি —
ৰচিলা সুগন্ধময়ী 'জোনবিৰী'

ৰচিছিলা আৰু কত
যজ্ঞৰ বেদীত
অন্তৰৰ নিগৰিত কোমল কবিতা,
ধৰ্মৰ অমৃত ৰস
বিলাই সৌৰভ তুমি
ৰচিলা কত যত্নে 'ভগৱৎ-কথা' ।

বিদেশীৰ ভাষা-অস্ত্ৰ
নিবাৰণ কৰি
থাপিলা অসমভূমিত অসমীয়া ভাষা,
মেঘাচ্ছন্ন হোৱা সেই
প্ৰভাতী ভানুক
উজ্জ্বলালা সাহিত্যৰথী বিয়পিল ৰেখা ।

চমকিল ঘনে ঘনে
সাহিত্য আকাশ
স্বজাতিৰ স্বভাষাৰ বিদ্যুতৰ বাণ,
গৰজিলে মহাশব্দে
সাহিত্য আকাশ
বিয়পিল স্বভাষাৰ আনন্দৰ গান ।

শ্ৰদ্ধা আৰু ভকতিৰে
পূজিলো তোমাক
থিত দিলা সব্যসাচী প্ৰতীক স্বৰূপে,
অসম আকাশত
ধ্ৰুৱতৰা তুমি
থাকিবা অমৰ হৈ জকমক্ ৰূপে ।

# হেৰুৱা বন্ধুৰ স্মৃতিত

বিনয় দাস
উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক (বিজ্ঞান)

নিৰৱ নিৰ্জনতাত যেতিয়া মই
স্বপ্ন ৰচোঁ
ভাব হয় —
মই যেন নিঃসংগ
এই পৃথিবীত ।
নিঃসঙ্গতাই মোৰ হৃদয় আৱৰি ৰয়,
কোনোবাই যেন কাণে কাণে কয়
ক'ত গ'ল আজি
হেৰুৱা সঙ্গীৰ প্ৰতিশ্ৰুতি ?
কিম্বা —
কাৰ বোষত হেৰাই গ'ল
বন্ধু মোৰ
আন্ধাৰ বুকুত,
পামনে বন্ধুক লগ
আকৌ কেতিয়াবা ??

# সেৱা

জিতেন্দ্ৰ মৰাণ
স্নাতক ১ম বাৰ্ষিক (বাণিজ্য)

আজি শেৱালিৰ ফুল তুলি
পূজিছো চৰণত ঢালি ।
নেজানো গাঁঠিব আই মালা
দিছো আই বনফুল লতা ।
নেজানো সজাব পূজাৰ বেদী
গন্ধ বিহীন ভক্তিৰে দিয়া,
হৈ আজি সংসাৰত অকলশৰীয়া ।
জ্ঞানৰ জ্যোতিৰে আলোকিত মন
তুমিয়েই দেখুৱালা এই ত্ৰিভুৱন ।
সীমা-ৰেখা অসীমৰ জ্যোতি
নহয় বিস্মৃত কৰুণা প্ৰীতি ।
সাদৰী আই মোৰ স্নেহে মহান
বেদ-পুৰাণ শাস্ত্ৰে শুনো বিধান।
ভক্তিৰে ৰচা এই মালাধাৰী
অভাগাৰ দুখ পেলোৱা মোহাৰি ।

# সত্যৰেই জয়

সত্যব্ৰত ক্ষেত্ৰী
প্ৰথম বাৰ্ষিক (বাণিজ্য)

কলেজত ভৰি দিলো যিদিনা মাথোন
কাণত পৰিল মোৰ কথোপকথন :
'কলেজ উইক' হেনো পালেহি আমাৰ —
তাকে শুনি ভাবোঁ মই, 'উস্তাদৰ মাৰ'
দেখুৱাই দিম প্ৰতি প্ৰতিযোগিতাত
নাই নেকি গুণ বাৰু মোৰ এই গাত ?
ছয় জানুৱাৰী হ'ল অতি শুভ দিন —
'উইকৰ' আৰম্ভণি বিৰাম বিহীন
উলহ মালহেৰে চলে কলেজ উইক,
মই জানো, মই নিজে কিমান 'নিৰ্ভীক',
সেয়েহে কৰিলো মই অংশ গ্ৰহণ —
খণ্ডাব কিন্তু কোনে ভাগ্যৰ লিখন !
প্ৰতিটো খেলত মোৰ হ'ল পৰাজয় —
কেৰেমো গৰম হ'ল ; ফল বিষময় ।
ৰজা মন্ত্ৰী সৈন্য খেলিছিলো 'দবা',
ৰজাজনে কান্দি কয়, 'তুমি জয়ী হবা'
এই পদ্ধতিৰে খেলি ? দিয়া, বাদ দিয়া —
নিৰাশাৰে ভৰি গ'ল মোৰ ক্ষুদ্ৰ হিয়া ।
বেডমিণ্টনত পোনে পোনে পালো মই 'ব্লাকঅলাৰ',
লগে লগে উঠালোৱেই চাৰ্টৰ কলাৰ ।
ভাবিছিলো প্ৰকাশ প্ৰভু' হ'লো আৰু মই
এতিয়া কবিতা লিখি কবি হম গ'ই !
স্বৰচিত কবিতা প্ৰতিযোগিতাত
যোগদিলো উৎসাহেৰে নোখোৱাকৈ ভাত
ৰচিলো কবিতা মই, নাম দিলো পণ' —
বিচাৰকে নুবুজিলে, ভাগি গ'ল মন ।
পণ ৰক্ষা কৰিবলৈ নোৱাৰিলো, ভাই,
ইমান প্ৰতিভা মোৰ, আনে বুজা নাই !
নাথাকো বিদ্যা বহি কৰি 'কচ্ছৱৎ'
দেখুৱাম সকলোকে অহাবছৰত
চিলভাৰ জুবিলি হ'ব আৰু বৰ্ণময় —
তেতিয়া চিঞৰি ক'বা — 'সত্যৰেই জয়' ।

# বিদায়ৰ গান

বৰুণ দেৱ
গ্ৰন্থগাৰিক

বিদায় নহয় বিদায় নহয়
এৰি থোৱা স্মৃতিবোৰ
মনত ৰ'ব তুমি দিয়া
আশাৰ বাণীবোৰ ॥

নাজানো আজি কিয়নো মনে
কিবা ক'ব বিচাৰে
ক'বকে নোৱাৰি মনৰ কথা
ঘূৰি আহোঁ বাৰে বাৰে ॥

মনত ৰ'ব তুমি দিয়া
মধুৰ কথাবোৰ ॥

যাত্ৰাপথত তুমি হ'বা
মানৱৰ দিশাৰী
তোমাৰ কথাকে মনত ৰাখিম
নেযাও পাহৰি
মনত ৰাখিবা আমাৰ কথা
আমাৰ স্মৃতিবোৰ ॥



# স্মৃতি

মোহন মৰাণ
স্নাতক ৩য় বাৰ্ষিক (কলা)

ক'ত পাম
সেই স্নিগ্ধ
মধুৰ জোনাক,
য'ত —
মলমলাই থাকে
শাৰদীয় শেৱালিৰ
মৃদু সুবাস !
আই,
তোমাৰ চেনেহে ভৰা
অমৃত মুখৰ পৰা
শুনিছিলো কত সাধুকথা,
সেই স্নিগ্ধ জোনালী নিশাত
বহিবলৈ তোমাৰেই শীতল কোলাত
জীৱনৰ প্ৰভাতী বেলাত ।

এতিয়া মন নদীত
কাণ পাতিলেই শুনো
অতীত গানৰ মৃদু গুঞ্জৰণ :
সেয়েহে ঘনে ঘনে
হৃদয়ৰ কোঁহে কোঁহে
বাজি উঠে অতীত সুৰৰ
মৃদু অনুৰণ । □

( গল্প )

# ধূপ আৰু ধোঁৱা

শ্ৰীঅনুপম ফুকন
স্নাতক তৃতীয় বাৰ্ষিক
কলা শাখা

" **তেওঁৰ** ...... তেওঁৰ দুয়োটা, মানে দুয়োটা কিড্‌নীয়েই বোধ হয় ডেমেজ্ হৈ যাব ধৰিছে ...... "

হঠাৎ ক'ৰবাত যেন বজ্ৰপাত হ'ল। হঠাতে যেন সকলো স্তব্ধ হৈ গ'ল।

ডাঃ প্ৰভাকৰৰ চকুত ধীৰ-স্থিৰ, গম্ভীৰ চাৱনি। শব্দকেইটা কৈ তেওঁ যেন খুব ভাগৰি পৰিল। আৰু মমতা? বজ্ৰাহত মানুহৰ দৰে স্থিৰ দৃষ্টিৰে মমতাই ডাক্তৰলৈ চাই ৰ'ল। তেওঁ যেন একো বুজিব পৰা নাই।

" অ' ন' ন'। ইউ আৰ ৰং ডাক্তৰ, ইউ আৰ ৰং।" হঠাতে মমতাই হুকহুকাই কান্দি দিলে।

" নেকান্দিবা মমতা, ধৈৰ্য্য ধৰা। বিপদ সকলোৰে আহে। জীৱনত সংঘাত আছেই। সংঘাতেইতো জীৱন।" ডাঃ প্ৰভাকৰে সান্ত্বনাৰ সুৰত ক'লে। তেওঁৰ দুচকুত চিন্তাক্লিষ্ট চাৱনি।

" মই কাকলৈ জীয়াই থাকিম ডাক্তৰ, কাকলৈ জীয়াই থাকিম?" মমতাই উচুপি উচুপি ক'লে।

এচাটি সেমেকা বতাহ কোঠাটোলৈ সোমাই আহিল। গোটেই কোঠাটো যেন এক মৌন বেদনাৰে ভৰি পৰিল। কিছু পৰৰ পাছত মমতাৰ উচুপনি বন্ধ হ'ল। তেওঁ মূৰ তুলি চালে।

" সদ্যহতে তুমি কথাটো মুনমুনৰ দেউতাকক ন'কবা মমতা। তেওঁ হয়তো ভাগি পৰিব পাৰে। তেওঁ জীয়াই থাকিবলৈ হ'লে যিকোনো সুস্থ মানুহৰ এটা কিড্‌নীৰ প্ৰয়োজন। যিহেতু এটা কিড্‌নীৰ দ্বাৰাও মানুহ বাচি থাকিব পাৰে, গতিকে আমি যেনেতেনে কিড্‌নী এটা যোগাৰ কৰিব লাগিব। তুমি এটা কাম কৰা মমতা। বাতৰিত আজিয়েই এই বিষয়ে এটা বিজ্ঞাপন প্ৰকাশৰ ব্যৱস্থা কৰা। দুমাহ সময় দিবা। মোৰ আৰু তোমাৰ এড্ৰেচত যোগাযোগ কৰিবলৈ ক'বা বি কুইক্, মমতা।"

" তেওঁক বচাওক ডাক্তৰ, প্লীজ চেভ্ হিজ লাইফ্।" মমতাই ডাক্তৰৰ হাত দুখনত ধৰি ক'লে।

" মই মোৰ সাধ্যানুসৰি সকলো চেষ্টা কৰিম মমতা, চিন্তা নকৰিবা।"

সীমান্ত অবিহনে মমতাই জীয়াই থকাৰ কথা ভাবিবই নোৱাৰে। তেওঁলোকৰ দহ বছৰীয়া বৈবাহিক জীৱনটোত সীমান্তই মমতাৰ সুখ-দুখৰ লগৰীয়া। সীমান্ত নহ'লে মমতা কাকলৈ জীয়াই থাকিব। নাই, নাই। সেইকথা ভাবিবই নোৱাৰি।

লাহে লাহে কেইবাদিনো পাৰ হৈ গ'ল। দুমাহ পূৰ হ'বলৈ আৰু মাত্ৰ তিনিটা দিন বাকি। কিন্তু মমতাই এতিয়ালৈকে কাৰো পৰা কোনো সঁহাৰি পোৱা নাই আৰু পোৱাৰ আশাও দেখা নাই।

ডাঃ প্ৰভাকৰ বাৰান্দাতে কিতাপ এখন পঢ়ি বহি আছিল। মমতা অহা দেখি তেওঁ বহাৰপৰা থিয় হ'ল।

— "আহা মমতা।"

মমতা বাৰান্দালৈ উঠি আহিল।

"মই মোৰ শেষ সিদ্ধান্ত জনাবলৈ আহিলোঁ ডাক্তৰ।"— কোনো পাতনি নেমেলাকৈয়ে মমতাই ক'লে।

ডাঃ প্ৰভাকৰে মমতালৈ চালে। সেই ধুনীয়া চকুযুৰিৰ সৌন্দৰ্য্য এতিয়াও ম্লান পৰা নাই। কিন্তু এইকেইদিনতে তেওঁৰ শাৰীৰিক স্বাস্থ্যৰ বহুখিনি অৱনতি ঘটিছে।

"বহা মমতা।" চকী এখনতে মমতা বহিল।

"চাওক ডাক্তৰ, আজিলৈকে কাৰো পৰা কোনো সঁহাৰি পোৱা নাই। কিন্তু তেওঁক যে জীয়াই তুলিব লাগিব। তেওঁৰ অবিহনে মই কেনেকৈ জীয়াই থাকিম ? গতিকে ডাঃ"........ মমতাৰ কণ্ঠ দৃঢ় হ'ল — "মই মোৰ নিজৰেই এটা কিড্নী দান কৰিম।"

ডাঃ প্ৰভাকৰ উচাপ্ খাই উঠিল।

"তুমি এইবোৰ কি কৈছা মমতা ? তুমি বলিয়া হৈছা নেকি ? মুনমুনক কোনে চাব ? মুনমুনৰ কথাতো তুমি এবাৰ ভবা উচিত।"

"কিন্তু মই কি কৰিম ডাক্তৰ, মইযে অসহায় !" ডাঃ প্ৰভাকৰে মমতালৈ চালে। মমতাৰ চকুত চকুলো। তেওঁক এজনী অসহায় সৰু ছোৱালীৰ দৰে লাগিল।

"লাগিলে মোৰেই কিবা এটা হওক, কিন্তু তেওঁ জীয়াই থাকক।"

ডাঃ প্ৰভাকৰ বহু সময় মৌন হৈ ৰ'ল। তাৰ পাছত লাহে লাহে ক'লে, "ধৈৰ্য্য ধৰা মমতা, সকলো ঠিক হৈ যাব।"

বহুদিনৰ আগৰ কথা। কিমানদিন হ'ল বাৰু ? হয়তো তেৰ-চৈধ্য বছৰেই হ'ব পায়।

এজনী ছোৱালী আছিল। ছোৱালীজনী ধুনীয়া। তাতোকৈ ধুনীয়া আছিল ছোৱালীজনীৰ হাঁহিভৰা চকুযুৰি।

ছোৱালীজনীয়ে সুন্দৰকৈ নাচিছিল। সকলোৱে তেওঁৰ নাচ দেখি মুগ্ধ হৈছিল। প্ৰভাকৰো এদিন কলেজৰ এনুৱেল ফাংচনত তেওঁৰ নাচ দেখি মুগ্ধ হৈছিল।

— "বৰ সুন্দৰকৈ নাচে আপুনি।"

— "থেংক ইউ।"

সেয়াই প্ৰথম চিনাকি। তাৰ পাছত দিনবোৰ লাহে লাহে বাগৰিল। সেই সুন্দৰ চকুযুৰি মাথোঁ এবাৰ দেখা পোৱাৰ আশাত

প্ৰভাকৰে কলেজৰ কেন্টিন, লেবৰেটৰী, লাইব্ৰেৰী আদিত ঘণ্টাৰ পাছত ঘণ্টা অপেক্ষা কৰি কটাই দিছিল। লাহে লাহে প্ৰভাকৰে তেওঁৰ সৈতে ঘনিষ্ঠ হ'বলৈ যত্ন কৰিছিল। তেওঁক এদিন জীৱন - লগৰী হিচাপে পোৱাৰ সপোন দেখিছিল। কিন্তু প্ৰভাকৰে জনা নাছিল যে তেওঁৰ আশা আছিল এক অলীক সপোন। প্ৰভাকৰে জীৱনৰ প্ৰথম আঘাতটো পালে কলেজৰ এটা পিক্‌নিকত।

প্ৰকৃতিৰ নিৰ্জন পৰিবেশ। গছৰ ডালত পখীৰ কাকলি! মৃদু বতাহে নিজৰাৰ পানী চঞ্চল কৰি তুলিছিল। সেই নিৰ্জন পৰিবেশত তেওঁক অকলে লগ ধৰি প্ৰভাকৰে কওঁ-নকওঁকৈ লাহে লাহে কৈছিল ঃ

"মই তোমাক ভাল পাওঁ, মীতু। আই...... আই লাভ ইউ।"

তাৰপাছত ?

উচাপ্ খাই উঠাৰ দৰে হঠাতে মীতুৱে ঘূৰি দিছিল। চকুত সপ্ৰশ্ন দৃষ্টি। সেই দৃষ্টিত প্ৰভাকৰ আচৰিত হৈ গৈছিল।

"তুমি এইবোৰ কি কৈছা প্ৰভাকৰ? হোৱাট ডু ইউ মীন টু চে'? তোমাক মই এজন ভাল বন্ধু বুলি ভাবিছিলো। কিন্তু সেইকথা কোৱাৰ অধিকাৰ তুমি ক'ত পালা? শুনা, মই সীমান্তক ভাল পাওঁ আৰু চিৰদিন মই সীমান্তৰেই। আই এম চৰী প্ৰভাকৰ। প্লীজ লীভ মী এলʼন। ভাল পোৱা কি তুমিতো নুবুজা নহয়। ভালপোৱা জীৱনতকৈ বহুত ডাঙৰ, অন্ততঃ সীমান্ত আৰু মোৰ বাবে। শুনা মোক আৰু কেতিয়াও এনে কথা নক'বা, অনুৰোধ। লগে লগে মীতু গুচি গৈছিল।

প্ৰভাকৰ বহু সময় মৌন হৈ ৰৈছিল। মীতুৰ পৰা এনে ব্যৱহাৰ তেওঁ আশা কৰা নাছিল। তেওঁৰ অন্তৰত মীতুৰ ব্যৱহাৰে আঘাত দিছিল। মুখত ফুটি উঠিছিল এক বিষণ্ণ হাঁহি — "তুমি মোক ভালপোৱা শিকাব নেলাগিছিল মীতু, ভালপোৱা কি মই তাক জানো। আই এম ভেৰী ভেৰী চৰী, মীতু।

তাৰ পাছৰে পৰা মীতুৱে নিজকে প্ৰভাকৰৰ পৰা পাৰ্য্যমানে আঁতৰত ৰাখিবলৈ যত্ন কৰিছিল।

আৰু তাৰ পাছত? তাৰ পাছত বহুদিন পাৰ হৈ গ'ল। মীতুৰ বিয়া হৈ গ'ল সীমান্তৰ লগত। প্ৰভাকৰ ডাক্তৰ হ'ল। সময় আগবাঢ়ি গ'ল। ......

ক্ৰিং........ ক্ৰিং...... ফোনটো বাজি উঠিল।

"হেল্ল' আপুনি কোনে কৈছে?"

"হেল্ল' মমতা! মই ডাº প্ৰভাকৰ, এটা ভাল খবৰ আছে মমতা।"

"কি?" — মমতাৰ নিৰুত্তাপ কণ্ঠ।

"মানে, কিড্‌নী যোগাৰ হৈ গ'ল মমতা।"

"কিড্‌নী যোগাৰ হ'ল? মমতা আনন্দত উচ্ছ্বাসিত হৈ উঠিল, "অ' ইউ আৰ গ্ৰেট ডাঃ, ইউ আৰ গ্ৰেট। আই এম গ্ৰেটফুল টু ইউ। কিন্তু মানুহজন কোন? কোনে কিড্‌নী দিব? তেখেতক মোৰ কৃতজ্ঞতা জনাব।"

"সেই কথা এতিয়া চিক্ৰেট থাওক মমতা। অপাৰেচনৰ পাছত জনাম। দেওবাৰে অপাৰেচন হ'ব, সাজু থাকিবা।"

দেওবাৰ। হস্পিতেলৰ ৰাতিপুৱা। সকলো নিস্তব্ধ। মাথো ঘড়ীটোৰ টিক্ টিক্ শব্দবোৰ চাৰিওফালে বিয়পি পৰিছে লাহে লাহে। কাষৰ কোঠাটোতে সীমান্তৰ অপাৰেচন হৈ আছে। সময়বোৰ যেন নেযায় নুপুৱায়। মমতা অধৈৰ্য্য হৈ উঠিছে। তেওঁ ইফাল-সিফাল

কৰি ফুৰিছে। মুনমুন বেঞ্চতে বহি আছে। তাৰ চকুত উৎকণ্ঠা। মমতাই বাৰে বাৰে ঘড়ীটোলৈ চাইছে। ভিতৰত শব্দ হোৱা শুনিলেই বাৰে বাৰে থমকি ৰৈছে।

অৱশেষত বহু অপেক্ষিত ক্ষণটো আহিল কেঠাটোৰ দুৱাৰ খুলি ডাক্তৰ এজন ওলাই আহিল। মমতা আগবাঢ়ি আহিল।

" কংগ্ৰেচুলেশ্যন, মিছেছ চৌধুৰী। অপাৰেচন ইজ চাক্‌চেচ্‌ফুল।"

অপাৰেচন চাক্‌চেচ্‌ফুল, হে ভগৱান। মমতাই স্বস্তিৰ নিশ্বাস এৰিলে। তেওঁ আনন্দত ৰ'ব নোৱাৰিলে। তেওঁ ভিতৰলৈ যাব খুজিলে।

" এতিয়া নহয় মিছেছ চৌধুৰী, কালিলৈ পুৱাহে দেখা কৰিব পাৰিব।" — নাৰ্চ এগৰাকীয়ে ক'লে।

" প্লীজ চিষ্টাৰ, মাত্ৰ এবাৰ ........."
" চৰি মিছেছ চৌধুৰী। ডাক্তৰৰ মানা—"

মমতাই দুৱাৰমুখৰ পৰাই সীমান্তক চালে। সীমান্ত শুই আছে। মমতাৰ চকুত আনন্দাশ্ৰু। হে ভগৱান, তোমাক ধন্যবাদ।

কিন্তু ডাঃ প্ৰভাকৰ ক'ত? মমতাই তেওঁক বিচাৰিলে।

" ডাঃ প্ৰভাকৰ এতিয়া বিজি আছে, তেখেতে কালিলৈ পুৱাহে আপোনাক দেখা কৰিব পাৰিব।"

আৰু কিড্‌নী দান কৰা মানুহজন? তেখেত ক'ত? তেখেত নিশ্চয় এজন দেৱদূত। .........

ৰাতিপুৱা মমতা আহিল। সীমান্ত তেতিয়াও শুই আছিল।

" গুড মৰ্ণিং মমতা।"

কোন? মমতাই ঘূৰি চালে। হঠাতে মানুহজনক দেখি মমতা উচাপ্‌ খাই উঠিল। তেওঁ এইয়া কাক দেখিছে। এইয়া যে ডাঃ প্ৰভাকৰ। কাষৰ বিচনাখনত ডাঃ প্ৰভাকৰ বহি আছে। গাত এখন কাপোৰ। মুখত মিচিকিয়া হাঁহি। মমতা যেন বোবা হৈ যাব। তেওঁ এখুজি দুখুজিকৈ ডাঃ প্ৰভাকৰৰ পিনে আগবাঢ়ি গ'ল।

" অ' প্ৰভাকৰ, এইয়া তুমি কি কৰিলা, কি কৰিলা?" মমতাই কান্দি পেলালে। নিজকে কিয় এইদৰে বিলাই দিলা। তুমি মোক আগতে নক'লা কেলেই? উহ্‌ ভগৱান।"

" আচৰিত হৈছা নহয়, মমতা?"
" চোৱা — ডাঃ প্ৰভাকৰে লাহে লাহে ক'লে, " মই ডাক্তৰ। ডাক্তৰ হিচাপে ৰোগীক বচোৱাটোৱেই মোৰ কৰ্ত্তব্য। তদুপৰি মই যে অকলশৰীয়া। মোৰ কোনো ভৱিষ্যতৰ প্ৰশ্ন নাই। কিন্তু তোমালোকৰ যে সুন্দৰ এটা পৰিয়াল আছে। সীমান্তক তোমালোকৰ বৰ প্ৰয়োজন। কিন্তু মোক কাৰ প্ৰয়োজন? মোৰ বাবে মাথো সীমান্তক জীয়াই তুলিব পৰাটো-ৱেই সাৰ্থকতা। আৰু ...... আৰু ...... মইযে ..." ডাঃ প্ৰভাকৰে আৰু ক'ব নোৱাৰিলে। তেওঁৰ চকুলো ওলাই আহিল। তেওঁ মমতাৰ হাত দুখন নিজৰ হাতৰ মুঠিত ল'লে।

" তুমি মহান, তুমি দেৱতা প্ৰভাকৰ—" মমতাই উচুপি উচুপি পুনৰ ক'লে " মোক যে তুমি চিৰঋণী কৰিলা।"

এটি সুন্দৰ পুৱাৰ আগমন। বাহিৰত এথোপা ৰজনীগন্ধা ফুলিছিল। পুৱাৰ এজাক বতাহ কোঠাটোলৈ সোমাই আহিল।

ডাঃ প্ৰভাকৰে লাহে লাহে ক'লে — " লাভ ইজ গ্ৰেটাৰ ডেন ডেথ্‌, নহয়জানো মীতু?" ●

# অস্তমিত সূৰ্য্য

কুমাৰ প্ৰদীপ খাউণ্ড
প্ৰৱক্তা

**বৰ** অচিনাকি যেন লাগিল তাৰ — গাঁওখন । এৰা ! বহুত পৰিৱৰ্ত্তনেই হ'ল গাঁও-খনৰ যোৱা কুৰিটা বছৰত । আলি-পদূলি-বোৰ সেই তাহানিৰ চহৰ পৰীয়া সোণাৰী গাঁৱৰ দৰেই হ'ল । কিজানি জীপগাড়ী, মটৰো যায় হবলা ! আলিৰ কাষৰ শিমলু, চতিয়না গছবোৰো নাইকিয়াই হ'ল । বেছ কেইনলমান আঁতৰে আঁতৰে যি দুই এজোপা বিয়াগোম শিমলু গছ আছেগৈ, সিবিলাকত ডাঙৰ ডাঙৰ ৰঙা-নীলা আখৰেৰে লিখা কিছু-মান কাগজ আঁৰি থৈছে । ঠিক ভোটৰ কাগজৰ দৰে । তাহানি এবাৰ শংকৰ উৎসৱত সিহঁতৰ তিনিখন গাঁৱে মিলি "ভ....না" পাতোঁ-তেও তেনেকুৱা দুই এখন কাগজ সিহঁতে অ'ত ত'ত মাৰিছিল । তাত কি লিখা আছে তাৰ দৰে গাঁৱৰ বেছিভাগ মানুহেই নাজা-নিছিল কিন্তু কাগজ লগোৱা সেই "ভ—না"-টোত ইমান মানুহ হৈছিল যে ইয়াৰ আগতে তেনে কোনো "ভ—না" তেই সিমান মানুহ হোৱা নাছিল । মণ্ডলৰ পুতেক নীলকান্তই বৰ ধুনীয়াকৈ লিখিছিল — কাগজবোৰ — ৰঙা আৰু নীলা চিঞাহীৰে । তাৰ আজিও মনত আছে । মাজে মাজে একোজোপা বৰ-গছৰ তলত একোখন তামোল-পাণৰ 'ঘূমটি' দোকান দেখি সি আৰু আচৰিত হ'ল । এই দোকানবোৰত আক' কোনে তামোল কিনি খায় ? গাঁৱৰ মানুহে গাঁৱৰে দোকানত তামোল কিনি খোৱাতো তাৰবাবে ভাবিবই নোৱাৰা কথা । দোকান এখনৰ সন্মুখত বৈ সি লক্ষ্য কৰিলে — দোকান ঘৰৰ সন্মুখতো তেনেকুৱা ৰঙা-নীলা কাগজবোৰ লগাই থোৱা আছে । চেঙেলীয়া ল'ৰা দুই এটাই হাতত চিগাৰেট লৈ সেইবোৰলৈ আঙুলিয়াই সেইবোৰৰ বিষয়ে কিবা কথা পাতিছে । তাৰো পঢ়ি চাবৰ মন গ'ল — পোষ্টাৰ এখন । সি যদি পঢ়িব জানিলেহেঁতেন ! ল'ৰা এটাকে সুধি চাব নেকি ? — ভাবিলে সি । কিন্তু ল'ৰা কেইটাৰ বেপে-ৰুৱা ধৰণ কৰণ দেখি হঠাৎ খং উঠি গ'ল তাৰ, — ইহঁত গাঁৱৰ ল'ৰা নহয় নেকি ? গাঁৱৰ মানুহৰ আগত যদি সিহঁতে সন্মান ৰাখি কথাও পাতিব নেজানে, সিহঁতে পঢ়িছে কি ? কাৰ বাবে সি তাৰ পৈতৃক সম্পত্তি সকলো "ইচ্-কুল'লৈ বুলি দি নিজে ব'ৰাগী হ'ল ।

হঠাৎ এটা নতুন ভাৱে তাৰ খংবোৰ জোকাৰি পেলালে । —সিহঁতৰ গাত কি দোষ ? সি যেতিয়া এই গাঁও এৰি গৈছিল, তেতিয়াতো সিহঁতৰ জন্মই হোৱা নাছিল । তেন্তে ? কেনেকৈ চিনি পাব সিহঁতে তাক ? সিহঁতে যদি জানিলেহেঁতেন, — সিয়েই সিহঁতৰ বাবে গাঁৱতে 'ইচ্কুল'ৰ সুবিধা কৰি দিছিল, সিহঁতে নিশ্চয় তাক ...., আৰু নোৱাৰিলে সি ।

ল'ৰাকেইটালৈ কিবা এটা অচিন মৰম লাগি গ'ল তাৰ। চকুৰ দৃষ্টি জলক্-তবক হৈ গ'ল। চকু দুটা কান্ধৰ গামোচাখনেৰে মোহাৰি লৰালৰিকৈ আঁতৰি গ'ল সি সেই ঠাইৰ পৰা।

গাঁওখনৰ পৰিৱৰ্ত্তনবোৰ ভালেই লাগিল তাৰ। ঘৰবোৰৰ বেচিভাগতে টিন্পাত লগোৱা। আগৰদৰে আৰু মৃধচ উকুথা খেৰীচালৰ ঘৰ নাই। আগৰ দোখোঁজ গৈয়ে পোৱা ডোঙা হেন পুখুৰীবোৰৰ বেছিভাগেই পুতিলে। পুখুৰীৰ কথা ভাবিয়েই পিয়াহ লগা যেন লাগিল তাৰ। গাওঁবুঢ়া ৰতন কলিতাৰ ঘৰৰ ওচৰ পাই তাতে এপাক সোমাই যাবৰ মন গ'ল। কিন্তু নঙলাৰ ওচৰ পায়েই কেনেবা কেনেবা লাগিল — তাৰ মনটো। গাওঁবুঢ়া বা আছে নে নাই? মনৰ ভিতৰতে তাহানিৰ গাওঁবুঢ়াৰ বয়সৰ অনুমানিক হিচাপ এটা কৰি পেলালে সি। হয়তু থাকিবও পাৰে। কিন্তু তেতিয়াৰ বুঢ়া-বুঢ়ীবিলাকৰ বেছিভাগেই যে এতিয়ালৈ জীয়াই থকা নাই, সেইটো ঠিক। যদি গাওঁবুঢ়াইও ইতিমধ্যে সিপুৰীলৈ গতি কৰিছে! তেন্তে কোনেনো চিনি পাব তাক? চিনাকি দিওঁতেই এপৰ যাব। তাতকৈ প্ৰথমে তাৰ পৈতৃক ভেটিটো চাই অহাটোহে ঠিক হ'ব। বহুদিনৰ মূৰত পিয়াহ গুচাই বৰ পুখুৰীৰ পানীও খাব পাৰিব। — ভাবটো মনলৈ অহাৰ লগে লগেই সি গাওঁবুঢ়াৰ নঙলামুখৰ পৰা ঘূৰিল।

........এতিয়া মানে সেই ভেটিত গঢ়ি উঠা "ইচ্কুল"খন নিশ্চয় পকী হৈছে। মাটি টুকুৰা ৰাইজক চমজাই দিয়াৰ দুদিনমান পাচতে সি নিজ হাতে পুতিছিল — সেই "ইচ্কুল"ৰ প্ৰথম খুঁটাতো। তাৰ বাৰীৰে শাল গছজোপাৰ খুঁটা সেইটো। আছে যদি এতিয়াও নিশ্চয় পঁচা নাই! সেই দিনটোৰ কথা মনলৈ অহাত ক'ব নোৱৰাকৈয়ে হাঁহি এটা খেলি গ'ল — তাৰ দুই ওঁঠৰ মাজত। তেতিয়া তাৰ বয়স একুৰি পাঁচমান হ'ব।

......তাৰ দেউতাক সি কঁকালত গামোচা পিন্ধা বয়সতে ঢুকাইছিল। তেতিয়াৰ পৰাই সি বেমাৰী দদায়েকটোৰ লগত হালৰ মুঠিত ধৰিছিল। বিধৱা মাক আৰু চিৰ বেমাৰী অঁকৰা দদায়েকটোৰ বাহিৰে তাৰ নিজৰ বুলিবলৈ এইখন গাঁৱত কোনোৱেই নাছিল। কিন্তু দেউতাকে সিহঁতে খাব পৰাকৈয়ে বিষয় সম্পত্তি এৰি থৈ গৈছিল। বিধৱা মাকজনীৰ বৰ মন আছিল — তাক দুশ্ৰেণীমান পঢ়ুৱাবলৈ। কিন্তু গাঁৱৰ পৰা পাঁচমাইল খোজ কাঢ়ি গৈ "ইচ্কুল" কৰোঁতে তাৰ প্ৰায়েই পলম হৈছিল আৰু তাৰ বাবে "ন—ৰাম" মাষ্টৰৰ সৌকাৰ কোব তাৰ কপালত নিতৌ যুতিছিল। তথাপিতো চলিলহেঁতেন। কিন্তু দেউতাক ঢুকুৱাৰ মাহচেৰেক্ পাচতে যেতিয়া দদায়েকটোও উদ্ফাই বেমাৰৰ বলি হ'ল, খেতি-পথাৰ, ঘৰ চলোৱাৰ সম্পূৰ্ণ দায়িত্ব তাৰ ওপৰতে পৰিলহি। 'ক'টোৰ চুক তিনিটা শিকি নৌ অঁতাওতেই তাৰ পঢ়া শেষ হ'ল। .... ডিঙিটোত কিবা এটা সোপা লগা যেন লাগিল তাৰ। ডাঙৰকৈ এটা গল খেকাৰী মাৰি সি খোঁজবোৰ অলপ ডাঙৰ কৰি দিলে। ৰাস্তাটো বৰ দীঘল হৈ যোৱা যেন লাগিল। কাষৰ হাবি (?) ডৰালৈ চাই পঠিয়ালে। আৰু দুটা কেঁকুৰি ঘূৰি পথাৰখনৰ সিমূৰেই বৰপুখুৰীটো পাব লাগে। তাৰ বোপা ককা দিনৰ পুখুৰী সেইটো। আগতে সিহঁতৰ বাৰীৰ ভিতৰতেই আছিল। দেউতাকেহে ৰাইজৰ খঁৰালি পানী অনাৰ অসুবিধাৰ কথা ভাবি বাৰীৰ জেওৰাৰ বাহিৰ কৰি দিছিল — পুখুৰীটো। কৈছিল, — "এইটো ৰাইজৰে হ'ল" আৰু সেই পুখুৰীটোৰ পাৰেৰে তাৰ মৰমৰ বাৰীখনত সিয়েই ৰাইজৰ 'ইচ্কুল'ৰ বাবে খুটা পুতিছিল। সেইদিনা, —যিদিনা সি বুজি উঠিছিল, লিখা-পঢ়াৰ অবিহনে তাৰ গাঁৱৰ ল'ৰা-ছোৱালীবিলাক, তাৰ গাঁৱৰ উত্তৰ পুৰুষ সদায় অন্ধ হৈ থাকিব। সুবিধাবাদী তেজশোহা মহাজনৰ প্ৰৰোচনাত সিহঁত সকলো থাকিও ভিকহু হৈ যাব।

দেউতাক মৰাৰ ভালে কেইবছৰমান পিছ-লৈকে ঠিকেই চলি গৈছিল । তাৰ দেহলৈ আঘোণৰ সোণালী ৰঙ্‌বোৰ আহি কপৌ চৰাইবোৰৰ দৰেই উৰুলিকুত কৰি তুলিছিল তাৰ মন। মাকজনীলৈ তাৰ মাজে মাজে খঙো উঠিছিল তাৰ প্ৰতি উদাসীনতাত । কিন্তু তাৰ মৰমৰ মাকজনীয়ে যেতিয়া তাৰ বিয়াৰ কথা ভাৱিছিল, ঠিক তেতিয়াই তাৰ একমাত্ৰ ভৰসা মাককো লৈ গৈছিল — নিঠুৰ যমে । তাৰ জীৱনলৈ চৰম অন্ধকাৰ নামি আহিছিল — যেতিয়া মাক মৰাৰ সকাম নৌ যাওঁতেই এগাল-মান কাগজ-পত্ৰৰ সৈতে তাৰ আগত এটা ধূমকেতুৰ দৰেই থিয় হৈছিলহি — গোলাই মহাজন ওৰফে গোলোক কলিতা । কোনো পাতনি নেমেলাকৈয়ে উপস্থিত গঞাৰ আগতে গোলাই মহাজনে তাক কৈছিলহি, — তাৰ বাপেকৰ লগত হোৱা চুক্তি অনুসৰি মাকৰ মৃত্যুৰ দিনৰে পৰাই তাৰ ৰোৱাতীমাটি পাঁচ-বিঘা মহাজনৰ হ'ল । সি যেন আৰু হাল-কোৰ লৈ পথাৰলৈ নাযায় । লঘোনীয়া দেহাত সপোনত ভূত দেখা মানুহৰ দৰেই হৈছিল — তাৰ মুখৰ বৰণ । 'সাইখাত' যমদূতেহে যেন মহাজনৰ বেশলৈ মৃত্যু আদেশ লৈ আনিছিল তালৈ ! কিবা ভুল শুনা বুলি সি আকৌ সুধিছিল মহাজন দেউতাক তেখেতে কাৰ মাটিৰ কথা কৈছে ? তাৰ দেউতাকতো কুৰি বছৰৰ আগতেই ঢুকাল । 'ভ—না'ৰ শকুনিৰ হাঁহিটো মাৰি মহাজনে কাগজবোৰ তাৰ ফালে আগ-বঢ়াই দিছিল । কৈছিল, "মইনো তোক মিছাকৈ ক'ম নে বোপাই ? তই মোৰ পোৰ লগৰ পো । হোঁ, চা ; তইয়ে চাই ল ।" অলপ বৈ মনটো সেমেকা কৰি তেঁৱেই পুনৰ কৈছিল— "তই তেতিয়া কেঁচুৱা । আয়েৰাৰ টান নৰিয়া । দেউতাৰৰ হাতত জমা ধন মুঠেই নাছিল । আয়েৰাক বচাবলৈ চহৰৰ ডাক্তৰে নগদ পাঁচ-কুৰি টকা বিচাৰিলে । এফালে আয়েৰ আৰু এফালে তোৰ ভৱিষ্যত । সিফালে আয়েৰ নেবাচিলে তোকো বচোৱাৰ উপায় নাই । দেউতাৰৰ হাতত ৰোৱাতী মাটি পাঁচবিঘাৰ বাহিৰে একোৱেই নাই । তাকে বেচিলেও ঘৰে-ঘৰোৱাহে মৰিব লগা । তাতে দদায়েৰৰ ভাগো আছিল নহয় । হাজাৰ হ'লেও গাঁৱৰ মানুহে অঁকৰা দদায়েৰৰ ভাগটো বেচিবলৈ নিদিয়ে । সেয়ে বন্ধু মানুহ, বুদ্ধি-ভৰসা বিচাৰি মোৰ ওচৰলৈ আহিল । মইনো কি কৰিম ? পাঁচকুৰিকৈ টকাতো আৰু এনেই নাহে । হলেও চিন্তাত জলকা লগা মানুহটোক সেই-হেন বিপদত নাতাৰিলে পাপে চুব । হেন জানি ঈশ্বৰক চিন্তি ময়েই বুদ্ধিটো দিলোঁ — "দেহেশ্বৰ তই দলিল এখন কৰ । তই আৰু তোৰ ঘৈণীয়েৰ থকালৈকে মাটি পাঁচবিঘা তোৰেই হৈ থাকিব । তাৰ পিছত কিন্তু মাটি মোৰ নামত উঠিব । সেই চুক্তিত মই তোক সহায় কৰিব পাৰো ।" কেইবাবাৰো হা-হুমু-নিয়াহ চাৰি কোনোমতে কথা কেইষাৰ শেষ কৰি কেৰাহিকৈ তাতে বহি থকা মণ্ডললৈ চালে আৰু পুনৰ কৈ গ'ল — "সেইদিনাই মণ্ডলৰ আগতে এই দলিলখন কৰা হৈছিল । মণ্ডলৰ চহীও আছে তাত । দেখিছই চাগৈ । — নে কি কোৱাহে মণ্ডল ? — মণ্ডলৰ সম-ৰ্থন বিচাৰিলে মহাজনে । মণ্ডলেও উঠি কেই-বাবাৰো গল-খেকাৰি দিয়াৰ অন্তত ক'লে— "কথাটো হয় অ' বোপাই । ময়ো এই বুঢ়া কালত তোৰ দুখৰ দিনতে দুখ দিব লগা হ'ল ।" তাৰ পাচত তেওঁ তেওঁৰ খহটা হাত এখন তাৰ উদং পিঠিটোত বুলাই ক'লে — "দুখ নকৰিবি বোপাই । এইবোৰ পিত্‌ৰি সম্পত্তি অনিত্য । গোট ডেকা মানুহটো আছ যেতিয়া নিজৰ পেট এটা পুহিবলৈ তোৰ বাৰিখনতকৈ আৰু কিটো লাগিছে ?" ইমান পৰে সি চৰগ্ পৰা মানুহৰ দৰে কাগজবোৰ-লৈকে চাই আছিল । কাগজত কি লিখা আছিল, সি কিন্তু একো বুজা নাছিল । এতিয়া মণ্ডলৰ কথা কেইষাৰতহে তাৰ গালৈ হুঁচ আহিল । উদাস, অসহায় চকু দুটাৰে সি বহি থকা গাঁৱৰ মানুহবোৰলৈ চালে । সিহঁতৰ

ওচৰত সি যেন সহায় ভিক্ষা কৰিছিল, ভৰসা বিচাৰিছিল । কিন্তু দুই এজনে অস্ অস্ কৰাৰ বাহিৰে কাৰো যেন একো কৰিব লগা নাছিল । দুই এটা চেঙেলীয়া ডেকাই যেন তাৰ অৱস্থাটোত আমোদহে পাইছিল — অন্ততঃ সিহঁতৰ চকুবোৰত তাকেই প্ৰকাশ পাইছিল । লঘোণীয়া পেতৰ খংটোৱে তাক হঠাৎ ক'ব নোৱাৰা কৰি পেলাইছিল। এটা প্ৰবল অজান আক্ৰোশত তাৰ চকুদুটা তৰ্-তৰ্কৈ ৰঙা হৈ পৰিছিল । চিঞৰি উঠিছিল সি, — " ওলাই যা। ওলাই যা ইয়াৰ পৰা। আই বোপাইৰ তেজটোপা খাই, এতিয়া মোৰ তেজটোপা পিবলৈ তহঁত ইয়াত বহি থাকিব নালাগে । ওলাই যা । ওলাই যা-হঁত ........।" দকচনি বকচনি দি ৰাইজ এজন এজনকৈ গুচি গৈছিল — তাৰ চোতালৰ পৰা । উদং চোতালখনত সি বহি পৰিছিল — কপালত হাতদি । আকাশৰ তৰাবোৰ দেখা হোৱালৈকে সি বহি আছিল — তেনেদৰেই । অনেক তৰাৰ মাজত অকলশৰীয়াকৈ পাই ৰাহুৱে গিলিবধৰা জোনটো যেন লাগিছিল— তাৰ নিজকে । জোনটোলৈ চাই চাই ভাবিছিল নিজৰ শৰীৰৰ একলা দুকলাকৈ ৰাহুৱে গিলি নিলতো সিতো তৰাবোৰৰ পৰা সহায় ভিক্ষা কৰা নাই ! নিজৰ যন্ত্ৰণা নিজেই সহ্য কৰিবলৈ চেষ্টা কৰা জোনটোৰ যন্ত্ৰণাকাতৰ, ৰঙা পৰা মুখখন দেখি সিহঁত পলাইছে — এটা এটাকৈ । কিন্তু, কালিলৈ এই জোনটোৱেই আকৌ পূৰ্ণ হৈ আকৌ পোহৰ বিলাব সিহঁতৰ মাজত — সি জানে, লাহে লাহে জোনটো আকৌ মুখৰ হৈ উঠিল । ৰাহুৰ গৰ্ভ বিদাৰি সি পুণৰ ওলাই আহিল — আগতকৈয়ো জ্যোতিষ্মান হৈ; ঠিক জুইত পোৰা সোণৰদৰে । তাৰ মনটোলৈও এক ঐশ্বৰিক শান্তি ঘূৰি আহিল । বিষয়-সম্পত্তি সকলো অপাৰ্থিব যেন লাগিল তাৰ । সকলো যেন ৰাহু, তাৰ আত্মাক গ্ৰাস কৰিব খোজা ।

পিচদিনা সিয়েই গঞাৰ পদূলিয়ে পদূলিয়ে দীঘল দি পৰি, তামোল-পাণ দি গঞাৰ ওচৰত ক্ষমা বিচাৰিলে । মণ্ডলৰ হাইস্কুল পাচ পুতেক 'নীলকান্ত'ৰ কথামতে সকলো গঞাৰ আগতে তাৰ যথাসৰ্বস্ব বিষয়-সম্পত্তি 'ইচ্কুল' পাতিবলৈ বুলি দান দিলে। গাঁৱৰ ৰাইজে "ধইন ধইন" কৰিলে । গাঁৱত 'ইচ্কুল' হ'ব ; তাৰ দৰে তাৰ দেউতাকৰ দৰে শিক্ষাৰ অভাবত কোনো অসহায় ল'ৰাই মৃত্যুপথযাত্ৰী মাকক বচাবলৈ, ঘৈণীয়েকক বচাবলৈ কেতুৰূপী মণ্ডলহঁতৰ প্ৰৰোচনাত পৰি ৰাহুৰূপী মহাজনৰ জাল খটত আৰু টিপচহী মাৰিব লগা নহয়— কথাটো ভাবি সি নিজেও "ধইন্ন" হোৱা যেন পালে । কেইদিনমান পাচতে গাঁৱৰ মাঘদেউৱে চাই দিয়া শুক্লা তৃতীয়াতিথিত তাৰ চকুৰ আগতে ৰাইজে 'ইচকুল'ৰ ভেটি বান্ধিলে । নীলকান্তই দাতা হিচাপে তাকে দিলে প্ৰথম খুটাটো পোতাৰ সন্মানফেৰা । এক অজান আনন্দত তাৰ চকুৰ পানী ওলাই আহিছিল। সেইদিনা ৰাতিলৈ সি গাঁৱৰ পৰা আঁতৰ হ'ল — এটা নতুন আশালৈ । আকাশৰ নতুন কাঁচি জোনটোৱে তাক যেন হাতত ধৰি লৈ গ'ল — এক নতুন দিগন্তৰ ফালে । গাঁৱৰ কোনেও নাজানিলে — দানবীৰ কলীয়া ক'লৈ গ'ল । ............

. . . . . .

নিজৰ অতীতটোৱে বিজুলীৰ দৰেই ভুমুকি মাৰি গ'লহি আকৌ এবাৰ তাৰ মনত ।

বৰপুখুৰীটোৰ ওচৰ পায়েই সি বৈ গ'ল । হয়, এইটোৱেই সেই পুখুৰী । দল ঘাঁহে পুখুৰীটো তেনেই চানি ধৰিছে । মানুহে ইয়াৰ পানী নাখাই নেকি ? ভাবি আচৰিত হ'ল সি । হঠাৎ মনত পৰিল ৰাষ্টাত দুই এঘৰৰ চোতালত সি দম্কল দেখি আহিছিল । কিন্তু "ইচকুলখন" ? 'ইচকুল'খন এতিয়াও ইমান সৰু হৈ আছে কিয় ? অৱশ্যে খুটাকেইটা পকা হৈছে । টিনপাতো লাগিছে। 'ইচকুল'ৰ সম্মুখত গাঁৱৰ মানুহবোৰ গোটখাই কিহৰ

মিটিং পাতিছে ? 'ইচকুল'ৰ ল'ৰা-ছোৱালী-বোৰ গ'ল ক'ত ? মানুহবোৰৰ ওচৰ চাপি গল সি । হাত ডাঙি ডাঙি কথা কৈ থকা পকাচুলীয়া সেই বুঢ়াজন, — সেইয়া গোলাই মহাজন নহয় নে ? হয় হয় । সি তেওঁৰ মাতটো ঠিক চিনিছে । তেওঁ মানুহবোৰক কি কৈছে ? 'ইচ্‌কুল'ত তেওঁৰ কামেইবা কি ? নে তেৱেঁই হেড্- পণ্ডিত হ'ল নেকি ? তাৰ সেই আগৰ 'ইচ্‌কুল'খনৰ পকাচুলীয়া 'ন-ৰাম' মাষ্টৰৰ মুখখন মনলৈ আহিল । হ'বও পাৰে। কিন্তু সি সেইটো আশা কৰা নাছিল । সি আশা কৰিছিল — বগা ধুতি কামিজ পিন্ধি নীলকান্ত মাষ্টৰে তাৰ মাটিত বহা এখন ধুনীয়া 'ইচকুল'ত বহুত ল'ৰা-ছোৱালীক পঢ়াই থকা চাবলৈ ।

হঠাৎ মহাজনৰ এষাৰ কথাই তাৰ কাণত বিন্ধিলেহি । — "ৰাইজ, মই যোৱাবাৰ মেম্বাৰ হৈ ক্লাৱঘৰটো আপোনালোকক মোৰ মাটিতে সাঁজি দিলোঁৱেই । এইবাৰ আপোনালোকে মোক পঞ্চায়তৰ সভাপতি কৰি পথাওক । দেখিব মই গাঁৱত স্কুল পাতিমেই । আপোনা-লোকৰ ল'ৰা-ছোৱালীয়ে আৰু ইমান দূৰ খোঁজকাঢ়ি সোণাৰী গাঁৱৰ স্কুলত পঢ়িবলৈ যাব নালাগে ......" ৰাইজে হাত চাপৰি মাৰি হৰ্ষধ্বনি কৰিলে । কিবা সাঁথৰ সাঁথৰ যেন লাগিল তাৰ — কথাষাৰ । 'ইচ্‌কুল' এখন থাকোঁতে আক' গাঁৱৰ ল'ৰাবোৰ সোণাৰী গাঁৱলৈ যায় কিয় ? তাৰ কল্পনাৰ ইচ্‌কুল-খনলৈ সি আকৌ এবাৰ চাই পঠিয়ালে । টিন্-পাতৰ তলত ঘুগুলা সম্বলিত মকৰাজালেৰে ভৰা । বেৰবোৰতো ঘুগুলা । খং উঠি গ'ল তাৰ —এলেহুৱা, অকৰ্মন্য মানুহবোৰৰ ওপৰত । ৰাহুৱে গ্ৰাস কৰিবলৈ ধৰা জোনটোৰ দেহ-পীড়া সি পুনৰ অনুভৱ কৰিবলৈ ধৰিলে । মানুহবোৰেও চিনি পোৱা নাই তাক । দাড়ি চুলি ভৰা মুখেৰে গেৰুৱা কাপোৰ পিন্ধা ফকীৰ এটাক কেনেকৈ জানিব সিহঁতে — সিহঁতৰ অতি আপোন কলীয়া ওৰফে ক'লাই বুলি ? সি কাক কি সুধিব ? কিন্তু মনৰ পীড়া আৰু সি সহ্য কৰিব নোৱাৰিলে । চেঙেলীয়া ল'ৰা এটাৰ গাত হাত ফুৰাই সি সুধিলে, — "হে'ৰা বোপাই, কেলেই এই 'ইচ্-কুল'খননো কি কৰিলে ? নে নীলকান্ত মাষ্টৰ মৰিল নেকি ? তাৰ কথাত ল'ৰাটোৱে বৰ অদ্ভুত কিবা এটা দেখাৰ দৰে তালৈ চাই ক'লে, — "স্কুল ? নীলকান্ত মাষ্টৰ ? হে'ৰা বাবা, এইবোৰ কি বকিছা ? মূৰ গৰম হ'ল নেকি ?" - সি ভেবা-চেক খাই গ'ল ল'ৰা-টোৰ কথাত । কিন্তু ততালিকে স্কুলঘৰটোলৈ আঙুলিয়াই দি ক'লে, — "কেলেই, এই 'ইচ্‌কুল'টো 'ইচ্‌কুল' নহয় নেকি ?" —ল'ৰা-টোৱে হো-হোৱাই হাঁহি দিলে । তাৰ সমনীয়া আৰু কেইটামান চেঙেলীয়া ল'ৰাই তাৰ ফালে চাই হাঁহিত যোগ দিলে । সি সিহঁতৰ বাবে হাঁহি তামাছাৰ বস্তুহে হ'ল । কেইবাজনো বয়সস্থ মানুহেও মিটিঙৰ ফালে পিঠি দি সিহঁতৰ হাঁহি তামাছাত যোগ দিলে। সিহঁতে যি ক'লে, তাৰ অৰ্থ হ'ল, — সি যিটোক 'ইচ্‌কুল' বুলি ভাৱিছে, সেইটো 'ইচ্‌কুল' নহয়। মহাজনৰ ৰাইচ্‌মিল্ । আজি ভোটৰ মিটিঙৰ বাবে মিল বন্ধ । গাঁৱত নীলকান্ত এটাই আছে আৰু সি মহাজনৰ ব্যৱসায়ৰ বৰমহৰী । কবলৈ গ'লে, মিলটো একপ্ৰকাৰ সিয়েই চলায় । "সৌটো, মহাজনৰ পাচফালেই বহি আছে" — এটাই আঙুলিয়াই দেখুৱালে । সিহঁতে আৰু ক'লে, — "মহাজনে যোৱাবাৰ মেম্বাৰ হৈয়েই ইয়াতে ৰাইজক ক্লাৱঘৰটো পাতি দিছে । বৰ কামৰ মানুহ । এইবাৰ ৰাইজে তেওঁক সভাপতি কৰিবই ....।"

বিশ্বাস-অবিশ্বাসৰ দৃষ্টিৰে সি এবাৰ মিল-ঘৰটোলৈ, এবাৰ তেতিয়াও কথা কৈ থকা মহাজনলৈ আৰু এবাৰ মহাজনৰ পিচফালে হাঁহি-হাঁহি ব'হি থকা নীলকান্তলৈ চাই পঠিয়ালে । হয়তো ! এইটো সেই যেন নীলকান্তই । —মূৰটো তাৰ হঠাৎ আচন্দ্ৰাই

কৰা যেন লাগিল। মূৰৰ ওপৰৰ বেলিটোৰ উত্তাপ যেন আগতকৈ বহুগুণে বাঢ়ি গ'ল। হিতাহিত জ্ঞান সি হেৰুৱাই পেলালে। মানুহ ফালি ফালি সি নীলকান্তৰ ওচৰ পালেগৈ। মহাজনক সমৰ্থন জনাই হাঁহি-হাঁহি হাত-চাপৰি বজাই থকা নীলকান্তৰ বগা কামিজৰ কলাৰত খামুচি ধৰি সি ঘটালি পেলালে নীলকান্তক। —"নীলকান্ত। ক—মোৰ 'ইচ্‌কুল' কি হ'ল ? মোৰ মাটিত মহাজনৰ ৰাইচ্‌মিল কেনেকৈ বহিল ? ক—নীলকান্ত, ক, ............।"

হঠাৎ এটা আচহুৱা ফকীৰৰ এনে অস্বাভাৱিক কাৰ্য্যত নীলকান্ত বিমূঢ় হৈ পৰিল। পাগল ফকীৰটোৰ হাত দুখন তাৰ কামিজৰ পৰা এৰুৱাবলৈ সি যিমানে চেষ্টা কৰিলে ফকীৰে সিমানে বেচিকৈহে খামুচি ধৰিলে। চাৰিওফালে হুলস্থুল লাগিল। লৰাবোৰে "পগলা পগলা" বুলি চিঞঁৰি যেয়ে যি পাৰে ফৰ্‌মুঠি, মাটিৰ চপৰা আদি দলিয়াবলৈ ধৰিলে। ফকীৰ কলীয়াৰ মূৰৰ পৰা তেজ নিগৰি আহিল। কিন্তু সেইবোৰৰ প্ৰতি অকণো ভ্ৰূক্ষেপ নাই। সি মাথোঁ নীলকান্তৰ কামিজত ধৰি টেঁটু ফালি চিঞৰিছে,—"ক-নীলকান্ত মোৰ মাটি মহাজনে কেনেকৈ পালে ? মোৰ মাটিৰ চহী কৰিবলৈ মোৰ বোপাই সৰগৰ পৰা নামি আহিলনেকি ? ক—নীলকান্ত -ক .........।" সকলো বিবুদ্ধি হ'ল। কিন্তু নীলকান্তই ইমানপৰে ফকীৰৰ কথাৰ ওৰ ঠিকেই ধৰিব পাৰিলে। পাৰি মুখখন তাৰ ভয়ত বিবৰ্ণ হৈ গ'ল। কেহেঁৰাজ বৰণীয়া মুখখনেৰে সি মহাজনলৈ চালে। মহাজনেও বুজি পালে বলিয়াৰ প্ৰলাপৰ তত্ব। তেওঁৰ চকুৰ ইঙ্গিততে কোনোবা এটাই টোকোন এডালেৰে কলীয়াৰ মূৰত আঘাত কৰিলে। লগে লগে কলাইৰ হাতদুখন আপোনা-আপুনি শিথিল হৈ গ'ল নীলকান্তৰ কামিজৰ পৰা। 'মোৰ ইচ্‌কুল খ-ন ......।" বুলি সি ৰাইচ্‌মিলৰ পিৰালিতে মূৰ দি পৰি গ'ল। বুঢ়া-মেথা ধৰণৰ মানুহ বিশেষ নাছিলেই। এজন অলপ বয়সস্থ মানুহে বৰ পুখুৰীৰ পৰা পানী এবাল্টি আনি অলপ অলপকৈ তাৰ মূৰত ঢালি দিলেহি। ডেকাচামে সময়ত যি টি ব'লকি নিজে নিজৰ ভাৱে মত পোষণ কৰি আঁতৰি গ'ল দিহাদিহি। বেছিভাগেই গ'ল মহাজনৰ পিচে পিচে নিৰ্বাচনী প্ৰচাৰ অভিযানত কাষৰ গাওঁবোৰলৈ। সৰু ল'ৰাছোৱালী কেইটামানেহে অচেতন হৈ পৰি থকা বলিয়াটোক আগুৰি নিৰাপদ দূৰত্বৰ পৰা লক্ষ্য কৰি থাকিল —বহু সময়লৈকে। লাহে লাহে সিহঁতৰ ভয় কমি আহিল। এটা-দুটাকৈ ওচৰ চাপিল — বলিয়াটোৰ। মাৰি একোডাল হাতত লৈ কেইটামানে বলিয়াটোৰ কাপোবোৰ খুচি মেলি চালে। বলিয়াটোৰ মূৰৰ পৰা ওলোৱা তেজবোৰো সময়ত সিহঁতৰ খেলাৰ সামগ্ৰী হ'ল। কোনোবা এটাই ফুটুকাৰ মাৰি এডাল খমলা বান্ধিব ধৰা তেজত লেটিয়াই ৰাইচ্-মিলটোৰ বেৰত লিখিলে—'ক'। এটা সময়ত সিহঁতবো ভাগৰ লাগিল — একেটা খেনকে খেলি খেলি বহল পথাৰখনলৈ লৰ মাৰিল সিহঁত জুম বান্ধি ঠিক এজাক ফৰিঙৰ দৰে।

কলীয়াৰ যেতিয়া পুনৰ জ্ঞান আহিল তেতিয়া দেখিলে — সি ৰাইচমিল্‌টোৰ পিৰালিতে মূৰ থৈ অকলে পৰি আছে। আকাশৰ অস্ত যাবলৈ ধৰা বেলিটোৰ ৰঙ, তাৰ গাত থকা গেৰুৱা কাপোৰ আৰু ওচৰে পাজৰে পৰি থকা তেজৰ চেকুৰাবোৰৰ দৰেই লাগিল তাৰ। বৰ মায়া হ'ল তাৰ — এই অস্তমিত বেলিটোলৈ। অস্ত যাবলৈ নিদি বুকুত সুমুৱাই ল'বৰ মন গ'ল—বেলিটোক। ক'ব নোৱৰাকৈয়ে সি দুৰ্বল হাতদুখন মেলি দিলে — বেলিটোৰ ফালে।

# সংকল্প

হেমন্ত শৰ্মা
স্নাতক ২য় বাৰ্ষিক (কলা)

**শীতৰ** পুৰা আমেজত লৈ থকা নিহালিখন এৰি থৈ যাবলৈ মন যোৱা নাছিল অৰিন্দমৰ। মাকে আহি দুবাৰ মাতি থৈ গৈছে। মূৰৰ ওপৰতে থকা খিৰিকিখনো খুলি থৈ গৈছে। সেইপিনেই সি চাই পঠিয়ালে বাহিৰলৈ। কুঁৰলিৰ ঘন আৱৰণ এতিয়াও আঁতৰি যোৱা নাই। গছবোৰৰ আগবোৰৰ লগত সূৰ্য্যৰ মিঠা কোমল কিৰণে আলিঙ্গন কৰিছে। কুঁৰলিবোৰ অলসভাৱে উৰি আছে। অলপ পিছতেই সিহঁতক খেদি পঠিয়াব সূৰ্য্যৰ পোহৰে। সিহঁত শূন্যত বিলীন হৈ যাব। সেঁাহাতখন বিষোৱা যেন অনুভৱ কৰিলে অৰিন্দমে। কালি হাতত বেগটো লৈ প্ৰায় পাঁচ ছয় কিলোমিটাৰ খোজ কাঢ়িছে সি। তথাপি ঘৰলৈ অহাৰ এটা অইন উত্তেজনা আছে। আজি প্ৰায় তিনি-বছৰ মান হ'ল, সি ঘৰলৈ অহা নাই। তিনিবছৰৰ মূৰত ঘৰলৈ অহা আনন্দ শিহৰণত সি গমেই পোৱা নাছিল ইমান দূৰ বাট খোজ কঢ়াৰ কষ্টটো। গাটোও অলপ বিষাইছে। বিচনাৰ পৰা উঠো উঠো বুলিও উঠা নাই সি। বিচনাৰ পৰাই দেখিছে ভনীয়েক পাপৰিয়ে গোঁসাইঘৰৰ সন্মুখত অলপকৈ ৰ'দ পৰা ঠাইতে পঢ়াৰ যো-জা কৰিছে। মনত পৰিল অৰিন্দমৰ, ল'ৰালি কালত সিও পঢ়িছিল ৰ'দ পৰা ঠাইবোৰত। ওচৰৰ দুই এজন বুঢ়া আহি তাৰ ওচৰতে বহি ৰ'দ লৈছিল। ইটো-সিটো কথা পাতোতেই পঢ়াৰ আধা সময় এনেয়ে গৈছিল। তেতিয়া অৱশ্যে সি পঢ়া সময়ৰ বিশেষ মূল্যটোৰ প্ৰতি গুৰুত্বও দিয়া নাছিল।

"সোণমণি, নুঠ কেলেই, তোক বিচাৰি দুজন মানুহ আহি ঘূৰি গ'ল।" মাকৰ কথা কেইটা শুনি "এই উঠিছোঁ" বুলি কৈও লেপখন ডিঙিলৈকে টানি ল'লে সি। মানুহ-বোৰৰ ওপৰতো তাৰ খং উঠিল। এই ব্ৰহ্ম-পুৱাতে আহিব লাগেনে, সময়নো কিমান হ'ল? অৰিন্দমে ঘড়ীটো গাৰুৰ তলৰ পৰা উলিয়াই আনিলে। ছয় বাজি গৈছে। উঠিব লাগে। ভাবিলে সি, উঠিনো কি কৰিব? মানৱ, মুকুল, প্ৰভাতহঁতলৈ চিঠি এখনমান লিখিব লাগিব। গাঁৱৰ ডাকঘৰটোৰো অৱস্থা তেনেই শোচনীয়। চিঠিৰ বাকছটোত সদায় তিনি কেজিমান সৰু সৰু শিলগুটি ওলাই। আজি টাউনলৈ যাবলৈও মনযোৱা নাই। কালি আহি পাইছেহে। আকৌ আজি ছয়-সাত কিলোমিটাৰ চাইকেল চলাবলৈ মনযোৱা নাই। লেপখন ভৰিলৈ দলিয়াই দি সি উঠি বহিল। বৰ ঠাণ্ডা শীত পৰিছে। চোতালৰ

তাঁৰত মেলি থোৱা চুৰিয়াখনত চকু পৰিল তাৰ। চুৰিয়াখন বতাহত ফিৰ্-ফিৰ্কৈ উৰিছে। বাঃ ইমান ৰাতিপুৱাই গা-ধোৱে তাৰ দেউতাকে। আঁঠুৱাৰ তলৰ পৰা ওলাই গাত চাদৰ এখন মেৰিয়াই ল'লে অৰিন্দমে। হাত-মুখ ধুই ৰান্ধনী ঘৰলৈ গ'ল সি। চকীখনত ভৰি দুটা উঠাই পিন্ধি থকা লুঙি খনেৰে ভৰি দুটা ঢাকি ল'লে। চাদৰখনো আঁঠুৰ তল পালেগৈ। তথাপি অলপ ঠাণ্ডা লাগিছেই। চাহ খাই উঠি ভনীয়েকৰ পঢ়া ঠাইতে চকী এখন নি বহিল সি। ৰ'দৰ আমেজটো বেয়া লগা নাই। এজন বুঢ়া মানুহ কাহি কাহি তাৰ ফালেই আহি আছে। অৰিন্দমে ভালকৈ চাই ধৰিব পাৰিলে হৰিনাথ ককা। এই দুই-তিনি বছৰতে স্বাস্থ্যৰ ইমান অৱনতি হ'ল যে! আৰু দুবছৰৰ পিছত হ'লে চিনিবকে নোৱাৰিলেহেঁতেন। পাপৰিয়ে চকী এখন আনি দিলে। হৰিককা বহিল। অৰিন্দমৰ বেয়া লাগিল। গাঁৱৰ বাকীবোৰ মানুহবো একেই অৱস্থা হ'ল নেকি? নাই নহয়, ককাৰ বয়সো হ'ল যথেষ্ট। প্ৰায় আশী মানেই হ'ব চাগৈ। সি নিজকে প্ৰত্যয় নিয়ালে। দুই-তিনি বছৰ পিছত দেখিলে মানুহক এনেও বেলেগ বেলেগ লাগে। কালি আহি পাওঁতে মাককতো অলপ বেলেগ বেলেগ লাগিছিল। আগফাল দুই-চাৰিডাল চুলি পকা, মুখত দুই-এটা বয়সৰ আঁচোৰ—বস্তু-খিনিয়ে পৰিবৰ্ত্তন হ'ল মাকৰ। হৰিককাৰ আকৌ নহ'ব কিয়!

"ককা, তোমাৰ স্বাস্থ্য কিন্তু বৰ বেয়া হ'ল" সি ককাৰ ফালে চাই অলপকৈ হাঁহি ক'লে। "এহ, বুঢ়া কালত আৰু স্বাস্থ্য ভালে থাকেনে? আজি যাওঁ, কালি যাওঁ অৱস্থা, এতিয়া আৰু স্বাস্থ্য থাকেনে? ককাৰ মাতটোৰো এক আচৰিত পৰিৱৰ্তন। ইমান দুৰ্ব্বল মাতটো। আগতেতো বেছ গলগলীয়া মাত আছিল ককাৰ। ককাই কৰা ভাওনা সি নিজেই চাইচে কতবাৰ। কি সুন্দৰকৈ বচন মাতিছিল, দৰ্শকক কন্দুৱাই পেলাইছিল।

"পিছে, আকৌ কেতিয়াকৈ যাবি? বিহুৰ কেইদিন নাথাকিবি জানো?" ককাই সুধিলে।

"আৰু নাযাওঁ ককা। এইবাৰ গাঁৱতেই থাকিম।" উত্তৰ দিলে অৰিন্দমে।

"কিয়, তোৰ পঢ়া শেষ নেকি?" পুনৰ সুধিলে ককাই।

পঢ়া মানুহৰ ক'ত শেষ হয়, ককা? মোৰ কাৰণে শেষেই বুলি ধৰাচোন। আমাৰ শেষৰ বছৰৰ পৰীক্ষা হৈ গ'ল নহয় আৰু নপঢ়োঁ। পাৰিলে দুই-তিনিবছৰ পিছত কিবা এটা বিষয়ত বিশেষভাৱে পঢ়িম।" ককাই ভালকৈ বুজি নাপালে। তথাপি কিবা এটা বুজিলে। সেয়ে সুধিলে "এতিয়া কি কৰিম বুলি ভাবিছ?"

"চাওঁচোন কি কৰিব পাৰোঁ। ঘৰতে ফাৰ্মাচী এখন খোলো বুলি ভাবিছোঁ। আমাৰ গাঁৱৰ মানুহৰ মাজত থাকিয়েই ভাল পাম যেন লাগিছে। বেয়া হ'ব নেকি ককা?"

"কিয় বেয়া হ'ব? ডাক্তৰৰ অভাৱ আমাৰ গাঁৱতেই নহয়, গোটেই অঞ্চলটোতে। গাঁৱত থকাতো খুব ভাল কথা, খুবেই ভাল কথা। কিন্তু শিক্ষিত মানুহবোৰচোন গাঁৱত থাকিবই নোখোজে ..............." ককাই সন্দেহ প্ৰকাশ কৰিলে। অৰিন্দমৰ মনটো বেয়া লাগি গ'ল। ইমান পঢ়া-শুনা কৰি আজি এজন মানুহৰ ওচৰত সি বিশ্বাস জন্মাব পৰা নাই। শিক্ষাক ককাই শ্ৰদ্ধা কৰে, শিক্ষিত-খিনিক ককাই অবিশ্বাস কৰে। নতুন যুগৰ,

নতুন সমাজৰ কলুষিত বতাহে ককাৰ মনত সন্দেহৰ বীজ ৰোপন কৰিছে। অৰিন্দমে লাহে লাহে কৈ গ'ল " চোৰা ককা, আমি আচলতে নিজকে চিনিবলৈ যত্ন নকৰোঁ। শিক্ষা লাভৰ প্ৰকৃত মূল্যবোধ আমাৰ নাই। আজি মানুহে শিক্ষা আহৰণ কৰে ধনৰ বাবে। চোৰা ককা, ভাৰতবৰ্ষত শতকৰা ৭০ জনৰ অধিক মানুহ থাকে গাঁৱত আৰু শতকৰা ৩০ জনৰো কম মানুহে বাস কৰে চহৰত। কিন্তু ডাক্তৰবোৰৰ আকৌ ৯০ জনৰো অধিক থাকে চহৰত ; গাঁৱত থাকে শতকৰা ১০ জনৰো কম। তাৰো বেছি ভাগ চাকৰিৰ তাড়ণাতহে থাকে। আচলতে এই চিকিৎসা — বিজ্ঞান বোলা বস্তুটো চহৰৰ কাৰণেহে প্ৰৱৰ্ত্তন কৰা যেন লাগে। সেইকাৰণে মই ঠিক কৰিছোঁ, মই গাঁৱতহে থাকিম। গাঁৱৰ মানুহখিনিৰহে চিকিৎসা কৰিম।" হৰিককাৰ মুখখনত উজ্জ্বলতা দেখি অৰিন্দমৰ ভাল লাগিল। ককাই কিন্তু নিশ্চয়তা বিচাৰিলে " ৰহচোন ৰহ, ইমানবোৰ কথা যে কলি, তই পাৰিবি জানো গাঁৱত থাকিব ? ইমান টকা পইচা খৰচ কৰি পঢ়ি ............ "

" এতিয়া মই নকওঁ ককা, যেতিয়া কৰি দেখুৱাম তেতিয়া চাবা।" লাহেকৈ ক'লে অৰিন্দমে। ককাৰ মনৰ সন্দেহৰ মেঘ আঁতৰি গ'ল। অলপ হাঁহি ক'লে ককাই— " তই আকৌ বেয়া নাপাবি, মই কথাটোহে কৈছোঁ......।" ককাৰ মুখৰ পৰা কথা কাঢ়ি আনি অৰিন্দমে হাঁহি হাঁহি কলে — " তোমাক কিয় বেয়া পাম ককা। তুমিতো ঠিক কথাই কৈছা। তোমাৰ প্ৰত্যেকটো কথাই সত্য।" ককাই বৰ ভাল পালে। উৎফুল্লিত মনে যাবলৈ ওলাল। অৰিন্দমক আশীৰ্ব্বাদ কৰিলে। থৰক-বৰককৈ খোজ পেলাই ওলাই গ'ল। ককাৰ ফালে চাই অৰিন্দমে ভাবিলে মানুহজনৰ অন্তৰৰ কথা। গাঁৱৰ যিখন পঢ়াশালীত সি জীৱনৰ আদি শিক্ষা লৈছিল সেই পঢ়াশালীখনৰ কাৰণে মাটিখিনি দিছে। ককাই। পঢ়াশালীখন পাতি দিছিল ককাই। হৰিককাৰ তুলনাত নিজকে বৰ স্বাৰ্থপৰ যেন লাগিল তাৰ। নহ'লে, হৰিককাই তাক বিশ্বাস কৰিবলৈ ইমান টান পাইছে কিয় ? অৱশ্যে বিশ্বাস নকৰাটোৱেই স্বাভাৱিক। হৰিককাই প্ৰতিষ্ঠা কৰা পঢ়াশালীতে ছাত্ৰ জীৱনৰ আদি-পাঠ শেষ কৰি এতিয়ালৈকে সিহঁতৰ গাঁৱৰে দুজন অভিযন্তা, দুজন অধ্যাপক, এজন ডাক্তৰ হ'ল। কিন্তু গাঁৱত কোনো এজনো নাথাকে। গাঁৱত নথকাতো বিশেষ ডাঙৰ কথা নহয়, কিন্তু গাঁওখনৰ বিষয়ে কোনেও আজিলৈকে চিন্তা নকৰিলে। বৰং হৰিককাৰ আগেৰে গাড়ীৰ ধূলি উৰুৱাই গোটেইবোৰ গুচি যায়, ককাৰ ফালে ঘূৰিও নাচায়। সেই কাৰণে ককাই বিশ্বাস নকৰে অৰিন্দমহঁতক। অৰিন্দমৰ মনটো সেমেকি উঠিল ককাৰ কথা ভাবি। সি সংকল্প কৰিলে ককাক কোৱা প্ৰত্যেকটো কথা সি আখৰে আখৰে পালন কৰিব। শিক্ষাৰ আন এটা নাম টকা নেকি ? অৰিন্দমে নাজানে, কিন্তু টকাৰ যে আন এটা নাম স্বাৰ্থ তাক সি ভালকৈ বুজিলে। সি প্ৰতিজ্ঞা কৰিলে সিহঁতৰ অঞ্চলৰ ডাক্তৰৰ অভাৱটো সি অলপ হ'লেও পূৰাবলৈ চেষ্টা কৰিব। ককাই কৰা মহৎ কাৰ্য্যক অন্ততঃ অলপ সন্মান জনাবলৈ সি সমৰ্থ হ'ব। বহাৰ পৰা উঠিল সি। তেতিয়া ৰ'দটো টান হৈ আহিছিল। কুঁৱলিবোৰ ইতিমধ্যে আঁতৰি গৈছে।.........

# আহুতি

**অমূল্য বৰা**
স্নাতক ১ম বাৰ্ষিক (বাণিজ্য)

**সিদিনা** আছিল দেওবাৰ। দিনৰ দিনটো ঘৰতে কটাই ৰাতিলৈ প্ৰতিমাৰ টোপনি একেবাৰেই অহা নাছিল। তাই এনেয়ে বিচনাত ওপৰ মূৰা হৈ পৰি আছিল। সঁচাকৈ ৰঞ্জনাৰ কথা মনত পৰিলে দুখ নকৰাকৈ থাকিব নোৱাৰি। বেচাৰীৰ জীৱনটো পানীত হাঁহ-নচৰা অৱস্থা হৈ পৰিছে। এনেতে ওচৰৰে কাৰখানাটোৰ পৰা টং···টং ···টং কৰি নিশা এঘাৰ বজাৰ সংকেত ভাঁহি আহি তাইৰ কাণত পৰিল। লগে লগে প্ৰতিমাই লাইটৰ চুইট্‌টো অফ্ কৰি লেপখন বুকুলৈকে টানি শুই পৰিল। তাৰ পিছত............

ৰঞ্জনাই কৈ গৈছিল, — অনামি জুৰিটিৰ পাৰত বহি অন্তৰত মচিব নোৱাৰা গভীৰ সাঁচ বহুৱাই যোৱা তাইৰ নিষ্কলুষ প্ৰেমৰ মৰ্মন্তুদ কাহিনী।

............ তেনেকৈয়ে লগ পাইছিল ৰঞ্জনাই যৌৱনৰ প্ৰথম পুৱাৰ কোনো এক শুভক্ষণত ৰাজীৱ বৰুৱাক। সুন্দৰ পোছাক -পৰিচ্ছদ, চাল-চলন, ব্যৱহাৰ-পাতিত আভিজাত্যৰ গোন্ধসনা ৰাজীৱ তেতিয়া কলেজৰ ছাত্ৰ। ৰাজীৱৰ দেউতাক সমাজৰ এজন অভিজাত শ্ৰেণীৰ প্ৰতিপত্তিশীল লোক। তেওঁৰে তৃতীয় সন্তান আছিল ৰাজীৱ। ৰাজীৱৰ এজন ককায়েক, এজনী বায়েক আৰু এজনী ভনীয়েকৰ সৈতে সুখী পৰিয়াল। সকৰে পৰা লাহ-বিলাহত প্ৰতিপালিত হোৱা ৰাজীৱে অভাৱ কি বস্তু নাজানিছিল। কেৱল চকুত ৰং-বিৰঙৰ গগল্‌চ লগাই গোটেই জগতখনকে ৰঙীন বুলি ভাবি আহিছিল।

আনহাতে ৰঞ্জনা! তাই বাল্যকালতে জন্মদাত্ৰী মাতৃক হেৰুৱাব লগীয়া হৈছিল। সেয়েহে ঘৰত মাহীমাকৰ অশান্তিত থাকিব নোৱাৰি ষষ্ঠ শ্ৰেণীৰ পৰাই টাউনত দদায়েক-খুড়ীয়েকৰ লগতে থাকিবলৈ লয়। বৰ্তমান তাই ৰাজীৱৰ সৈতে একেখন কলেজৰে ছাত্ৰী।

এটি মিঠা নাম 'ৰঞ্জনা'। হাঁহো— নাহাঁহো কৰা দুটি ওঁঠ, হৰিণীৰ দৰে চঞ্চলা চকুজুৰি আৰু লাহি কঁকালটিৰে ৰঞ্জনা সঁচাই এজনী ধুনীয়া ছোৱালী। এনেকৈয়ে দিনবোৰ অতিবাহিত হৈ মাহত, আৰু মাহবোৰ বাগৰি বছৰত পৰিণত হৈছিলহি। যৌৱনৰ দুৱাৰ দলিত ভৰি দি ৰঞ্জনাই পৃথিবীখন আগতকৈয়ো ধুনীয়া দেখিলে।

সেই অনামী জুৰিটিৰ পাৰত বহি ৰঞ্জনাই পুনৰ কৈ গৈছিল তাইৰ বিগত জীৱনৰ হাঁহি-কান্দোন মিশ্ৰিত দিনবোৰৰ

কথা ; ঘাট-প্ৰতিঘাতৰ কথা। আৰু কৈছিল হৃদয়ৰ মণিকোঠাত খুউব সযত্নে সংগোপনে সাঁচি থোৱা ইটো-সিটো বহুতো কথা।

"প্ৰতিমা, তুমিতো জানাই, মই আৰু ৰাজীৱ দুয়ো সহপাঠী আছিলোঁ। ৰাজীৱহঁতৰ প্ৰকাণ্ড দুমহলীয়া ঘৰটো কলেজৰ পৰা প্ৰায় এককিলোমিটাৰ মান দূৰৈত আৰু আমাৰ ঘৰৰ পৰা আধা কিলোমিটাৰমান।

কলেজৰ পৰা আহোঁতে যাওঁতে আমি দুয়ো বাটত প্ৰায়ে লগ হওঁ। কেতিয়াবা হাঁহিৰে, কেতিয়াবা দুই এটা শব্দৰে দুয়ো দুয়োকো সম্ভাষণ জনাওঁ।

সময়বোৰ পল-অনুপলকৈ আগুৱাই যাব ধৰিলে। অজ্ঞানিতে আমি দুয়ো ক্ৰমে কাষ চাপি গ'লো। যৌৱনৰ ফাগুনৰ পচোৱাত মতলীয়া হৈ দুয়ো দুয়োকো আহ্বান জনালোঁ। আমি স্বপ্ন ৰচি গ'লো দুয়ো এদিন এক হৈ যোৱাৰ .........।"

"দিনবিলাক স্বাভাৱিকভাৱেই পাৰ হৈ গৈছিল। মান-অভিমানৰ মাজেৰে আমি দুয়ো আগুৱাই গৈ আছিলোঁ। কেতিয়াবা ধেমালিতে কৈছিলো — "ৰাজীৱ, মুহূৰ্তৰ দুৰ্বলতাত তুমি যি ভৱিষ্যত জীৱন এটি আদৰি লোৱাৰ স্বপ্ন দেখিছা সি এখন অনিশ্চিত পৃথিৱী।" মোৰ কথাত বাধা দি সি প্ৰতিবাদ কৰি কৈছিল — "ৰঞ্জনা কিয় তেনেকৈ কোৱা ? ভাবিছা নেকি অন্তৰত কাৰোবাৰ বিলাসবহুল জীৱন এটি আদৰি লোৱাৰ স্বপ্ন আঁকিলৈ তোমাৰ লগত ধেমালি কৰিছোঁ বুলি। ৰঞ্জনা, তুমি মোক ভুল বুজিছা। মোৰো এখন সুকীয়া অন্তৰ আছে, এখন হৃদয় আছে, য'ত আছে তোমাৰ প্ৰতি মোৰ অসীম ভালপোৱা ও প্ৰেম। তোমাৰ মোৰ মাজত পাৰ্থক্য কোন খিনিত সেয়া মই নজনা নহয়। কিন্তু ভালপোৱা জানো অন্য বস্তুৰ সৈতে তুলনা কৰিব পাৰি ? অ' জানিছোঁ, তুমি মোক জুখি চাইছা।" — সঁচাই ধেমালিৰ চলেৰে এটি সত্যকেই গোপন কৰি ৰাজীৱক জুখি চাইছিলোঁ। ৰাজীৱে আৰু বহুতেই কৈছিল .........।

কিন্তু মই স্তব্ধ হৈ গৈছিলেঁা। ৰাজীৱে এনেকৈ ক'ব বুলি মই ভাবিব পৰা নাছিলোঁ। অনাগত দিনৰ ৰঙীন কল্পনাত মই হেৰাই গৈছিলোঁ। বঞ্চিত হৈ থকা কিবা এটি পোৱাৰ মিঠা সম্ভাৱনাৰে মোৰ তৃষ্ণাতুৰ বুকুখন পূৰ্ণ হৈ উঠিছিল। মোৰ ৰিক্ত অন্তৰত জোৱাৰ উঠিছিল। মই পাহৰি পেলাইছিলো সেই 'প্ৰাচীৰ' খনৰ কথা। যিখন প্ৰাচীৰে সমাজৰ উচ্চ-নীচ, ধনী-দুখীয়া আদিক পৃথক কৰি ৰাখে। আচলতে মই দুৰাকাঙ্ক্ষী হৈ পৰিছিলো।

ইতিমধ্যে আমাৰ এই সম্পৰ্কৰ কথা ৰাজীৱৰ দেউতাকেও জানিব পাৰিছিল। তেখেতৰ খঙে চুলিৰ আগ পাইছিলগৈ। "তই ইমানখিনি সাহস ক'ত পালি ?" বুলি ৰাজীৱক অনেক ককৰ্থনা কৰিলে। "সমাজত মোৰ যথেষ্ট মৰ্যাদা আছে ; বংশ-গৌৰৱ আছে। এজনী সাধাৰণ নীহ কুলীয়া ছোৱালীক বিয়া কৰাই মোৰ বংশৰ মৰ্যাদা জলাঞ্জলি দিয়াতো মই কেতিয়াও সহ্য কৰিব নোৱাৰোঁ। মোৰ কথামতেই সকলো হ'ব লাগিব। ন'হলে.... ।"

অৱশেষত ৰাজীৱৰো দুৰ্বল মন সলনি হৈ গ'ল। গভীৰতা অবিহনে প্ৰেম ক্ষণস্থায়ী। ৰাজীৱৰ বিলাস-বহুল জীৱনত অবিচল প্ৰেমৰ মূল্য অকল্পনীয়।

কিন্তু........। কি কৰিম। দুখীয়াৰ দুখ নুগুচে। সেই সময়তেই বেমাৰত আক্ৰান্ত হৈ থকা মোৰ দেউতাৰ মৃত্যু হয়। খবৰটো শুনিয়েই মোৰ মূৰৰ ওপৰত এটা প্ৰকাণ্ড শিল পৰা যেন অনুভৱ কৰিছিলোঁ। মই

কান্দি কান্দি ভাগি পৰিছিলোঁ। হয়তো ৰাজীৱৰ ভাৱনাত মজি থাকোঁতেই ইফালে দেউতাৰ চিকিৎসাৰ সময় উকলি গৈছিল। নিজকে অপৰাধী অপৰাধী ভাৱে মোক খুলি খুলি খাবলৈ ধৰিলে। সেয়ে আজি মই অনুতপ্ত ........। অনুশোচনাৰ জুয়ে মোক আৱৰি ধৰিছে ......। দেউতাক হেৰুৱাই মই ঠেকুহীন হৈ পৰিলোঁ।

মোৰ স্বপ্নবোৰ চূৰ্ণ-বিচূৰ্ণ কৰি ৰাজীৱ এদিন মোৰ কাষৰ পৰা আঁতৰি গ'ল। ৰাজীৱৰ বিয়া হৈ গ'ল এজনী ধনী উচ্চ বংশৰ ছোৱালীৰ সৈতে। মই মূক হৈ পৰিছিলো। অন্তৰখন বিষাদৰ ডাৱৰে চানি পেলালে। মোৰ কণ্ঠ যেন ৰুদ্ধ হৈ গ'ল। চিঞৰি চিঞৰি ক'বৰ মন গৈছিল — "ৰাজীৱ তুমি প্ৰৱঞ্চক, বিশ্বাসঘাটক। নিজৰ মনৰ সন্তুষ্টিৰ কাৰণে তুমি আনৰ জীৱন বিপৰ্যস্ত কৰিবলৈ কুণ্ঠাবোধ নকৰিলা। তুমি স্বাৰ্থপৰ। তুমি জীৱনত কেতিয়াও শান্তি নাপাবা।" মনৰ সকলো আশা-আকাঙ্ক্ষা নিঃশেষ হৈ গ'ল। জীৱনটোৰ প্ৰতি বিতৃষ্ণা উপজি নিজকে শেষ কৰি দিবৰ মন গৈছিল।

প্ৰতিজ্ঞা কৰি ৰাজীৱেই এদিন কৈছিল-- "জীৱনটোত দুয়ো একেডাল এনাজৰীৰে বান্ধখাই পৰিম" বুলি। কিন্তু মই নুবুজিলো; হয়তো সেয়া আছিল ৰাজীৱৰ কোনোবা এক আবেগ-বিহ্বল মুহূৰ্ত্তত সৰি পৰা কিছুমান অৰ্থহীন শব্দ........। বহুতো চেষ্টা কৰিও বিফল হ'লো। কিন্তু তেওঁক বুজাব নোৱাৰিলো। তেওঁৰ ধন আছিল বাবে জয়ী হ'ল। ধনেৰে আজিকালি সকলো কৰিব পাৰি। গতিকে ......।

"ঘাত-প্ৰতিঘাত, হাঁহি-কান্দোনে থকা সৰকা কৰা জীৱনৰ মাদকতাহে গভীৰ। ইয়েই প্ৰকৃত জীৱন......।" জানো এয়া কোনোবা দুৰ্ভগীয়ালৈ নিক্ষেপ কৰা একমাত্ৰ সান্ত্বনাৰ বাণী ......। মাথো বেদনা; প্ৰৱঞ্চনা লৈয়ে জানো মানুহ জীয়াই থাকিব পাৰে? জীয়াই থাকিবলৈ প্ৰেৰণা জানো নালাগে?

কথাবোৰ কৈ কৈ তাই ভাগৰি পৰিল। টপ্‌ টপ্‌কৈ দুটোপাল চকুলো সৰি মাটিত পৰিল। আকৌ ক'বলৈ চেষ্টা কৰিলে "বৰ্তমান মোৰ কোনো নাই। হয়তো কেইটিমান দিনৰ পিছতে সমাজে মোক কলঙ্কিতা নাৰী বুলি ঘৃণা কৰিব। মোৰ এই অভিশাপ-গ্ৰস্ত জীৱনটোৰ দৰে তুমি যাতে অশান্ত ধুমুহাৰ কবলত নপৰা এই বুলিয়েই অকপট ভাৱে প্ৰকাশ কৰি দিলোঁ মোৰ জীৱনৰ সংগোপনে সাঁচি থোৱা বেদনাৰ ইতিহাস।" ৰঞ্জনা ফেকুৰী উঠিল। পাৰ ভাঙি অহা বানপানীৰ দৰে তাইৰ চকুলোৱে দুগাল তিয়াই পেলালে। বেদনাক্লিষ্ট চকুযুৰিয়ে অসহায়-ভাৱে প্ৰতিমালৈ চাই ৰ'ল। তাইক সান্ত্বনা দিবলৈ আজি প্ৰতিমাৰ মুখত ভাষা নাছিল। সেয়ে ৰঞ্জনাক তাই হেঁপাহ পলুৱাই কান্দিবলৈ দিছিল। তাইৰ সেই চকুলোৱে ধুই নিয়ক তাইৰ হৃদয়ৰ সকলো বেদনা; অভিশাপ ........।

"সকলো হেৰুৱাৰ পাছতো থিতাতে জীৱনটো শেষ কৰি যন্ত্ৰণাৰ পৰা মুক্তি পাবলৈ হয়তো বেচিপৰ নালাগিলহেঁতেন। কিন্তু সেই ভুলৰ অনুশোচনাত মই দগ্ধ। প্ৰায়শ্চিত্তৰ বাবে বোধহয় আজীৱন ভিক্ষা কৰিব লাগিব। সেই কথা মনত পৰিলে আজিও মোৰ অন্তৰখনে হাঁহাকাৰ কৰি উঠে। বুকুৰ কোনোবা এখিনিত অসহ্য বিষ অনুভৱ কৰোঁ। কিন্তু ........ ???"....

টং....টং....টং। দেৱাল ঘড়ীটোৱে ৰাতিপুৱা পাঁচ বজাৰ সংকেত দিলে। খপ-জপকৈ প্ৰতিমাই বিছনাৰ পৰা উঠি টুথব্ৰাচ ডাল হাততলৈ আনদিনাৰ দৰেই ৰাষ্টালৈ ওলাই গ'ল। তাই নিশাৰ সপোনটোৰ কথা লগৰীয়া কেইজনীৰ আগত কৈ আছিল।

এনেতে সিহঁতে কিছুমান হুলুস্থুল শুনিবলৈ পালে। ইকাণে-সিকাণে আহি কথাটো প্ৰতিমাৰ কাণতো পৰিল, — ৰঞ্জনাই........। ইতিমধ্যে গোটেই অঞ্চলটোতে খবৰটো বিয়পি পৰিবলৈ বেচি পৰ নালাগিল। সপোন ইমান নিষ্ঠুৰভাৱে বাস্তৱত পৰিণত হোৱাত প্ৰতিমা স্তম্ভিত হৈ পৰিল। সেই করুণ দিনটোৰ কথাবোৰৰ অন্ত পৰিবলৈ নৌপাওঁতেই প্ৰতিমাই এখন চিঠি পঢ়িবলৈ পালে, —

মৰমৰ

বান্ধৱী,

মৰমবোৰ লবি। বিশেষ নাছিল যদিও এটি কথাৰ বাবেই লিখিলোঁ। তাৰ বাবে বেয়া নাপাবি ও ক্ষমা কৰিবি। মোৰ অন্তৰৰ কথাবোৰ তোক ক'বলৈ সময়কে নাপালো। পঢ়িবলৈ ঘৃণা কৰিলেও, সিদিনা তোৰ ঘৰলৈ যাওঁতে মই তোৰ পঢ়া টেবুলৰ (টেবুল ক্লথৰ) তলতে মোৰ বিগত জীৱনৰ কথাবোৰ লিখি থৈ আহিছিলোঁ। বিঃ নাই। আহোঁ দেই ........।

ইতি,

ৰঞ্জনা

মানুহ আশা আৰু কল্পনাক লৈয়ে জীয়াই থাকে। একোজনৰ কল্পনা বাস্তৱত পৰিণত হয় আনহাতে একোজনৰ নহয়। ৰঞ্জনাৰো কল্পনা কল্পনা হৈয়ে ৰ'ল। ৰাজীৱৰ ঘৰখনে ৰঞ্জনাক নীচ-হীন বুলি অৱজ্ঞা কৰিলে। অনুশোচনাত ৰঞ্জনা ভাগি পৰিল। ভীষণ মানসিক অন্তৰ্দ্বন্দ্বত ৰঞ্জনাই জীয়াই থকাৰ প্ৰেৰণাকণো হেৰুৱাই পেলোৱাৰ উপক্ৰম হ'ল। আউল লাগি যোৱা জীৱনটোৰ প্ৰতি তাইৰ মোহ নাইকিয়া হৈ গ'ল। সেয়ে ৰাজীৱৰ বিয়া আৰু দেউতাক বিয়োগৰ দুদিনৰ পিছতে লোক-লজ্জাৰ পৰা হাতসাৰিব নোৱাৰি বিগত দিনৰ ৰঙীন স্মৃতিবোৰক পাহৰিবলৈ, নিঃসঙ্গতাৰ দুৰ্বিসহ বেদনাৰ উপশম ঘটাবলৈ তাইৰ আগত আত্মাহুতিৰ বাহিৰে আনপথ খোলা নাছিল।

সচাঁকৈ মানুহৰ জীৱনটো পানীৰ সোঁতত উটি ভাঁহি থকা এখন টুলুঙা নাওঁ। মনত পৰিছে আজি মোৰ একমাত্ৰ বান্ধৱী ৰঞ্জনাৰ কথা। মনৰ আশা পূৰণ হ'বলৈ নাপাওঁতেই কলিতে মৰহি যোৱা এটি মিঠা নাম 'ৰঞ্জনা'। ঢৌত ভাঁহি ডুবুডুবু হৈ থকা টুলুঙা নাওঁখনে পাৰ নোপোৱাকৈ মাজতে ডুবি যোৱাৰ দৰে, ৰঞ্জনাৰ বাস্তৱ জীৱনটোও কালৰ সোঁতত অজানিতে হেৰাই গ'ল।

●●

# শেষ নিশাৰ অশ্রু

পুষ্পাঞ্জলি সেনাপতি
প্ৰাক-স্নাতক ২য় বাৰ্ষিক (কলা)

আজি বহুদিনৰ মূৰত মই ঘৰখনলৈ আহিছোঁ। মোৰ মাৰ কোমল নিস্তেজ মুখখনে চাকৰি জীৱনৰ কৰ্মব্যস্ততাৰ মাজতো মোক আমনি কৰে। সেই গাওঁখনে, তাৰ কাষেৰে, কুলু কুলু সুৰেৰে বৈ যোৱা নিজৰাটোৱে, ঘৰৰ সন্মুখৰ মুকলি পথাৰখনে, গাঁৱৰ বাৰীৰ কেঁচা মাটিৰ গোন্ধে মোক শৈশৱটোলৈ মনত পেলায়।

তিনিবছৰৰ আগতেই বি-এ পাছ কৰি অফিচৰ মুখে মুখে দৰ্খাস্ত পেলায়, ইণ্টাৰভিউ দি ভাগৰি পৰাৰ পাছত মোৰ ভাগ্য মুকলি হৈছিল। সেইদিনা আমাৰ সৰু পৰিয়ালটোৰ কিমানযে আনন্দ। মোৰ চাকৰি হৈছিল ক্ৰিমিনেল ইনভেষ্টিগেচন ডিপাৰ্টমেণ্টত। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ মই ঘূৰি ফুৰিব লাগে। দৰকাৰ হ'লেও বিশেষ প্ৰয়োজন নাথাকিলে চাকৰিৰ পৰা দুই এদিন ছুটীলৈ মই ঘৰখনলৈ আহিব নোৱাৰো।

চাকৰিৰ পৰা অহা কেইবাদিনো হ'ল। তথাপিও মই আত্মীয়-স্বজন, বন্ধু বান্ধৱীৰ ঘৰলৈ যাবই পৰা নাই। মাত্ৰ গাওঁখন ফুৰিছো। বহুদিন বিকাশটোকও দেখা নাই। সেইয়ে বাতিপুৱাই নবৌৱে দিয়া গৰম ভাত মুঠি পেটত পেলাই বাছষ্টেণ্ডৰ ফালে খোজ পেলালোঁ। মই নাহিলেও চিন্তা নকৰিবৰ কাৰণে নবৌক কলো। বিকাশ মোৰ হাইস্কুলীয়া বন্ধু। আমাৰ গাওঁখনৰ এমূৰে থকা তাৰ মোমায়েকৰ ঘৰত থাকিয়েই সি হাইস্কুলত পঢ়িছিল।

মই ষ্টেণ্ড পোৱাৰ লগে লগে বাছো আহিছিল। গোটেই দিনটো থকাকৈয়ে আজি সিহঁতৰ ঘৰলৈ আহিছো। তাৰ দেউতাক ঢুকাওতেই যোৱাৰ পৰা আৰু যোৱা নাই। মোমায়েকে কোৱামতে — " সি ঘৰত এনেয়ে থাকে। তথাপিও আমাৰ ফালে নাহে।" আজি তাক সুধিব লাগিব।

বিকাশহঁতৰ আলিটোৰ মূৰতে বাছখন ৰ'ল। মই বাছৰ পৰা নামি চাৰিওফালে চালোঁ। তাত কেইখনমান ঘুমটি দোকান আৰু এখন চাইকেল মেৰামতি কৰা দোকান আছে। অলপ আঁতৰত ৰিক্সাৱালা এটাই পিছৰ যাত্ৰীকঢ়িওৱা আসনখনত বহি আৰামেৰে টোপনিয়াই থকা মোৰ দৃষ্টিগোচৰ হ'ল। তাৰ টোপনি ভঙাৰ ইচ্ছা নকৰি ঘুমটি এখনৰ পৰাই দুপেকেট বিস্কুট কিনি লৈ খোজেৰেই বিকাশহঁতৰ ঘৰলৈ যোৱা পথটোৰে অগ্ৰসৰ হ'লোঁ।

আলিটোৰ মূৰৰ পৰা সিহঁতৰ ঘৰলৈ বেছি দূৰ নহয়, ফাগুনৰ দুষ্ট পছোৱাজাক তেতিয়া মোৰ অনুকূলে আছিল। আকাশখন উকা উকা। বেলিটোৰ কোমল ৰ'দজাক গছ-গছনিৰ ফাকে ফাকে আহি কেতিয়াবা মোৰ গালে মুখে পৰিছিল। মোক দেখি

বাটত পৰি থকা ঘৰশালিকাৰ জাকটো উৰি গ'ল।

বিকাশহঁতৰ নঙলা কেইডালৰ ডুডাল খুলি সোমাই গলোঁ। তাৰ মাক ভনীয়েকে তাঁত এখন লগাইছে। মাকে মই সোমাই যোৱা দেখি চাইছে। বোধকৰো চিনিব পৰা নাই। মই চকুৰ পৰা চানগ্লাছযোৰ আঁতৰাই ললোঁ।

—"পলাশ; আহা, মই চিনিবই নোৱাৰিছিলো।"

—"ভাললে মা; এইজনী কবিতা নহয়নে? তাই ইমান ডাঙৰ হৈ গ'ল; ঐ ছোৱালী এইফালে আহ।"

কবিতাই সিহঁতৰ সৰু। মই আগৰবাৰ আহোঁতে তাই দশম শ্ৰেণীত পঢ়িছিল। দেখাতো তেনেই সৰু ছোৱালীৰ দৰে আছিল। মই বিস্কুটৰ পেকেট দুটা তাইৰ হাততে দিলো। লাজুকীয়া হাঁহি এটাৰে তাই মোৰ হাতৰপৰা বিস্কুট দুপেকেট লৈ ভিতৰ সোমাল। যাওঁতে মোক বহিবলৈ ক'বলৈ নাপাহৰিলে। মই বাহিৰৰ ৰুমতে বহিলো।

বিকাশহঁতৰ ঘৰৰ বিশেষ সালসলনি হোৱা নাই; অৱশ্যে ফটোবোৰ নতুন লগাইছে। তাত দুখন কেলেণ্ডাৰৰ বাদে আনবোৰ বিকাশে হাতে আঁকা বিভিন্ন ৰুচিৰ ছবি। হাইস্কুলতেই সি ধুনীয়াকৈ ছবি আঁকিব পাৰিছিল।

বাহিৰৰ বটাতোতে কেইটামান মছলা দেখি তাৰ দুটামান মুখতে ভৰাই ফটোবোৰৰ ওপৰত চকু ফুৰালো। মোৰ সন্মুখতে অসমৰ কেইজনমান বিশিষ্ট ব্যক্তিৰ ছবি বেলেগ বেলেগকৈ বন্ধোৱা আছে। এইবাৰ মই বহি থকাৰ সোঁকাষৰ ছবিখনৰ ওপৰত চকু পৰিল। এটা সাধাৰণ প্ৰাকৃতিক দৃশ্য! শিল্পীৰ নিপুণ হাতৰ পৰশত জীৱন্ত হৈ উঠিছে। অৱশ্যে ফটোখনৰ এটা কথা মই বুজিব নোৱাৰিলোঁ। গোটেই সেউজীয়া পৰিবেশৰ মাজত এজোপা লঠঙা গছ। তাৰ কাষৰখন এটা প্ৰাকৃতিক দৃশ্য হ'লেও সমাজব্যৱস্থা যেনহে লাগে। এটা দালানসদৃশ বৃহৎ অট্টালিকাৰ কাষত কেইটামান সৰু সৰু জুপুৰি ঘৰ। দুয়োখন ছবিৰ অসামঞ্জস্যলৈ লক্ষ্য ৰাখি বিকাশৰ মনৰ বৰ্তমান ভাৱধাৰা সম্পৰ্কে এটা নিৰ্দিষ্ট মতামত দিয়াটো মোৰ বাবে কঠিন হ'ল। এইবাৰ তাৰ দাঁতিৰ ছবিখনত মোৰ চকু পৰিল।

— "ককাইদেউ চাহ ...... খাওক।"

কাৰোবাৰ মাতত মোৰ সম্বিৎ ঘূৰিল। মই চকুহাল ফটোখনৰ পৰা নমাই শব্দটোৰ ফালে নিক্ষেপ কৰিলো। এইজনী চাহলৈ কবিতা থিয় দি আছে।

— 'থ' চোন। বিকাশ কেতিয়া আহিব?

সি কোমফালে নাজানিলেও সি নথকাৰ পৰাই তাৰ অনুপস্থিতিৰ সন্দেহ পাইছো।

— "ককাইদেউ বজাৰলৈ গৈছে; এইমাত্ৰ আহিব। সি অকল আজিৰ দিনটোতহে ওলাই যায়। আনকালে ঘৰতে থাকে।"

তাইৰ কথাত উত্তৰ দিয়াৰ প্ৰয়োজন বোধ কৰাৰ আগতেই কোনোবাই নঙলা খোলাৰ শব্দত দুয়োটাই সেইফালে চালো।

— "ককাইদেউ আহিছে; আপুনি চাহ খাওক; চেঁচা হ'ব।"

কবিতাই মোক চাহ খাবলৈ কৈ ৰুমটোৰ পৰা ওলাই চোতাল পালেগৈ। নঙলাকেইডাল খুলি চাইকেলখন ঠেলি ঠেলি বিকাশ সোমাই আহিল। তাই চাইকেলৰ পৰা মোনাটো খুলি আনিলে।

"কোনোবা আহিছে নেকি অ' কবিতা?"

— "পলাশ ককাইদেউ আহিছে।"

বিকাশে একো নকৈ মই বহি থকা ৰুমটোলৈ আহিল।

— "আৰে পলাশ তই।"

— "কি হ'ল ...উচাপখাই উঠিলিযে।"

— " ৰ'হচোন মই গাটোত চিকুটি চাওঁ---সপোন নে দিঠক ।"

হাঁহি হাঁহি বিকাশে নিজৰ গাটোত চিকুটি চালে । তাৰ কাণ্ড-কাৰখানা দেখি মইও হাঁহি ৰাখিব নোৱাৰিলো। দুইটাই পাৰেমানে হাঁহিলো । অৱশ্যে মই হাঁহি বন্ধ কৰাৰ আগতেই সি বন্ধ কৰিছিল ।

— " ঐ গৰু ! থিয় হৈ ক'ৰবাত সপোন দেখেনেকি ?"

- " নেদেখে কাৰণেইতো প্ৰমাণ চাব লগা হৈছে ।"

সি কথাষাৰ কৈ ভিতৰলৈ সোমাই গ'ল । বিকাশ আগতকৈ খীণাইছে । ডাঢ়ি চুলিবোৰ কটোৱা নাই । কিহৰ কাৰণে তাৰ এই পৰিবৰ্ত্তন, মই চিন্তা কৰিলো । খন্তেক পাছতে সি সোমাই আহিল । এইবাৰ সি লংপেন্ট-টোৰ সলনি বগা পাইজামা পিন্ধি আহিল। হাতত এখন কাপোৰ বোধকৰো সেইখন মোলৈকে আনিছে ।

— " ধৰ । এইখন সলাই ল' । ব'ল মোৰ ৰুমতে সলাবি ।"

মই তাৰ পৰা কাপোৰখন হাত পাতি লৈ তাৰ পিছে পিছে গলো । ৰুমটোৰ বস্তু-বাহানিবোৰেই সি ব্যৱহাৰ কৰাৰ পৰিচয় দিলে । এখন বিচনা আৰু এযোৰ চকী টেবুল। তাৰ বাদে কেইটামান আলমাৰিত অকল কিতাপেৰে ঠাহ খাই আছে । মই জোতাযোৰ খুলিলত সি নিজে পিন্ধি থকা চেণ্ডেলযোৰকে মোক দিলে । লংপেন্টৰ পৰিবৰ্তে বগা কাপোৰখন পিন্ধি লৈ চোলাৰ হাতৰ বুটামদুটা খুলি অলপ কোচাই ললোঁ । হাত ঘড়ীটো খুলি তাৰ টেবুলতে থলো ·····

······ হাতমুখ ধুই মই পুনৰ তাৰ ৰুমলৈ আহিলোঁ । কবিতাই মোৰ হাতত এখন গা-মোছা দিলেহি । মই হাতমুখ মচি ললোঁ। এইবাৰ তাৰ কিতাপৰ আলমাৰিটোলৈ চকু পৰিল । গোটেইবোৰ পৃথিৱীৰ মহান মহান ব্যক্তিয়ে লিখা কিতাপ । অৱশ্যে সেইবোৰ সি ক'ৰপৰা কেনেদৰে সংগ্ৰহ কৰিলে নুসুধিলো ······

টেবুলখনৰ ওপৰতে এই সংখ্যাৰ প্ৰান্তিকৰ কপিটো দেখি বুটলি ললোঁ । খন্তেক পিচতে সি সোমাই আহিল ।

— " আহ ভাত খাওঁগৈ ।"

······ মই ঘৰত খাই আহিছিলো যদিও একো নকৈ খাবলৈ গ'লো। মা'য়ে কেইবাখনো ব্যঞ্জনেৰে যোগাৰ কৰিছে । দুয়োটাই খোৱাত লাগিলো । খোৱাৰ মাজতে সি মই কি চাকৰি কৰোঁ সুধিছিল । কিন্তু সকলোকে কোৱা ফাঁকিটোকে মই তাকো কলো । কাৰণ আমাৰ চাকৰিৰ কথা ঘৰখনৰ প্ৰাণীকেইটাৰ বাদে আনে জনাতো সম্পূৰ্ণ নিষেধ। অৱশ্যে বিকাশক মই ফাঁকি দিয়াৰ কাৰণে মোৰ আত্মবিশ্বাসৰ ওপৰতে বেমেজালি লাগিল ।

বিকাশহঁতৰ ল'ৰাছোৱালী সি আৰু কবিতা । দেউতাক আজি তিনিবছৰৰ আগতে মটৰ দুৰ্ঘটনা হৈ ঢুকাইছে। মই কবিতাই হাততে লৈ থকা বটাতোৰ পৰা তামোল এখন মুখত ভৰাই আকৌ তাৰ ৰুমলৈকে আহিলোঁ । মোৰ পিছতে সিও আহিছিল ।

"প্ৰান্তিক" খনেই পুনৰ মেলি লৈ তাৰ বিচনাখনত বাগৰ মাৰিলো ।

— " শুবি নেকি পলাশ ?"

— " নোশোওঁ ; এনেয়ে পৰি দিছো ।"

স্কুলীয়া জীৱনৰ কথা পাতিয়ে দুপৰীয়া সময়কণ পঠালোঁ । কবিতাই অলপ সময়ৰ পিছতে চাহ আনিছিল । চাহ খোৱাৰ পিছত সি মোক থাকিবলৈ কৈ চাইকেলখন লৈ কোনোবাফালে ওলাই গ'ল । মোক লগ নধৰাৰ কাৰণে ভালেই পালো ।

সি নথকা সময়কণ কবিতা আৰু মাৰ লগত কথা পাতিলোঁ । মাজতে মাকে মোক

সি পঢ়া-শুনা এৰাৰ কথা ক'লে । আজি দুব-বছৰৰ আগতে সি বিয়া পতাৰ কথাও আছিল । অৱশ্যে সেইকথা মোক মোমায়েকে কৈছিল।

ফাগুনৰ বেলিটো তেতিয়া পশ্চিম আশা-শত । কঁহুৱা ফুলবোৰ ফাগুনৰ পছোৱাজাকত উমলি ফুৰিছে । পলাশবোৰ ফুলিছে। দিনটো ভিতৰতে সোমাই আছো কাৰণে অলপমান ফুৰি আহোঁ বুলি লংপেণ্টটো পিন্ধিলো। মই ওলাবলৈহে পালো কবিতাও ওলাল। মই বাধা নিদিলোঁ ।

তাইক পঢ়া শুনাৰ পৰামৰ্শ দিয়েই এক কিলোমিটাৰমান আগবাঢ়িলো । তাইৰ লগৰ ছোৱালী এজনীৰ ঘৰত মোক জোৰ কৰি সোমোৱাবলৈ লৈছিল । মই কোনোমতে অজোহাত দেখুৱাই বাছি আহিছোঁ। ইফালে গধূলিও হ'ল, আমি উভতিলো ।

আমি আহি নঙলামুখ পাওঁতেই সি সোমাইছিলহি । তাৰ হাতত এক কিলোমান ওজনৰ এটা ৰৌ মাছ । মাছটো দেখি মই একো মন্তব্য নিদিলো । মই থকাৰ কাৰণেই বোধকৰো আনিলে । কবিতাই মাছটো লৈ ভিতৰলৈ গ'ল ।

— "ফাগুণৰ পছোৱা দেখিছোঁ বাৰু- কৈয়ে লাগিল । পিছে তহঁত হালক আপ্যায়িত কৰাৰ কাৰ সৌভাগ্যনো ঘটিল ?"

— "নাই কাৰো ঘৰত নোসোমালোঁ। মাত্ৰ তহঁতৰ গাওঁখন চাওঁবুলি ওলাই গলোঁ।"

— "ভাল হ'ল, পিছে কেনে দেখিলি।"

ৰসিকতা কৰাৰ চলেৰে মই তাক কলো।

— "সুন্দৰ! একেবাৰে নিখুঁত !! মানে শুৱনি । ......"

কিন্তু ইঁহাৰ বিপৰীতে তাৰ মুখখন আন্ধাৰহে দেখিলো । হাঁহি হাঁহি ওলাই অহা সূৰ্য্যটোক এচমকা কলিয়া ডাৱৰে আবৰি ধৰাৰ পাছত বতৰটো যেনেদৰে ম্লান হৈ পৰে ঠিক তাৰ মুখখনো তেনেকুৱা ম্লান হৈ গ'ল।

মোৰ সোধাৰ ইচ্ছা আছিল যদিও নুসুধিলো কাৰণ সি সঁচা কথা নকয় ।

মই তাৰ ৰুমতে সোমালো । সি ভিতৰলৈ গৈছিল যদিও আকৌ ৰুমলৈ আহিল। দুয়ো-টাই হাত মুখ ধুই আহিলো । কবিতাই ক্ষন্তেক পাছতে সন্ধ্যাৰ চাহ আনিছিল । লগত এই-মাত্ৰ তৈয়াৰী কেইটামান পিঠা । তাই থালখন থবলৈহে পালে মই এটা মুখত ভৰালোৱেই । সি লংপেণ্টটো সলাই থাকোতেই পিঠা গোটেই কেইটা মোৰ পেটত সোমাল। কবিতাই কথাটো জানি আৰু কেইটামান থালখনত থলেহি । মই আৰু এটা আনিবলৈ হাত মেলোতেই তাৰ মুখ খোল খালে। — "কি হ'ল আটাই-বোৰ তইয়ে ভৰাবিনেকি ।" কথাষাৰ কৈ সি মোৰ আগৰপৰা থালখন ডাঙি নিলে । মোৰ ওলাই অহা হাঁহিৰ বিস্ফোৰণটো ৰখাবই নোৱা-ৰিলো । কিন্তু মুখত এমুখ চাহ আৰু পিঠা থকাৰ বাবে গোটেইখন একাকাৰ হৈ গ'ল ।

— "ঐ কবিতা চাহিচোন। এইটোৱে তেনেই সৰ্বনাশ কৰিলে । ফটা কাপোৰ এখন লৈ আহ ।"

কবিতাই ফটা কাপোৰ এখন লৈ সোমাই আহিল । মই তাইৰ হাতৰ পৰা কাপোৰখন লৈ কিতাপৰ ওপৰত পৰা ছিটিকনিবোৰ মোহাৰি দিলো । পৰিস্থিতিৰ কথা বুজিব পাৰি কবিতা ৰুমটোৰ পৰা ওলাই যোৱা দেখি মনতে ধন্যবাদ জনালো। অৱশ্যে তাইৰ আগত মই লাজ নকৰোঁ ।

— "ঐ গৰু চোলাটো খোল । এনেয়ে বগা চোলা তাতে চাহৰ দাগ ।"

........ বিকাশে কবিতাক মাতি মই খুলি দিয়া চোলাটো এইমাত্ৰ চাফ'ত জুবুৰিয়া-বলৈ ক'লে । মোৰ গেঞ্জি নাছিল কাৰণে তাৰ চোলাকে এটা দিয়াত সেইটোকে পিন্ধিলো। লৰামতীয়া চঞ্চল স্বভাৱটোৰ কাৰণে বিকাশ আৰু কবিতাৰ ওচৰত যদিও নিজকে

অপৰাধী যেন লাগিছিল তথাপিও মনৰ দুৰ্বলতা পাৰ্য্যমানে প্ৰকাশ নকৰিবলৈ চুপে চাপে বহি থাকিলো । যেন আগৰ ইমানবোৰ কাণ্ড কাৰখানা ঘটাই বেমেজালিৰ সৃষ্টি কৰা নায়ক মই নহৈ আন কোনোবাজনহে । বিকাশে মাছটো বাচি দিওঁগৈ বুলি ভিতৰলৈ গ'ল । মাক কথাটো নক'বলৈ কোৱাত সি হাঁহি দিলে ।

কবিতাই হাতত কিতাপ এখন লৈ সোমাই আহিল । তাইক ইংৰাজীৰ গল্প এটা বুজাই দিব লাগে । আলোচনী পঢ়াতকৈ কামটো ভালেই পালো । তাই এইবাৰ উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষা দিব ।

গল্পটো ভালদৰে বুজাই তাৰপৰা দৰকাৰী প্ৰশ্ন বাছি দিবলৈ লওঁতেই বিকাশ সোমাই আহিল । সি কবিতাক মজিয়াখনত পানী তুনিৰ যোগাৰ কৰিবৰ কাৰণে পঠাই মোৰ কাষতে বহিল । ইতিমধ্যে তাৰ মাকে আমাৰ দুয়োটাৰ কাৰণে ভাত বাঢ়িছিল । হাত মুখ ধুই খোৱাত বহিলো । কবিতাই ইটো সিটো বস্তুৰ যোগাৰ ধৰিলেহি ।

ইমান সময়ে কবিতাই আমাৰ দুয়োটালৈকে তাৰ বিচনাখনকে ঠিক কৰিছিল । মই ভাত খাই ৰুমটোলৈ সোমাই যোৱাত তাইক অলপ অপ্ৰস্তুত দেখিলো । মোৰ দুষ্ট চকুযোৰে এইবাৰ তাইৰ চকুত খোপনি ল'লে । কিন্তু বিকাশ সোমাই অহাত খোপনিটো স্থায়ী নহ'ল । তাই মুখ টিপি হাঁহি ওলাই গ'ল ।

— "দুয়োটা ইয়াতে শুম ; কিবা অসুবিধা পাবিনেকি ?

উত্তৰ দিয়াৰ পৰিবৰ্তে মই মূৰটো সামান্য জোকাৰি দিলোঁ । এইবাৰ সি পঢ়ি অহা কলেজখনৰ কথা উলিয়ালে । কলেজৰ প্ৰফেচাৰ প্ৰিন্সিপাল, ল'ৰা-ছোৱালীৰ পৰা আদি কৰি কেৰাণী চকীদাৰলৈকে যিমানখিনি বিৱৰণী দিলে মোৰ নিজকে সেই কলেজখনত ঘূৰি ফুৰাৰ দৰে লাগিল । সি কৈ থকাৰ মাজত মই একো প্ৰশ্ন নকৰিলো । মই লক্ষ্য কৰিলো সি যেন কিবা কথা এবাৰ মোৰ আগত লুকুৱাবলৈ যত্ন কৰিছে । অৱশ্যে মাজতে মোৰ এই ধাৰণাৰ ওপৰত বেমেজালি লাগিছিল । কাৰণ আমি পুলিচৰ মানুহবোৰ সদায় সন্দেহবাদী । সি ক্ষন্তেক নীৰৱ হ'ল ।

— "মাইঁত শুলে নেকি ?"

নীৰৱতাখিনি ভাঙি মই তাক সুধিলো । কিন্তু সি উত্তৰ দিবলৈ লোৱাৰ আগতেই মা আহিছিল ।

—"বিকাশ ইয়াত শুবলৈ কিবা অসুবিধা পাবানেকি ?"

—"নাপাওঁ মা ।"

—"তেন্তে শোৱা ; ময়ো শোওঁগৈ ।"

মা ওলাই গ'ল । কবিতাৰ কোঠাৰ লাইট তেতিয়াও জ্বলি আছে । তাই পঢ়িছে ; মই মা ওলাই যোৱা পিছতেই এটা চিগাৰেট জ্বলালো । গোটেই দিনটো খাবলৈ পোৱা নাই ।

—"ঐ জ্বলাবি নেকি ?"

মই বিকাশক সুধাত সি মূৰটো জোকাৰি দিলে । মই হুপিবলৈ ধৰিলো । বিকাশে যেন কিবা চিন্তা কৰিছে ।

—"পলাশ ;"

—"কি হ'ল ।"

—"সন্ধিয়া তোৰ আগত মই নইঁহাৰ কাৰণে তোৰ কৌতুহল হৈছিল নহয় ।"

... মই গম পাইছো । মোৰ দৰৰে গুণ দিছে । বিকাশে আকৌ ক'লে —

—"মই যেতিয়া কলেজত পঢ়ো তেতিয়া অপ্ৰত্যাশিতভাৱে এজনী ছোৱালীৰ লগত চিনাকি হৈছিলো । মই তেতিয়া বি, এ, প্ৰথম বাৰ্ষিকত । তাইৰ নাম শুৱলা । মই শুৱলাৰ লগত চিনাকি হৈছিলো । পিছত সেই চিনাকিয়েই প্ৰেমলৈ ৰূপ সলাইছিল ।

কিন্তু শুৰলা আৰু মোৰ মৰমৰ মাজত কোনো কৃত্ৰিমতা নাছিল। মই তাইক বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিছিলো। সিহঁতৰ ঘৰৰ সকলোৱে মান্তি হৈছিল……।”

…বিকাশ ক্ষন্তেক মৌন হ'ল। মই চিগাৰেটটোৰ অৱশিষ্ট টুকুৰাটো খিড়িকিয়েদি দলিয়াই পেলালো।

—“মই পঢ়া শুনা বাদ দি তাইৰ কাৰণেই ব্যৱসায় কৰাত লাগিছিলো। অৱশ্যে এই ক্ষেত্ৰত মা-দেউতাই মোক বাধা দিয়া নাছিল। ঘৰখনৰ একমাত্ৰ ল'ৰা কাৰণেই হয়তো মোৰ ইচ্ছাৰ বিপৰীতে মা-দেউতা নগৈছিল। মই যে শুৰলাক ভালপাওঁ, বিয়াও কৰাম—সেই কথা জানি দেউতাই মোক গালি পাৰিছিল আৰু মোৰ ভালপোৱাৰ মাজত অন্তৰায় হৈ থিয় দিছিল। কাৰণ শুৰলাৰ হেনো মাক-দেউতাকৰ পৰিচয় নাই। তাই তোলনীয়া।”

বিকাশে এটা গধুৰ হুমুনিয়াহ পেলালে। মোৰ ভাৱ হ'ল বিকাশে, যেন মোক কোনোবা কেচৰ ৰহস্যৰ কথাহে ক'বলৈ ওলাইছে। তাৰ পিছত আকৌ ক'লে —

—“মই প্ৰতিবাদ কৰিছিলো। কান্দিছিলো; কিন্তু চকুপানীবোৰ শুকান মাটিত পৰি শুকাই যোৱাতো দেউতা নিজৰ সিদ্ধান্তৰ পৰা এখোজ নলৰিল। মই শুৰলাৰ আগত এই কথা কওঁতে তাই কান্দিছিল। মইযে তাইক এইষাৰ কথা ক'বলৈকে সিহঁতৰ ঘৰলৈ গৈছিলো সেইটো সিহঁতৰ ঘৰৰ কোনেও নাজানিলে। মই গুচি আহিলো। মোৰ বিয়া নহ'ল।

তেতিয়া মই মা-দেউতাৰ ওপৰত প্ৰতিশোধ লোৱাৰ এটা সংকল্প লৈছিলো। জীৱনত মই বিয়া নকৰাওঁ।”

বিকাশে চকুলো টুকিলে। মই যেন কিবা ৰহস্যৰ গোন্ধ পাইছো।

—“তাই, তাই আজি তিনিবছৰৰ আগতে আত্মহত্যা কৰিলে পলাশ।”

বিকাশৰ এটা উচুপনিয়ে কোঠাটোৰ স্থিৰ বায়ুখিনিক কঁপাই তুলিলে। মই টেবুলৰ পৰা জুইশলাটো বুটলি আকৌ এটা চিগাৰেট জ্বলালো।

—“মই দোষী। শুৰলাৰ মৃত্যুৰ কাৰণে মই দোষী। মোৰ ঘৰলৈ কেইবাবাৰো পুলিচৰ মানুহ আহিছিল। কিন্তু তাই মৰাৰ আগমুহূৰ্তত মাক-দেউতাকলৈ লিখা চিঠিখনে মোৰ যে কোনো দোষ নাই সেইটো প্ৰমাণ কৰি দিলে। তাই তাত লিখিছিল—‘এইয়া মোৰ ইচ্ছামৃত্যু।’ কিন্তু তাইৰ সেইয়া ইচ্ছামৃত্যু নাছিল।”

ওলাই আহিল মোৰ অজানিতে মোৰ মুখৰ পৰা এটা গধুৰ হুমুনিয়াহ। তাৰমানে মোৰ ধাৰণাই ঠিক। মই তাক কলোঁ — — “জান বিকাশ। মই সেই কেচটোৰ তথ্য গোটাবলৈকে তোৰ ওচৰলৈ আহিছিলো। শুৰলাৰ যে ইচ্ছামৃত্যু হোৱা নাছিলে সেই কথা আমাৰ মাজত আলোচনা হৈছিল। কেচটো মই পাইছিলো। সেয়ে মই তোক সেই বাক্যটোৰে চিন্তিত কৰি তোৰ পৰিবৰ্তন লক্ষ্য কৰিছিলো। কাৰণ পোনে পোনে সুধিলে তই নকলিহেঁতেন।”

বিকাশে একে দৃষ্টিৰে মোৰ চকুলৈ চালে। তাৰ চকুহালত বিশ্বাস অবিশ্বাসৰ দোলা। লানি পাতি উৰি যোৱা চৰাইৰ জাকটো যেন হঠাতে খেলি মেলি হৈ গ'ল।

— “তাৰ মানে তই ……”

— “মই ক্ৰিমিনেল ইনভেষ্টিগেচন ডিপাৰ্টমেণ্টৰ কৰ্মচাৰী। ক্ষমা কৰিবি বিকাশ। মই তহঁতৰ সকলোকে ফাঁকি দিব লগা হোৱাত তোকেই ক্ষমা বিচাৰিছোঁ। তইতো জানই আমি গোটেই জীৱন মিছাতেই পঠাব লগা হয়।”

— “কিন্তু।”

— “তোক ক্ৰিমিনেল সাজি মই মোৰ

চাকৰিৰ মৰ্যাদা নবঢ়াওঁ বিকাশ। মই এতিয়াও সেই ৰিপৰ্ট দিম যে শুৰলাৰ ইচ্ছামৃত্যু হৈছিল। কিন্তু তই শুৰলাক কিয় নিজৰ কৰি নললি। শুৰলাৰ ভালপোৱাৰ বাবে কিয় ঘৰৰ বাধ্য বাধকতা এৰিব নোৱাৰিলি। শুৰলাই তোক ভাল পোৱাৰ প্ৰতিদান স্বৰূপে আত্মহত্যা কৰিলে। শুৰলাৰ আত্ম বলিদানৰ বিনিময়ত তোৰ আজীৱন অবিবাহিত হৈ থকা প্ৰতিজ্ঞা যে কিমান দুৰ্বল।"

মই তাৰ মুখলৈ চালোঁ। তাৰ চকুত পানী।

তেন্তে বিকাশৰ গাটো দোষ নাই। পকেটৰ পৰা ডায়েৰী বহীখন উলিয়ালো, কথাবোৰ লিখিলোঁ। দিনটোৰ ভাগৰ এটাই জুমুৰি দি ধৰিছে। দূৰৈত বনকুকুৰা এটাই চিঞৰিছে। মই প্ৰস্তৰ মূৰ্তিৰ দৰে বহি থকা বিকাশলৈ চাব নোৱাৰিলো।

মই শুই পৰিলোঁ ........।

পূৰ্ব পুৰুষৰ ৰক্ত ধাৰণ এতিয়াই এই জাতিৰ শিৰাই শিৰাই প্ৰবাহিত। শিলে সাৰ পাইছে, পোৱাই স্বাভাৱিক। নিদ্ৰিত আগ্নেয়গিৰিৰ বুকুত গুৰু গম্ভীৰ শব্দ শুনা গৈছে, আৰু বেছি আঘাত পালে উদ্গীৰণ হ'ব। দেশৰ নেতাসকল সাৱধান হ'বৰ হ'ল।

**নটসূৰ্য্য ফণী শৰ্মা**

# পূজাৰ

## বেলুন

দীপেন কুমাৰ বড়া
স্নাতক ২য় বাৰ্ষিক (কলা)

**মাৰ** ওপৰত মোৰ মনে মনে খং উঠি আহিল। ভাবিছিলো কিবা এটা ক'ম? নাই কৈ একো লাভ নহ'ব। মাৰ যেন প্ৰতিডাল শিৰা-উপশিৰাই মোৰ জ্ঞাত। মোৰ মুখত টান কথা শুনিলে হয়তো কষ্ট পায়। বোধহয় ডাঙৰ সন্তানৰ প্ৰতি থকা অপত্য স্নেহৰ বাবেই। গৰ্ভত থকা কালতেই এইজনী মাতৃৰ হৃদয়খন যেন মই অধ্যয়ন কৰি পেলাইছোঁ। মাতৃক মানসিক কষ্ট দিয়া মোৰ ইচ্ছা নাই। সেয়েহে একো নকৈ মনে মনে থাকিলো। সাধন দদাই মানুহটোৰ প্ৰতি মোৰ ভাল ভাব কেতিয়াবাই হেৰাই গৈছে। তেতিয়া, মই স্কুললৈ গৈছোঁহে, মাটি এডৰাৰ বাবে আমাৰ পিতৃহীন পৰিয়ালটোক অলপ জলাকলাখন খুঁউওৱা নাই। এতিয়া সেই মানুহটোৱেই পইচা বিচাৰি লৰি আহিছে। আমাৰ নিজৰেই থৰ নাই। তথাপিতো মায়ে টকা কুৰিটা দদাইৰ হাতত দিলে—ৰুগীয়া সন্তানটিৰ বাবে।

বিচনাত বাগৰি থাকি আমনি লাগিছে। টোপনিও অহা নাই। চকু দুটা মুদি টোপনি যাবৰ চেষ্টা কৰিলোঁ। আজি যেন মাতৃৰ কাৰ্য্যই মোক আকৌ কিবা এটা শিকালে। দেউতাৰ অবিহনে এইজনী মানুহেই আমাক দুবেলা দুসাজ খুৱাই আহিছে। পিতৃৰ দায়িত্ব মূৰপাতি লোৱাতো যেন তেওঁৰ হৃদয়ৰ পৰিবৰ্তন হোৱা নাই। মাথো বয়সৰ আঁচোৰত দৈহিক অৱক্ষয় ঘটিছে। কিবা কাৰণত অভিমান কৰিলে তেওঁৰ আঙুলি পাঁচোটাৰ কোমল স্পৰ্শই মোৰ সকলো অভিমান চুৰ-মাৰ কৰি পেলাই। শিপিনীৰ গুণটোৰ বাবেই স্বামীৰ অভাৱতো তিনিটা সন্তানক দুখ নোপোৱাকৈ ৰাখিব বিচাৰে। কেতিয়ানো তেওঁক মোৰ আৰ্জনেৰে আগৰ হাঁহিটো ঘূৰাই আনিব পাৰিম?

মোৰ কেতিয়াবা নিজকে বৰ অপৰাধী অপৰাধী লাগে। মাৰ কংকালসাৰ দেহটোৱে আৰু আৰ্থিক অৱস্থাই মোক বেচিকৈ চিন্তা কৰিবলৈ শিকাইছে। মায়ে এইটো দেহাৰেই। তাত বয়, লোকৰ ঘৰত দিনৰ দিনতো হাজিৰা কৰি আমাৰ কাৰণে ভাতমুঠি যোগাৰ কৰে। দায়িত্বশীলা নাৰীৰ দৰে অহৰহ জিৰণি নোলোৱাকৈ কৰি যায় গতানুগতিক কামবোৰ। ৰোৱাতী মাটি দুবিঘা। তিনিমাহ মানৰ ভাত। তাকো অভাৱৰ সময়ত তেল নিমখকণৰ বাবে ব্যৱহাৰ কৰিব লাগে। ৰতন আৰু তগৰৰ পঢ়া খৰচ। মুঠতে এশ এবুৰি সমস্যাই জুমুৰি দি ধৰিছে। তথাপিতো কোনোদিনেই মায়ে কাকো দুখ দিয়া মনত

নাই। মাথো কয় "ঈশ্বৰত বিশ্বাস ৰাখ বোপাই, তেওঁ যেনেকৈ চলাই তেনেকৈ চলিব লাগিব।"

ঈশ্বৰৰ নাম ল'লেই মোৰ খং উঠি আহে। কাৰণ, তেওঁ সকলো দেখে যদি কিয় সহায় নকৰে। স্বাৰ্থপৰ নেকি তেওঁ? দদায়ে মাটি কেইডৰা অন্যায় কৈ লওঁতে, আমাৰ বুকুৰ পৰা দেউতাক যমে কাঢ়ি নিয়াৰ সময়ত তেওঁ ক'ত আছিল? দেউতাইতো তেওঁক খুউব বিশ্বাস কৰিছিল। কিয় তেওঁ সহায় নকৰিলে? ৰতন, তগৰে যিদিনা খাবলৈ নেপাই কান্দি কান্দি বিচনাত লেলাউতি বোৱাই টোপনি যায় তেতিয়া তেওঁ ক'ত আছিল? এইবোৰ কথা শুনিলে মোৰ ঈশ্বৰ নামৰ সেই অদৃশ্য-জনক গালি পাৰিবলৈ মন যায়। তেওঁক লগ পোৱা হ'লে সুধিলোঁহেতেন, "কিয় তেওঁ আমাক সহায় নকৰে, আমাৰ কি দোষ আছিল?" নাই এইবোৰ ভাবি একো লাভ নাই। কিবা কৰিবই লাগিব। দৈহিকভাৱে প্ৰস্তুত নহ'লেও মই কিবা কাম কৰিবই লাগিব। অন্ততঃ মায়ে কিছু সকাহ পাব। ভোগমন দাইটিয়ে নামঘৰত শাস্ত্ৰ পঢ়োতে এদিন কৈছিল, কৰ্ম কৰি খোৱাটোহে সাধু-জনৰ লক্ষ্য। কৰ্মই ধৰ্ম হোৱা উচিত। সৰু হলোঁ বুলি মই কাম কৰিব নোৱাৰাৰ প্ৰশ্ন নাই। মোক টকা লাগে, বহুত টকা....। .... টেবুলৰ ওপৰত থকা বেলুনৰ পেকেটটো এনেয়ে এবাৰ চুই চালোঁ। মনতো ভাল লাগি গ'ল। কামবনবোৰ সোনকালে কৰি আঁতাব লাগে। গোহালিৰ গোবৰ কেইচপৰা গোৱৰ দ'মটোলৈ দলিয়াই ৰাঙলী গাইজনী চোতালৰ আগত বান্ধি দিলোঁহি। মায়ে চোতাল সাৰিহে গাখীৰ খীৰাব। তাৰ পাচত জুহালত জুই জ্বলিব। মুখ-হাত ধুই বাঁহৰ কামি ডুডাল মিহিকৈ চাঁচি ললো। এডাল কামিৰ মাজত আনডাল কামিৰ এটা মূৰ ভালদৰে বান্ধি লৈ বেলুন কিছুমানত বতাহ ভৰাই ওলোমাই ল'লোঁ। ৰতন আৰু তগৰে মোক ইটো-সিটোকৈ বস্তু যতনাই দিছে। সিহঁত ডুটাৰ আগ্ৰহ দেখি মোৰ মনতো অজানিতে ভাল লাগি গ'ল। সিহঁতক তাতে ৰখীয়া কৰি গাটো তিয়াই আহিলোঁ। আলু পিটিকাৰে নাকে-কাণে ভাত ডুটামান গুজি টাউনলৈ যাবলৈ ওলালোঁ। টাউনলৈ তিনি মাইল। তগৰে স্কুললৈ নিয়া বেগটোত অৱশিষ্ট বেলুনখিনি আৰু সূতাখিনি ভৰাই মাক সেৱা এটা জনাই পদূলিলৈ খোজ পেলালোঁ। মাৰ চকুত চকুপানী দেখি মোৰ মনতো সেমেকি উঠিল। তথাপিতো একো নকৈ আগ-বাঢ়িলোঁ। পাছে পাছে তগৰ, ৰতনে কিছুদূৰ আগবঢ়াই দিলেহি।

বেলুন···বেলুন....লাজ আৰু সংকোচে মোক আমনি কৰিলে। নিজকে সংযত কৰি-বলৈ চেষ্টা কৰিলোঁ। ইফালে-সিফালে ঘূৰি ডুই-চাৰিটা বেলুন বিক্ৰী কৰিছোঁ। মানুহ-বোৰৰ মুখলৈ চাবলৈ লাজ লাগে। বেলুন-খিনি ওপৰলৈ তুলি তিনি আলিৰ পূজাখনৰ ফালে আগবাঢ়িলোঁ। দূৰণিবটীয়া গাঁৱৰ ফালৰ মানুহবোৰ ইতিমধ্যে আহিবলৈ আৰম্ভ কৰিছে। এডোখৰ ঠাইত ৰৈ বেলুন কিছু-মানত বতাহ ভৰাই আঁৰি ললো। ঘূৰি ঘূৰি ভোকো লাগিছে। পুৱাতেই খাই অহা। হঠাৎ দেউতালৈ মনত পৰিল। আগতে দেউতাৰ লগত পূজা চাবলৈ আহোঁতে মোৰ নিচিনাকৈ বেলুন বিক্ৰী কৰা ল'ৰাবোৰ দেখিছিলো। সিহঁতক মোৰ ভাল লাগে, ভাল লাগে সিহঁতৰ অনবৰতে বাজি থকা মুখখন। কিন্তু আজি বেলুন বিক্ৰী কৰিবলৈ পাই মোৰ নিজৰে গৌৰৱ লাগিছে।

"বেলুন....বেলুন" — সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ ওচৰত বেচিকৈ চিঞৰো। সিহঁতৰ মনত বেলুনৰ আকৰ্ষণটো বঢ়াই দিব পাৰিলেই সিহঁতে মাক দেউতাকক আমনি কৰিব, তেতিয়া মোৰ বেলুন বিক্ৰী হ'ব ···। "হয় এই কেইটাই, এই ধুৰন্ধৰ কেইটাই মোৰ

কেইটামান বেলুন ফুটাই দিছিল। সিহঁতক দেখি মোৰ খং উঠিল। কি যে পোচাকবোৰ পিন্ধিছে। টাউনৰ মানুহবোৰৰহে ভাল, ঘৰৰ সকলোৰে কাপোৰ সলাই পিন্ধিব পাৰে। হয়তেওঁ বোধহয়, ককায়েক, দেউতাকৰ চোলা-পেণ্টবোৰ পিন্ধি আহিছে। সিহঁতৰ মুখত একোটাকৈ চিগাৰেট। ছেঃ আজি-কালি ল'ৰাবোৰ কি যে হৈ গৈছে, আজি চিগাৰেট, কালিলৈ মদ-ভাং নাখাব তাৰ কি মানে আছে। কথাষাৰ মনতে ভাবি সিহঁতৰ ফালে চালোঁ। সিহঁত আনন্দত আত্মহাৰা। সিহঁতৰে ভাল, খাবলৈ পিন্ধিবলৈ আছে, ইচ্ছামতে আনন্দও কৰিব পাৰে। "দুটা বেলুন দিয়া" —অকস্মাৎ গ্ৰাহক এজনৰ মাতত চক্‌খাই গ'লো। আচলতে তেওঁ কি ক'লে ভালকৈ নুশুনিলোঁ। তেওঁৰ মুখলৈ চালোঁ।

"দুটা বেলুন দিয়া"— গ্ৰাহকজনে পুনৰ ক'লে। বেলুন দুটাৰ সূতাডাল ছিঙি গ্ৰাহকৰ লগত অহা সৰু লৰাজনৰ হাতত দিলোঁ।

"কিমান লাগিব"।

"দুটকা" চমুকৈ কলোঁ।

"কি দুটকা!" — গ্ৰাহকজনৰ মাতত আচৰিত লগা যেন অনুভৱ হ'ল।

"হয়, আজি-কালি দেখিছেই বস্তুৰ যি জুই-ছাই দাম ......।" ব্যৱসায়ী কায়দাত কথা-কেইটা কলোঁ। আগবঢ়াই দিয়া টকা দুটা জেপত ভৰাই দুখোজমান আগুৱাই গ'লোঁ।

জেপত ইমানবোৰ পইচা দেখি মনটো কিবা এটা আনন্দত নাচি উঠিল। কাপোৰৰ ওপৰতে পইচাখিনিত হাতখন বুলাই দিলোঁ। মনতে ভাবিলোঁ, এই পইচাৰে মা, ভনী আৰু ৰতনলৈ কিবা কিনি নিব লাগিব। এইবাৰ পূজা বুলি সিহঁতক একো দিয়া হোৱা নাই। দিবনো কোনে? মায়ে খোৱাৰ চিন্তা কৰিবনে, পিন্ধাৰ চিন্তা কৰিব? কিমান দিন জুহালত জুই জ্বলা নাই তাৰ হিচাপ নাই। ৰতন আৰু তগৰৰ ভোকৰ কান্দোনৰ বিষ মই উপলব্ধি কৰো। উপলব্ধি কৰো সন্তান অনাহাৰত ৰাখি হাহাকাৰ কৰা মাতৃৰ হৃদয়খন। কিন্তু উপায় নাই। ভনীজনীয়ে সেই একেটা চোলা পিন্ধিয়েই স্কুল যায়। তাপলি মাৰি মাৰি চোলাটোৱে এটা নতুন ৰূপ লৈছে। তাই বুজিব পৰা হৈছে। সেয়েহে হয়তো ঠেহ পাতিবলৈও এৰিছে। অজ্ঞাতে বৈ অহা চকুলোখিনি কোনেও নেদেখাকৈ মচি ললোঁ। এখোজ দুখোজকৈ মানুহৰ ভীৰ ফালি আগবাঢ়িছোঁ।

হঠাৎ চকু পৰিল মানুহৰ ভিৰৰ মাজত মাধৱ দদাইলে। হাতত তেওঁৰ বগা কাপোৰে ঢকা এটা মৃতদেহ, কোন হ'ব পাৰে? বোধহয় ৰবীন। তাৰ মানে ৰবীন মৰিল। পাছে পাছে মণিৰাম, বৰপাইহঁত। ৰবীনক তেনেকৈ লৈ যোৱা দেখি মোৰ চিঞৰি — চিঞৰি কান্দি দিবৰ মন গৈছিল। কান্দিব নোৱা-ৰিলো। দদাইৰ ওচৰলৈ যাবও নোৱাৰিলোঁ। কাৰণ দদাইৰ ওচৰলৈ গ'লে মোৰ বেলুন বিক্ৰী কৰা নহ'ব। কাৰণ মোক টকা লাগে। ক্ৰন্দনৰত দদাইক যেন পৃথিবীৰ কোনো মানুহে দেখা নাই। সকলো নিজক লৈ ব্যস্ত। কি যে মমতাহীন নৰসমাজ। কোনে খবৰ ৰাখিব এই নিঃস্বজনৰ প্ৰতি। স্বয়ং মইয়ে যাবলৈ ইচ্ছা নকৰিলো।

নিজকে বৰ নিষ্ঠুৰ যেন লাগিল। সাধাৰণ টকা কেইটামানৰ মোহে মোৰ সাধাৰণ মানবীয়তাকো পাহৰাই পেলালে। তাতে ৰবীন আৰু মোৰ তেজৰ সম্পৰ্ক আছে। আজিকালি মানুহবোৰ চাগৈ মোৰ দৰে হৈছে। প্ৰবল অনুশোচনাই মোক দেই-পুৰি মাৰিছে। জেপৰ ওপৰত টকা কেইটা হাত দি চালোঁ, ঠিকেই আছে। নাই, মই স্বাৰ্থপৰ সচাঁ। কিন্তু মানুহ জন্ম হৈছে মৃত্যুৰ বাবেই। তাতে দুখ কিহৰ, মানবীয়তাৰ প্ৰশ্ন কিয়? দুখৰ সঁহাৰিয়েতো মোক জীয়াই থকাৰ সম্বল নিদিয়ে। নিদিয়ে দৰিদ্ৰতাই পংগু কৰা মোৰ ঘৰখনৰ ভাতমুঠি। জীয়াই থকালৈকে মানুহৰ

বোধহয় প্ৰয়োজন থাকে। তাৰ পাছত···। মাৰ মাতত হঠাৎ সাৰ পাই গ'লো। মায়ে ক'লে দদাইৰ ল'ৰাটো ঢুকাল। মই বিচনাত বহি পৰিলোঁ। অলপ আগতে দেখা সপোনৰ কথা ভাবিবলৈ ধৰিলোঁ, কি যে অদ্ভুত সপোন। আমাৰ ঘৰত ব্যৱসায় কৰা কোনো পৰিবেশেই নাই। তেনে কথা চিন্তা কৰিবলৈ মোৰ পকেটত এটা সিকিও নাই, অথচ······। মই বিছনাৰ পৰা নামি বেগাবেগিকৈ খোজ পেলালোঁ দদাইৰ ঘৰলৈ বুলি ······।

অসমত অসমীয়া ভাষাৰ উপৰিও খিলঞ্জীয়া জনগোষ্ঠীৰ ভাষাবোৰৰ খেতি অসমতে নকৰি আন ঠাইত কৰিব নোৱাৰি। অসমৰ জলবায়ুৱেহে এই জনগোষ্ঠীৰ ভাষা লহপহকৈ বাঢ়ি অহাৰ উপযুক্ত পথাৰ। অসমৰ জনজাতীয় ভাষাবোৰৰ ৰক্ষণাবেক্ষণৰ গুৰু দায়িত্ব সমগ্ৰ অসমৰ ৰাইজৰ। এই ক্ষেত্ৰত লুক-ঢাক কৰিলে নচলিব, বাগি দিলেও নচলিব। তেহে দেশখন ৰক্ষা পৰিব। অতীতত অৱহেলাত, চিন্তাৰ অভাৱত ভুলচুল অনেক হৈছে। তাকে লৈ অমূলক কাজিয়া-পেচাল কৰি থকাটো বৰ আপচু দেখি। সেই ভুল মুকলি অন্তৰে স্বীকাৰ কৰি এৰা-ধৰাৰ মাজেৰে মীমাংসা কৰাহে ভাল মানুহৰ কাম। কিন্তু নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰিবলৈ যোৱাটোত অকণো যুক্তি নাই। অসমখন স্থাপিত সঞ্চিত দেশ। অসমৰ জনজাতি, অজনজাতি-সমূহে মাৰ বান্ধি আগুৱাই গ'লেহে অসমখনক ঠন ধৰাব পৰা যাব।

— **যুগল দাস**

# গাঁৱলৈ আৰু নাযাওঁ

বুধিন শইকীয়া
স্নাতক ৩য় বাৰ্ষিক (কলা)

মাঘ বিহুৰ ৰাতিপুৱা।

ঘৰৰ বাৰান্দাত আৰামী চকীখনত বহি চাহ খাই থকা পঙ্কজ বৰুৱাই কিবা মনত পৰি জাপ মাৰি উঠাৰ দৰে উঠি মাতিবলৈ ধৰিলে........... ।

"হেৰা শুনিছানে·········?"

"হেৰা শুনিছানে, হয়······হেৰা······"

"কিনো চিঞৰ-বাখৰখন লগায় পাই ৰাতি-পুৱাতে", বুলি কৈ বৰুৱানী একেবাৰে কাষৰ দুৱাৰ মুখ পাইহি।

"কথা এটা কওঁ বুলি ভাবিছোঁ, তুমিহে ৰাতিপুৱাতে জেঙেৰা মাৰি উঠিছা······।"

"কওঁক······"

"এ হেৰি অ' - আজি এই বিহুৰ বন্ধটো পাইছোঁ, বতৰো বিহুৰ, ভাবিছোঁ আমি দুয়ো সেই সোণগুটি গাঁৱৰ থানেশ্বৰ আতৈৰ ঘৰৰ পৰা এপাক আহোঁগৈ। আজিৰ দিনটোত গাঁৱত যে কিমান আনন্দ স্ফুৰ্তি। এই ৰাতি-পুৱাতে গাঁৱৰ সকলোৱে মিলি মেজিজুই··· ঘৰে ঘৰে পিঠা-পনা···বাহ···বাহ···ক'ত যে স্ফুৰ্তি। আৰু চহৰৰ এই টেমা গাখীৰৰ চাহ, বিলাতী বিস্কুত কিমান খাম" বুলি কৈয়েই কাপত থকা বাকী চাহখিনি চেৰেক কৰি চোতাললৈ চটিয়াই দিলে।

গিৰীয়েকৰ কাৰ্য্যত বৰুৱানীয়ে মিচি-কিয়াই হাঁহি চাদৰৰ আচলেৰে মুখখন ঢাকি ধৰিলে। বৰুৱাই ক'লে, "ব'লা গাঁৱৰ খাতি ম'হৰ দৈ, কাঁহৰ বাটিত বাটিয়ে বাটিয়ে কোমল চাউলৰ জলপান, বৰা চাউলৰ তিল পিঠা, ঘিলা পিঠা, ভাপত দিয়া পিঠাৰ সোৱাদ বহুত দিন পোৱা নাই। ওলোৱা ওলোৱা দেৰি নকৰিবা······।" বৰুৱানীয়ে ক'লে, "আপোনাৰ দেখিছোঁ এই বুঢ়া বয়সতো মুখৰ জুতি নগ'ল।"

"উৱা, এই বুঢ়া বয়সতহে মানুহৰ মুখত জুতি লাগে। চহৰৰ এই আধুনিক খোৱা-বোৱাত মই একো জুতি নোপোৱা হৈছোঁ হে···জানো জিভাখনৰে কিবা বিজুতি লাগিছে নেকি···?"

"বাচ এতিয়া পাম জানো···?" বৰু-ৱানীয়ে সুধিলে, "এ···সোণগুটি গাঁৱলৈ যোৱা বাচৰ কথা কৈছা। আজিকালিৰ চৰকাৰে গাঁৱৰ চুক-কোণলৈকে পঠিওৱা বাচৰ সংখ্যা গণিব নোৱাৰিবা বুইছা।"

"এতিয়া ওলোৱা, সোনকাল কৰা, পলম নকৰিবা···"

কিছু সময়ৰ পাছত সাজি-কাচি দুয়ো বাচলৈ বুলি খোজ দিলে।

বাচ ষ্টেণ্ডত গৈ দুয়ো ইফালে-সিফালে চাই বাচবোৰত লেখি ৰখা গমনৰ স্থানবোৰ পঢ়িবলৈ ধৰিলে। "অ—সেইয়া—সেইখন

সেইখন", বাচৰ হেণ্ডিমেন এটাই ঢেকীয়াগুৰি ঢেকীয়াগুৰি বুলি চিঞৰা শুনি উধাতু খাই দুয়ো সেইফাললৈ যাবলৈ ধৰিলে, বৰুৱাই ক'লে, "সেই ঢেকীয়াগুৰিলৈ যোৱা বাচখনত গ'লেই আমাৰ গন্তব্য স্থান গামগৈ।" বৰুৱা আৰু বৰুৱানীয়ে কোনোমতে মানুহ ঠেলি-হেঁচি বাচখনত উঠিল, বৰুৱাই উঠিয়েই বহি-বলৈ কোনোমতে চিট দুটা পাই নেকি ইফালে-সিফালে চাবলৈ ধৰিলে। বৰুৱাৰ চকুত পৰিল সৰু ছোৱালী এজনীয়ে চিট এটা দখল কৰি ৰাখিছে। বৰুৱাই ছোৱালী-জনীৰ ওচৰলৈ গৈ ক'লে, "মাজনী, তুমি অলপ উঠাচোন, তুমি তোমাৰ আইতাৰ কোলাত বহা আৰু আৰাম লাগিব। হেৰা তুমি ইয়ালৈ আহা, ইয়াতে বহাহি", বুলি কৈ বৰুৱাই বৰুৱানীক সেই চিটটোত বহুৱাই দিলে, বৰুৱাই কাষতে লোহাৰৰ ৰডডালত ধৰি থিয় হৈ ৰ'ল।

পঙ্কজ বৰুৱাই মনতে আওৰাব ধৰিলে, ইমানকৈ বাচ হৈছে, তথাপি ইমান মানুহ। সদায় ক'লৈনো যায় এই মানুহবোৰ। মানি ললোঁ নৈৰ পানী যেনিবা সাগৰলৈ যায় কিন্তু এই মানুহবোৰ...... হঠাৎ ভেকেটা-ভেকেট গোন্ধ এটা আহি বৰুৱাৰ নাকৰ ভিতৰলৈ সোমাই গ'ল। বৰুৱানীয়ে ৰুমালখনেৰে নাকটোত হেঁচা মাৰি ধৰাত বৰুৱাই গম পালে গোন্ধটো অকল তেৰেঁই পোৱা নাই, বৰুৱাই নাকটোত ধৰি ফুচ-ফাচ কৰি নাকৰ ভিতৰলৈ সোমাই যোৱা বায়ুবোৰ উলিয়াই দিবলৈ ধৰিলে। গোন্ধটো চৰকাৰী মোহৰ মৰা বটলত থকা পানীয়ৰ। কাষত থকা মানুহটোৰ মুখৰ পৰা আহিছে। বৰুৱাই মনেমনে ভাবিবলৈ ধৰিলে বাঘৰ মুখখনো চাগৈ ইমান গেলা গেলা নোগোন্ধাই।

যাত্ৰা আৰম্ভ হ'ল, পাণ জপাদি জাপি নিয়া মানুহৰ হেঁচাত, বহুকেইটা নাড়ী-ভুঁৰু তল-ওপৰ কৰা জোকাৰণিৰ অন্তত, বন্ধু থানেশ্বৰৰ ঘৰৰ পদূলিমূৰত দুয়ো বাচৰ পৰা নামিল। নামিয়েই বৰুৱাই দীঘলীয়া বুকু ভৰি যোৱা উশাহ এটা টানি ল'লে। বহুত দিনৰ মূৰত গাঁৱৰ মুখ দেখিবলৈ পাই, গাঁৱৰ মাটিত ভৰি দিয়েই কিবা এটা বুজাব নোৱৰা আনন্দই পঙ্কজ বৰুৱাৰ মনত ভুমুকি মাৰিব ধৰিলে। সন্মুখৰ উকা পথাৰখনৰ বহুদূৰলৈকে বৰুৱাই ক্ষন্তেক সময় চাই থাকিল। বৰু-ৱানীয়ে নতাতহে বৰুৱাই খপজপকৈ নঙলা-কেইডাল খুলি সোমাই যাবলৈ ধৰিলে। বন্ধু থানেশ্বৰে পিৰালিতে বহি দুয়োলৈ লক্ষ্য কৰি আছিল।

"কিহে আতৈ চিনিবই পৰা নাই যেন পাওঁ।" বৰুৱাই ক'লে।......

"অ আতৈ দেখোন··· মই চিনিবই পৰা নাছিলোঁ।"

"তুমি যে আমাক চিনিবই পৰা নাছিলা সেইয়া তোমাৰ চাৱনিটোতে আমি ধৰিব পাৰিছিলোঁ" —

"জানো, চকুকেইটাই পুৰণি হ'ল নেকি কিবা জলক-তবক দেখোঁ। পিছে আতৈ এই বিহুৰ দিনা তোমাক লগ পাম বুলি ভবাই নাছিলোঁ দেই। মোৰেই কিবা কপাল ভাল নেকি········ ভগৱন্ত নিজে আহি ওলাই ছেহি," —

বৰুৱাই ক'লে, "সময়ৰ বৰ অসুবিধা হে, সেইবাবে সময় সুবিধা মিলিল বুলিহে আজি এইয়া তোমাৰ চোতালত ভৰি......"

থানেশ্বৰে হাঁহি হাঁহি "ভালেই হ'ল ভালেই হ'ল," বুলি তেওঁলোকক ভিতৰলৈ মাতি লৈ গ'ল। কিছু সময় সকলোৰে বহি কথা—বতৰা হোৱাৰ পাছত চাহৰ আয়োজন হ'ল। থানেশ্বৰ গোহাঁইৰ সহধৰ্মিণীয়ে চাহৰ ট্ৰেখন আনি তেওঁলোকৰ সন্মুখৰ চোফাখনত ৰাখি প্ৰত্যেককে বিলাব ধৰিলে। পঙ্কজ বৰুৱাৰ চকু ষ্টিলৰ বাটিটোলৈ গৈ স্থিৰ হ'ল। বাটিটোত বৰুৱাই কল্পনা কৰা বিহুৰ এটাও

বস্তু নাই। বাটিটো পাপৰ ভজাৰ সৰু সৰু টুকুৰা আৰু ভজা চিৰাৰে পূৰ্ণ। কাষৰ প্লেট খনত এডোখৰ কে'ক, সৰু সৰু কাটা নিম্‌কি আৰু এটুকুৰা একা-বেঁকা সৰু তিল পিঠা বিহুৰ নামত। বৰুৱাৰ চকু এইবাৰ কাষত বহি থকা সহধৰ্মিনীৰ ফাললৈ গ'ল। তেওঁৰ গোমোঠা দৃষ্টি দেখি বৰুৱানীয়ে মুখখন চাদৰৰ আঁচলেৰে ঢাকি ধৰিলে।

অৱশেষত খাওঁ—নাখাওঁকৈ বৰুৱাই অলপ খাই বাটিটো ঠেলি দিলে, চাহকাপ মুখলৈ নি ডুবাবমান শোহা মাৰি মুখখন কোঁচাই চাহকাপ থৈ দিলে, থানেশ্বৰে ক'লে, "বৰুৱাই দেখোন চাহ নাখালাই"?

"এ … নকবা বুইছা — পেটটো বৰ আভোক আভোক লাগিছে।"

"এ হয় নেকি, হেৰি নহয় বৰুৱা, তোমালোক এতিয়া যাব নালাগে। সকলোৱে মিলি আজি বিহুৰ দিনা ভাত এসাজকে খাওঁ।"

ভাতপানী খাই যাবলৈ কোৱা কথাষাৰ শুনি পঙ্কজ বৰুৱাৰ মুখলৈ অলপ পানী অহা যেন লাগিল। পঙ্কজ বৰুৱাই মনতে ভাবিলে নিশ্চয় হাঁহ, কুকুৰা কিবা এটা থাকিবই। ভদ্ৰতাৰ খাতিৰতেই নেকি, বৰুৱাই ক'লে, "ভাত—পানী খাবলৈ জানো সময় হ'বগৈ? নালাগে বুইছা……"

"কিয় নহ'বহে বৰুৱা, বাচ আমাৰ ইয়াৰ পৰা ৰাতি আঠ বজালৈকে পাব। তাৰ বহুত আগতে তোমালোকক পঠিয়াম, চিন্তাৰ কোনো প্ৰয়োজন নাই। ব'লা এতিয়া যাওঁ আমাৰ গাওঁখনকে অলপ ফুৰি আহোঁগৈ।" আধা কি'লমিটাৰমান যোৱা, গাওঁখনৰ আলিয়ে আলিয়ে ইমূৰৰ পৰা সিমূৰলৈ থানেশ্বৰে বৰুৱাক লৈ ফুৰিবলৈ ধৰিলে। তেতিয়াও নামঘৰৰ মেজিৰ শেষাংশৰ পৰা ধোঁৱা ওলাই আছে। এটা কথাত বৰুৱাই আচৰিত হৈ সুধিলে, "হেৰি নহয় আতৈ, এই সোতৰঘৰীয়া গাওঁখনত দুটাকৈ নামঘৰ কিয়?" কিন্তু বন্ধুয়ে বিশেষ যুক্তিপূৰ্ণ উত্তৰ এটা দিব নোৱাৰিলে, মাথো ক'লে—"দুজনৰ লগত মন মিলিলেই আজি-কালি এটা নামঘৰৰ সৃষ্টি হয়, আৰু এইয়া বহু আগৰে পৰা আছে।"

পঙ্কজ বৰুৱাই ক'লে, "এনেকৈয়ে যদি সোতৰঘৰ মানুহৰ মাজত দুটাকৈ নামঘৰ থাকে, তেন্তে, অসমীয়া মানুহৰ একতা ক'ত থাকিল আৰু আজিৰ উন্নত সমাজে সেইটো শুধৰাই ল'বৰ হ'ল।"

তেনেতে সন্মুখৰ মানুহঘৰৰ পৰা খোজৰ থিৰ নাইকিয়া দুজন ডেকাল'ৰা ঢলং-পলংকৈ ওলাই আহিল।

এজনে অলপতে বৰুৱাক খুন্দাই মাৰে, মুখৰ পৰা অশ্লীল শব্দ বৰষি বৰুৱাৰ কাষে-দিয়েই সিহঁত পাৰ হৈ গ'ল।

বৰুৱাই মুখত অলপ অৰ্থ-পূৰ্ণ হাঁহি বিৰিঙাই থানেশ্বৰৰ ফালে চাই একো নোকো-ৱাকৈ যাবলৈ ধৰিলে।

ফুৰা-চকা, কথা-বতৰা শেষ কৰি আহি এইবাৰ বৰুৱা ভাত খাওঁতে বৰুৱাৰ, কোনোবা হোটেলত খোৱা যেনহে লাগিল। খোৱাৰ টেবুলত পোনেই বৰুৱাৰ চকু মাংসৰ বাটি-টোলৈ গ'ল। বৰুৱাই মাংসৰ বাটিটোলৈ জোল অলপ ভাতত সানি লৈ ভাত এগৰাহ মুখত ভৰাই মাংস এটুকুৰাও মুখত ভৰাই দিলে। মাংস টুকুৰা সোপোকা সোপোক লাগিল। অৱশেষত বৰুৱাৰ মুখখন আৰু কপালখন কোঁচখাই আহিল, প্ৰকৃত মাংস নহয়। বজাৰৰ আধুনিক মাংস,—নিউট্ৰেলাহে। শেষত তেওঁ নিৰাশ মনেৰে ভাত কেইটামান নাকে-কাণে গুজি ঘৰমুৱা হ'ল।

আজন্ম হেঁপাহৰ গাওঁখনৰ এই কৰুণ অৱক্ষয় দেখি বৰুৱাৰ মন মৰ্মাহত হৈ পৰিল। পত্নীৰ সন্মুখত তেওঁ বিব্ৰত বোধ কৰিলে। উভতি আহোঁতে বাটত তেওঁ পত্নীৰ মুখলৈ এবাৰো চাব নোৱাৰিলে—নিৰৱে আগবাঢ়িল, বৰুৱাৰ অন্তৰৰ বেদনা উপলব্ধি কৰি তেওঁৰ পত্নীৰো এটি হুমুনিয়াহ ওলাই আহিল। বৰুৱাই মনে মনে প্ৰতিজ্ঞা কৰিলে—গাঁৱলৈ আৰু নাযাওঁ। ●

# এটি পৰ্য্যালোচনা ঃ ডিগবৈ কলেজ এইড্ ক্লাব

অধ্যাপক ৰফিক হুছেইন
সম্পাদক ডি:ক:এ: ক্লাব

মহাবিদ্যালয় এখনি স্থাপন কৰা সহজ কিন্তু তাক স্বয়ং সম্পূৰ্ণ ৰূপে গঢ়দি এখনি উপযুক্ত পঠন-সত্ৰ ৰূপে গঢ় দিয়া সহজ নহয়। ১৯৬৫ চনৰ জুলাই মাহৰ ১০ তাৰিখে স্থাপন হোৱা ডিগবৈ মহাবিদ্যালয়খনিক সম্পূৰ্ণৰূপে গঢ় দিয়াৰ প্ৰয়োজনীয়তা অনুভৱ কৰি ১৯৬৯ চনৰ ফ্ৰেব্ৰুৱাৰী মাহৰ ২১ তাৰিখে স্থানীয় ৰাষ্ট্ৰীয় বিদ্যালয় প্ৰাঙ্গণত ডিগবৈ কলেজ এইড্ ক্লাবৰ জন্ম হয়। চালুকীয়া অৱস্থাৰ নানান অভাৱ অভিযোগ দূৰ কৰাই এই এইড্ ক্লাবৰ লক্ষ্য।

শ্ৰীবিশ্বনাথ বৰুৱা এইড্ ক্লাবৰ প্ৰথম সভাপতি আৰু অধ্যক্ষ শ্ৰীপ্ৰফুল্লকুমাৰ ভূঞা প্ৰথম সম্পাদক আছিল।

এই কমিটিয়ে কিছু কাম কৰাৰ পিছত ডিগবৈ বন সংমণ্ডলৰ প্ৰাধিকাৰী (DFO) গৰাকীক সভাপতি পদত প্ৰতিষ্ঠিত কৰা হয়। এই কমিটিখনিয়ে মহাবিদ্যালয়খনিৰ অগ্ৰগতিৰ দুৱাৰ মুকলি কৰে বুলি ক'ব পাৰি। ১৯৮৪ চনৰ চেপ্তেম্বৰ মাহৰ ৩০ তাৰিখে সৰ্ব্বসন্মতিক্ৰমে ডঃ মহেন্দ্ৰ নাথ গগৈ দেৱক সভাপতি ৰূপে আৰু অধ্যক্ষ শ্ৰীপ্ৰফুল্ল কুমাৰ ভূঞাদেৱক সম্পাদক ৰূপেলৈ এইড্ ক্লাবৰ আন এখনি সমিতি গঠন কৰা হয়। কিন্তু তিনিমাহ কাল যোৱাৰ পিচতে সন্থাৰ সম্পাদক শ্ৰীপ্ৰফুল্ল কুমাৰ ভূঞাদেৱে নেৰানেপেৰাকৈ সম্পাদক পদৰ পৰা অব্যাহতি বিচৰাত সভাই তেখেতৰ ঠাইত অধ্যাপক শ্ৰীৰফিক হুছেইনক সম্পাদক ৰূপে নিযুক্তি দিয়ে। এই নতুন কমিটিৰ সদস্য সকলৰ নাম পদ অনুসৰি তলত উল্লেখ কৰা হ'ল।

সভাপতি — শ্ৰীমহেন্দ্ৰ নাথ গগৈ
উপ-সভাপতি — শ্ৰীপি, নেওগ।
সম্পাদক — শ্ৰীৰফিক হুছেইন
সহঃ সম্পাদক — শ্ৰী তৰুণ হাজৰিকা
শ্ৰী হিতেন শৰ্ম্মা

উপ-সম্পাদক — শ্ৰীমদন মোহন চৌধুৰী
— শ্ৰীস্বদেশ সহায় ৰায়চৌধুৰী
কোষাধ্যক্ষ — শ্ৰীমহেন্দ্ৰ ভৰালী বৰুৱা
হিচাপ নিৰীক্ষক – শ্ৰীগিয়াছউদ্দিন আহমেদ

কৈশোৰৰ কাল বাগৰি বাগৰি—ডিগবৈ মহাবিদ্যালয়খনি যৌৱনত ভৰি দিলেহি। কিন্তু যৌৱনৰ ৰূপৰ চমক মহাবিদ্যালয়খনিৰ আঁৰে বেৰে কতো নপৰিল। চকুত পৰাকৈ জিলিকি থাকিল ওখৰা মোখৰা বাট, বাৰিষা বোকাৰে লুতুৰি পুতুৰি হৈ অহা জাক জাক ছাত্ৰ-ছাত্ৰীৰ দুৰ্দ্দশাগ্ৰস্থ অৱস্থা, প্ৰেক্ষাগৃহৰ অসম্পূৰ্ণ অৱস্থা আৰু শ্ৰেণীৰ অভাৱত ছাত্ৰ-ছাত্ৰীয়ে ইটোৰ পৰা সিটো শ্ৰেণীলৈ লৰি ফুৰিব লগীয়া অৱস্থা। এই নানান অসুবিধা দূৰ কৰিবৰ হেতুকে এইবাৰ নতুন উদ্যমেৰে আগবাঢ়ি আহিল ডিগবৈ এইড্ ক্লাবৰ সদস্যসকল। আগবাঢ়ি আহিল পৰিচালনা সমিতিৰ সদস্যসকল আৰু আগবাঢ়ি আহিল শিক্ষক মণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীৰ দল। এই মিলিত শক্তিৰ তৎপৰতাত মহাবিদ্যালয়খনিৰ কাজ কামৰ ভালেখিনি অগ্ৰগতি হয়।

এই নতুন সন্থাৰ তৎপৰতাত "অপৰূপা" আৰু "কহিনুৰ" থিয়েটাৰ প্ৰদৰ্শন কৰাই সন্থাই ৰাইজৰ পৰা যিদৰে সহায় সহানুভূতি লাভ কৰিলে সি ভবাতকৈ বহুত বেচি। থিয়েটাৰ প্ৰদৰ্শনৰ পৰা লাভ হোৱা ধনেৰে সন্থাই ছাত্ৰী জিৰণি কোঠা আৰু গৱেষনাগাৰৰ কোঠালি নিৰ্ম্মানত হাত দি কলেজ কৰ্ত্তৃপক্ষৰ সহযোগত নিষ্ঠাৰে কাৰ্য্য সম্পূৰ্ণ কৰিবলৈ সক্ষম হয়।

এই কমিটিয়ে অসম তেল নিগমৰ ওচৰলৈ গৈ সাহায্য ভিক্ষা কৰি ছাত্ৰ-ছাত্ৰীৰ বাবে পানীৰ যোগান লাভ কৰে। খেল-পথাৰ আৰু অহা যোৱা পথটো নিৰ্ম্মাণ কৰিবলৈ টানি অনুৰোধ কৰাত তেল নিগমে পৰ্য্যায় ক্ৰমে উক্ত কাম কৰি দিবলৈ গাত লয় আৰু এতিয়ালৈকে প্ৰৱেশ পথৰ একাংশ নিৰ্ম্মাণ কাৰ্য্য প্ৰায় সম্পূৰ্ণ হৈ উঠিছে ।

N. E. India covering mostly the areas of Assam and West Bengal enjoy the unique distinction of not only high Yield but comparatively better quality, specially, Darjeeling, West Bengal and Upper Assam. It may be a, somewhat, difficult task to increase the average Yield of Darjeeling at a faster rate maintaining the quality of the product but efforts are to be made to increase the yield from 600 kg/ha to 700kg/ha to around 1000 kg/ha by the turn of the century keeping the quality of the product the same which has special choice in the world market. The Seventh plan target 590 million kg by 1989-90 and 850 million kg by the turn of the century may be difficult to be attained but efforts have to be made to produce 660 million kg to 670 million kg by the end of the Seventh plan and 800 million kg by the end of the century.

The extra suitable land available within the traditional areas of Assam, Bengal and Tripura has to be brought under tea plantation during the next 10 years. The suitable legislative measures may be taken by the respective State Governments to make the suitable land available for tea plantation in these areas.

The non-traditional areas of N. E. consisting of Arunachal Pradesh, Nagaland, Meghalaya, Manipur, Mizoram and Sikkim

enjoy potentiality to be developed into substantial tea producing areas in due course of time. The region does enjoy agro-climatic conditions i. e, soil and rainfall and can produce tea superior than that of produced in the plains of N. E. India. Some areas have been brought under tea cultivation but still a large chunk of land, about 5,000 hectares in Arunachal Pradesh and 10,000 hectares in Nagaland and another 16,000 hectares in other states of N. E. region is to be brought under tea.

Seventh plan projection indicates 2 to 3 million kg. by the end of the plan from non-traditional areas in N. E. India but the production achieved so far is negligible and special efforts have to be taken to take up plantations in the bigger way in all these regions so that these states may also start contributing significantly by the end of the century.

Replantation is an essential and continual operation required to maintain an improved productivity of the estates, the actual replantation undertaken in N. E. India ranges between 0·5% to 0·6% only which is far from satisfactory. The high cost of replantation, loss of crop and revenue involved in the operation and the paucity of funds due to low profitability of the industry have been the main reason for this low replantation. With the introduction of higher amount of funds availability by Tea Board @ 69,000/- per hectare for the whole operation i. e., 5 years including 3 years of maintenance and @ Rs. 56,000/- per hectare for 3 years including only one year of maintenance should encourage the N. E. Indian tea estates to take up replantation in a bigger way in future to meet the targets. Similarly the introduction of interest subsidy schemes for extension planting and drainage and irrigation @ 3% and @ 4% should equally stimulate the estates to take up extension and water management in a bigger way which will ultimately increase the production of the region. Tea Board with the financial assistance from National Bank for Agriculture and Rural Development ( NABARD ) has already started rehabilitation scheme for tea industry of Darjeeling by providing their adequate funds at the subsidised rate of interest. Some of the estates of Darjeeling have already availed the scheme and the development funds have been utilised for improving the overall productivity of the estates.

One of the major causes of low yield is the increasing number of vacancies of tea bushes in different estates in N. E. India. It has been estimated that the average loss sustained due to vacancies account for 36 million kg. each year in N. E. India. with rejuvenation pruning/medium pruning and infilling this loss, in a short period, can be compensated by 20 million kg. per year.

The industry of N. E. India has adopted suitable cultural practices necessary for increasing the yield of existing areas. This is reflected in the narrowing the gap of yield per hectare between the estates in each sub-district and within the estates.

The adopting of better planting material for extension planting, replanting and infilling mostly the clonal material and biclonal and polyclonal seeds has resulted in substantial increase in yield. About 70% of the area has been covered in N. E. India by TRA (Tocklai) released clones and stocks and the balance 30% area is covered by

TRA approved garden clones. TRA is expected to release a few promising clones during the next 2 to 3 years period.

The low profitability of the industry during 50's and 60's with a little improvement in 70's have been the major cause of slow growth. With the improved market, the profitability of the tea industry in N. E. India has improved significantly since 1983. This is the first time in the history of tea industry of N. E. India a 5 years period 1984 to 1988 has been satisfactory and the industry, in general, have used all required inputs to their optimum levels and also paid due attention for developmental work in the field and the factory. The additional support of Govt. incentives in the form of subsidies may help the industry to do its best in future.

Another area which requires special attention is the export front. With the increased production the internal demand may be met and there may exportable surplus available for future. In order to boost tea export extra efforts have to be made to maintain the quantum of export and if possible to increase the share. India has to make special efforts to increase the volume of export to hard currency areas. The main attention may be focussed on export of tea in the form of packet tea, tea bags, instant tea etc. which will bring much higher amount of exchange earning with the same quantity of export. As the major share of export will continue to remain in bulk tea form, the N. E India tea has to maintain its unique quality—both Darjeeling and Assam are famous for distinctive quality specially flavour and this will act as a special feature of N. E. India tea to maintain its demand in different parts of the world and where quality tea still fetches premium due to consumer preference. ●

---

*Discussed by Dr. R. C. Awasthi, Agricultural Economist Tea Research Association, Tocklai Experimental Station, in the seminar on "Impact of Tea, Rubber, Coffee and fruit plantations on Economy and Eco-system of North East India", organised by the Department of Economics, Dibrugarh University.*

*It takes only a period of about a dozen years to implant a basic culture in the mind of a man—the period between the age of two and the age of fourteen. In a psycho-biological sense, history, tradition and custom are only about twelve years old.*

*— Beardsley Ruml*

জয় আই অসম

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা

# Digboi College Students' Union

**Digboi College ● 1988-89**

# সাধাৰণ সম্পাদক আৰু বিভাগীয় সম্পাদকসকলৰ বাৰ্ষিক প্ৰতিবেদন —

## ● সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

**গণতান্ত্ৰিক** দেশ হিচাবে ভাৰতবৰ্ষৰ প্ৰত্যেক জন নাগৰিকক ইয়াৰ সংবিধানে কিছুমান মৌলিক অধিকাৰ প্ৰদান কৰিছে। তাৰ ভিতৰত অন্যতম অধিকাৰ ভোটাধিকাৰ। এই অধিকাৰ আমাৰ মহাবিদ্যালয়তো ব্যতিক্ৰম হোৱা নাই। প্ৰত্যেক বছৰেই ছাত্ৰ-ছাত্ৰীসকলে এই অধিকাৰ ভোগ কৰি আহিছে। তদ্ৰূপ ১৯৮৮ চনৰ ৩০ নবেম্বৰ তাৰিখে ছাত্ৰ-ছাত্ৰী-সকলৰ এই অধিকাৰৰ দ্বাৰা গোপন বেলট্ কাগজ প্ৰথাৰে আমাক মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচনী ৰায় দিয়ে মহা-বিদ্যালয়ৰ নিৰ্বাচনত। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ৰায়ৰ দ্বাৰা সাধাৰণ সম্পাদক হিচাবে স্বীকৃতি প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক সেৱা কৰাৰ এটি সুযোগ দিয়ে। এই সুবিধাটো দিয়াৰ বাবে ডিগবৈ মহা-বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কাৰ্য্য বিৱৰণী প্ৰকাশৰ প্ৰাক্ মুহূৰ্ত্তত মই গভীৰ আস্থা আৰু আন্তৰিকতাৰে বৈপ্লৱিক অভিনন্দন আৰু শুভেচ্ছা জনাইছোঁ।

১৯৮৮-৮৯ চনৰ কালছোৱা অসমৰ বাবে এক দুৰ্য্যোগপূৰ্ণ সময়। বানপানী আদি প্ৰাকৃতিক দুৰ্য্যোগ আৰু বিভিন্ন সংগঠনৰ বিভিন্ন দাবীৰ পৰিপ্ৰেক্ষিতত চলোৱা আন্দোলনত বিভিন্ন চৰকাৰী, বেচৰকাৰী ব্যক্তিয়ে প্ৰাণ হেৰুৱাবলগীয়া হয় হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ বাবে। তদুপৰি যোৱা ৭ এপ্ৰিল তাৰিখে অসম নাগালেণ্ড সীমান্তৰ ৰজাবাৰী গাঁৱত নগালোকৰ দ্বাৰা সংঘটিত হোৱা হিংসাত্মক ঘটনাত বহুজন ব্যক্তিয়ে প্ৰাণ হেৰুৱাব লগা হয়। এই হিংসাত্মক ঘটনা আমি সদায় গৰিহণা দি আহিছোঁ আৰু প্ৰকৃত দোষীসকলৰ কঠোৰ শাস্তিৰ দাবী জনাইছোঁ।

**শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।** ঃ

আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক আৰু সাংস্কৃতিক সম্পাদক তুলসী বড়া আৰু মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰফুল্ল বৰুৱাৰ যোৱা ইং ২৪/১২/৮৮ তাৰিখে মটৰ চাইকেল দুৰ্ঘটনাত শোকাবহ মৃত্যু ঘটে। আমাৰ মহা-বিদ্যালয়ৰ স্নাতক (কলা) দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ বন্ধুবৰ মহেন্দ্ৰ ফুকনৰ যোৱা ইং১৯/৩/৮৯ তাৰিখে মটৰ চাইকেল দুৰ্ঘটনাত শোকাবহ মৃত্যু ঘটে। তদুপৰি আমাৰ মহাবিদ্যালয়ৰ স্নাতক (বিজ্ঞান) প্ৰথম বাৰ্ষিকৰ ছাত্ৰী পূৰবী নেওঁগ (ফুকন)এ যোৱা ইং ৯-৪-৮৯ তাৰিখে নিজৰ

স্বামীৰ হাতত অমানবীয় অত্যাচাৰত প্ৰাণ হেৰুৱায়। আমি এই ঘটনাটোক তীব্ৰভাবে নিন্দা কৰিছো আৰু লগতে প্ৰকৃত দোষীক কঠোৰ শাস্তিৰ দাবী জনাইছোঁ। এইকেইজন ছাত্ৰ-ছাত্ৰীক অকালতে হেৰুৱাই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু মৰ্মাহত হৈছে। আমি এওঁলোকক অশ্ৰুঅঞ্জলিৰে সুঁৱৰিছোঁ। এওঁলোকৰ বিদেহী আত্মাই চিৰ শান্তি লাভ কৰক।

**মহাবিদ্যালয় সপ্তাহ :**

ডিগবৈ মহাবিদ্যালয়ৰ চতুৰ্বিংশতিতম 'মহাবিদ্যালয় সপ্তাহ' ১৯৮৯ চনৰ ৪ জানুৱাৰীৰ পৰা ৯ জানুৱাৰীলৈকে ছয়দিনীয়া কাৰ্য্য-সূচীৰে উলহ-মালহেৰে পালন কৰা হয়। অতি ব্যস্ততাৰ মাজতো I.O.C. (A.O.D)ৰ D.C.M শ্ৰীযুত জয়ন্ত ভুঞাদেৱে মুখ্য অতিথি হিচাপে যোগদান কৰি মহাবিদ্যালয়ৰ আৰম্ভণি উৎসৱটি শুভ উদ্বোধন কৰে আৰু কুচ্ কাৱাজ পৰিদৰ্শন কৰে। মুখ্য অতিথিৰ এক সাৰুৱা ভাষণে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী-সকলক আপ্লুত কৰে। আমাৰ 'মহাবিদ্যালয় সপ্তাহ' মুকলি কৰিবৰ বাবে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা খেলুৱৈ শ্ৰীযুত সূৰ্য্য বৰপূজাৰী দেৱক আমন্ত্ৰণ কৰি অনা হয়। মহা-বিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাসমূহত এইবাৰ যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি প্ৰতিযোগিতাসমূহ উচ্চ মানদণ্ডৰ কৰি তোলে। এইবাৰ প্ৰথমবাৰৰ বাবে মহা-বিদ্যালয় সপ্তাহত অধ্যাপকসকলৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা সাধাৰণ সম্পাদকৰ ফালৰ পৰা আয়োজন কৰা হয়।

ইং ৮-১-৮৯ তাৰিখৰ দিনা সভানেত্ৰী একাদশ বনাম সাধাৰণ সম্পাদক একাদশ ক্ৰিকেট খেলখন যথেষ্ট আড়ম্বৰপূৰ্ণ হৈছিল। খেলখনত সভানেত্ৰী একাদশে জয়লাভ কৰে।

শেষৰ দিনা মহাবিদ্যালয়ৰ ছাত্ৰসন্থাৰ স্থায়ী সভানেত্ৰী তথা মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীযুতা স্বৰ্ণলতা গগৈ মহোদয়াই বঁটা বিতৰণী সভাৰ সভানেত্ৰীত্ব কৰে। সভাত মুখ্য অতিথি হিচাপে Oil (Digboi Oil Field)ৰ Add. Chief Eng. শ্ৰীযুত ত্ৰৈলোক্য নাথ বৰুৱা দেৱে প্ৰতিযোগীসকলক বঁটা তথা মানপত্ৰ বিতৰণ কৰে আৰু ছাত্ৰ-ছাত্ৰী-সকলক পঢ়া-শুনাৰ বাহিৰেও খেলা-ধূলাৰ বিষয়টোত মনোযোগ দিবৰ বাবে তেখেতৰ সাৰুৱা ভাষণত উপদেশ দিয়ে। ৰাতিলৈ অনুষ্ঠিত হোৱা সাংস্কৃতিক সন্ধিয়াত মহাবিদ্যা-লয়ৰ শিল্পীসকল তথা স্থানীয় শিল্পী কেইবা-গৰাকীয়েও অংশগ্ৰহণ কৰে আৰু অনাতাঁৰ শিল্পী শ্ৰীমতী কল্পনা দত্তক আমন্ত্ৰণ কৰা হয়।

মহাবিদ্যালয় সপ্তাহত যিসকল বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক উৎ-সাহিত কৰিলে সেইসকল ব্যক্তিক এই ছেগতে আমি আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**গতানুগতিক :**

ডিগবৈ মহাবিদ্যালয়ৰ অন্য বছৰৰ দৰে এইবাৰো ইং ৪/৩/৮৯ তাৰিখে মহাবিদ্যালয়ৰ শেষান্ত পৰীক্ষাৰ্থীক বিদায় জনোৱা হয়। উক্ত বিদায় সভাত সভানেত্ৰীৰ আসন গ্ৰহণ কৰে ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষা তথা মহাবিদ্যালয় ছাত্ৰসন্থাৰ স্থায়ী সভানেত্ৰী শ্ৰীযুতা স্বৰ্ণলতা গগৈ মহোদয়াই। উক্ত সভাত বিভিন্ন বক্তাই তেওঁলোকৰ সাৰুৱা বক্তব্য ৰাখে। সভাৰ শেষত সভানেত্ৰীয়ে তেখেতৰ ভাষণত কয় যে ছাত্ৰ-ছাত্ৰীসকলে যাতে ভালদৰে পঢ়া-শুনা কৰি পৰীক্ষাত সুনামেৰে উত্তীৰ্ণ হয়, লগতে মহাবিদ্যালয়ৰ সুনাম তথা অভিভাৱকসকলেও যাতে মনত আনন্দ লভিব পাৰে, তাৰ বাবে ছাত্ৰ-ছাত্ৰী-সকলে যৎপৰোনাস্তি চেষ্টা চলাই যাব লাগে।

অন্য বছৰৰ দৰে আমাৰ মহাবিদ্যালয়ত এই বছৰো আনুষ্ঠানিকভাৱে সৰস্বতী পূজা

হয়। উক্ত উৎসৱটিত সমূহ ছাত্র-ছাত্রী আৰু শিক্ষাগুৰুসকলে যোগদান কৰি আনন্দমুখৰ কৰি তুলিছিল।

**আমি গৌৰৱ কৰিব পাৰোঁ :**

১৯৮৮ চনত অনুষ্ঠিত হোৱা স্নাতক তৃতীয় বাৰ্ষিকৰ চূড়ান্ত পৰীক্ষাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী শ্ৰীমতী মিনু সিংহ অঙ্কত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ সপ্তম স্থান আৰু অন্য এগৰাকী ছাত্ৰী শ্ৰীমতী অনিতা দেৱীয়ে অঙ্কত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ পঞ্চম স্থান অধিকাৰ কৰিছে। তেওঁলোকৰ ফলাফলৰ বাবে আমি গৌৰৱান্বিত আৰু লগতে তেওঁলোকলৈ আৰু সমূহ কৃতকাৰ্য্যলাভ কৰা পৰীক্ষাৰ্থীলৈ আমাৰ আন্তৰিক অভিনন্দন আৰু উজ্বল ভৱিষ্যৎ কামনা কৰিছোঁ।

**মহাবিদ্যালয়ৰ বৰ্তমান বিভিন্ন অভাৱ-সমূহ :**

ডিগবৈ মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰা আজি ২৪ বছৰ হ'লহি। কিন্তু দুখৰ বিষয় যে আজিও এই মহাবিদ্যালয়ে পূৰ্ণতা লাভ কৰা নাই। ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিটো ক্ষেত্ৰতে কিবা নহয় কিবা অভাৱ অনুভৱ কৰি আহিছে। মহাবিদ্যালয় ছাত্ৰ সন্থাই, ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিটো ক্ষেত্ৰতে কিবা নহয় কিবা অভাৱ অনুভৱ কৰি আহিছে। মহাবিদ্যালয় ছাত্ৰ সন্থা ছাত্ৰ-ছাত্ৰীসকলৰ এই অভাৱ-অভিযোগসমূহৰ বিষয়ে সদায় সচেতন আৰু এই অভাৱ-অভিযোগবিলাক পূৰণৰ বাবে কৰ্তৃপক্ষৰ ওচৰত সদায় দাবী জনাই অহা হৈছে। মোৰ আগৰ জনা সাধাৰণ সম্পাদক শ্ৰীৰঞ্জন বড়োৱে মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ-অভিযোগসমূহ সন্নিবিষ্ট কৰি আৰু ইয়াৰ প্ৰতিকাৰৰ দাবী জনাই যোৱা ২/৯/৮৭ তাৰিখে এখনি স্মাৰক পত্ৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক প্ৰদান কৰে। ইয়াৰ মাত্ৰ কেইটিমান দাবীহে পূৰণ কৰিলে আৰু বাকীবিলাক দাবী পূৰণ কৰাৰ ক্ষেত্ৰত কোনো কাৰ্য্যব্যৱস্থা লোৱা চকুত নপৰিল। সেয়ে মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ দ্বাৰা অনুষ্ঠিত হোৱা এক গুৰুত্বপূৰ্ণ কাৰ্য্যনিৰ্বাহক সভাত আগৰ কাৰ্য্যনিৰ্বাহকে প্ৰেৰণ কৰা বিভিন্ন দাবীসমূহ পৰ্য্যালোচনা কৰা হয় আৰু যিবিলাক দাবী এতিয়াও পূৰণ কৰা নাই সেই দাবীসমূহ আৰু লগতে কেইবাটাও দাবি সন্নিবিষ্ট কৰি মহাবিদ্যালয় কৰ্তৃপক্ষক ইয়াৰ খৰতকীয়া সমাধানৰ বাবে দাবী জনোৱা হয়। মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দাবীসমূহৰ মুখ্য দাবী কেইটামান তলত আলোচনা কৰা হ'ল।

শ্ৰেণীকোঠাৰ অভাৱ দূৰ কৰা আৰু বাণিজ্য বিভাগৰ শ্ৰেণীসমূহ পুৱা ভাগৰ পৰিৱৰ্তে দিনৰ ভাগত বহা। কাৰণ পুৱাৰ ভাগত শ্ৰেণীসমূহ (বাণিজ্য শাখাৰ) বহাৰ বাবে সাধাৰণতে দূৰৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়লৈ আহিবলৈ বহুতো কষ্ট কৰিব লগীয়া হয়। মহাবিদ্যালয়ৰ যিকোনো সভা, আলোচনা চক্ৰ আদিত বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত নাথাকে। কাৰণ সেই সভা বা আলোচনা চক্ৰ আদি দিনৰ ভাগতহে অনুষ্ঠিত হয়। তদুপৰি মহাবিদ্যালয়ৰ যিকোনো জাননীসমূহ দিনৰ ১২/১ বজাৰ পিছতহে জাননী ফলকত আঁৰি দিয়া হয়। এনে ক্ষেত্ৰত দেখা যায় যে পিছদিনা বন্ধৰ জাননী দিলে ছাত্ৰ-ছাত্ৰীসকলে (বাণিজ্য শাখাৰ) এনেয়ে মহাবিদ্যালয়ৰ পৰা ঘূৰি যাব লগীয়া হয়।

মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসটো অতি শীঘ্ৰেই উপযুক্তকৈ নিৰ্মাণ কৰি ছাত্ৰী থকাৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি আমাৰ মহাবিদ্যালয়লৈ দূৰৰ পৰা অহা ছাত্ৰসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰসকলৰ বাবে ছাত্ৰ নিবাস এটি গঢ়ি তুলিব লাগে।

মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাটো ব্যৱহাৰোপযোগীকৈ নিৰ্মাণ কৰিব লাগে।

আটাইতকৈ দুখৰ কথা হ'ল, মহাবিদ্যালয় ছাত্ৰ জিৰণি কোঠাৰ অভাৱে ছাত্ৰসকলক নিৰাশাবাদী কৰি তুলিছে। ফলস্বৰূপে জিৰণিৰ সময়ত কোনো শ্ৰেণী কোঠাত বা কাষত বহাৰ কাৰণে অধ্যাপকৰ কটু উক্ত ছাত্ৰই হজম কৰিবলগীয়া হয়। এইয়া কাৰ গাফিলতিৰ ফল? ছাত্ৰসকল তেনেহ'লে জিৰণিৰ সময়ত থাকিব ক'ত?

মহাবিদ্যালয়ৰ পানী যোগান ব্যৱস্থা নিয়মীয়া কৰিব লাগে। গৰমৰ সময়ত পানী অনিয়মীয়া হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বহুতো কষ্ট ভোগ কৰিব লগীয়া হয়। মহাবিদ্যালয়লৈ পানীযোগান নিয়মীয়া কৰিবৰ বাবে শীঘ্ৰেই মহাবিদ্যালয়ত থকা পানীৰ পাম্পটো স্থাপন কৰিব লাগে।

দিনক দিনে চাইকেলৰ সংখ্যা বেচি হৈ আহিছে। সেই বাবেই মহাবিদ্যালয় কৃতৃ'পক্ষই চাইকেল ষ্টেণ্ডটোৰ সম্প্ৰসাৰণ কৰিব লাগে।

বাণিজ্য, বিজ্ঞান আৰু কলা শাখাৰ সকলো বিষয়তে 'মেজৰ' পাঠ্যক্ৰম খোলাৰ ব্যৱস্থা কৰিব লাগে।

মহাবিদ্যালয়ৰ চৌহদৰ মাজভাগত থকা চৌকিদাৰৰ আবাসগৃহসমূহ বৰ্তমান স্থানৰ পৰা স্থানান্তৰ কৰি আন ঠাইত স্থাপন কৰিব লাগে।

মহাবিদ্যালয়ৰ স্থায়ী প্ৰেক্ষাগৃহটিৰ নিৰ্মাণ কাৰ্য্য অতি সোনকালে সম্পূৰ্ণ কৰিব লাগে।

ইয়াৰ উপৰিও মহাবিদ্যালয় ছাত্ৰ সন্থাই ছাত্ৰ-ছাত্ৰীসকলৰ আৰু বহুতো দাবী আশু সমাধানৰ বাবে মহাবিদ্যালয় কতৃ'পক্ষৰ দৃষ্টি আকৰ্ষণ সময়ে সময়ে কৰি আহিছে। এই দাবীসমূহ সমাধানৰ বাবে আলোচনা আদি চলাই থকা হৈছে।

**আমাৰ কৰবলগীয়াঃ**

ডিগবৈ মহাবিদ্যালয় প্ৰতিস্থা হোৱা আজি ২৪ বছৰত ভৰি দিলেহি অথচ এতিয়ালৈকে এই মহাবিদ্যালয়ে পূৰ্ণ পৰ্য্যায় পোৱা নাই। আৰু এটা বছৰৰ পাচতেই ৰূপালী জয়ন্তী বৰ্ষ। ৰূপালী জয়ন্তী বৰ্ষৰ আগতে আমাৰ সমস্যাবোৰ দূৰ হ'বনে? মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মতে মহাবিদ্যালয়ৰ কতৃ'পক্ষ তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ চৰম অৱহেলাৰ বাবেই মহাবিদ্যালয়খনে পূৰ্ণ পৰ্য্যায় পোৱা নাই।

মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে সদাসতৰ্ক, জ্ঞান-পিপাসু, গঠনমূলক দৃষ্টিভঙ্গীৰে চিন্তা-চৰ্চা কৰাটো প্ৰয়োজন। উৎসাহিক বাতাবৰণ সৃষ্টি আৰু অভাৱসমূহ দূৰীকৰণৰ হকে আমাৰ ছাত্ৰসকলৰ দিহা-পৰামৰ্শ অতি প্ৰয়োজন। পূৰ্ণ শৈক্ষিক বাতাবৰণ সৃষ্টিৰ বাবে অধ্যাপক/অধ্যাপিকাসকলৰ লগত ছাত্ৰ-ছাত্ৰীসকলৰ সকলো সময়তে সহায়-সহযোগ থাকিব লাগিব।

ডিগবৈ অঞ্চলৰ জনসাধাৰণৰ এই পবিত্ৰ শিক্ষানুষ্ঠানটিৰ বাবে দায়িত্ব আৰু কৰ্ত্তব্য আছে। মহাবিদ্যালয়ৰ গৌৰৱৰ লগত তেওঁলোকো জড়িত। এই কলেজখনেই তেওঁলোকৰ লৰা-ছোৱালীৰ শিক্ষাৰ আশ্ৰয়স্থল। গতিকে তেওঁলোকেও শিক্ষানুষ্ঠানটিৰ অভাৱ-অভিযোগৰ বাবে দৃষ্টি নিক্ষেপ কৰিব লাগিব আৰু কৰাটো নিতান্তই প্ৰয়োজনীয়। কিয়নো ভৱিষ্যৎ বংশধৰসকলৰ নিৰাপত্তা ব্যৱস্থা আমি সুনিশ্চিত কৰি যাব লাগিব। তেতিয়াহে সুন্দৰ ভৱিষ্যতৰ আশা কৰিব পৰা যাব। ছাত্ৰ-ছাত্ৰী,শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, স্থানীয় জনসাধাৰণ একত্ৰিত হৈ মহাবিদ্যালয়খনিৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ বাবে মুকলি চিন্তা কৰিবৰ হ'ল।

**কৃতজ্ঞতা স্বীকাৰঃ**

মই শ্ৰদ্ধাসহ কৃতজ্ঞতা জনাইছোঁ সম্মানীয়া মহাবিদ্যালয়ৰ অধ্যক্ষা তথা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ স্থায়ী সভানেত্ৰী শ্ৰীযুতা স্বৰ্ণলতা গগৈ মহোদয়া, মহাবিদ্যালয়ৰ

উপাধ্যক্ষ শ্ৰীযুত ৰফিক হুচেইন দেৱ, মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত সমৰেন্দ্ৰ ভাগৱতীদেৱ, গুৰু খেল-ধেমালি বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক তথা এন, চি, চি, ৰ বিষয়া ২/Lt. শ্ৰীযুত বিকাশ বৰুৱাদেৱ, এন, এচ, এচ, ৰ বিষয়া তথা সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত গিয়াচুদ্দিন আহমেদদেৱ প্ৰমুখ্যে শিক্ষক উপদেষ্টাসকললৈ। এই সকলোৱে বহু মূল্যবান সময় খৰচ কৰি, লগত থাকি প্ৰত্যেকটি পদক্ষেপত মোক দিহা-পৰামৰ্শ দি মোৰ কাম নিয়াৰিকৈ চলাই যোৱাত সাহায্য কৰিছে। ছাত্ৰ সন্থাৰ কাম-কাজ নিয়াৰিকৈ সম্পন্ন কৰাত প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীৰঞ্জন বড়ো, প্ৰাক্তন আলোচনী সম্পাদক শ্ৰীপবিত্ৰ গগৈ, প্ৰাক্তন উপ-সভাপতি শ্ৰীৰঞ্জিত ফুকন, মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উপ-সভাপতি শ্ৰীনয়ন জ্যোতি বৰুৱা, মহাবিদ্যালয়ৰ আলোচনী সম্পাদক শ্ৰীদীপেন কুমাৰ বড়া, মোৰ বন্ধুবৰ্গ সীমান্ত, হেমন্ত, বাবুল, তমাল, নৃপুৰ, নয়নমণি, স্বপ্নালী দেৱী, পাৰমিতা, ইন্দ্ৰানী আদিৰ সু-পৰামৰ্শ আৰু ছাত্ৰ সন্থাৰ বিভাগীয় সম্পাদকসকলৰ সহযোগে মোৰ কৰ্ত্তব্য পালন কৰাত প্ৰেৰণা যোগাইছিল। মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজত আগবাঢ়ি যাওঁতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, শিক্ষাগুৰুসকলে দিহা-পৰামৰ্শ ,সহায়-সহযোগিতা আগবঢ়াইছিল এই সকলোৰে প্ৰতি মই চিৰকৃতজ্ঞ হৈ ৰ'লো। সহকাৰী সাধাৰণ সম্পাদক শ্ৰীঅমূল্য বড়া, শ্ৰীসুবীৰ ঘোষ, শ্ৰীজিতুমণি শৰ্মাই বিভিন্ন সময়ত মোক সহায়-সহযোগিতা কৰাৰ বাবে তেওঁলোকলৈ আন্তৰিক ধন্যবাদ জনালোঁ।

আমাৰ মহাবিদ্যালয়ৰ উন্নতিকল্পে মহাবিদ্যালয়ৰ AID ক্লাৱে যিদৰে সহায়-সহযোগ কৰি আহিছে তাৰ বাবে সমূহ কৰ্মকৰ্তালৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। আমি পৰম পিতাৰ ওচৰত প্ৰাৰ্থনা জনালোঁ, যাতে এনেধৰণৰ সমাজসেৱী ব্যক্তি আমাৰ মহাবিদ্যালয়লৈ আহে আৰু তেওঁলোকৰ যোগদান পাওঁ। অৱশেষত তেখেতসকলৰ যি উচ্চ চিন্তাধাৰাৰ যোগেদি মহাবিদ্যালয়খনিক যিদৰে পূৰ্ণ্যময় কৰি তুলিছে তেওঁলোকৰ বহুমূলীয়া সময় খৰচ কৰি, তাৰ বাবে ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ তৰফৰ পৰা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**ক্ষমা প্ৰাৰ্থনা ঃ**

আমাৰ কাৰ্য্যকালত অবাঞ্চিত বাধা-বিঘিনি অতিক্ৰম কৰিব লগীয়া হোৱাত যিসকলৰ ওচৰত অনিচ্ছাকৃত দোষত্ৰুটি হৈ গ'ল সেইসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

**সামৰণি ঃ**

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে কি কৰিলোঁ কি নকৰিলোঁ সেইয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। ওপৰত উল্লেখিত অভাৱসমূহ পূৰণৰ বাবে ছাত্ৰ সন্থাই চেষ্টা চলাই যাব। আলোচনী সম্পাদনা সমিতিৰ আলোচনী সম্পাদনাৰ কাম-কাজ শেষ হোৱাৰ বাবে কাৰ্য্যকালৰ আধাতে প্ৰতিবেদন লিখিব লগীয়া হ'ল। বাকী ৰৈ যোৱা সমস্যাসমূহ সাধাৰণ সভাত সকলো ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি আলোচনা মৰ্মে সমাধানৰ পথ উলিয়াবৰ কাৰণে এই প্ৰতিবেদনৰ জৰিয়তে অনুৰোধ জনালোঁ।

শেষত সকলো শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ মঙ্গল কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। অৱশেষত "ছাত্ৰ শক্তিৰ, ছাত্ৰ ঐক্য, জিন্দাবাদ!" আৰু "জয় আই অসম" পৱিত্ৰ ধ্বনিৰে বিদায় মাগিছো।

ডিগবৈ মহাবিদ্যালয় প্ৰগতিৰ পথত
আপোনাৰ সহচৰ
ধন্যবাদেৰে —

**শ্ৰীদীপক কুমাৰ সন্দিকৈ** - সাধাৰণ সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা-১৯৮৮-৮৯ চন।

## ● ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন—১৯৮৮-৮৯ চন।

জয়জয়তে ডিগবৈ মহাবিদ্যালয়ৰ মাননীয় শিক্ষা-গুৰুসকললৈ আৰু ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ, লগতে ১৯৮৮-৮৯ চনৰ চলিত বছৰটোৰ বাবে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা-ৰূপে নিৰ্বাচিত কৰাৰ বাবে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ এই প্ৰতিবেদনৰ দ্বাৰাই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই আৰম্ভ হৈছিল " মহাবিদ্যালয় সপ্তাহ "। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই কেৰম, ডবা, চিলাই (হাতেৰে কৰা) আৰু উলৰ (বেবী চুট) প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ। প্ৰতিযোগিতাসমূহৰ বিজয়ী প্ৰতিযোগীসকলৰ নাম উল্লেখ কৰা হ'ল —

**কেৰম প্ৰতিযোগিতা (একক) ঃ**

চেম্পিয়ন—খামবিতন সিংহা

ৰাণাৰ্চ আপ—তুলুমণি দাস

**ডবা প্ৰতিযোগিতা ঃ**

চেম্পিয়ন—ৰেখা বৰদলৈ

ৰাণাৰ্চ আপ—তুলুমণি দাস

**হাতেৰে কৰা চিলাই প্ৰতিযোগিতা ঃ**

প্ৰথম—অৰুণা নাথ

দ্বিতীয়—মণিদীপা কোঁৱৰ

তৃতীয়—মামণি শৰ্মা

উলৰ প্ৰতিযোগিতাত কোনো নিৰ্বাচিত নহ'ল। এইবাৰ ডিগবৈ মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে এখনি "চিলাই প্ৰদৰ্শনী"ৰ আয়োজন কৰা হৈছিল। এই প্ৰদৰ্শনীত একোটাকৈ বিশেষ পুৰস্কাৰ দিয়া হৈছিল। বিশেষ পুৰস্কাৰ পোৱা ছাত্ৰ-ছাত্ৰীসকলৰ নাম তলত দিয়া হ'ল —

আল্পনা—পাৰমিতা নন্দী, গামোছা — ফুলটি শইকীয়া, মেচিনৰ চিলাই — ৰেখা বৰদলৈ, ক্ৰেফট—পৰিমিতা বৰা, ক্ৰেফট—সুবীৰ ঘোষ।

প্ৰতিযোগিতাসমূহৰ প্ৰসঙ্গ পৰিসমাপ্তি ঘটাৰ পিচত এতিয়া মোৰ বক্তব্য দাঙি ধৰিছোঁ।

প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ সংখ্যা আগতকৈ কমি অহা দেখা গৈছে। গতিকে এই প্ৰতিবেদনৰ জৰিয়তে পৰৱৰ্তী কলেজ সপ্তাহত সকলো ছাত্ৰীকে প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছোঁ।

আমাৰ ছাত্ৰী জিৰণি কোঠাৰ ভালেকেইটা অভাৱ-অভিযোগ অনেক দিনৰেপৰা অব্যাহত হৈ আছে। সেয়েহে এই অভাৱ অভিযোগসমূহ অতি সোনকালে পূৰণ কৰিবৰ বাবে মাননীয় অধ্যক্ষা মহোদয়া আৰু মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক এই প্ৰতিবেদনৰ যোগেদি বিনম্ৰভাৱে অনুৰোধ কৰিলোঁ।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিভিন্ন দিশত সকলো প্ৰকাৰে সহায়-সহযোগ আৰু সু উপদেশ দিয়াৰ বাবে মাননীয়া ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীযুক্তা ৰঞ্জুমণি দত্ত বাইদেউলৈ আৰু লগতে মাননীয়া অধ্যাপিকা শ্ৰীযুক্তা বিনিমা বৰুৱা বাইদেউলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল। লগতে মহাবিদ্যালয়ৰ বিভিন্ন কৰ্মক্ষেত্ৰত প্ৰতিজন বন্ধু-বান্ধৱী আৰু অধ্যাপক অধ্যাপিকাৰ যি সক্ৰিয় সহায়-সহযোগ পোৱা গৈছিল তাৰ বাবে সেই সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

প্ৰতিবেদনৰ সমাপ্তিত মোৰ অজ্ঞাতে যদি কিবা ভুল কৰিছিলোঁ তেন্তে সেই ভুল-ত্ৰুটিসমূহৰ ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত, ডিগবৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে আৰু মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন অন্ত পেলালোঁ।

॥ জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ॥

ধন্যবাদেৰে

**মিয়ৰমণি দত্ত**

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা

## ● সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন ঃ

মোৰ বিভাগীয় প্ৰতিবেদনৰ পাতনি মেলাৰ পূৰ্বে ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ ১৯৮৮-৮৯ চনৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মোৰ অতিকৈ মৰমৰ কলেজখনক সেবিবলৈ সুবিধাকণ দিয়াৰ বাবে সদৌ ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই বিভাগৰ দায়িত্বত থকা বিভিন্ন কাম-কাজসমূহ সুকলমে চলাই যাবলৈ পাৰ্য্যমানে চেষ্টা কৰিছিলোঁ। কিন্তু মই মোব নিজৰ দায়িত্ব সুচাৰুৰূপে পালনত কিমান দূৰ সফল হৈছিলোঁ তাক বিচাৰ কৰাৰ দায়িত্ব আপোনালোকৰ।

মোৰ কাৰ্য্যকাল আৰম্ভ হয় আমাৰ চতুৰ্বিংশতিতম্ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ সমাৰোহেৰে। এই 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা মই কেইবাটিও প্ৰতিযোগিতা পাতিছিলোঁ। তাৰ ভিতৰত আছিল একাংকিকা নাটক প্ৰতিযোগিতা, একক অভিনয় প্ৰতিযোগিতা, অসমীয়া আৰু ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা, স্বৰচিত অসমীয়া আৰু ইংৰাজী কবিতা প্ৰতিযোগিতা, স্বৰচিত অসমীয়া আৰু ইংৰাজী চুটি গল্প প্ৰতিযোগিতা আৰু তৎস্থানিক ৰচনা প্ৰতিযোগিতা।

ওপৰোক্ত প্ৰতিযোগিতাসমূহত যথেষ্ট-সংখ্যক প্ৰতিযোগীৰ যোগদানে সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীকে যথেষ্ট উৎসাহিত কৰিছিল। তাৰবাবে মই সচাঁকৈয়ে গৌৰৱান্বিত, আৰু সেয়েহে প্ৰতিযোগিতাত যোগদান কৰা ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। কিন্তু দুৰ্ভাগ্যজনক কথা, একাংকিকা নাটক প্ৰতিযোগিতাত অতি কম সংখ্যক দলৰহে সহাঁৰি পাইছিলোঁ। মই আশা ৰাখিছোঁ ভৱিষ্যতলৈ উক্ত প্ৰতিযোগিতাত আশানুৰূপভাৱে প্ৰতিযোগীসকলে যোগদান কৰিব।

প্ৰতিযোগিতাসমূহৰ বিজয়ী প্ৰতিযোগীসকলৰ নাম তলত উল্লেখ কৰা হ'ল।

একাংকিকা নাটক প্ৰতিযোগিতা ঃ

শ্ৰেষ্ঠ দল ঃ— স্নাতক্ ২য় বাৰ্ষিক (কলা)
নাটক—"বেশ্যা"

অভিনয়ত আছিল—

হেমন্ত শৰ্মা, নয়ন জ্যোতি বৰুৱা, সীমান্ত মাধৱ কটকী আৰু দীপেন কুমাৰ বড়া।

শ্ৰেষ্ঠ অভিনেতা—শংকৰ প্ৰসাদ ভট্টাচাৰ্য্য
২য় শ্ৰেষ্ঠ অভিনেতা—হেমন্ত শৰ্মা
উদ্‌গণিমূলক বঁটা—মামণি শৰ্মা
শ্ৰেষ্ঠ পৰিচালক—বিবেচিত নহ'ল

একক অভিনয় প্ৰতিযোগিতা ঃ

প্ৰথম — দিপু বৰগোহাঁই
দ্বিতীয় — শংকৰ প্ৰসাদ ভট্টাচাৰ্য্য
তৃতীয় — হীমেন গগৈ

অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ

প্ৰথম — বিউটী বৰুৱা
দ্বিতীয় — মামণি শৰ্মা
তৃতীয় — নিৱেদিতা শইকীয়া।

ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ

প্ৰথম — শংকৰ প্ৰসাদ ভট্টাচাৰ্য্য
দ্বিতীয় — সঞ্জীৱ দত্ত
তৃতীয় — নৱনীতা দত্ত

স্বৰচিত অসমীয়া কবিতা প্ৰতিযোগিতা ঃ

প্ৰথম — শংকৰ প্ৰসাদ ভট্টাচাৰ্য্য
দ্বিতীয় — অনুপম ফুকন
তৃতীয় — জয়নাল আবেদিন ভূঞা
দীপেন কুমাৰ বড়া
ৰঞ্জিত ফুকন

স্বৰচিত ইংৰাজী কবিতা প্ৰতিযোগিতা ঃ

প্ৰথম — শংকৰ প্ৰসাদ ভট্টাচাৰ্য্য
দ্বিতীয় — শ্যাম কুমাৰ
তৃতীয় — অনুপম ফুকন

স্বৰচিত অসমীয়া চুটি গল্প প্ৰতিযোগিতা :

প্ৰথম — অনুপম ফুকন
দ্বিতীয় — ৰঞ্জিত ফুকন
তৃতীয় — হেমন্ত শৰ্মা

স্বৰচিত ইংৰাজী চুটি গল্প প্ৰতিযোগিতা :

বিবেচিত নহ'ল
উদ্‌গনি বঁটা — বঙ্কিম চৌধুৰী

তৎস্থানিক ৰচনা প্ৰতিযোগিতা :

প্ৰথম — মামণি শৰ্মা
দ্বিতীয় — নৱনীতা দত্ত
তৃতীয় — দীপেন কুমাৰ বড়া
নয়নজ্যোতি বৰুৱা

**কৃতজ্ঞতা স্বীকাৰ** ঃ — আমাৰ কলেজ সপ্তাহত মোৰ দায়িত্বত থকা বিভিন্ন প্ৰতিযোগিতা-সমূহৰ সুচাৰুৰূপে বিচাৰকাৰ্য্য পৰিচালনা কৰি দিয়াৰ বাবে শ্ৰীযুত জীতেন দত্ত, শ্ৰীযুত প্ৰশান্ত বৰা, শ্ৰীযুত অনিল মণ্ডল, শ্ৰীযুত লক্ষীনন্দন গগৈ, শ্ৰীযুত অৰূপ ভাগৱতী, অধ্যাপক শ্ৰীযুত হিতেন শৰ্মা, অধ্যাপক শ্ৰীযুত মোহিনী বৰদলৈ, অধ্যাপিকা শ্ৰীযুতা ৰঞ্জুমণি দত্ত আৰু অধ্যাপিকা শ্ৰীযুতা মঞ্জুলা দাসলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু সেৱা যাচিলোঁ ।

মোৰ কাৰ্য্যকালত প্ৰতিটো পদক্ষেপতে দিহা পৰামৰ্শৰে উৎসাহিত কৰা মোৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত গোলাপ কলিতা চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰলোঁ । লগতে অধ্যাপক শ্ৰীযুত সমৰেন্দ্ৰ ভাগৱতী আৰু শ্ৰীপূৰ্ণানন্দ শইকীয়া চাৰলৈ আৰু শেষত মোৰ মৰমৰ বন্ধু-বান্ধৱীসকললৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

শেষত আকৌ এবাৰ প্ৰণাম জনাই মোৰ কৰ্মকালছোৱাত অজানিতে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছোঁ। এই মহাবিদ্যালয়খনিৰ সাংস্কৃতিক বিভাগৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ ।

জয়তু ডিগবৈ মহাবিদ্যালয়
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা
জয়তু সদৌ অসম ছাত্ৰ সন্থা

ধন্যবাদেৰে —

**প্ৰাঞ্জলী বৰগোহাঁই**
সম্পাদিকা, সাংস্কৃতিক বিভাগ
ডিগবৈ মহাবিদ্যালয়

---

## ❁ সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১৯৮৮-৮৯ ।

জয়জয়তে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী/বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ, লগতে ১৯৮৮-৮৯ চনৰ বছৰটোৰ বাবে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক "সংগীত বিভাগৰ সম্পাদক" ৰূপে নিৰ্বাচিত কৰাৰ বাবে এই প্ৰতিবেদনৰ দ্বাৰাই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

যোৱা ইং ৪/১/৮৯ তাৰিখৰ পৰা ইং ৯-১-৮৯ তাৰিখলৈকে ডিগবৈ মহাবিদ্যালয়ৰ "চতুৰ্বিংশতিতম মহাবিদ্যালয় সপ্তাহ" মহা সমাৰোহেৰে অনুষ্ঠিত কৰা হয়। সংগীত বিভাগৰ সম্পূৰ্ণ দায়িত্বভাৰ গ্ৰহণ কৰি উপদেষ্টা অধ্যাপক শ্ৰীযুত জীৱন চাংমাই চাৰ আৰু বন্ধু-বান্ধৱীসকলৰ সহযোগত সুচাৰু ৰূপে পালন কৰিবলৈ সক্ষম হওঁ।

প্ৰতিযোগীতাসমূহত অংশ গ্ৰহণ কৰা প্ৰতিযোগীসকলৰ মানদণ্ড আমাৰ দৃষ্টিকোণৰ পৰা উচ্চমানৰ আছিল। শ্ৰীমতী নয়নমণি বৰাই কেইবাটাও বিভাগত প্ৰথম আৰু বিশেষ স্থান অধিকাৰ কৰি দৰ্শকৰ পৰা বিশেষ সমাদৰ তথা প্ৰশংসা বুটলিবলৈ সক্ষম হয়। এইয়া ডিগবৈ মহাবিদ্যালয়ৰে গৌৰৱৰ থলি যে, অকল এই (১৯৮৮-৮৯) বছৰে নহয়,

গত তিনিটা বছৰেই ডিগবৈ মহাবিদ্যালয় সপ্তাহত শ্ৰীমতী বৰাই সংগীতত বিশেষ স্থান অধিকাৰ কৰি আহিছে।

প্ৰতিযোগীসকলে যি বিশেষ আগ্ৰহ আৰু শিল্পীসুলভ মনোবৃত্তিৰে অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাত বৰঙণি আগবঢ়ালে তাৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰলোঁ।

প্ৰতিবেদনৰ সামৰণিত, বিভিন্ন সময়ত, বিভিন্ন দিশত বিভিন্ন দিহা-পৰামৰ্শৰে সৈতে কাম-কাজ সুকলমে পৰিচালনা কৰাত যিসকল ব্যক্তি ওতঃপ্ৰোতভাৱে জড়িত আছিল তেখেতসকল যথাক্ৰমে বন্ধুবৰ সৰ্বশ্ৰী নৃপুৰ বৰা, দীপেন কুমাৰ বড়া, খগেন গগৈ, ৰাজেন্দ্ৰ গগৈ, বিজয় বৰা, ৰবীন মৰাণ আৰু বান্ধৱী সৰ্বশ্ৰী স্বৰ্ণালি বৰুৱা, নীলিমা বড়া, নীলিমা গগৈ, পলি বৰা, ৰূপা গগৈ, প্ৰীতিৰেখা গগৈ, ৰঞ্জনা সিংহ আৰু বন্দনা ভড়ালী আদি।

সংগীত বিভাগৰ উপদেষ্টা শ্ৰীযুত জীৱন চাংমাই চাৰৰ বিনয়ী উপদেশবিলাক সদায় মনত থাকিব। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া শ্ৰীযুক্তা স্বৰ্ণলতা গগৈ, শ্ৰীযুক্ত ৰফিক হুচেইন, শ্ৰীযুক্ত বৰুণ দেৱ, শ্ৰীযুক্ত আনন্দ শইকীয়া আৰু সংগীত প্ৰতিযোগীতাসমূহ পৰিচালনা কৰা সমূহ বিচাৰক আদি মহাশয়-সকলৰ সহায়-সহযোগৰ প্ৰতি সশ্ৰদ্ধ কৃতজ্ঞতা থাকিল।

সদৌ শেষত ডিগবৈ মহাবিদ্যালৰ ছাত্ৰ-সন্থাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

**জয়তু ডিগবৈ মহাবিদ্যালয়,**
**জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থা,**
**জয়তু সদৌ অসম ছাত্ৰ-সন্থা।**

বিনীত,
**শ্ৰীজিতেন্দ্ৰ মৰাণ**
সম্পাদক, সংগীত বিভাগ
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা

## ● শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

জয়জয়তে ডিগবৈ মহাবিদ্যালয়ৰ মাননীয় শিক্ষাগুৰুসকললৈ আৰু ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ, লগতে ১৯৮৮-৮৯ চনৰ চলিত বছৰৰ বাবে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক "শৰীৰ চৰ্চা বিভাগৰ সম্পাদক" স্বৰূপে নিৰ্ব্বাচিত কৰাৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ এই কাৰ্য্যভাৰ আৰম্ভ হয় আমাৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ সমাৰোহেৰে। শৰীৰ চৰ্চাৰ সম্পাদক হিচাপে মই বডিবিল্ডিং, আৰ্ম ৰেষ্টলিং, কুস্তি আৰু পৃথিবীৰ আটাইতকৈ আকৰ্ষণীয় প্ৰতিযোগিতা বক্সিং আদি খেলৰ আয়োজন কৰিছিলোঁ। শৰীৰ চৰ্চা বিভাগৰ পুঁজিৰ দুৰৱস্থা মই বাৰুকৈয়ে অনুভৱ কৰিছিলোঁ। সীমিত পুঁজিৰ বাবে সময়ত আৰ্মৰেষ্টলিং প্ৰতিযোগিতা অনুষ্ঠিত কৰিব নোৱাৰিলো। তাৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী পৰা ক্ষমা বিচাৰিছোঁ। ডিগবৈ মহা-বিদ্যালয়ত প্ৰথম বাৰৰ বাবে ৰেষ্টলিং (কুস্তি) খেল [যিটো বৰ্তমান আন্তৰ্জাতিক (International) খেলৰ ভিতৰত শ্ৰেষ্ঠ খেল] আয়োজন কৰিবলৈ সক্ষম হ'লোঁ। প্ৰথমবাৰৰ বাবে পতা হেতুকে ইয়াত অজ্ঞাত ত্ৰুটি হৈ যোৱাটো স্বাভাৱিক। কিন্তু ভৱিষ্যতে সচেতন হ'লে এই ত্ৰুটিৰ পৰা হাত সাৰিব পাৰিম।

এই বিভাগৰ দায়িত্বত থকা বিভিন্ন কাৰ্য্য সুকলমে চলাই যাবলৈ পাৰ্য্যমানে চেষ্টা কৰা হৈছিল। কিন্তু কিমান সফলতা লাভ কৰিছোঁ তাক বিচাৰ কৰাৰ দায়িত্ব আপোনালোকৰ।

এইবাৰ "মহাবিদ্যালয় সপ্তাহ"ত বিভিন্ন খেল আৰু বিভাগসমূহত কৃতিত্ব অৰ্জন কৰা বিজেতাসকল হ'ল :—

**বডিবিল্ডিং প্ৰতিযোগিতা :**

১৯৮৮-৮৯ চনৰ " MR. DIGBOI COLLEGE " খিতাপ অৰ্জন কৰে **নৰজিৎ দাসে**।

১ম — শ্ৰীনৰজিৎ দাস
২য় — „ সুব্ৰত নাথ
৩য় — „ তিলক দেউৰী
৪থ — „ হীৰালাল চোনাৰ

**ৰেষ্টলিং (কুস্তি) প্ৰতিযোগিতা :**

'ক' বিভাগত — ১ম — শ্ৰীঅনিল ফুকন
২য় — „ ৰাজেশ কুমাৰ ডাগৰা
'খ' বিভাগত — ১ম — শ্ৰীলুক বাহাদুৰ থাপা
২য় — „ প্ৰদীপ বৰুৱা
'গ' বিভাগত — ১ম — শ্ৰীসুভাষ গোৱালা
২য় — „ ডিম্বেশ্বৰ চেতিয়া

**বক্সিং প্ৰতিযোগিতা :**

মচ্‌কো বিভাগত : ১ম — শ্ৰীপূৰ্ণ ছেত্ৰী
২য় — „ সঞ্জয় গিৰি
লাইট ফ্লাই „ : ১ম — শ্ৰীসুৰয কুমাৰ ৰায়
২য় — „ পদম প্ৰসাদ জয়চী
ফ্লাই „ : ১ম — শ্ৰীযোগেন্দ্ৰ ৰাও
২য় — „ অনিল ফুকন
লাইট „ : ১ম — শ্ৰীপদম নেৱাৰ
২য় — „ কিৰণ নাথ
ফেডাৰ বিভাগ : ১ ম — শ্ৰীকৃষ্ণ প্ৰধান
২ য় — „ প্ৰফুল্ল শইকীয়া
বেইটম „ : ১ ম — শ্ৰীপ্ৰেমহাঞ্চ কুমাৰ
২ য় — কে, মনমদা ৰাও

প্ৰতিবেদনৰ সামৰণিত মই ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ মোৰ বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত এচ, এচ, ৰায়চৌধাৰী চাৰ আৰু বিভিন্ন সময়ত সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ দিয়া বন্ধু-বান্ধৱীসকললৈ । ইয়াৰ উপৰিও ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু নমস্কাৰ জনাই, অজানিতে বৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছোঁ। মহাবিদ্যালয়খনিৰ তথা সকলো ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে

**শ্ৰীপ্ৰেম হাঞ্চ কুমাৰ**
সম্পাদক, শৰীৰ চৰ্চা বিভাগ
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ১৯৮৮-৮৯

## Report from General Sports Secretary 1988-89

My dear Collegians,

It is said that to represent others is a very difficult task for an innocent person. Because I was one of the innocent persons before the election 1988-89 of this year. I joined as a new-comer in the College. Few days later, a notice was put up in this College Notice Board. and I, being an anxious student to help the friends and the progress of the College, stood as an election candidate for the post of General Sports Secretary. As I declared this, my friends began to encourage and help me

to be successful in getting myself elected to the post. I can never forget this help. Now I wish them good and assure them to serve humbly.

It is needless to say that though the annual College Week gave a grand opportunity to reveal my activities, I could not utilize this opportunity as much as possible. The various types of competition like 100 mtrs race, 400 mtrs race, 800 mtrs race, shot-put, throw, Javelin throw, Discuss throw, Hop-step, Jump, Relay-race, long jump etc. were organised in this section. No less than 350 competitors competed in these competitions and 55 competitors showed their abilities and won the prizes. In this section Mr. Hiralal Sonar showed his best abilities and Miss Sanatombi Singha also showed her best abilities and were declared the best Athelets of this college.

During this period of my secretarial service I have been obliged and grateful to our respected prof. Mr. B. Baruah and prof. J. Changmai and other professors and my friends like Mr. Pranab Gogoi and other friends for their valuable advice and practical guidance and help. Now I beg pardon of my well wishers for any possible mistakes crept in during this period.

Here I again convey my heartiest regards to our teaching staff and thanks to my friends for giving me a chance to serve them as a General Sports Secy. of Digboi College Students' Union 1988-89.

Lastly, I pray to God to bless us to join in Asiad and Olympics, the highest games of the world sports.

Thanking you

**Mohendra Kumar Newar**

General Sports Secretary

**D. C. S. U. 1988-89.**

## ❁ তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতি আস্থা ৰাখি উত্তেজনাপূৰ্ণ নিৰ্বাচনত যিসকল ডিগবৈ কলেজিয়ানে মোক ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ১৯৮৮-৮৯ চনৰ কাৰ্য্যনিৰ্বাহকৰ তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰিলে সেইসকল ডিগবৈ কলেজিয়ানলৈ প্ৰতিবেদনৰ আৰম্ভনিতেই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ডিগবৈ তথা দাঁতি কাষৰীয়া অঞ্চল-সমূহৰ শিক্ষা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ডিগবৈ মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনা বিভাগ-টোৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ এটাৰ সম্পাদক হৈ মহাবিদ্যালয়খনলৈ কি সেৱা আগবঢ়াব পাৰিলোঁ বা নোৱাৰিলোঁ সি বিচাৰ্য্য বিষয় আৰু তাক বিচাৰ কৰিব সংশ্লিষ্টসকলে। বিগত বছৰটোলৈ উভটি চাই মই ইয়াকে ক'ব বিচাৰিছোঁ যে মহাবিদ্যালয়ৰ সুনাম ৰক্ষা আৰু বিষয়টোৰ উত্তৰোত্তৰ উন্নতিৰ বাবে মই চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ।

তৃতীয় বিশ্বৰ গণতান্ত্ৰিক যুগত তৰ্ক আৰু আলোচনা বিষয়টোৱেই বিশ্বৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিভাগ বুলি ক'লেও অত্যুক্তি কৰা নহয়। ৰাজতন্ত্ৰৰ যুগত তৰোৱালৰ যিটো গুৰুত্ব আছিল গণতান্ত্ৰিক (প্ৰজাতন্ত্ৰ) দেশত যুক্তি, তৰ্ক, আলোচনা আৰু চিন্তা-চৰ্চাৰ সেই প্ৰাধান্য। অসমৰ ছাত্ৰ সমাজৰ লগতে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও যাতে ইয়াক গুৰুত্ব সহকাৰে উপলব্ধি কৰিব পাৰে তাৰ বাবে মই যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। সেয়ে মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু আলোচনা প্ৰতিযোগিতাত মোৰ ভাৰপ্ৰাপ্ত অধ্যাপকৰ লগত আলোচনা কৰি দুটা সহজ সৰল বিষয় উপস্থাপন কৰিছিলোঁ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাত্মক যোগদানে তৰ্ক আৰু আলোচনা বিষয়-টোৰ গুৰুত্ব, প্ৰয়োজনীয়তা আৰু উপকাৰিতা সম্বন্ধে সকলোকে অৱগত কৰায়। তৰ্ক প্ৰতি-যোগিতাৰ বিষয় আছিল "স্বায়ত্ব শাসনেই

অসমৰ জনজাতি সমস্যা সমাধানৰ একমাত্র উপায়" আৰু আলোচনা চক্রৰ বিষয় আছিল "কেন্দ্রীয় চৰকাৰৰ অর্থনৈতিক নীতিয়েই নিবনুৱা সমস্যাৰ বাবে দায়ী"। তুলনামূলকভাবে তর্ক প্রতিযোগিতাত প্রতিযোগীৰ সংখ্যা আনকেইটা প্রতিযোগীতাতকৈ বেছি আছিল। প্রশ্নোত্তৰ প্রতিযোগিতাৰ ক্রমবর্দ্ধমান জনপ্রিয়তাৰ বাবেই প্রতিযোগীদলৰ সংখ্যাও বৃদ্ধি পোৱাটো উল্লেখযোগ্য। মোৰ কার্য্য কালৰ সময় ছোৱাত বিভিন্নজনৰ পৰা পোৱা সহায়-সহযোগ আৰু পৰামর্শৰ কথা মোৰ মনত চিৰ সেউজীয়া হৈ ৰ'ব। ভাৰপ্রাপ্ত অধ্যাপক শ্রীযুত গুৰুপদ ভট্টাচার্য্য, সমৰেন্দ্র ভাগৱতী, হিতেন শর্মা চাৰৰ পৰা পোৱা দিহা পৰামর্শ আৰুসহায়ৰকথাকাহানিও পাহৰিব নোৱাৰিম। শেষত মহাভাৰতৰ পার্থ সাৰথিৰ দৰে গোটেই সময়ছোৱা সাৰথি হৈ নিচেই কাষত থাকি মোক দিহা পৰামর্শ আগবঢ়োৱা সর্বশ্রী নৃপুৰ বৰা, পৰাগ কুমাৰ নাথ, ৰঞ্জিত ফুকন আদিৰ লগতে অন্যান্য বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু অকৃপণ মৰম জনালোঁ। মোৰ কার্য্য-কাল বিশেষ কাৰণত সম্পূর্ণ নহ'ল। সেয়ে মই দুখিত।

সর্বশেষত মহাবিদ্যালয়খনিৰ সবাংগীন উন্নতি কামনা কৰি প্রতিবেদনৰ সামৰণি মাৰিলোঁ।

**জয়তু সদৌ অসম ছাত্র সন্থা**
**জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্র সন্থা**
**জয় আই অসম**

**শ্রীৰমেন বৰুৱা**

## ● সমাজ সেৱা বিভাগৰ প্রতিবেদন:

সবাংগ সুন্দৰ সমাজ এখন গঢ়িবলৈ জীৱ শ্রেষ্ঠ মানৱ হিচাপে বিভিন্ন সময়ত বিভিন্ন দায়িত্ব আহি পৰে। সেয়েহে সামাজিক উন্নতি তথা ডিগবৈ মহাবিদ্যালয়ৰ উন্নতি সাধনৰ প্রয়াসেৰে আপোনালোকৰ চেনেহ-আশীষলৈ বিনা প্রতিদ্বন্দিতাৰে সমাজ সেৱা বিভাগৰ সম্পাদক ৰূপে নির্বাচিত হৈছিলোঁ।

ঐতিহ্যমণ্ডিত ডিগবৈ মহাবিদ্যালয় ছাত্র সন্থাৰ ১৯৮৮-৮৯ চনৰ সাধাৰণ নির্বাচনত বিনা প্রতিদ্বন্দিতাৰে সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ যিসকল ছাত্র-ছাত্রী আৰু বন্ধু-বান্ধৱীয়ে এই অভাজনক এনে এটি গুৰুভাৰ ল'বলৈ তথা মহাবিদ্যালয়খনৰ সেৱা কৰিবলৈ সুযোগ আগবঢ়াই দিলে সেইসকললৈ এই চেগতে মোৰ আন্তৰিক শ্রদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

নির্বাচিত হোৱাৰ পাছত যোৱা ৫-১২-৮৮ তাৰিখে সম্পাদকৰ কার্যভাৰ গ্রহণ কৰি সমাজ সেৱাৰ ভিতৰ চ'ৰাত প্রবেশ কৰাৰ লগতে বছৰটোৰ বাবে মই মোৰ দায়িত্ব পালনত অগ্রসৰ হওঁ। অৱশ্যে সেই গুৰু দায়িত্ব বিভিন্ন কার্য্যাৱলীৰ মাজেদি কেনে দৰে পালন কৰিব পাৰিলোঁ তাৰ বিচাৰৰ ভাৰ থাকিল ছাত্র-ছাত্রীসকলৰ ওপৰত। আমি আমাৰ কর্তব্য যিমান পাৰো কৰি গৈছিলোঁ। কিন্তু এইটো অনস্বীকার্য্য যে ছাত্র-ছাত্রীসকলৰ সহায়-সহযোগিতাৰ অবিহনে এই দায়িত্ব পালন মোৰ বাবে সম্ভৱপৰ নহ'লহেঁতেন।

কার্য্যাৱলীত প্রথম পদক্ষেপ হিচাপে আমাৰ মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত চাফাই কামকে ধৰি বিভিন্ন কাম কৰিবলৈ স্থিৰ কৰিছিলোঁ। এই আশানুযায়ী মহাবিদ্যালয় সপ্তাহৰ আগে আগে ছাত্র-ছাত্রীসকলৰ সক্রিয় সহযোগত মহাবিদ্যালয় চৌহদৰ চাফাই কাম কৰাওঁ। মহাবিদ্যালয় সপ্তাহত সমাজ সেৱাত পাৰদর্শিতা দেখুওৱা ছাত্র-ছাত্রীসকলক একোখনকৈ প্রমাণ পত্র প্রদান কৰা হয়।

প্রতিবছৰৰ দৰে এই বছৰো সৰস্বতী পূজা আন কিবাৰতকৈ কিছু উলহ-মালহেৰে উদযাপন কৰা হয়। শিক্ষক আৰু ছাত্র-ছাত্রীসকলৰ

সহায়-সহযোগ আৰু উৎসাহ-উদ্দীপনাই সৰস্বতী পূজা পালনত সক্ৰিয় ভূমিকা লৈছিল।

মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন বিভাগৰ সম্পাদক বিভিন্ন প্ৰতিযোগিতাৰ কাৰ্য্যসূচী আদি চলাওতে পাৰ্য্যমানে সহায় সহযোগ আগ বঢ়াইছো। আমাৰ কাৰ্য্যকাল এতিয়াও শেষ হোৱা নাই। আমাৰ কাৰ্য্যকালৰ অনাগত সময়ছোৱাত মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিম বুলি প্ৰতিশ্ৰুতি দিলোঁ। দৃষ্টি থাকিলে লক্ষ্য নেহেৰায়।

বহুতো সমস্যাৰে জৰ্জৰিত ডিগবৈ মহাবিদ্যালয়খনৰ সবাংগীন উন্নতিৰ ক্ষেত্ৰত সকলোৱে চিন্তা-চৰ্চা কৰাৰ প্ৰয়াস কৰা উচিত। অসমৰ উত্তৰ-পূব কোণৰ প্ৰান্তীয় মহাবিদ্যালয় এখনক লৈ সকলোৰে আশা-আকাংখ্যা জড়িত হৈ আছে। সেয়ে এই মহাবিদ্যালয়খনৰ প্ৰতি শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা ৰাইজৰ দায়িত্ব আছে। এই দায়িত্ব অপৰিসীম। এই দায়িত্বৰ প্ৰতি কোনেও অৱহেলাৰ দৃষ্টি দিয়াটো উচিত নহয়।

প্ৰতিশ্ৰুতি দিয়াটো সহজ যদিও সীমিত সময় আৰু পুঁজিৰে কাৰ্য্যকালটো পাৰ কৰি নিয়াটো কিমান কঠিন তাক কেৱল ভুক্তভোগীসকলেহে উপলব্ধি কৰিব পাৰে। তথাপি প্ৰতিশ্ৰুতি পালনৰ দায়বদ্ধতাক আগত ৰাখি আমাৰ কাম-কাজত মনোনিবেশ কৰা হৈছিল।

সদৌ শেষত নানা ধৰণৰ পৰামৰ্শ দি সহায় কৰা সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত গিয়াচুদ্দিন আহমেদদেৱলৈ আৰু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত সমৰেন্দ্ৰ ভাগৱতীদেৱলৈ, লগতে মোৰ সকলো কাম-কাযতে দিহা-পৰামৰ্শ দি সহায় কৰা অগ্ৰজ প্ৰতিম ৰঞ্জন বড়ো, ৰঞ্জিত ফুকন, হিমেন গগৈ, অমূল্য বৰা, সুবীৰ ঘোষ, দীপেন কুমাৰ বড়া, ৰমেন বৰুৱা, নিয়ৰমণি দত্ত, নূপুৰ বৰা, পাৰমিতা নন্দী, ইন্দ্ৰানী বেনাৰ্জী, বিষ্ণুৰাম, কমলাকান্ত, নেকিবুৰ, মামণি শৰ্মা আদি বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ। আমাৰ কাৰ্য্যকালত অজানিতে হৈ যোৱা কোনো অজ্ঞাত ত্ৰুটি-বিচ্যুতিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। ডিগবৈ মহাবিদ্যালয়ৰ সবাংগীন উন্নতি কামনাৰে—

জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা।
জয়তু সদৌ অসম ছাত্ৰ সন্থা।
জয় আই অসম।

বিনীত,
**পৰাগ কুমাৰ নাথ**
সম্পাদক, সমাজ সেৱা বিভাগ
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা
১৯৮৮-৮৯ চন।

**"লুইতৰ আকাশত তৰাৰ তৰাৱলী,
পাৰত দীপাৱলী তেজেৰে মোৰ আই তই নাকান্দিবি
থাপনাত তেজেৰে বন্তি দিছোঁহি ল'ৰা-ছোৱালী তোৰ।"**

— জ্যোতি প্ৰসাদ

*With Best Compliments from :*

North Eastern Coalfields
**COAL INDIA LTD**
**MARGHERITA**

# WE

- **provide Energy**
- **help in improving quality of life**
- **generate Industrial development**
- **generate Employment opportunities**
- **contribute to Community Development**
- **contribute towards state economy**

**SERVE THE NATION**

---




Indian Oil Corporation Ltd.
**( ASSAM OIL DIVISION )**
DIGBOI-786 171

## OUR EX-EDITORS

| | | |
|---|---|---|
| 1. | Damboru Saikia | — 1972-73 |
| 2. | Siva Prasad Talukdar | — 1975-76 |
| 3. | Pradip Phukan | — 1976-77 |
| 4. | Ajit Kr. Bora | — 1978-79 |
| 5. | Ramesh Gogoi | — 1980-81 |
| 6. | Rabin Roy | — 1981-82 |
| 7. | Narendra Hazarika | — 1982-83 |
| 8. | Prabin Momin Rajkhowa | — 1983-84 |
| 9. | Arun Paul | — 1984-85 |
| 10. | Ranjit Phukan | — 1986-87 |
| 11. | Pabitra Kr. Gogoi | — 1987-88 |

**Editor of this issue—Dipen Kumar Borah.**